# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী

২০১১-১২ বর্ষ



তত্ত্বাৱধায়ক
ভাস্কৰজিৎ বৰা

সম্পাদক
প্ৰিয়ংকা দিহিঙীয়া

## স্মৰণীয় মুহূৰ্ত



প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ মুহূৰ্তত
মহাবিদ্যালয়ৰ
অধ্যক্ষ ড০ লাৱণ্য বুঢ়াগোহাঁই



মহাবিদ্যালয় সপ্তাহৰ
সাংস্কৃতিক অনুষ্ঠানৰ এটি দৃশ্যাংশ



মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰৰ একাংশ



মহাবিদ্যালয়ৰ পুথিভঁৰালৰ একাংশ



# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

২০১১-১২ বৰ্ষ

# ANNUAL MAGAZINE OF L. T. K. COLLEGE

*Session – 2011-12*

প্ৰীতি আৰু শ্ৰদ্ধাৰে,

প্ৰতি ..............................................................................................

..............................................................................................

সম্পাদক ঃ

প্ৰিয়ংকা দিহিঙীয়া

তত্ত্বাৱধায়ক ঃ

শ্ৰী ভাস্কৰজিৎ বৰা

**_Annual College Magazine of Lakhimpur Telahi Kamalaboria College (Session 2011-12) Edited by Priyanka Dhingia, Published by Magazine section of L.T.K. College Students Union. Printed at–Parijat Offset, North Lakhimpur, Assam._**


## সম্পাদনা সমিতি ঃ

মুখ্য উপদেষ্টা ঃ ড° লাৱণ্য বুঢ়াগোহাঁই

উপদেষ্টা ঃ ড° হামিদুৰ ৰহমান
অধ্যাপক বাহাৰুল ইছলাম
অধ্যাপিকা জুলি গোহাঁই নেওঁগ
অধ্যাপক বিজু সোনোৱাল
অধ্যাপিকা লিছামণি বৰুৱা গগৈ
অধ্যাপক দেৱজিত চেতিয়া

তত্বাৱধায়ক ঃ অধ্যাপক ভাস্কৰজিৎ বৰা

সম্পাদক ঃ প্ৰিয়ংকা দিহিঙীয়া

সদস্য ঃ ৰাম পেগু

স্কেচ ঃ ৰাজশেখৰ

মুদ্ৰণ ঃ পাৰিজাত অফ্‌চেট
পানীন্দ্ৰ পথ, উত্তৰ লক্ষীমপুৰ

স্থিৰচিত্ৰ ঃ দেৱানজী ষ্টুডিঅ'
উত্তৰ লক্ষীমপুৰ

## Editorial Board

Chief Adviser – Dr. Labanya Buragohain

Adviser – Dr. Hamidur Rahman
Prof. Baharul Islam
" Biju Sonowal
" Juli Gohai Neog
" Lisamoni Boruah Gogoi
" Debajit Chetia

Prof. In-charge – Bhaskarjit Borah

Editor – Priyanka Dhingia

Member – Ram Pegu

Printed – Parijat Offset
Panindra Road, North Lakhimpur

# শ্ৰদ্ধাঞ্জলি



*আমাৰ মাজৰ পৰা হেৰাই যোৱা সংগীতসূৰ্য ড° ভূপেন হাজৰীকা,*
*জ্ঞানপীঠ বঁটা প্ৰাপ্ত সাহিত্যিক ড° মামণি ৰয়ছম গোস্বামী,*
*সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য,*
*গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাচাৰ্য ড° দেৱ প্ৰসাদ বৰুৱা,*
*বৈষ্ণৱ পণ্ডিত সোনাৰাম চুতীয়া দেৱ,*
*আমাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰী বিভূ সোনোৱাল,*
*মল্লযোদ্ধা— অভিনেতা দাৰা সিং,*
*বাওঁপন্থী নেতা প্ৰমোদ গগৈৰ লগতে*
*অকালতে সন্ত্ৰাসবাদী হাতত প্ৰাণ হেৰুৱা*
*প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জনাইছোঁ।*

*—সম্পাদনা সমিতি*

# অভিনন্দন



আমি অভিনন্দন জনাইছোঁ অসম সাহিত্য সভাৰ সভাপতিৰ আসন শুৱনি কৰা বিশিষ্ট সাহিত্যিক **ইমৰান শ্বাহ,**
বকুল বনৰ বঁটা প্ৰাপ্ত **দুৰ্গা মালাকৰ,** অম্বিকাচৰণ বঁটা প্ৰাপ্ত **অৰুণ কুমাৰ ৰায়,**
**প্ৰণৱ বৰুৱা** বঁটা প্ৰাপ্ত ভাস্কৰ্য শিল্পীজনক **ঝংকাৰ নাৰ্জৰী,**
সাহিত্য অকাডেমী প্ৰাপ্ত সাহিত্যিক **চন্দনা গোস্বামী,**
ভাৰতীয় ভাষা পৰিষদৰ 'ৰচনা সমগ্ৰ পুৰস্কাৰ প্ৰাপ্ত ড° **লক্ষীনন্দন বৰা,**
পদ্মশ্ৰী বঁটা প্ৰাপ্ত **হেমেন্দ্ৰ প্ৰসাদ বৰুৱা, প্ৰবীনা শইকীয়া,**
সাহিত্যিক বঁটা প্ৰাপ্ত বিশিষ্ট ঔপন্যাসিকা ড° **অৰূপা পটংগীয়া কলিতা।**

*—সম্পাদনা সমিতি*

# কৃতজ্ঞতা

■ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা দেৱ

■ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লাৱণ্য বুঢ়াগোহাঁই বাইদেউ

■ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° হামিদুৰ ৰহমান ছাৰ

■ আলোচনীৰ তত্ত্বাৱধায়ক ভাস্কৰজিৎ বৰা ছাৰ আৰু সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া

■ মহাবিদ্যালয়ৰ চিৰপূজ্য শিক্ষাগুৰুসকল

■ দেৱানজী ষ্টুডিঅ'

■ পাৰিজাত অফ্চেটৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্মচাৰীবৃন্দ

সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

■ শেষত অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে পাঠকৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে—

*—সম্পাদিকা*




মাননীয় অধ্যক্ষ মহোদয়া
ড০ লাৱণ্য বুঢ়াগোঁহাই




মাননীয় উপাধ্যক্ষ মহোদয়
ড০ হামিদুৰ ৰহমান

# সম্পাদনা সমিতি



ড০ লাৱণ্য বুঢ়াগোঁহাই
মুখ্য উপদেষ্টা



ড০ হামিদুৰ ৰহমান
উপদেষ্টা



অধ্যাপক বাহাৰুল ইছলাম
উপদেষ্টা



অধ্যাপিকা জুলি গোঁহাই নেওগ
উপদেষ্টা



অধ্যাপিকা লিচামণি বৰুৱা গগৈ
উপদেষ্টা



অধ্যাপক দেবজিৎ চেতিয়া
উপদেষ্টা



অধ্যাপক ভাস্কৰজিৎ বৰা
তত্বাৱধায়ক



অধ্যাপক বিজু সোনোৱাল
উপদেষ্টা



প্ৰিয়ংকা দিহিঙীয়া
সম্পাদিকা



ৰাম পেগু
সদস্য

Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
**e.Mail: kkdekadu@yahoo.com**

No.DU/VC/073/12/1223

Date: 31.12.2012

## শুভেচ্ছা বাণী

প্ৰতি

ভাস্কৰজিৎ বৰা
তত্ত্বাৱধায়ক
সাহিত্য আৰু আলোচনী বিভাগ
লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
আজাদ, উত্তৰ লক্ষীমপুৰ

মৰমৰ ভাস্কৰজিৎ,

মই জানিবলৈ পাই আনন্দিত হৈছো যে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ২০১১-২০১২ বৰ্ষৰ আলোচনীখন প্ৰকাশৰ যো-জা কৰা হৈছে।

শিক্ষানুষ্ঠান এখনৰ আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ উপৰিও অনুষ্ঠানখনৰ বিভিন্ন তথ্যপাতি লিপিবদ্ধ কৰিব পাৰে। মই আশা কৰিছো লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ আলোচনীখনত গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব।

আলোচনীখনৰ এইবাৰৰ সংখ্যাটি সৰ্বাংগ সুন্দৰ হওক, তাৰে শুভ কামনাৰে ——

কন্দৰ্প কুমাৰ ডেকা ৩১/১২/১২
(কন্দৰ্প কুমাৰ ডেকা)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# অধ্যক্ষৰ একলম

ব্রহ্মপুত্র উপত্যকাৰ এখনি উল্লেখযোগ্য উচ্চ শিক্ষাৰ প্রতিষ্ঠান লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়। ১৯৭৭ চনৰ ২২ আগষ্টৰ কোনো এক পবিত্র ক্ষণত প্রতিষ্ঠা হোৱাৰ এই শিক্ষানুষ্ঠানখনে ইতিমধ্যে সগৌৰৱে কেইবাটাও বসন্ত অতিক্রম কৰিলে। লক্ষীমপুৰ, তেলাহী আৰু কমলাবৰীয়া এই তিনি মৌজাৰ সংযোগ স্থলত অৱস্থিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়। লক্ষীমপুৰ গ্রাম্যাঞ্চলত প্রতিষ্ঠিত এই মহাবিদ্যালয়খনে কলা আৰু বিজ্ঞান শাখাত পাঠদান অব্যাহত ৰাখিছে। ছাত্র-ছাত্রীসকলৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলে নিদিষ্ট পাঠ্যক্রমৰ উপৰি অন্যান্য দিশত বিভিন্ন কাৰ্যসূচী হাতত লোৱা দেখা গৈছে। ইয়াৰ সমান্তৰালভাৱে মহাবিদ্যালয় এন, এচ, এচ কেম্পৰ জৰিয়তে লক্ষীমপুৰ জিলাৰ অতি পিছপৰা বানপীড়িত অঞ্চলত স্বাস্থ্য-সজাগতা সম্পৰ্কীয় আৰু বানপীড়িত লোকসকলক বিভিন্ন প্রকাৰে সাহাৰ্য প্রদান কৰি আহিছে।

বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু অসম চৰকাৰৰ পৰা লাভ কৰা অৰ্থ সাহাৰ্য্যৰে মহাবিদ্যালয়খনিক আটক ধুনীয়া কৰি সজোৱাৰ লগতে ছাত্র-ছাত্রীসকলৰ সকলোখিনি সুবিধা উপলব্ধ কৰাবলৈ চেষ্টা কৰা হৈছে। ইতিমধ্যে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ পৰা লাভ কৰা অৰ্থৰে এথ্‌লেটিক ট্রেকখনিৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ইনড'ৰ ষ্টেডিয়ামৰ কামো প্রায় সমাপ্তৰ পথত।

মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ প্রতিভা বিকাশৰ বাবে বাৰ্ষিক ক্রীড়া সপ্তাহৰ লগতে বিভিন্নধৰণৰ অনুষ্ঠান আয়োজন কৰা হয়। ছাত্র-ছাত্রীসকলৰ সাহিত্যৰ বিকাশৰ থলী মহাবিদ্যালয়ৰ আলোচনীখন। মহাবিদ্যালয়ৰ তৰফৰ পৰা আলোচনী প্রকাশৰ ব্যৱস্থা কৰি অহা হৈছে। এই বছৰৰ আলোচনী প্রকাশৰ বাবে অসম চৰকাৰে মহাবিদ্যালয়সমূহলৈ এক লাখ টকাৰ অৰ্থ সাহাৰ্য প্রদান কৰিছে। এই আপাহতে মহাবিদ্যালয়ৰ তৰফৰ পৰা অসম চৰকাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১১-১২ বৰ্ষ আলোচনীখন প্রিয়ংকা দিহিঙীয়াৰ সম্পাদনাৰ প্রকাশৰ বাবে কৰা চেষ্টাৰ আমি শলাগ লৈছো। আশাকৰোঁ আলোচনীখনে এক নতুন বৌদ্ধিক বাৰ্ত্তা কঢ়িয়াই আনক, ন-ন প্রতিভাৰ উদ্ভাসিত হওঁক। অশেষ শুভ কামনাৰে—

(signature)

**ড° লাৱণ্য বুঢ়াগোহাঁই**
অধ্যক্ষ, লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
আজাদ, লক্ষীমপুৰ।



# সত্যমেৱ জয়তে

দেশৰ সমাজ ব্যৱস্থাক শিক্ষাৰ পোহৰেৰে আলোকিত কৰি এখন শুদ্ধ সমাজ গঢ়াৰ দায়িত্ব আজি আহি পৰিছে যুৱপ্ৰজন্মৰ ওপৰত। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ ওপৰতে ব্যস্ত নাথাকি সমাজ ব্যৱস্থাৰ সুফলসমূহ প্ৰত্যক্ষ কৰি নিজকে এজন আগৰণুৱা হিচাপে চিহ্নিত কৰিবলৈ চেষ্টা কৰা উচিত। শিক্ষিত সমাজ এখন গঢ় দিবলৈ যুৱপ্ৰজন্মৰ বহু কৰণীয় আছে, সময়ৰ শৰ সময়ত মাৰিলেহে ইয়াৰ ফল পোৱা যায়। বৰ্তমান ঘৰখনৰ লগত সমাজখনৰ শিক্ষাৰ দাবানল জ্বলাব পাৰিলেহে এখন সু-শিক্ষিত সমাজ আশা কৰিব পাৰোঁ। বৰ্তমান সময়ত শিশু আৰু নাৰীজনিত অপৰাধে দেশৰ এমূৰৰ পৰা সিমূৰলৈ চানি ধৰিছে, ই নিশ্চয় সু-শিক্ষাৰ অভাৱৰেই ফল.......... "শিক্ষাই মানৱ জাতিক ব্যাধিসমূহৰ পৰা আঁতৰত ৰখাৰ লগতে অপৰাধজনিত কাৰ্য পৰাও আঁতৰত ৰাখে"..........."শিক্ষাই মানৱ জাতিক স্বনিৰ্ভৰশীল হোৱাৰ লগতে কৰ্মৰ প্ৰতি আগ্ৰহ বঢ়ায়" .....ইয়াৰ উপৰি শিক্ষাই মানৱ জাতিলৈ আগবঢ়ায় অধিক দিন জীয়াই থকাৰ মানসিকতা"

ওপৰোক্ত উক্তি কেইটা মোৰ নিজস্ব মত পাঠক সমাজলৈ বিশ্লেষণাত্মক দৃষ্টিভংগীৰে অনুধাৱন কৰিবৰ বাবে এই লিখনিৰ জৰিয়তে আগবঢ়ালো।

অসমীয়া জাতিয়ে অসমৰ ভাষা-সংস্কৃতি বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ যি প্ৰয়াস চলাইছে ই অতি গৌৰৱৰ কথা। এটা জাতিৰ ভাষা-সংস্কৃতিক বিশ্বৰ দৰবাৰলৈ লৈ যোৱাৰ প্ৰয়াসত যিসকল স্বনাম ধন্য ব্যক্তিৰে সাহিত্য সংস্কৃতিলৈ যি অপূৰণীয় অৱদান সেয়া যে আমি কাহানিও কোনো দিনেই পাহৰিব নোৱাৰো। লগতে সেইসকল মহান ব্যক্তিলৈ কৃতজ্ঞতা জনালো। অসমীয়া জাতিৰ ভাষা-সংস্কৃতিৰ মাজেৰে সাহিত্যৰ ভঁৰাল চহকী কৰাৰ প্ৰয়াসক যুৱপ্ৰজন্মৰ আৰ্দশগত শিক্ষাৰে অনুপ্ৰাণিত হৈ নতুন সাহিত্য সংস্কৃতি সু-দৃষ্টিৰ দ্বাৰা নিজৰ অৱদান আগবঢ়াই যাব এইয়ে আমাৰ কাম্য।

বৰ্তমান একবিংশ শতিকা বিজ্ঞানৰ যুগ। বিশ্বৰ ঠায়ে ঠায়ে নতুন প্ৰযুক্তিৰে ন ন আবিষ্কাৰে বিশ্ববাসীক চমক লগাবলৈ সক্ষম হৈছে। এনে সময়ত আমাৰ ভাৰতবৰ্ষও পিছপৰি থকা নাই, যদিও মাতৃভূমি অসম আজি বহু পিছ পৰি আছে। নিবনুৱা, প্ৰাকৃতিক দুৰ্যোগ, বানপানী, গৰাখহনীয়া আৰু বিদেশী সমস্যাই অসমক কোঙা কৰিছে। উক্ত সমস্যাসমূহ সমাধান নোহোৱা পৰ্যন্ত দেশ ফুলবাৰী হোৱাৰ সপোন, সপোন হৈ ৰব। আজি মহাবিদ্যালয়সমূহৰ অধ্যয়নত যুৱপ্ৰজন্মই প্ৰযুক্তিগত শিক্ষা আহৰণৰ জৰিয়তে দেশৰ মহান স্বাৰ্থলৈ লক্ষ্য ৰাখি এনে সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আগভাগ লৈ দেশৰ হকে কাম কৰি যাব। লগতে আমাৰ মহাবিদ্যালয়ৰ সমূহত উদ্যোগজনিত প্ৰশিক্ষণ বা পাঠ্যক্ৰমৰ বিভাগ বাধ্যতামূলক কৰিব পাৰিলে যুৱপ্ৰজন্ম স্ব-নিৰ্ভৰশীল হোৱাত সহায়ক হ'ব।

আনন্দৰাম ঢেকিয়ালফুকনদেৱে দেখা সপোনক আজি অসমীয়া জাতিয়ে বাস্তৱিক ৰূপ দিব নোৱাৰিলে সচাঁই অসম, অসমীয়াৰ অস্তিত্ব নাইকিয়া হ'ব। পৰিৱৰ্তনশীল সমাজৰ উন্নতিৰ সাধনৰ হকে বৰ্তমানৰ যুৱপ্ৰজন্মই সকলো দিশৰ বোজা কাণপাতি ল'ব লাগিব। পৰিৱৰ্তনৰ ধুমুহা বোৱাব লাগিব। পৰিবৰ্তনৰ বীজ প্ৰতিজন অসমীয়াৰ হৃদয়ত সুমুৱাই দিব লাগিব, তেতিয়াহে আমাৰ জয় নিশ্চিত। মহাবিদ্যালয়ৰ মুখপত্ৰ মানেই হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাশীল মনোভাৱক বিকশিত কৰাৰ লগতে নিজকো সৃষ্টিশীল গৰাকীৰ কৰি তোলাত সৰ্বাংগ সুন্দৰ আলোচনী প্ৰকাশৰ যি সপোন দেখিছিলো তাক বাস্তৱায়িক ৰূপ দিব নোৱাৰিলো। ভবা কথা সহজ কিন্তু কৰ্ম ক্ষেত্ৰত বহু জটিলতা আছে। এখন সুন্দৰ আলোচনীৰ বাবে প্ৰয়োজনীয় উপযুক্ত সমল মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা লাভ কৰিব নোৱাৰিলো। তথাপিও যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সৃষ্টিশীল সাহিত্যৰ সমল আগবঢ়ালে তেখেতসকললৈ মোৰ আন্তৰিক অভিনন্দন যাচিলোঁ।

শেষত অনিচ্ছাকৃত ভুল-ক্ৰুতি বাবে পাঠক সমাজৰ ওচৰত ক্ষমা বিচাৰিছো —

প্ৰিয়ংকা দিহিঙীয়া
সম্পাদক
সাহিত্য আৰু আলোচনী বিভাগ

# সূচীপত্ৰ

## প্ৰবন্ধ


- দেশ-বিদেশ ভ্ৰমণৰ মধুৰ সোঁৱৰণ // পৃঃ ১ // ড° লাৱণ্য বুঢ়াগোহাঁই
- দুৰ্যোগ ব্যৱস্থাপনা // পৃঃ ৭ // Dr . H . Rahman.
- ৰঘুনাথ চৌধাৰীৰ // পৃঃ ১০ // ভাগ্যশ্ৰী
- দুলুং সংৰক্ষিত বনাঞ্চল // পৃঃ ১২ // জুলি গোহাঁই
- ফাগুণৰ কবিতা // পৃঃ ১৭ // গীতাশ্ৰী দেৱী
- অসমীয়া সাহিত্যত প্ৰবাহ প্ৰবচন, ডাকৰ বচন, আৰু ফকৰা যোজনাৰ গুৰুত্ব // পৃঃ ১৯ // গুণীন্দ্ৰ কুমাৰ ফুকন
- সুস্থ সামাজিক বাতাবৰণ // পৃঃ ২১ // পৰাগ দত্ত
- হাওৰা ষ্টেচনত // পৃঃ ২২ // প্ৰভাৱ শইকীয়া
- গণিতজ্ঞ এবেল // পৃঃ ২৪ // দাদুল বৰুৱা
- আধুনিকীকৰণ আৰু ভাৰতত ইয়াৰ প্ৰভাৱ // পৃঃ ২৬ // অল্পনা বৰা
- সুধাকণ্ঠ // পৃঃ ২৭ // ড° ভূপেন হাজৰীকা দেৱক সুৱঁৰি
- লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য প্ৰতিভা // পৃঃ ২৮ // পুজা নাথ
- অনুভৱৰ অন্য নাম চোতাল // পৃঃ ২৯ // নাৰায়ণ চন্দ্ৰ বৰুৱা
- নামঘোষা // পৃঃ ৩২ // দিম্পী শৰ্মা
- Assamese Society & Women // পৃঃ ৩৪ // Dr Rvnali Goswami.
- অসমৰ বৃহৎ নদীবান্ধ // পৃঃ ৩৬ // হেমন্ত হাজৰীকা
- বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা // পৃঃ ৩৮ // প্ৰিয়ংকা দত্ত
- অকিৰ্ড সংৰক্ষণ // পৃঃ ৩৯ // ইন্দ্ৰাণী দেৱী
- কৈশোৰ কাল জীৱন গঢ়াৰ প্ৰকৃত সময় // পৃঃ ৪১ // প্ৰাঞ্জল দাস
- অসমীয়া সাহিত্য-সংস্কৃতিলৈ //পৃঃ ৪২ // গুণীন্দ্ৰ কুমাৰ ফুকন
- দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰাৰ্থমিক ধাৰণা // পৃঃ ৪৪ // অবিনাশ দলে
- What is Science // পৃঃ ৪৫ // Jitumoni Borah
- শংকৰী সংস্কৃতি // পৃঃ ৪৬ // ৰশ্মি শইকীয়া
- মনোবিজ্ঞান // পৃঃ ৪৮ // ৰীমা শইকীয়া
- সাক্ষাৎকাৰ- আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন উদ্ভাৱক উদ্ধৱ ভৰালীৰ সৈতে // পৃঃ ৪৯ // বাহাৰুল ইছলাম, ভাস্কৰজিৎ বৰা
- মহাকাশেই আমাৰ ভৱিষ্যত // পৃঃ ৫০ // নিহাৰীকা শইকীয়া
- My Dream Indian IDOL // পৃঃ ৫৩ // মানসজ্যোতি বৰা
- তাজমহল // পৃঃ ৫৪ // দীপাংকৰ দত্ত
- AIDS // পৃঃ ৫৫ // সত্যজিৎ গগৈ
- মিচিং সমাহৰ কৰ্ম // পৃঃ ৫৭ // মাধুৰ্য দলে
- সাম্প্ৰতিক কালত যুব প্ৰজন্মৰ উশৃংখলতা // পৃঃ ৫৯ // লিপিকা শইকীয়া
- পঞ্চায়ত নিৰ্বাচন আৰু অসমৰ ৰাজনৈতিক দলসমূহৰ ভূমিকা // পৃঃ ৬১ // জ্যোতিস্মৃতা দত্ত
- Origin and Development of Assamese Prose Literature : upto 18th Century // পৃঃ ৬৩ // Lila Borah Retd. Professor. L. T. K. College.


## প্ৰাচীৰ শিল্প


- শিষ্টাচাৰ // পৃঃ ৬৭ // প্ৰজ্বলীতা Edu
- ভাগ্যহীন জীৱনৰ সুৰহীন // পৃঃ ৬৮ // Rituraj – Pol Sc.
- আব্দুল মালিকৰ উপন্যাস // পৃঃ ৬৯ // Munindra Kalita – Ass.
- শালীনতা // পৃঃ ৭০ // Dipanti Payeng – Science.
- মহান বিজ্ঞানীৰ ৰসাল কাহিনী // পৃঃ ৭১ // Robindra Das – Zoology.
- দুনীতিৰ ছাত্ৰ সমাজৰ কতবা //পৃঃ ৭২ // Himashree Das PolSc.
- বিৰোধীহীন অসমৰ চৰকাৰ কোন দিশে // পৃঃ ৭৩ // Rituraj Pol.Sc.
- গল্প-স্মৃতিক পাহৰিব নোৱাৰি // পৃঃ ৭৪ // Sabita Kalita – Edu.
- আত্মসংযম // পৃঃ ৭৫ // Namita Borah.
- জীৱন একসংগ্ৰাম // পৃঃ ৭৬ // Tarun Gogoi – Edu.
- হেৰুৱা সত্ত্বাৰ সন্ধানত // পৃঃ ৭৭ // Manmayri Nath – Soc.
- কলমৰ উদ্ভাৱন // পৃঃ ৭৮ // দিপাংকৰ দত্ত
- "নঞৰ্থক" মনৰ মানুহৰ পৰা দূৰত থাকিব // পৃঃ ৭৯ // শ্যাম দাস
- বেদনা // পৃঃ ৮০ // Namita Borah.
- The Night of my death // পৃঃ ৮০ // Pahari Borah – Soc.



## গল্প


- ৰজাৰ মৃত্যুত // পৃঃ ৮২ // ৰমেশ কুমাৰ কাকতি
- এচেৰেঙা ৰ'দালিৰ লুকাভাকু // পৃঃ ৮৫ // কল্পনা বৰা
- আহাৰ // পৃঃ ৮৭ // হেমন্ত হাজৰিকা
- বনফুলৰ সুৰীয়া সুবাস // পৃঃ ৮৯ // তৰুণ গগৈ
- সন্দেহৰ চাকনৈয়াত // পৃঃ ৯১ // ৰাজশ্ৰী বৰা
- স্বপ্ন দুস্বপ্ন // পৃঃ ৯২ // পাৰ্থপ্ৰতীম দাস


## কবিতা


- অনুভৱ // পৃঃ ৯৬ //
- তুমি // পৃঃ ৯৬ //
- এল, টি-কলেজৰ অজ্ঞাত প্ৰেমিক
- দুখৰ ছাঁ // পৃঃ ৯৭ //
- হে সুন্দৰ // পৃঃ ৯৮ //
- এজোপা গছ হ'ব খুজিছে // পৃঃ ৯৮ //
- শ্বহীদ তৰ্পন // পৃঃ ৯৯ //
- এটা মায়াবী মাতে // পৃঃ ৯৯ //
- যাত্ৰী // পৃঃ ১০০ //
- সাম্প্ৰদায়িকতা // পৃঃ ১০০ //
- ছন্দবিহীন // পৃঃ ১০১ //
- নিসংগভীৰ সন্ধিয়া // পৃঃ ১০১ //
- বিষাদ সুচোৱাৰ আশা // পৃঃ ১০২ //
- কথাবোৰ গোপন হৈ থকা নাই // পৃঃ ১০২ //
- মৃত্যু // পৃঃ ১০৪ //
- শীতৰ দিনৰ সংগোপন // পৃঃ ১০৩ //
- নিশাৰ উচুপনি // পৃঃ ১০৫ //
- বেদনা // পৃঃ ১০৪ //
- Hpoe //পৃঃ ১০৬ //
- সপোন আছে বাবেই // পৃঃ ১০৫ //
- বৰষুণ নিস্তব্ধতা // পৃঃ ১০৭ //
- পূৰ্ণিমা জোনাকৰ নীৰৱ গধূলি //পৃঃ ১০৬ //
- সম্পাদকীয় প্ৰতিবেদন // পৃঃ ১০৯-১১২ //
- লিমাৰিক // পৃঃ ১০৭ //
- তত্ত্বাৱধায়কৰ একলম // পৃঃ ১১৩ //

# চিন্তাশিল্প




# দেশ-বিদেশ ভ্ৰমণৰ মধুৰ সোঁৱৰণ

ড° লাৱণ্য বুঢ়াগোহাঁই
অধ্যক্ষ

নেদেখা ঠাই দেখা, নজনা কথা জনাৰ আগ্ৰহ কম-বেছি পৰিমাণে প্ৰায় মানুহেই মনত পুহি ৰাখে। আমিও তেনে আশা মনত লৈ যেতিয়াই সুযোগ আৰু সুবিধা পাইছোঁ তেতিয়াই ওচৰতে হওক বা দূৰৈতে হওক নতুন ঠাইলৈ আগ্ৰহেৰে ঢাপলি মেলিছোঁ। ভাৰতৰ প্ৰায় কেইখন ৰাজ্যৰ বিশেষ বিশেষ স্থানসমূহ দৰ্শন কৰাৰ সৌভাগ্য হ'ল যদিও যোৱা ২০১১ বৰ্ষৰ মাৰ্চ মাহত পঞ্জাৱৰ জলন্ধৰ, ২০১২ চনৰ মাৰ্চ মাহত জম্মু আৰু সেই চনৰে জুলাই মাহত কৰা পেৰিচ আৰু চুইজাৰলেণ্ড ভ্ৰমণৰ অভিজ্ঞতা আৰু মধুৰ স্মৃতি যেন মানস পটত সদায়ে শাশ্বত হৈ থাকিব। লগতে এইটোও উল্লেখ কৰা ভাল হ'ব যে ড° বন্তিৰাণী গগৈ আৰু মই ভ্ৰমণৰ কাৰণে কৰা পৰিকল্পনা অমৃতসৰৰ পৰা পেৰিচলৈ সম্বন্ধ আছে। অমৃতসৰৰ পৰা গুৱাহাটীলৈ আহোতে প্ৰায় পাঁচ ঘণ্টা সময় দিল্লীৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ৰ'বলগা হৈছিল। কথা প্ৰসংগত দুয়োজনীয়ে সিদ্ধান্ত লৈছিলো যে অতি সোনকালে আমি বৈষ্ণু দেৱীৰ মন্দিৰ দৰ্শন কৰিম আৰু পাৰিলে বিদেশৰ যেইকোনো এখন ঠাইলৈ যাম। আমাৰ মনৰ কথা যেন মা বৈষ্ণু দেৱীয়ে শুনিলে। খুউব ওচৰা ওচৰিকৈ বৈষ্ণুদেৱীৰ মন্দিৰ দৰ্শন ও বিদেশ ভ্ৰমণৰ সুযোগ ওলাল।

মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব লোৱাৰ পিছতেই আমি ইণ্ডিয়ান কলেজ ফ'ৰাম (ICF)ৰ সদস্যভুক্তি হৈছিলো আৰু ভাৰতৰ বিভিন্ন ঠাইত ইণ্ডিয়ান কলেজ ফ'ৰামৰ বাৰ্ষিক সভা অনুষ্ঠিত হোৱাৰ সুবিধাতে অন্যান্য ৰাজ্যৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ লগতে ঠাইখনৰ পৰ্যটনৰ বিভিন্ন বিভাগৰ ঠাইসমূহ চোৱাৰ সৌভাগ্য হয়। বিশেষকৈ গুজৰাট, তামিলনাডুৰ কম্বাইটোৰ, মুম্বাই, পণ্ডিচেৰী, জম্মু-কাশ্মীৰৰ দৰ্শন কলেজ ফ'ৰামৰ যোগেদিয়েই হৈছিল। অৱশ্যে ২০১১ চনৰ অক্টোবৰ মাহত পঞ্জাৱৰ জলন্ধৰলৈ যোৱাৰ উদ্দেশ্য আছিল আন্তঃৰাষ্ট্ৰীয় এখন চেমিনাৰত অংশ গ্ৰহণ কৰা। জলন্ধৰৰ কন্যা মহাবিদ্যালয়ে ১২৫ বৰ্ষপূৰ্তি উপলক্ষ্যে ইংৰাজী ২০/১০/২০১১ আৰু ২১/১০/২০১১ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে এখন আন্তঃৰাষ্ট্ৰীয় মহিলা আলোচনাচক্ৰ আয়োজন কৰিছিল। উক্ত চেমিনাৰত অসমৰ গোলাঘাট জিলাৰ হেমপ্ৰভা বৰবৰা কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষা ড° বন্তিৰাণী গগৈ আৰু মই যুটীয়াভাৱে এখন গৱেষণা পত্ৰ দাখিল কৰিছিলো। সেইসূত্ৰে ইংৰাজী ১৯/১০/২০১১ তাৰিখে গৈ ভাৰতৰ ভিতৰতে বৃহত্তম খেল সামগ্ৰী নিৰ্মাণৰ কাৰণে বিখ্যাত ঠাইখনত উপস্থিত হৈছিলোগৈ। ভালদৰে যাতায়াতৰ লাগতিয়াল কথাসমূহ চাই-চিতি নল'লে কেনে অসুবিধাৰ সন্মুখীন হ'বলগা হয় সেইদিনাহে বাৰুকৈ অনুভৱ কৰিছিলো। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান কোঠৰ পৰা জেট বিমানেৰে আবেলি গৈ ৰাতি ৯ বজাত অমৃতসৰৰ ৰাজা সান্সী (Raja Sansi) বিমান বন্দৰত উপস্থিত হৈ জলন্ধৰৰ কন্যা মহাবিদ্যালয়লৈ যোৱাৰ বাবে গাড়ী বিচাৰোতেহে জানিব পাৰিলো যে অমৃতসৰৰ পৰা জলন্ধৰলৈ প্ৰায় নবৈ কিলোমিটাৰ। মহাবিদ্যালয়খনে নিমন্ত্ৰণী পত্ৰ দিওঁতে উল্লেখ কৰিছিল যে স্থানীয় ৰেল, গাড়ী আস্থানসমূহ অৰ্থাৎ জলন্ধৰৰ পৰা প্ৰতিনিধিসকলৰ নিজৰ গাড়ীৰে মহাবিদ্যালয়খনলৈ নিয়াৰ ব্যৱস্থা কৰিব। গতিকে অমৃতসৰৰ পৰা জলন্ধৰলৈ নিয়াৰ দায়িত্ব সমিতিৰ হাতত নাই। আমাৰ নিজৰ ভুলটোৰ কথা ভাবি লজ্জিত হ'লো। বিমান বন্দৰত ৰৈ থাকোতেই ৰাতি ১০.৩০ বাজি গ'ল। শেষত আয়োজক সমিতিৰ পৰামৰ্শ মতে এখন প্ৰিপেইড টেক্সী লৈ ড° বন্তিৰাণী গগৈৰ সৈতে অচিনাকি এখন ঠাইলৈ অচিনাকি ড্ৰাইভাৰজনৰ লগত গন্তব্য স্থানলৈ ৰাওনা হ'লো।



ভয় আৰু শংকাৰে আঢ়ৈ ঘণ্টীয়া যাত্ৰা অন্ত পেলাই ৰাতি ১২.৩০ বজাত আমাৰ বাবে বন্দবস্ত কৰি দিয়া হোটেলত উপস্থিত হৈহে স্বস্তিৰ নিশ্বাস পেলালো।

পুৱা ৯.০০ বজাৰ পৰা চেমিনাৰ আৰম্ভ হ'ল। ১২৫ বৰ্ষ গৰকা কন্যা মহাবিদ্যালয়খন দেখি আৰু অধ্যক্ষ প্ৰমুখ্যে শিক্ষক, কৰ্মচাৰী, ছাত্ৰীসকলৰ কৰ্মোদ্যম আৰু শৃংখলাবোধ, আদৰ-আপ্যায়নে আমাক এক বুজাব নোৱাৰা আনন্দ ও দায়িত্ববোধৰ শিক্ষা দিলে। বৃটিছৰ ঔপনিবেশ থকাৰ সময়তে স্ত্ৰী শিক্ষাৰ বাবে প্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনে অতীতৰ ঐতিহ্য আৰু গৰিমা ধাৰাবাহিকভাৱে অক্ষুণ্ণ ৰাখিছে। বিদ্যালয়তনিক সা-সুবিধাসমূহো আমাৰ অসমৰ বহুত মহাবিদ্যালয়সমূহত এতিয়াও গঢ় লৈ উঠা নাই। উল্লেখ কৰা ভাল হ'ব যে, আধুনিকতাই সকলো ঠাইতে সকলো বিষয়তে স্পৰ্শ কৰিছে যদিও এই মহাবিদ্যালয়খনে অতীত ঐতিহ্য ৰক্ষাৰ্থে সপ্তাহটোৰ প্ৰতি মঙ্গলবাৰে এতিয়াও শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকলে বিশুদ্ধ খাদী বস্ত্ৰ পৰিধান কৰাৰ নিয়ম পালন কৰি আহিছে। মহাবিদ্যালয়খনৰ মূল অডিটৰিয়ামৰ বাদেও প্ৰতিটো বিভাগতে থকা চেমিনাৰ কক্ষসমূহত দুয়োদিনেই চেমিনাৰ অনুষ্ঠিত হৈছিল। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত হোৱা বিষয়টোৰ ওপৰত বিভিন্ন ঠাইৰপৰা ভালেসংখ্যক গৱেষণা পত্ৰ অহাৰ বাবেই এনে ব্যৱস্থা কৰা হৈছিল।

চেমিনাৰ শেষ হোৱাৰ পিছত আবেলি আমি অমৃতসৰলৈ বুলি ৰাওনা হ'লো। গধূলি অমৃতসৰত স্বৰ্ণমন্দিৰ দৰ্শনৰ বাবে ওলালো। শাৰী সশাৰী দৰ্শকৰ ভিৰৰ মাজেৰে আমি স্বৰ্ণ মন্দিৰত প্ৰৱেশ কৰি গুৰুদ্বাৰ দৰ্শন কৰি অভিভূত হ'লো। প্ৰতিদিনে স্বৰ্ণমন্দিৰৰ হাজাৰ হাজাৰ দৰ্শনাৰ্থীয়ে কৰা বিনামূলীয়া ভোজন গ্ৰহণ সঁচাকৈয়ে চাবলগীয়া।

ইয়াৰ পিছদিনা আমি জালিয়ানাবাগ চাবলৈ ওলালো। ১৯১০ চনৰ ১৩ এপ্ৰিলত হোৱা জালিয়ানাবাগৰ হত্যাকাণ্ডই ভাৰতীয় জাতীয় আন্দোলনৰ ইতিহাসৰ সূতি ত্বৰান্বিত কৰি তুলিছিল। ৰাওলাট আইনৰ বিৰুধিতা কৰা পঞ্জাৱৰ দুজন জনপ্ৰিয় নেতা ডাঃ চৈফুদ্দিন কীচ্‌লু আৰু ডঃ সত্য পালক বৃটিছ কৰ্তৃপক্ষই কোনো অজ্ঞাত স্থানলৈ নিৰ্বাসিত কৰাত



পঞ্জাৱৰ চৌদিশে উত্তেজনা বৃদ্ধি হয়। ইয়াৰ প্ৰতিবাদ জনাবলৈকে প্ৰায় দহ হাজাৰ লোক অমৃতসৰৰ পূব দিশত অৱস্থিত জালিয়ানাবাগ নামৰ এক অট্টালিকা বেষ্টিত উদ্যানত ১৩ এপ্ৰিলৰ দিনা সমবেত হৈছিল। জেনেৰেল ডায়াৰৰ নিৰ্দেশত আগতীয়া কোনো জাননী নিদিয়াকৈয়ে বৃটিছ সেনাবাহিনীয়ে সমবেত নিৰস্ত্ৰ জনতাৰ ওপৰত প্ৰায় দহ মিনিট গুলী চলালে। ঐতিহাসিক জালিয়ানাবাগৰ হত্যাকাণ্ডৰ জীৱন্ত ছবি এখন এতিয়াও যেন তাত প্ৰতিফলিত হৈ আছে। বৃটিছ বিষয়া জেনেৰেল ডায়াৰৰ নিৰ্দেশত নিৰ্বিচাৰ গুলী বৰ্ষণত ধাৰাসীয়া হৈ সেই ঠাইত থকা কুঁৱাৰ জাপ দি মৃত্যুবৰণ কৰা ভাৰতৰ জাতীয় সেনানীৰ স্মৃতি বিজড়িত কুঁৱাটো এতিয়াও সংৰক্ষিত হৈ আছে আৰু আছে যি ঠাইৰ পৰা ডায়াৰে গুলী চালনাৰ নিৰ্দেশ দিছিল।

অমৃতসৰত থাকোতে আমি দৰ্শন কৰা এক উল্লেখযোগ্য ঠাই হৈছে ভাৰত-পাকিস্তান ৱাঘা সীমান্ত। ভাৰতৰ স্বাধীনতা লাভৰ পিছৰপৰা অব্যাহত 'Retreat Ceremony' চাবলৈ প্ৰতিদিনে হাজাৰ হাজাৰ দৰ্শকে আহি ভিৰ কৰেহি। সীমান্ত চকীত বাজি থকা দেশ প্ৰেমমূলক গীত আৰু দুন্দুভি, সীমান্তৰক্ষীসকলৰ কুচকাৱাজ চাই কেনে ভাৱ মনলৈ আহে তাক বুজোৱা টান।



ইংৰাজী ২৩/১০/২০১১ তাৰিখে পূব অমৃতসৰৰ বিমান বন্দৰৰ পৰা দিল্লীলৈ আৰু দিল্লীৰ পৰা আহি গুৱাহাটীত উপস্থিত হ'লোহি। ইতিমধ্যে আমি উল্লেখ কৰিছো যে দিল্লীৰ বিমান বন্দৰতে আমি বৈষ্ণু মন্দিৰ দৰ্শনৰ পৰিকল্পনা কৰিছিলো। ঘৰলৈ আহি দেখিলো যে Indian College Forum ৰ বাৰ্ষিক অধিৱেশন এইবাৰ জন্মু বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'ব। নিমন্ত্ৰণী পত্ৰখন পাই আনন্দত মন নধৰা হ'ল। পুনৰ বন্তি গগৈৰ লগত জন্মুলৈ যোৱাৰ যোগাযোগ কৰিলো। অৱশ্যে এইবাৰ আমাৰ লগত সংগ দান কৰিছিল আমাৰ স্বামী ড° কুল প্ৰসাদ গগৈ, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মূৰব্বী অধ্যাপক আৰু সেই মহাবিদ্যালয়ৰে অধ্যক্ষ ড° মনোৰঞ্জন পণ্ডিতৰ লগতে তেখেতৰ পত্নী শ্ৰীমতী গীতাঞ্জলি গগৈ পণ্ডিতে।

জন্মু বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা আলোচনা চক্ৰৰ বিষয় আছিল Higher Education for Innovation and changes. জন্মু-কাশ্মীৰৰ শিক্ষা বিভাগৰ দ্বাৰা স্বীকৃতপ্ৰায় সত্তৰখন বি. এড. মহাবিদ্যালয়ৰ সহযোগত উক্ত আলোচনা

চক্ৰখন অনুষ্ঠিত হৈছিল। জন্মুত এটা উল্লেখনীয় দিশ হৈছে অন্যান্য উচ্চ শিক্ষা অনুষ্ঠানতকৈ বি. এড. কলেজৰ সংখ্যাই অধিক। অনুষ্ঠানৰ দুয়ো দিনেই মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অধ্যক্ষ আৰু ৰাজ্য চৰকাৰ উচ্চ শিক্ষা বিভাগৰ শিক্ষাধিকৰ্তা ও বিভাগীয় মন্ত্ৰীৰ উপস্থিতিত চেমিনাৰখনৰ গুৰুত্ব বঢ়াই তুলিছিল।

জন্মুৰ চাবলগীয়া ঐতিহ্যমণ্ডিত স্থান বাহুদূৰ্গ (Bahu Fort), অমৰ মহল, পত্নীতপ (Patni Top) আদি দৰ্শন কৰাৰ লগতে আমাৰ মূল লক্ষ্য আছিল মাতা বিষ্ণুদেৱীৰ মন্দিৰ দৰ্শন। হিন্দু ধৰ্মাৱলম্বীসকলৰ পবিত্ৰ ধৰ্মীয় মন্দিৰৰ ভিতৰত সবাতোতকৈ পবিত্ৰ ধাম হিচাপে বিবেচিত মাতা বৈষ্ণুদেৱীৰ মন্দিৰ তিনিটা পৰ্বাতৰ চূড়া ত্ৰিকুট পৰ্বতত সাগৰ পৃষ্ঠৰ পৰা প্ৰায় পাঁচ হাজাৰ দুশ ফুট উচ্চতাত অৱস্থিত। প্ৰতিদিনে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা লাখতকৈ অধিক লোকে দেৱী মন্দিৰ দৰ্শনৰ বাবে ভিৰ কৰেহি। হেলিকপ্টাৰ, ঘোঁৰা, দুলি আৰু পদব্ৰজে মন্দিৰলৈ যাব পাৰি। আমি এই যাত্ৰাৰ বাবে ঘোঁৰাত উঠাকে নিৰ্বাচন কৰিলো। কেইবাঘণ্টাও ঘোঁৰাত উঠি, এচোৰা খোজেৰে গৈ মন্দিৰৰ নিৰাপত্তা বেহু পাৰ হৈ দেৱী দৰ্শন কৰিলো। বহুত দিন মনত সাঁচি ৰখা হাবিয়াস এটা যেন পূৰণ হ'ল। প্ৰকৃতিৰ নৈসৰ্গিক পৰিৱেশত পৰ্বতৰ উচ্চ চূড়াত অৱস্থিত মাতা বৈষ্ণুদেৱীৰ অৱস্থিতি যেন ভক্তপ্ৰাণ পৰ্যটকক হাত বাউলি মাতে। বছৰৰ প্ৰতিদিনেই চৌৱিশ ঘণ্টাই ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ খোলা থাকে।



ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে, ইণ্ডিয়ান কলেজ ফ'ৰামে ভাৰতৰ উচ্চ শিক্ষাৰ মান উন্নয়নৰ কাৰণে সময়ে সময়ে চেমিনাৰ আদি অনুষ্ঠিত কৰি আহিছে। ইয়াৰ অংশ স্বৰূপেই ফ'ৰামৰ Society for Education and Economic Development (SEED) নামৰ সংস্থাটোৱে উচ্চ শিক্ষাৰ লগত জড়িত ব্যক্তিসকলৰ বাবে Sumer School-Institution Programme International Diploma in Educational Leadership in Higher Education নামৰ এটা ক'ছৰ শুভাৰম্ভ কৰিছিল। ফ'ৰামৰ সদস্য হিচাপে আমাৰ পৰা নিৰ্বাচন কৰা দহজন সদস্যৰ লগতে আমিও উক্ত ক'ছৰ বাবে অন্তৰ্ভুক্ত হৈছিলো। অন্যান্য অধ্যক্ষ কেইজন হৈছে ড° বন্তিৰাণী গগৈ, ড° অনিল শইকীয়া, ড° মলিনা দেৱী ৰাভা, ড° মিতালী কোঁৱৰ, ড° আচফিয়া চুলতানা আৰু বিকালী কালজৰ সহযোগী অধ্যাপক ড° এম গোপাল সিং আৰু ড° বুধিন গগৈ। মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যক্ষ ও অধ্যক্ষ পৰিষদৰ সম্পাদক ড° বুধিন গগৈয়ে এই পগ্ৰেমটোৰ সমন্বয়ক হিচাপে সকলো যোগাযোগ কৰিছিল। গোটেই ক'ছৰ ব্যৱস্থাপনাত আছিল চিডৰ চেয়াৰমেন আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ প্ৰাক্তন সম্পাদক প্ৰফেচৰ জি. ডি. শৰ্মা, পেৰিছ আন্তৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ ম্যাচন ডেলা ইণ্ডে (ইণ্ডিয়া হাউচ)ৰ সঞ্চালক ড° বিকাশ চন্দ্ৰ সান্যাল আৰু ড° এম. এম. পন্ট (পূৰ্বৰ প্ৰ' ভাইচচেঞ্চলৰ, ইন্দৰা গান্ধী নেচনেল ওপেন ইউনিভাৰচিটি (IGNOU)। ডিপ্ল'মা ক'ছৰ আৰম্ভণি পেৰিছৰ ইণ্ডিয়া হাউচত কৰাৰ ব্যৱস্থা কৰা কাৰণে আমি দহজন অধ্যক্ষই অসম চৰকাৰ আৰু উচ্চ শিক্ষাধিকৰ্তাৰ অনুমতি সাপেক্ষে পেৰিছ অভিমুখে যাত্ৰাৰ প্ৰস্তুতি কৰিলো।

১৩ জুলাই, ২০১২ তাৰিখে লক্ষীমপুৰৰ পৰা গৈ ১৪ তাৰিখে পুৱা গুৱাহাটীত উপস্থিত হ'লোগৈ আৰু সেইদিনা বিয়লি ৩ বজাত ডিব্ৰুগড়ৰ পৰা অহা পাঁচজনীয়া দল এটা বিমানেৰে দিল্লীলৈ যাত্ৰা কৰো। আন পাঁচজন সদস্য ডিব্ৰুগড়ৰ বিমান বন্দৰৰ পৰা আহি একেলগে দিল্লীত সমবেত হৈ পূৰ্ব বন্দবস্ত মতে NUEPA(National University for Educational Planning and Administration)ৰ অতিথিশালালৈ গৈ উপস্থিত হ'লোগৈ। কলেজ ফ'ৰামৰ সঞ্চালক প্ৰফেচাৰ জি.ডি. শৰ্মাৰলগতে তেওঁৰ সহায়কাৰী এজনে আমাক আদৰণি জনাই সকলো ব্যৱস্থাপনা অৱগত কৰাৰ লগতে গোটেই পগ্ৰেমটোৰ ক'ছ মেটেৰিয়েল আৰু পৰিচয় পত্ৰ প্ৰদান কৰে। পিছদিনা ৭ বজাত আমি যাবলগীয়া বিমানৰ সময় থকা কাৰণে পুৱা ৫ বজাতে দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত প্ৰৱেশ কৰিলো। প্ৰথম বিদেশ যাত্ৰাৰ কাৰণে মনটো উৎকণ্ঠা আৰু আনন্দত থৌকি বাথৌ। ইতিমধ্যে বিমান বন্দৰত ইমিগ্ৰেচন প্ৰ-পত্ৰ পূৰণ কৰা নিয়মৰ চেকআপ কৰা সম্পূৰ্ণ হ'ল। আমি যাবলগীয়া বিমানখনৰ নাম লুফৎহানছা। জাৰ্মাণ ভাষাত 'ৰাজহংস' পৃথিৱীৰ বিভিন্ন দেশলৈ এই জাম্বুজেটখন যায়। পুৱা ৭ বজাত মিউনিখ অভিমুখে আমাৰ যাত্ৰা আৰম্ভ হ'ল। বিমানখনৰ প্ৰতিখন আসনৰ সন্মুখত থকা টেলিভিছনৰ পৰ্দাত বিমানৰ গতিবেগৰ লগতে গৈ থকা পথৰ বিৱৰণে আমাক দেশ-বিদেশৰ পৰ্বতমালা, হ্ৰদ, নগৰসমূহৰ স্থিতি সবিশেষ জনাত সহায় কৰিলে। মানুহৰ ৰুচি অনুযায়ী অন্যান্য মনোৰঞ্জনৰ চেনেলসমূহো ইচ্ছামতে উপভোগ কৰিব পাৰি।

প্ৰায় আঠ ঘণ্টাৰ অন্তত মিউনিখত তিনি ঘণ্টা ৰোৱাৰ পিছত বিমান সলাবলগীয়া হ'ল। আগতকৈ আকাৰত সৰু অন্য এখন লুফৎহানছা

বিমানেৰে পুনৰ আমাৰ লক্ষ্যস্থান পেৰিছলৈ বুলি উৰা মাৰিলো। পেৰিছৰ স্থানীয় সময় মতে সাত বজাত আমি পেৰিছৰ মাটিত ভৰি দিলোগৈ।



পেৰিছ বিশ্ববিদ্যালয়ৰ ইণ্ডিয়া হাউছত অংশকালীন চাকৰি কৰা তন্ময় বানাৰ্জী আৰু এগৰাকী ছাত্ৰীয়ে আমাক বিশ্ববিদ্যালয়লৈ নিবৰ বাবে অপেক্ষা কৰি আছিল। ইতিমধ্যে আমাৰ বয়বস্তুসহ ইণ্ডিয়া হাউছলৈ লৈ যোৱাৰ বাবে দুখন টেক্সী বন্দবস্ত কৰা হৈছিল। তাৰ এখন গাড়ীৰ চালক আছিল এগৰাকী নিগ্ৰো মহিলা। তেওঁ অন্তঃসত্বা আছিল বাবে বস্তু-বাহানি তোলাত সহায় কৰিব নোৱাৰি আমাক বেয়া নাপাবলৈ অনুৰোধ জনাইছিল। আমাৰ দেশত মহিলা স্বাৱলম্বিতাৰ তেনে উদাহৰণ পাবলৈ নাই। টেক্সি, মেট্ৰোবাছ আদি মহিলা চালকৰ সংখ্যা যথেষ্ট চকুত লগা।

পেৰিছ বিশ্ববিদ্যালয়ৰ চৌহদত থকা ম্যাচন ডি লা ইণ্ডে (Maision De Linde)ত ভৰি দিয়াৰ লগে লগে আমাক উষ্ণ আদৰণি জনালে ইণ্ডিয়া হাউছৰ সঞ্চালক ড° বিকাশ চন্দ্ৰ সান্যাল আৰু তাত থকা ভাৰতীয় কৰ্মচাৰীসকলে। ইণ্ডিয়া হাউছত সোমাই ভাৰততে আছো যেনহে লাগিল। ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নামত ইণ্ডিয়া হাউছত লিখা আছে Indira Gandhi Maision. প্ৰৱেশ কক্ষত শোভা পাইছিল বগ্বদেৱীৰ এখন সুন্দৰ মূৰ্ত্তি আৰু বেৰত আছিল মহাত্মা গান্ধী আৰু কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ফটো।

পেৰিছ বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ যোৱা প্ৰায়ভাগ ভাৰতীয় ছাত্ৰ-ছাত্ৰী এই ম্যাশন ডি লা ইণ্ডেত অধ্যয়ন কৰে। ১৯৬২ চনত প্ৰয়াত ভাৰতৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহেৰুৰ পৃষ্ঠপোষকতাত সেই সময়ত পেৰিছত থকা ভাৰতীয় ছাত্ৰ সংস্থাৰ উদ্যোগত পেৰিছ বিশ্ববিদ্যালয়ত এই ম্যাশ্যন ডি লা ইণ্ডে স্থাপন কৰা হৈছিল। সেয়েহে পণ্ডিত জৱাহৰলাল নেহেৰুৰ জন্মদিন ১৪ নৱেম্বৰ তাৰিখটো প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি আহিছে। ২০০০ চনৰ জানুৱাৰী মাহৰ পৰা পৰা ড° বিকাশ সান্যাল ডিৰেক্টৰ হিচাপে দায়িত্ব পালন কৰি আছে। তেখেতৰ পত্নী শ্ৰীমতী সান্যালো মেচনৰ সাংস্কৃতিক বিভাগৰ দায়িত্বত থকা এগৰাকী বিষয়া। তেখেতে আমাৰ মহিলা কেইগৰাকীক পেৰিছত কেনে কাপোৰ পিন্ধিলে যাতায়াতত সুবিধা হয় আৰু বজাৰ সমাৰ কৰোতে কেনে সাৱধানতা ল'ব লাগে তাক বুজাই দিলে।

১৬ জুলাইৰ পুৱা ৯ বজাৰ লগে লগে আমাক দিয়া কাৰ্যসূচী মতেই ডিপ্ল'মা ক'ৰ্ছৰ কাম আৰম্ভ হ'ল। অধ্যক্ষসকলৰ তৰফৰ পৰা প্ৰফেচাৰ সান্যাল ছাৰকে প্ৰমুখ্য কৰি আন সমল ব্যক্তিসকলক ফুলাম গামোচাৰে আদৰণি জনোৱাৰ পিছত প্ৰফেছাৰ সান্যাল চাৰে Stratagie Management in higher Education ৰ ওপৰত তেখেতৰ বক্তৃতা আগবঢ়ায়। ড° জি.ডি. শৰ্মাই Regulation and Standard Setting in the Higher Education আৰু প্ৰফেছৰ এম. এম. পন্তে Traditional Higher Education in India Educational Leadership Development বিষয়ৰ ওপৰত বক্তৃতা আগবঢ়ায়।

ইতিপূৰ্বে যিসকলে ক'ৰ্ছৰ কাম সম্পূৰ্ণ কৰিছে ছাৰে তাৰে তিনিজনে তেখেতসকলৰ চেমিনাৰ পেপাৰ উপস্থাপন কৰাৰ পিছত বিৰতি ঘোষণা কৰা হয়।

সেইদিনাই আবেলি ইণ্ডিয়া হাউছৰ কৰ্মৰত ভাৰতীয় যুৱক তন্ময় বেনাৰ্জীৰ তত্বাৱধানত ট্ৰামত উঠি ভাৰতীয় দূতাবাস অভিমুখে ৰাওনা হওঁ। প্ৰফেছাৰ বিকাশ সান্যালে আমাৰ পৰিচয় দাঙি ধৰাৰ পাছত ড° বুধিন গগৈয়ে অসমীয়া গামোচা আৰু জাপিৰে উষ্ণ আদৰণি জনালে। প্ৰফেছাৰ ডি.ডি. শৰ্মাৰ অনুৰোধক্ৰমে তেখেতে আমাৰ প্ৰগ্ৰেমটো শুভ উদ্বোধন কৰিলে। তেখেতৰ নাম ৰাকেশ সুদ। দূতাবাসৰপৰা বিদায় লৈ আমি বিশ্ববিখ্যাত আইফল টাৱাৰ দৰ্শনৰ কাৰণে ৰাওনা হ'লো। ভাৰতীয় দূতাবাসৰ সমীপতে হোৱা কাৰণে আমি খোজকাঢ়িয়েই আইফেল টাৱাৰ চাবলৈ গ'লো। ১৮৮৯ চনত নিৰ্মাণ কৰা ওলিয়া বিশ্ববিখ্যাত আফিল টাৱাৰটো নামৰ এজন ফৰাচী ইঞ্জিনিয়াৰে ১৫০০০ ডাল ধাতুৰ খুটাৰে ইডালৰ লগত সিদাল ৱেল্ডিং কৰি নিৰ্মাণ কৰিছিল বুলি জনা যায়। ইয়াৰ ইয়াৰ উচ্চতা ১০৫০ ফুট আৰু ওজন ৭০০০ টন। আইফেল টাৱাৰৰ ওপৰত দিন পোহৰত প্ৰায়৪৫ কিলোমিটাৰ দূৰলৈকে দেখা যায়। সূক্ষ্ম কলা আৰু সৌন্দৰ্যৰ বাবে দেশ-বিদেশৰ পৰ্যটকে দিনে আইফেল টাৱাৰ চাবলৈ আহে। আইফেল টাৱাৰৰ চাৰিওফালে প্ৰাকৃতিক পৰিৱেশৰ লগতে মানুহে সৃষ্টি কৰা অনিন্দ্য সুন্দৰ পৰিৱেশৰ যি সৌন্দৰ্য নিজে নেদেখিলে আচলতে অনুভৱ কৰিব নোৱাৰি।

১৭ জুলাইৰ পুৱাতেই আমি পুনৰ বিশ্ববিদ্যালয় মেট্ৰ ষ্টেচন (Cite

Universataire) ৰ পৰা OECD (Organisation for Economics Cooperation and Development) লৈ ৰাওনা হওঁ। পেৰিছত থকা OECD ৰ বিশ্বৰ মুখ্য কাৰ্যালয়ত সোমাই নিজকে সৌভাগ্যৱান বুলিয়েই ভাবিছিলো। কাৰ্যালয়ৰ ভিতৰতে থকা এটা সভা কক্ষত OECD ৰ দুগৰাকী মহিলা বিষয়াই OECD ৰ কাৰ্যাৱলী লক্ষ্য, উচ্চ শিক্ষাৰ ক্ষেত্ৰত OECD য়ে লোৱা ভূমিকা ইত্যাদি সম্পৰ্কত আমাক বক্তৃতা প্ৰদান কৰে। তেখেতে আমাৰ ফালৰপৰা জাপি আৰু গামোচাৰে আদৰণি জনাই ভাবৰ বিনিময় কৰে। সকলোতেই লক্ষণীয় বিষয় হৈছে এক মিনিটো সময় অপব্যয় নকৰি তেওঁলোকৰ কাম সমাপ্ত কৰিছিল। যিটো কাম আমাৰ ভাৰতৰ দৰে দেশত বিশেষকৈ অসমত অকল্পনীয়।





পিছবেলা সময় পোৱাত আমি পেৰিছ চহৰ চাবলৈ বুলি ৰাওনা হ'লো। ইউৰোপ মহাদেশৰ অন্যতম বৃহৎ ধুনীয়া ইতিহাস প্ৰসিদ্ধ চহৰ হৈছে পেৰিছ। পেৰিছৰ সোঁ মাজেৰে বৈ যোৱা ছাইন নদীৰ দুয়োপাৰে শাৰী শাৰী সেউজীয়া গছ, ইতিহাস প্ৰসিদ্ধ বৃহৎ বৃহৎ অট্টালিকা, নদীখনৰ প্ৰায় আধা কিলোমিটাৰৰ অন্তৰে অন্তৰে একোখন দলং। দলঙৰ ৰেলিঙত দেখা এটা বস্তুৱে আমাক অবাক কৰি তুলিলে। শুনামতে প্ৰেমৰ প্ৰতিশ্ৰুতি ৰক্ষা কাৰণে প্ৰেমিক-প্ৰেমিকাই ৰেলিঙত তলা মাৰি থৈ যায় যাতে দুয়োৰে প্ৰতিশ্ৰুতি ভংগ নহয়। আমি তাত বৈ থাকোতে এটা দৃশ্যই আমাক আকৰ্ষণ কৰিছিল এহাল পিতৃ-মাতৃ সকলে তেওঁলোকৰ কন্যাক তলাটো খুলিবলৈ বাধ্য কৰিছে আৰু কন্যা এগৰাকীয়ে কান্দোনত ভাগি পৰিছে। প্ৰেমৰ নামত অন্ধবিশ্বাস তাতো জীয়াই আছে।

চাইন নদীত চলা ফেৰীত উঠি নদীৰ পৰা চহৰখন চোৱাৰ ব্যৱস্থা আছে। আমিও সকলোৱে টিকট কাটি প্ৰায় এঘণ্টা সময় নদীপথেৰে পেৰিছ ভ্ৰমণ কৰিলো। অপূৰ্ব সুন্দৰ পেৰিছৰ সৌন্দৰ্যই আমাক যেন বলিয়া কৰি তুলিলে। পিছদিনাও পৰ্যটকসকলৰ আমোদৰবাবে ব্যৱস্থা কৰা ৰঙা বাছত উঠি মুক্তমনে পেৰিছ ফুৰিলো। ৰাস্তা-ঘাট নিমজ, পৰিষ্কাৰ। বাটৰ দুয়োপাৰে শাৰী শাৰী গছ। বহুতো ইতিহাস প্ৰসিদ্ধ অট্টালিকা। নট্ৰড্ৰাম নামৰ পেৰিছত বৰ ডাঙৰ ৰাজকীয় অট্টালিকা নেপোয়িন বোনাপাৰ্টে ফৰাচী যুদ্ধত জয় লাভ কৰি আহোতে আদৰণি জনোৱা তোৰণখন আৰু বহুতো জনা-নজনা কৃৰ্তিচিহ্ন দেখিবলৈ পালো। চহৰ ভ্ৰমণ কৰোতে এটা কথা দেখিছিলো যে গোটেই চহৰখনতে ঠায়ে ঠায়ে আছে অসংখ্য প্ৰতিমূৰ্তি। এই প্ৰতিমূৰ্তিসমূহ সোণোৱালী ৰং কৰা বা সোণৰ পলিচ কৰা, কিছু মান সোণৰ।

১৯ জুলাই দিনা পুৱা বেলাতেই আমাৰ যাত্ৰা আৰম্ভ হ'ল UNESCO ৰ মুখ্যকাৰ্যালয়লৈ। UNESCO ৰ মুখ্য কাৰ্যালয়ত সোমাই ইমান ডাঙৰ কাৰ্যালয় দেখি আমাৰ অবাক হোৱাৰে পাল। UNESCO ৰে দুগৰাকী মহিলা সমল ব্যক্তিয়ে আমাক উচ্চশিক্ষা সম্পৰ্কিত বক্তৃতা প্ৰদান কৰে। ভাৰতৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত UNESCO ৰ লগত জড়িত হৈ IGNOU ৰ কৰা কামৰ কথাও তেওঁলোকে প্ৰসংগক্ৰমে উল্লেখ কৰে। তেখেতে সকলোকে অসমীয়া সংস্কৃতিৰ প্ৰতীক স্বৰূপে আমাৰ তৰফৰ পৰা জাপি আৰু গামোচাৰে আদৰণি জনাই মত বিনিময় কৰা হয়।

সেইদিনা আমি ৰঙা বাছত উঠি পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ LOUVRE মিউজিয়াম চাবলৈ সোমালো। দ্বাদশ শতিকাতেই নিৰ্মিত এই বিশ্ববিখ্যাত মিউজিয়াম আজিও অক্ষয় অৱস্থাতে সগৌৰৱে থিয় হৈ আছে। লিউনাড' ডা ভিঞ্চিৰ পৃথিৱী বিখ্যাত মনালিচাৰ ফটোখন এই মিউজিয়ামতে সংৰক্ষিত হৈ আছে। ইয়াৰ উপৰি আছে ফৰাচী শিল্পীসকলৰ বিখ্যাত বিখ্যাত ছবিসমূহ। সমগ্ৰ পৃথিৱীৰ শিল্পী পৰ্যটকসকলে এই মিউজিয়াম চাবলৈ আহে। মিউজিয়ামৰ লগতে আছে এখন গ্ৰন্থবিপনী। লৰালৰি হোৱা কাৰণে বিভাগসমূহ চকু ফুৰোৱাৰ বাহিৰে কিনিবপৰা নহ'ল। মিউজিয়ামৰ সন্মুখত থকা প্লাচৰে নিৰ্মিত পিৰামিড, পানীৰ ফুৱাৰা সকলোবোৰেই যেন সৌন্দৰ্যৰ আকৰ। আমি Maision De Linde তথকা দিনকেইটা সন্ধিয়া সময়ত সান্যাল ছাৰ, শৰ্মা ছাৰ আৰু সান্যাল ছাৰৰ বাইদেউ প্ৰীতি সান্যাল, আবাসী ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলৰ লগত সংগীতৰ আখৰা চলিছিল।

পূৰ্ব নিৰ্ধাৰিত ভ্ৰমণসূচী অনুসৰি ২১ তাৰিখে ৰাতিপুৱা পাঁচ বজাতে প্ৰফেছাৰ ড° ডি.জি. শৰ্মা ছাৰৰ লগত আমি দ্ৰুতবেগী বুলেট ট্ৰেইনত উঠি ছুইজাৰলেণ্ডৰ জেনেভালৈ ৰাওনা হ'লো। ইউৰোপ মহাদেশক ছুইজাৰলেণ্ড দেশখনৰ প্ৰাকৃতিক সৌন্দৰ্যৰ ভূ-স্বৰ্গ আখ্যা দিয়া হয়। ভূ-স্বৰ্গ দৰ্শন পোৱাৰ হেপাহ যেন পূৰণ হোৱাৰ পথত। অৱশ্যে ছুইজাৰলেণ্ডখন সম্পূৰ্ণকৈ চোৱাৰ আঁচনি আমাৰ হাতত নাছিল। ডিপ্লমা ক'ৰ্ছৰ অংগ হিচাপে ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়লৈ আমাক লৈ যোৱা

হৈছিল। জেনেভা নগৰ জেনেভা হ্ৰদৰ পাৰত আৰু ই ইউৰোপৰ ভিতৰতে আটাইতকৈ ব্যয়বহুল নগৰ। ইয়াতে আৰ্তজনৰ সেৱা কৰা আন্তৰ্জাতিক ৰে'ডক্ৰছ, আন্তৰ্জাতিক শ্ৰমিক সংগঠন, বিশ্ব স্বাস্থ্য সংস্থা, আন্তৰ্জাতিক বতৰ বিজ্ঞান সংগঠন আৰু ইউৰোপৰ ৰাষ্ট্ৰ সংঘ পেলেই ডে নাছিয়নৰ মুখ্য কাৰ্যালয়। জেনেভাত আন্তৰ্জাতিক প্ৰতিষ্ঠান ইমানেই বেছি যে ইয়াত প্ৰায় ১৮৪ খন দেশৰ মানুহে বাস কৰে আৰু পৃথিৱীৰ প্ৰায় সকলো ভাষা-উপভাষা ইয়াৰ ৰাস্তাত শুনিবলৈ পোৱা যায়।

পেৰিছিৰ গৰডেলিন নামৰ ষ্টেচন এটাৰ পৰা আমি জেনেভামুখে ৰে'লত উঠিলো। জেনেভা পাওতে আমাৰ সময় লাগিছিল তিনিঘণ্টা। জেনেভাত থকাৰ ব্যৱস্থা কৰিছিল 'ৰামাডা' নামৰ এখন বিলাসী হোটেলত। তাতেই আমি ফৰাচী আহাৰ সোৱাদ লোৱাৰ সুবিধা পাইছিলো।

পৃথিৱীৰ বিখ্যাত আলপছ পৰ্বতমালা, সুৰা পাহাৰ আৰু ৰোণ নদীয়ে জেনেভাক এক আকৰ্ষণীয় পৰ্যটনৰ ঠাই হিচাপে সজাই তুলিছে। জেনেভা লে'কৰ পাৰে পাৰে আছে প্ৰাকৃতিক সৌন্দৰ্যৰ ভৰপূৰ সেউজীয়া গছ-বন, লে'কৰ বিভিন্নধৰণৰ পালতৰা জাহাজ, চুইছ ব'ট আৰু কাষে কাষে যাবলৈ আছে মিনি ট্ৰেইন। আমি চুইছ ব'টত উঠি জেনেভা লে'কৰ কাষে কাষে ঘূৰিলো। ইয়াত কিন্তু পৰ্যটকজন সাৱধান নহ'লে চুৰি কাৰ্য সঘনাই সংঘটিত হয়। আমাৰ দলৰ দুজনৰ পাচপ'ৰ্ট আৰু এ.টি. এম. কাৰ্ড চুৰি হোৱাত অলপ অসুবিধাত পৰিবলগা হৈছিল। লগতে ইমান উন্নত ঠাইতো পকেটমাৰ দেখি স্তম্ভিত হৈছিলো।

২২ জুলাই তাৰিখে ৰাতি আমি পুনৰ পেৰিছলৈ উভতি আহিলো। তাৰ পিছদিনা দিনৰ দুই বজালৈ চেমিনাৰ অনুষ্ঠিত হোৱাৰ পিছত আবেলি আমাৰ যাত্ৰা আৰম্ভ হ'ল ইউনেস্কৰ মুখ্য কাৰ্যালয়লৈ ইউনেস্ক'ৰ স্থায়ী প্ৰতিনিধি জনৰ নাম বিনয়শীল অবেবয়। তেখেতে অসমৰ বৰপেটা জিলাত উপায়ুক্ত হিচাপে কাম কৰি যোৱা কাৰণে অসমীয়া ভাষা সংস্কৃতিৰ লগত চিনাকি। সেয়েহে প্ৰথম দৰ্শনতে আমাক আপোন ভাবেৰে তেখেতে আমাক যেতিয়া অসমীয়া ভাষাত আদৰণি জনালে এক বুজাব নোৱাৰা আনন্দই আমাক দোলা দি গৈছিল। বিশেষকৈ মই পিন্ধি যোৱা পাটৰ শাৰীখনৰ প্ৰসংশা কৰি যেতিয়া মোক বাইদেউ তামোল আনিছেনে নাই বুলি সুধিলে তেতিয়া তামোল নিনিয়াৰ বাবে যথেষ্ট আপচোচ লাগিছিল। ড° সান্যাল ছাৰে পূৰ্বে নিৰ্দিষ্ট সূচী মতে তেনেতে আমাক ডিপ্ল'মা ক'ৰ্চৰ প্ৰথম পৰ্যায়ৰ চাৰ্টিফিকেটসমূহ প্ৰদান কৰে। আমাৰ ফালৰ পৰাও অসমীয়া গামোচা, জাপিৰে আদৰণি জনোৱা হয়। তেখেতৰ অনুৰোধমৰ্মে বিহুগীত গাই অনুষ্ঠানটো বেচ আনন্দেৰেই শেষ কৰা হয়। সেইদিনা আবেলি ভাৰতৰ বাংগালোৰপৰা গৈ পেৰিছত হিন্দী ভাষাৰ অধ্যাপক উদয় কুমাৰ নামৰ ব্যক্তিগত হোটেলত ভাৰতীয় খাদ্যৰ জুতি ল'লোগৈ। নিচিনা নজনা লোকজনে ভাৰতীয় হোৱাৰ বাবেই বিনা স্বাৰ্থই নিমন্ত্ৰণ কৰি এসাঁজ খুৱাই নহয় লগতে মৰমৰ চিন স্বৰূপে যাচিলে একোটিকৈ ক্ষুদ্ৰ উপহাৰ। বয়সস্থ লোকাজনে আনকি ৰাতি আহাৰৰ বাবেও টোপোলা একোটাকৈ দি দ্ৰুত ট্ৰেইন সলাই আমাক পেৰিছ বিশ্ববিদ্যালয়লৈ থৈ গ'লহি। তেখেতৰ নিঃস্বাৰ্থ আদৰ-আপ্যায়নে আমাক চকুলৈ আনন্দ অশ্ৰুৰ বন্যা নমাই আনিছিল।

জুলাইৰ ২৪ তাৰিখে আমাৰ ভাৰতৰ মুখে উভটনি যাত্ৰা আৰম্ভ হ'ল পূৰা পেৰিছৰপৰা আহি বাৰ বজাত মিউনিখ আৰু দুই বজাত মিউনিখৰপৰা ২৫ জুলাইৰ দিনা পূৰাভাগত আহি পুনৰ NUEPA অতিথিশালাৰ অতিথি হ'লোহি। অতিথিশালাত জিৰণি লোৱাৰ পাছত আবেলি উত্তৰ-পূব ভাৰতৰ পৰিকল্পনা আৰু উন্নয়ন মন্ত্ৰী পৱন সিং ঘাটোৱাৰক লগ ধৰি অসমৰ মহাবিদ্যালয়সমূহৰ বিভিন্ন দিশৰ উন্নয়নৰ বিষয়ে আলোচনা কৰাৰ পিছত পুনৰ অতিথিশালালৈ আহো। ২৬ জুলাই তাৰিখে চিডৰ ছট্ৰৰপুৰ মান্তি গাঁৱত থকা মুখ্য কাৰ্যালয়লৈ যোৱা হয়। তাতেই এম. এম. পন্তে অসম ও উত্তৰ পূবৰ শিক্ষাৰ উন্নয়নৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ সকলোকে একোটিকৈ প্ৰজেক্ট প্ৰস্তুত কৰিবলৈ আহিঁ প্ৰদান কৰে। আমাৰ উচ্চ শিক্ষাৰ নেতৃত্বৰ বাবে যোৱা প্ৰশিক্ষণৰ সামৰণি পৰে।

কলেজ ফ'ৰামৰ অধীনস্থ চিডৰ উচ্চ শিক্ষা নেতৃত্বৰ বাবে যি পদক্ষেপ লৈছে ই নিঃসন্দেহে উচ্চ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগাব। পৃথিৱীৰ উন্নত মানৰ শিক্ষা সংস্থা ইউনেস্ক' আদিৰ দৰে উচ্চ অনুষ্ঠানসমূহৰ লগত জড়িত উচ্চ স্তৰৰ বিষয়াসকলৰ লগত মত বিনিময় ও স্বচক্ষে দেখা যি অভিজ্ঞতা ইয়ে কৰ্মজীৱনত যথেষ্ট উৎসাহ আৰু অনুপ্ৰেৰণা যোগাব। তদুপৰি পৃথিৱীৰ উচ্চমানৰ সুন্দৰ ঠাইসমূহৰ দৰ্শনে আমাৰ মনত এনে ভাবৰ সৃষ্টি কৰিছিল যেন ভগৱানে হিয়া উজাৰি গোটেই সৌন্দৰ্যবোৰ যেন তাতেই ঢালি দিছে। আটাইতকৈ ভাললগা সৌন্দৰ্য পিয়াসী মানুহবোৰ, চাফ-চিকুণ, প্ৰদূষণমুক্ত পৰিৱেশে যান-যঁতৰ সমস্যাহীন বিশেষকৈ গাড়ী মটৰ হৰ্ণ বজোৱাৰ নিয়ম নাই বাবে পথচাৰীয়ে নিৰ্বিঘ্নে চলা-ফুৰা কৰিব পাৰে। কলেজ ফ'ৰামে দিয়া সুযোগ আৰু সুবিধাৰ বাবেই আমি এখন ধুনীয়া ঠাই দেখিলো যাৰ বাবে আমাৰ কৃতজ্ঞতা সদায়ে থাকিব। তদুপৰি আমাৰ সহযাত্ৰী দহজন কলেজ অধ্যক্ষৰ লগত গঢ়ি উঠা আত্মীয়তা আৰু সুহৃদয়তাৰে জীৱনৰ পাৰ কৰিবলগীয়া বাকী সময়খিনিৰ মধুৰ স্মৃতিৰে প্লাবিত কৰি ৰাখিব। ■

# দুৰ্যোগ ব্যৱস্থাপনা ঃ এক অৱলোকন

**ড° হামিদুৰ ৰহমান**
উপাধ্যক্ষ

দুৰ্যোগ ব্যৱস্থাপনা কি তাক আলোচনা কৰাৰ আগতে দুৰ্যোগ কাক বোলে জনাৰ প্ৰয়োজন। দুৰ্যোগ বুলিলে কোনো ঘটনা বা পৰিঘটনাৰ বাবে একোটা অঞ্চলৰ কম সময়ৰ ভিতৰতে জীৱন আৰু সা-সম্পত্তিৰ ক্ষয়-ক্ষতিৰ এক ভয়াবহ অৱস্থাৰ সৃষ্টি হ'লে তাক দুৰ্যোগ আখ্যা দিয়া হয়। দুৰ্যোগ দুই প্ৰকাৰৰ হ'ব পাৰে— প্ৰাকৃতিক দুৰ্যোগ আৰু কৃত্ৰিম বা মানৱ সৃষ্ট দুৰ্যোগ। প্ৰাকৃতিকভাৱে সৃষ্ট চুনামি, ভূমিস্খলন, গৰাখহনীয়া, অতিবৃষ্টি, অনাবৃষ্টি আদি। তেনেকৈ কৃত্ৰিমভাৱে সৃষ্ট দুৰ্যোগবোৰৰ মুখ্য কেইটামান হৈছে—বনজুই, বানপানী, মহামাৰী, ৰাসায়নিক প্ৰদূষণ ইত্যাদি। দুৰ্যোগৰ সময়ত অৱশ্যে ক্ষতি হয় আৰু বহু লোকৰে জীৱন নাশৰ উপৰি লেখ জোখ নোহোৱাকৈ পোহনীয়া আৰু বন্য পশু-পক্ষীৰ মৃত্যু ঘটিব পাৰে। ৰাষ্ট্ৰসংঘৰ দ্বাৰা প্ৰকাশিত তথ্য অনুসৰি ২০১১ চনতে প্ৰাকৃতিক দুৰ্যোগৰ ফলতে ২,৩৬,০০ লোকৰ মৃত্যু হয় আৰু বছৰটোৰ পহিলা জানুৱাৰীৰ পৰা পহিলা ছেপ্টেম্বৰৰ ভিতৰত হোৱা এনে দুৰ্যোগৰ বাবে ৮১ বিলিয়ন মাৰ্কিন ডলাৰ ক্ষতি হয়।

পৃথিৱী সৃষ্টি হোৱা ক্ষণৰ পৰাই ইয়াৰ অধিকাৰী বিভিন্ন ঘটনা বা পৰিঘটনাৰ সাক্ষী হৈ আহিছে। আমাৰ দৃষ্টিৰ গোচৰে বা আগোচৰে পৃথিৱীৰ নানান ভৌগোলিক পৰিৱৰ্তন হৈ আছে। প্ৰাকৃতিক ঘটনাই কেতিয়াবা বিপৰ্যয়ৰ ৰূপ লয়। প্ৰাকৃতিক বিপৰ্যয়ে কত সভ্যতা, কত জীৱ এই ধৰাৰ পৰা নিঃচিহ্ন কৰিলে তাৰ প্ৰকৃত হিচাপ হয়তো কেতিয়াও কৰিব পৰা নাযায়। ৭৯ খ্ৰীষ্টাব্দত পম্পিয়াই চহৰ আগ্নেয়গিৰিয়ে নিঃচিহ্ন কৰিছিল। পম্পিয়াইৰ দৰে বহুত উন্নত সভ্যতা প্ৰাকৃতিক দুৰ্যোগে চিন মোকাম নোহোৱা কৰিছিল তাৰ কোনো হিচাপ নাই।

ভাৰতে চলিত শতিকাৰ ২০০১ চনত ভূজৰ ভূমিকম্প, ২০০৪ চনৰ ভাৰত মহাসাগৰৰ চুনামি, ২০০৫ চনত কাশ্মীৰৰ ভূমিকম্প, ২০০৮ চনত কোচিৰ বানপানী, ২০০৯ চনত অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকৰ বানপানী, ২০১০ চনত লেহৰ ব্ৰজ্ৰপাত আৰু উত্তৰাঞ্চলৰ বানপানী আৰু ২০১১ চনত চিক্কিমৰ ভূমিকম্পৰ দৰে বিধ্বংসী প্ৰাকৃতিক বিপৰ্যয়ৰ সন্মুখীন হৈ যথেষ্ট ক্ষতিৰ সন্মুখীন হ'ব লগা হয়।

তলত এখন তালিকাৰ সহায়ত ভাৰতত ১৯৮০—২০১০ চনৰ ভিতৰত পঞ্জীয়নকৃত দুৰ্যোগৰ ঘটনাৰ সংখ্যা, ক্ষয়-ক্ষতিৰ পৰিমাণ দেখুওৱা হৈছে—

তালিকা ঃ ভাৰতৰ দুৰ্যোগ ১৯৮০-২০১০

| | |
|---|---|
| ঘটনাৰ সংখ্যা | ৪৩১ |
| নিহত লোকৰ সংখ্যা | ১৪৩,০৩৯ |
| প্ৰতিবছৰে গড় মৃত্যু | ৪৬১৪ |
| প্ৰভাৱিত লোকৰ সংখ্যা | ১,৫২১,৭২৬,১২৭ |
| প্ৰতিবছৰে গড় প্ৰভাৱিত লোকৰ সংখ্যা | ৪৯,০৮৭,৯৪০ |
| অৰ্থনৈতিক ক্ষতি (মাৰ্কিন ডলাৰ ×১০০০) | ৪৮,০৬৩.৮৩০ |
| প্ৰতিবছৰে অৰ্থনৈতিক ক্ষতি (মাৰ্কিন ডলাৰ ×১০০০) | ১,৫৫০,৪৪৬ |

উৎস ঃ প্ৰিভেনছন ৱেব।

তালিকাখনৰ পৰা দেখা গৈছে যে, ভাৰতত প্ৰাকৃতিক দুৰ্যোগ প্ৰৰোচিত বিপৰ্যয় আৰু বিশ্বৰ অন্য উন্নয়নশীল দেশসমূহৰ তুলনাত উচ্চ অৰ্থনৈতিক প্ৰভাৱ সম্পৰ্কে জানিব পৰা হৈছে। প্ৰাকৃতিক বিপৰ্যয়ৰ পৰা পোনপটীয়াভাৱে ক্ষতি ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ (জি ডি পিৰ) দুই শতাংশ পৰ্যন্ত আৰু কেন্দ্ৰীয় চৰকাৰৰ ৰাজহৰ ১২ শতাংশ বুলি ধাৰণা কৰা হৈছে। (বিশ্ববেংক ২০০৩ আৰু ২০০৯)

দুৰ্যোগবোৰ প্ৰকৃতাৰ্থত প্ৰতিহত কৰাটো সম্ভৱ নহয়। তথাপি কিছুমান ব্যৱস্থা গ্ৰহণেৰে ক্ষয়-ক্ষতিৰ পৰিমাণ কমোৱাটো সম্ভৱ হৈ উঠে। যাক দুৰ্যোগ প্ৰশমন ব্যৱস্থা বা দুৰ্যোগ ব্যৱস্থাপনা হিচাপে অভিহিত কৰা হয়। বৰ্তমান বিশ্ববাসীয়ে সন্মুখীন হোৱা ভূমিকম্প, বানপানী, খৰাং, খহনীয়া, চুনামি, ঘূৰ্ণীবতাহ আদি প্ৰাকৃতিক বিপৰ্যয় প্ৰতিৰোধৰ বাবে নানান প্ৰচেষ্টা হাতত লৈছে।

ভাৰতত দুৰ্যোগ ব্যৱস্থাপনা আইন গৃহীত হৈছিল ২০০৫ চনত। এই আইন গ্ৰহণ কৰাৰ লগতে প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন কৰা হৈছিল। বিভিন্ন দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয়, ৰাজ্য, জিলা আৰু স্থানীয় পৰ্যায়ৰ বিভিন্ন প্ৰতিষ্ঠানৰ উপৰি বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিভাগ/সংস্থা/মন্ত্ৰণালয়ৰ দ্বাৰা দুৰ্যোগ প্ৰশমন আৰু প্ৰতিৰোধৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

এই আইনৰ লগত সংগতি ৰাখি সমান্তৰালভাৱে চৰকাৰে ২০০৫ চনত এক ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ স্থাপন কৰে। ইয়াৰ লগে লগে ক্ৰমে ৰাজ্যিক ভিত্তিত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা ভিত্তিত দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ স্থাপন কৰা হয়। ইতিপূৰ্বে ২০০১ চনৰ ৮ ফেব্ৰুৱাৰীত 'গুজৰাট' ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন কৰা হৈছিল। ইয়াৰ উপৰি চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠান গঠন কৰি প্ৰশিক্ষণ আৰু গৱেষণাৰ ব্যৱস্থা কৰি আহিছে। আনহাতে প্ৰশমন/সাহাৰ্য পুঁজি গঠনৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**যিকোনো দুৰ্যোগৰ সময়ত আমাৰ পৰম্পৰাগত সহাৰি হৈছে উদ্ধাৰ আৰু সাহাৰ্য। ই হ'ব লাগে পদ্ধতিগত আৰু সুপৰিকল্পিত।**

২০০৭ চনত অসমত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন কৰি বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰিছে। অসমক প্ৰভাৱিত কৰা প্ৰধান দুৰ্যোগ বানপানী যদিও সাম্প্ৰতিক সময়ত চহৰ অঞ্চলত য'তে-ত'তে গঢ়লৈ উঠা ফ্লেট জাতীয় আট্টালিকাসমূহ উদ্বেগৰ কাৰণ হৈ পৰিছে। বৃহৎ প্ৰাৱল্যৰ ভূমিকম্প প্ৰতিৰোধ কৰিব পৰাকৈ এই আট্টালিকাসমূহ নিৰ্মাণ হৈছে নে নাই অথবা দুৰ্যোগৰ সময়ত উদ্ধাৰৰ বাবে অভিযান চলাবলৈ পৰ্যাপ্ত ৰাস্তা বা ঠাই আছে নে নাই—এই বিষয়সমূহ জৰীপৰ প্ৰয়োজন আহি পৰিছে।

এইটো সকলোৰে জ্ঞাত যে, দুৰ্যোগৰ দ্বাৰা সমাজৰ দৰিদ্ৰ আৰু আক্ৰমণসাধ্য শ্ৰেণীৰ লোকসকল অধিকভাৱে ক্ষতিগ্ৰস্ত হয়। এইটো ঠিক যে দুৰ্যোগসমূহে মুঠ উৎপাদনৰ ক্ষেত্ৰতো প্ৰতিকূল প্ৰভাৱ পেলায় য'ত দুৰ্যোগৰ বিপদ হ্ৰাসকৰণ (ডি আৰ আৰ) অবিহনে 'সামগ্ৰিক উন্নয়ন' ঢুকি পাবলৈ কৰা কামবোৰ সফল নহয়। এনে সফলতা পাবলৈ নিম্নোক্ত পদক্ষেপসমূহৰ প্ৰয়োজন—

ক) ডি আৰ আৰক উন্নয়নশীললৈ লৈ যোৱা।
খ) বিজ্ঞান আৰু প্ৰযুক্তিৰ সুবিধাৰে আগজাননী দিয়া পদ্ধতি শক্তিশালী কৰা।
গ) সজাগতা আৰু প্ৰস্তুতিৰ কাৰ্যসূচী বৃদ্ধি কৰা।
ঘ) উদ্ধাৰ আৰু সাহাৰ্য ব্যৱস্থাৰ শক্তিশালীকৰণ।
ঙ) উন্নত পুনৰ্বাসন আৰু পুনৰ্নিৰ্মাণ।

ভাৰত চৰকাৰে বিভিন্ন প্ৰধান ক্ষেত্ৰত কেইবাটাও অভিলাষী আঁচনি লৈছে। এই ক্ষেত্ৰসমূহ হৈছে কৃষি, গ্ৰাম্য উন্নয়ন, নগৰ উন্নয়ন, খোৱাপানী, গ্ৰাম্য পথ, শিক্ষা আৰু খাদ্য সুৰক্ষা। এই আঁচনিসমূহৰ জৰিয়তে ধন ব্যয় কৰাৰ লগতে আমাৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। আনহাতে, এই আঁচনিসমূহে দুৰ্যোগৰ বিপদ লঘূকৰণ, বিশেষ উপাদানৰ ক্ষেত্ৰত অৱিহণা আগবঢ়াই আহিছে আৰু ধ্বজাবাহী কাৰ্যসূচীসমূহৰ ক্ষেত্ৰত হস্তক্ষেপ নোহোৱা হৈছে। এতিয়া এই আঁচনিসমূহত ডি আৰ আৰক বিশেষ উপাদান ৰূপে পৰিচয় কৰাই দিয়া উচিত হ'ব।

এইটো সকলোৰে জ্ঞাত যে ক্ষুধা আৰু দৰিদ্ৰতা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কৃষিয়ে অৱিহণা যোগাই আহিছে। কৃষিৰ ওপৰত বেয়া বতৰে প্ৰভাৱ পেলাইছে আৰু ক্ষুদ্ৰ আৰু নগন্য কৃষকৰ আয় আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ পৰিছে। কৃষি শ্ৰমিকসকলক কৃষি সম্পৰ্কীয় কোনো কাৰ্যসূচীয়ে পৰ্যাপ্ত ৰূপত সামৰি লোৱা নাই। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোগান (আৰ কে ভি ৱাই) হৈছে কৃষি মন্ত্ৰণালয়ৰ ধ্বজাবাহী কাৰ্যসূচী, যিয়ে বতৰৰ প্ৰতিকূলতাৰ সৈতে মুখামুখি হ'বলৈ ডি আৰ আৰ উৎপাদন সংযোজনৰ ক্ষেত্ৰত পৰ্যাপ্ত সুবিধা দিয়ে। বীজৰ সংৰক্ষণ, অপকাৰী কীট নিৰীক্ষণ পদ্ধতি, পানী সংৰক্ষণ সঁজুলি যোগান (এম. জি. এন আৰ ই জি এছৰ সংযোজিত) আদি ডি আৰ আৰ উপাদান ৰূপে লোৱা হয়।

গ্ৰাম্য উন্নয়ন দপ্তৰৰ অন্তৰ্গত আঁচনিসমূহ দুৰ্যোগৰ প্ৰভাৱ হ্ৰাসকৰণৰ বাবে অতি উপযোগী। তেতিয়াৰ পৰা দুখীয়া শ্ৰেণীৰ লোকৰ বাবে অধিক সংখ্যক আঁচনি হাতত লোৱা হৈছিল। এই আঁচনিসমূহৰ সামান্য পৰিৱৰ্তনৰ দ্বাৰাই তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পৰে। প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনা (পি এম জি এছ ৱাই) ই আবাসসমূহৰ গ্ৰাম্য সংযোগত সহায় কৰিছে। এইবোৰে দুৰ্যোগৰ সময়ত চিকিৎসালয়লৈ যোৱা, খাদ্য বিতৰণ কেন্দ্ৰসমূহলৈ যোৱা আৰু বিদ্যালয়লৈ যোৱা আদিৰ ক্ষেত্ৰতো অনাৱশ্যকীয় সংযোগ ঘটায়। বিশেষগাঁৱত ঋতুকালীন বা বাৰমহীয়া নৈ উপনৈত কোনো সংযোগ নাথাকে, তাত আঁচনিৰ কিছু পৰিৱৰ্তন ঘটাই ক্ষুদ্ৰ পথসেতু নিৰ্মাণ কৰি অৰ্থনৈতিক কাম-কাজ, শিক্ষা আৰু স্বাস্থ্য ক্ষেত্ৰত সুযোগ দিয়া হয়। ইন্দিৰা গান্ধী আবাস যোজনা (আই এ ৱাই) ৰ জৰিয়তে দুখীয়া শ্ৰেণীৰ ঘৰ দিয়া হয়। সাধাৰণতে মন্ত্ৰণালয়ে প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত ঘৰসমূহৰ তাৎক্ষণিক মেৰামতিৰ বাবে কিছু অংশ ধন আছুতীয়াকৈ ৰাখে। তত্ৰাছ, আৱাস আঁচনিৰ ডিজাইন আৰু ব্যয়ৰ ধৰণে দুৰ্যোগ প্ৰতিৰোধী উৰপাদানৰ সুবিধা নিদিয়ে। সেইবাবে এই ডিজাইনৰ মান কিছু সলনি কৰি ঘৰৰ ক্ষমতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত প্ৰস্তাৱ উত্থাপন কৰাৰ প্ৰয়োজন আছে।

জৱাহৰলাল নেহৰু নেচনেল আৰ্বান ৰিনিউৱেল মিছন (জে এন এন ইউ আৰ এম) এ দেশৰ কিছুসংখ্যক নিৰ্বাচিত বৃহৎ চহৰত আন্তঃগাঁথনি শক্তিশালী কৰি আহিছে। আনহাতে, এই অভিযানে

নগৰীয়া আন্তঃগাঁথনিৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ; অৱিহণা যোগোৱাৰ লগতে আক্ৰমণসাধ্য বিষয়ৰ প্ৰতি দৃষ্টি নিবদ্ধ কৰা আৰু নগৰ উন্নয়ন বা মাষ্টাৰ প্লেনৰ ক্ষেত্ৰত দুৰ্যোগ ব্যৱস্থাপনাৰ ৰণ কৌশল প্ৰস্তুত কৰাত অৱিহণা যোগায়। ভাৰতত যিদৰে নগৰীয়া জনসংখ্যা অত্যাধিক হাৰত বৃদ্ধি পাই আহিছে আৰু প্ৰাকৃতিক দুৰ্যোগে ঘন বসতিপূৰ্ণ অঞ্চলত সংহাৰ আৰু অৰ্থনৈতিক ক্ষতিৰ পৰিমাণ বঢ়ায়। সেয়েহে দুৰ্যোগৰ ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিবলৈ নগৰ উন্নয়ন প্ৰকল্পৰ আঁচনি আৰু ইয়াৰ কাৰ্যকৰীকৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে।

ৰাজীৱ গান্ধী নেচনেল ড্ৰিং কিং ৱাটাৰ মিচন (আৰ জি এন ডি ডব্লিউ এম) হৈছে গাঁও অঞ্চলত নিৰাপদ আৰু খাদ্যৰ উপযোগী পানীৰ বাবে লোৱা আঁচনি। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত তাৎক্ষণিকভাৱে খোৱাপানী আৰু খাদ্য যোগান ধৰা হয়। দুৰ্যোগৰ সময়ত দমকল আদি জৰুৰীভাৱে বহুৱাই খোৱা পানীৰ বাবে বিভাগে প্ৰয়োজনীয় ধন আছুতীয়াকৈ ৰাখি থয়। ই এটা আদৰণীয় পদক্ষেপ যদিও এইটোও মনত ৰাখিব লাগে যাতে বানপীড়িত অঞ্চলত বিশেষভাৱে খোৱাপানী আহৰণৰ বাবে ডিজাইন, নিৰ্মাণ আৰু স্থানৰ প্ৰতি চকু দিব লাগে। এনেধৰণৰ দমকল নিম্নভূমি আৰু বানপীড়িত অঞ্চলত যাতে ওখ স্থানতহে স্থাপন কৰা হয়, সেয়েহে উপযুক্ত হ'ব। কিয়নো, বাৰিষা কাল আৰু বানৰ সময়ত যাতে এইবোৰ পানীত বুৰ নাযায় আৰু ব্যৱহাৰ কৰিব নোৱাৰা নহয়।

একেধৰণে স্বাস্থ্য খণ্ডতো আছে নেছনেল ৰুৰেল হেলথ মিচন (এন. আৰ. এইচ. এম) নামৰ এখন ধ্বজাবাহী কাৰ্যসূচী। মহামাৰী আদিৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে চিকিৎসালয়ৰ সুৰক্ষা, সংক্ৰামক ৰোগৰ ক্ষেত্ৰত নিৰীক্ষণ ব্যৱস্থা, আঘাতপ্ৰাপ্ত লোকৰ চিকিৎসা, দুৰ্ঘটনাজনিত সমস্যাৰ ব্যৱস্থা আদিৰ ক্ষেত্ৰত দৃষ্টি দিয়া প্ৰয়োজন।

শিশুসকলৰ মাজত সুৰক্ষা আৰু প্ৰতিৰোধৰ সংস্কৃতি গঢ়ি তোলাৰ উদ্দেশ্যে বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত দুৰ্যোগৰ বিপদ লঘুকৰণৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিব লাগে। লগতে বিদ্যালয় ভৱনসমূহৰ সুৰক্ষাজনিত দিশসমূহ সম্পূৰ্ণৰূপে নিৰীক্ষণ কৰা দৰকাৰ। দেশৰ বিদ্যালয়সমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আইনগত ব্যৱস্থা হাতত ল'ব লাগিব। এই অঞ্চলত ডি আৰ আৰৰ পেছাদাৰী কৰ্মচাৰীৰ অভাৱ দেখা যায়। এই সম্পৰ্কত প্ৰয়োজনীয়তাক আগস্থান দিয়া উচিত।

আগতীয়া জাননী দিব পৰা সুবিধাজনক পদ্ধতি স্থাপন কৰাটো অতি উপযোগী হ'ব, যিটো আগন্তুক পাঁচ বছৰৰ ভিতৰত সম্ভৱ হ'ব। ইপিনে, চুনামিৰ আগজাননী দিব পৰা সমলসমূহৰ সুবিধা খৰতকীয়া কৰি তোলা হৈছে। বতৰৰ আগজাননী দিব পৰা পদ্ধতিৰ ক্ষেত্ৰত যদিও বিগত পাঁচ বছৰত যথেষ্ট উন্নতি হ'ল, তথাপিও বৃহৎ বিনিয়োগ, সঁজুলি আৰু মানৱ সম্পদৰ ক্ষেত্ৰত যথেষ্ট কৰণীয় আছে। দেশৰ বিভিন্ন অঞ্চলত থকা বিভিন্ন সম্প্ৰদায়ক বেয়া বতৰৰ আগজাননী দি ধন জনৰ হানি বিঘিনীৰ পৰা ৰক্ষা কৰা সম্ভৱ হ'ব। দুৰ্যোগৰ আগত আৰু পাছত বিপৰ্যয়ৰ পৰা উদ্ধাৰৰ বাবে সিদ্ধান্ত গ্ৰহণকাৰীসকলৰ বাবে চেটেলাইট ইমেজ গ্ৰহণ কৰাটো এটা অতি গুৰুত্বপূৰ্ণ সমল। জিলা পৰ্যায়ত উপযোগী আৰু সময় মতে সিদ্ধান্ত ল'বলৈ এনে সুবিধা জৰুৰী। সেয়েহে, তিনিটা বিভাগ যেনে, বিজ্ঞান আৰু প্ৰযুক্তি, ধৰিত্ৰী বিজ্ঞান আৰু মহাকাশ বিভাগ আৰু তেওঁলোকৰ অধীনত থকা সংস্থা আই এৰ ডি. আই এন চি অ' আই এছ, এন আৰ এছ চি আৰু এছ অ' আইক দুৰ্যোগৰ সময়ত আগতীয়া আৰু উপযোগী তথ্য প্ৰদানৰ বাবে সঁজুলি আৰু মানৱ সম্পদৰ সুবিধাৰ বাবে বিনিয়োগী তথ্য প্ৰদানৰ বাবে সঁজুলি আৰু মানৱ সম্পদৰ সুবিধাৰ বাবে বিনিয়োগ বৃদ্ধি কৰা প্ৰয়োজন। এই সংস্থাসমূহক আন বিজ্ঞানমূলক বিভাগ আৰু সংগঠন আই চি এ আৰ, আই চি এম আৰ, চি ডব্লিউ চি, জি এছ আই আদিয়ে সহযোগ কৰিব পাৰে। এইটোও জৰুৰী যাতে ৰাষ্ট্ৰীয় পৰ্যায়ত এখন মঞ্চ গঠন কৰি তথ্যৰ আদান-প্ৰদান, ব্যৱহাৰ আৰু বহুল প্ৰচাৰ কৰিব পাৰি (উদাহৰণস্বৰূপে প্ৰবল বৰষুণৰ তথ্য নদীৰ সোঁতৰ তথ্যৰ সৈতে বিজাই বানৰ আৰ্হি প্ৰস্তুত আৰু আগজাননীৰ পদ্ধতিৰ বিকাশ ঘটাব পাৰি। ইয়াত ছেটেলাইট ছবিও সংলগ্ন কৰিব পাৰি।)

দুৰ্যোগৰ সময়ত জনসাধাৰণে কি কৰিব বা কি নকৰিব এই কথাৰ সজাগতাৰ অভাৱেও বৃহৎ ক্ষতিত অৱিহণা যোগায়। উদাহৰণস্বৰূপে প্ৰায়ে কোৱা হয়—'ভূমিকম্পই মানুহ নামাৰে, মাৰে ভৱনবোৰে।' তৎসত্বেও ভূমিকম্প অঞ্চল চাৰি আৰু পাঁচ-তিনি নিৰ্মাণ কৰা এনে ভৱনসমূহৰ মান তেনেই নিম্ন। আনকি ভূমিকম্প নহাকৈয়ে এনে ভৱন খহি পৰে। একেদৰে অগ্নি সুৰক্ষাৰ মান জানি লোৱাটোও পৰ্যাপ্ত নহয়। এইটোও দৰকাৰ যাতে চৰকাৰী সংস্থাসমূহে পৰিদৰ্শন আৰু ব্যৱস্থাপনা উন্নত কৰে আৰু এনেবোৰ দিশত সাধাৰণ লোকসকলে ভয়াবহতা আৰু দায়িত্ববোধ বুজি উঠাটোও গুৰুত্বপূৰ্ণ। এই ধৰণৰ বিপৰ্যয়ৰ সময়ত জনসাধাৰণৰ সজাগতা আৰু চাপে আশা কৰা মতে ফল দিয়ে। আমাৰ চৰকাৰী প্ৰস্তুতি পদ্ধতি চৰকাৰী পৰ্যায় আৰু সামাজিক পৰ্যায়ত শক্তিশালী কৰা দৰকাৰ অৱশ্যে সামাজিক প্ৰস্তুতি এতিয়াও দেশৰ বাবে সুদূৰ গৰাহত, এই ক্ষেত্ৰত সামাজিক প্ৰস্তুতি শক্তিশালী কৰাৰ বাবে তীব্ৰ অভিযান হাতত ল'ব লাগিব।

যিকোনো দুৰ্যোগৰ সময়ত আমাৰ পৰম্পৰাগত সহাৰি হৈছে উদ্ধাৰ আৰু সাহাৰ্য। ই হ'ব লাগে পদ্ধতিগত আৰু সুপৰিকল্পিত। এনে দুৰ্যোগৰ সময়ত কাম কৰা লোকসকলক সকলো পৰিণাম আৰু পূৰ্বালোকন সন্দৰ্ভত উপযুক্ত পৰিকল্পনা আৰু মানসম্পন্ন কাম কাজৰ পদ্ধতিৰ বিষয়ে অৱগত কৰি সহায়ৰ হাত আগবঢ়োৱাৰ আৱশ্যক হ'ব। যদিহে ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা, পৌৰ নিগম আৰু পঞ্চায়ত পৰ্যায়ত সাৰ্থক পদ্ধতি হাতত লোৱা হয় তেন্তে বহুজনৰ জীৱন ৰক্ষা কৰাৰ লগতে অৰ্থনৈতিক ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিব পৰা যাব। ■

# ৰঘুনাথ চৌধাৰীৰ জীৱন আৰু কাব্য প্ৰতিভা

ভাগ্যশ্ৰী বৰা
স্নাতক তৃতীয় বৰ্ষ

নতুন পৃথিৱীৰ নতুন দিগন্তত ন-চকুযুৰিত দীপ্তি ঢালি লৈ পুৰণি পৃথিৱীক ন-দৃষ্টিৰে চাই ভাষা সাহিত্যৰ পুৰণি ভঁৰালটোক নতুন পুষ্টিৰে যেন বিনন্দীয়াকৈ চৌধাৰীদেৱে সজাই থৈ গৈছে। কবিতাৰ ঝংকাৰেৰে এদিন বিশ্ববীণাৰ তাঁৰত মুখৰিত হৈ উঠিছিল, ছন্দময় জীৱনৰ মধুময় গান। সুৰৰ লহৰে লহৰে উচ্ছলিত হৈ উঠিছিল প্ৰাণৰ উচ্ছাস। উজ্জ্বল অনুভূতিৰ পাৰ ভাঙি বৈ আহিছিল লাস্যময়ী ভাব মন্দাকিনী। সুন্দৰৰ পূজাৰ সেই মধু লগনত এজনা শান্ত, সৌম্য, গুৰু-গম্ভীৰ লোক ১৮৭৯ চনত হাজোৰ ওচৰৰ কামৰূপ জিলাৰ লাওপাৰা গাঁৱত ন জ্যোতিৰে জ্যোতিষ্মান হৈ জন্ম গ্ৰহণ কৰিছিল। সেইজনা ব্যক্তিৰ নাম হ'ল, 'বিহগী কবি' ৰঘুনাথ চৌধাৰী।

চৌধাৰীদেৱৰ শিক্ষা জীৱন আছিল সংঘাতপূৰ্ণ। শিক্ষকৰ কঠোৰ শাসন তেওঁ ভালপোৱা নাছিল আৰু সেয়ে শিক্ষকৰ লগত মনোমালিন্য হোৱাৰ বাবে তেওঁ মাত্ৰ অষ্টমমান শ্ৰেণীতে আনুষ্ঠানিক শিক্ষা ত্যাগ কৰিবলৈ বাধ্য হয়। তেওঁ ঘৰতে থাকি বঙলা আৰু সংস্কৃত ভাষা আয়ত্ব কৰিবলৈ ধৰে আৰু খুব কম সময়ৰ ভিতৰতে এই দুই ভাষা তেওঁ আয়ত্ব কৰিবলৈ সক্ষম হয়। সমান্তৰালভাৱে আৰম্ভ কৰিলে নিজৰ কবি মানসিকতা আৰু সৃষ্টি সচেতনতা চৌধাৰীদেৱৰ সংঘাতময় ব্যক্তিগত জীৱনটোৱে তেওঁৰ অনুভূতি প্ৰৱণতাত সংঘাটৰ সৃষ্টি কৰিব পৰা নাছিল। কেঁচুৱা অৱস্থাতে এক দুৰ্ঘটনাত তেওঁ চিৰকালৰ বাবেই বিকলাংগ হ'বলগীয়া হৈছিল। শৈশৱতে তেওঁ পিতৃ-মাতৃৰ সকলোৰে মৃত্যু ঘটে আৰু তেওঁ সম্পূৰ্ণ অকলশৰীয়া হৈ পৰে। তেওঁ গুৱাহাটীৰ এঘৰ আত্মীয়ৰ ঘৰত থাকিবলৈ লয়। তেনে কৰুণ স্মৃতিয়ে আমনি কৰি থকাৰ বাবেই হয়তো তেওঁ চিৰকুমাৰ হ'বলগীয়া হয়।

পাশ্চাত্য সাহিত্যৰ ৰোমাণ্টিক আন্দোলনৰ প্ৰথম অসমীয়া ছাত্ৰ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আদিয়ে জোনাকী কাকতৰ জৰিয়তে অসমীয়া কাব্য জগতলৈ যি নতুনত্বৰ জোৱাৰ আনিলে এই নতুনত্বৰ উত্তৰ সাধকসকলৰ ভিতৰত ৰঘুনাথ চৌধাৰী অন্যতম।

সাহিত্যৰ ধ্বজাবাহক জোনাকী কাকততে ৰঘুনাথ চৌধাৰীৰ প্ৰথম কবিতা প্ৰকাশিত হয়। তাৰ পাছত বাঁহী আদি কাকততো তেওঁৰ কবিতা প্ৰকাশিত হয়। ১৯১০ চনত তেওঁৰ প্ৰথমখন কবিতা পুথি 'সাদৰি' প্ৰকাশিত হয়। তাৰপাছত তেওঁ ১৯১৮ চনত কেতেকী, ১৯২৩ চনত দহিকতৰা, ১৯৫৮ চনত নৱমল্লিকা প্ৰকাশিত হয়। এইবোৰ আমাৰ মাজত একো একোটা উজ্জ্বল মুকুতা হৈ আছে।

প্ৰায় তিনিকুৰি বছৰীয়া সাহিত্য জীৱনত ৰঘুনাথ চৌধাৰীদেৱে যে কেৱল কাব্য সাধনা কৰিছিল তেনে নহয়, তেওঁ সাংবাদিক জীৱনো আৰম্ভ কৰিছিল। কবি চৌধাৰীয়ে সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰো নেতৃত্ব বহন কৰিছিল। স্বাধীনতা আন্দোলনতো অংশগ্ৰহণ কৰি তেওঁ কাৰাবাসো খাটিবলগা হৈছিল। চৌধাৰীদেৱ ১৯৪৮ চনত বিশ্ব শান্তি পৰিষদৰ অসম শাখাৰ সভাপতি আৰু ১৯৫২ চনত সৰ্বভাৰতীয় শান্তি পৰিষদৰ কলিকতা অধিৱেশনৰ কৃষ্টি শাখাৰ সভাপতি আছিল।

কবি ৰঘুনাথ চৌধাৰী দেৱে ১৯৩৬ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ তেজপুৰ অধিৱেশনত তেওঁ সভাপতিত্ব কৰিছিল। তেওঁ জোনাকি কাকতৰ সহকাৰী সম্পাদক আছিল। তেওঁ শিশু আলোচনী 'মইনা' আৰু 'সুৰভী'ৰো সম্পাদক আছিল। চৌধাৰীদেৱে কেৱল কবিতা লিখাতেই সাহিত্য শেষ কৰা নাছিল তেওঁ গল্পও লিখিছিল। তেওঁৰ মৃত্যুৰ পাছত 'পচতীয়া' নামৰ এখন গল্প সংকলন প্ৰকাশ হৈ ওলাইছিল।

ৰঘুনাথ চৌধাৰীক আমাৰ ঊনবিংশ শতিকাত বৈশিষ্ট্যপূৰ্ণ প্ৰধান কবিৰূপে স্বীকৃতি দিয়া হয়। ইংৰাজী চৰাই কবিতাৰ সমালোচনাৰ বাবে ড° বাণীকান্ত কাকতিদেৱে চৌধাৰীদেৱক 'বিহগী কবি' নাম দিয়ে। এই আখ্যা পিছৰ সকলো সমালোচকেই ব্যৱহাৰ কৰিছে। ৰঘুনাথ চৌধাৰীদেৱক বৈশিষ্ট্যগতভাৱে প্ৰকৃতি

কবি বুলি কোৱা উচিত।

**চৌধাৰী দেৱৰ কাব্য প্ৰতিভা ঃ**

অসমীয়া সাহিত্যত বিহগী কবি ৰূপে পৰিচিত ৰঘুনাথ চৌধাৰীৰ কবিতাৰ প্ৰকৃতিৰ শুভা যেন উপচি পৰিছে ফুলৰ সুৰভি আৰু প্ৰকৃতিৰ গুঞ্জনেৰে। 'জোনাকী'ৰ পাতত কাব্যচৰ্চাৰ অনুশীলন কৰা কবি গৰাকীৰ প্ৰতিভাই পূৰ্ণ বিকশিত ৰূপ পায় উত্তৰ জোনাকীৰ দিনত। সাদৰি, কেতেকী, দহিকতৰা, নৱমল্লিকা ইত্যাদি কবিতাপুথি আৰু গদ্যপুথিৰ জৰিয়তে তেওঁৰ কাব্য প্ৰতিভা উজ্জ্বল হৈ উঠিছে।

চৌধাৰীদেৱৰ কবিতাৰ ঘাই সৌন্দৰ্য হ'ল প্ৰকৃতি জগতৰ লগত তেওঁ অনুভৱ কৰা এক গভীৰ একাত্মবোধ। কিন্তু প্ৰকৃতিক অতিক্ৰম কৰি তেওঁ ৰহস্য আৰু আধ্যাত্মিক উপলব্ধিৰ জগতখনলৈ কেতিয়াবা মন কৰিছে। সেইবোৰ মনত বিশ্বসংসাৰৰ মাজত পৰমপ্ৰিয় ৰূপে একমাত্ৰ ভগৱানৰহে উপস্থিতিৰ উপলব্ধি আৰু কৰুণ প্ৰতীক্ষাৰ সুৰ তেওঁৰ কবিতাৰ মাজত ধ্বনিত হয়। গতিকে প্ৰকৃতিপ্ৰীতি আৰু বিহগ প্ৰীতিয়েই তেওঁৰ কবিতাৰ একমাত্ৰ সুৰ নহয়। অৱশ্যে প্ৰকৃতিপ্ৰীতি অথবা বিহগ প্ৰীতিয়েই তেওঁৰ কবিতাত থকা সম্মোহন সৃষ্টিকাৰী ঘাই সুৰ।

'সাদৰি' নামৰ কবিতাৰ পুথিখনৰ মাজত কবিৰ প্ৰতিভাৰ পৰিচয় ফুটি উঠিছে অতি বিচিত্ৰভাৱে। প্ৰকৃতিৰ বুকুত বিচৰণ কৰি সংসাৰ সুৰেৰে উপচায় তোলা পখীৰ গীতত তেওঁ বিচাৰি পাইছে সৰগী অমৃতৰ সোৱাদ। ফুলৰ মাজত তেওঁ দেখিছে সাতো সৰগৰ সৌন্দৰ্য। সাধাৰণ প্ৰকৃতি তেওঁৰ অনুভৱত ধৰা পৰিছে, অসাধাৰণ সৌন্দৰ্যৰ লীলাভূমি হৈ।

অখ্যাত সৰুফুল এপাহক 'গিৰিমল্লিকা' নাম দি কবিয়ে সেই ফুলপাহৰ লগতে যেন ৰোমন্থন কৰিছে অতীতৰ বহু সোণময় ক্ষণৰ। লুইতৰ তীৰৰ পাহাৰত ফুলি থকা এই ফুল যেন সৰগৰ ৰূপ আৰু পৰিমল আনি পৃথিৱীত মেলি দিছেহি। সামান্যক অসামান্য কৰি তুলিব পৰা মনৰ চকুৰে ফুল পাহক তেওঁৰ প্ৰাণৰ উম ঢালি নতুন নতুন ৰূপেৰে সজাইছে। সেইদৰে 'গোলাপ'ৰ মাজত আছে তেওঁৰ অন্তৰত জাগি উঠা এক ৰহস্যময় অনুভৱ। সেই ফুলৰ মাজত তেওঁ বিচাৰি পাইছে অপেক্ষাৰত প্ৰেমিকাৰ প্ৰেমিকৰ প্ৰতি আকুলতা আৰু অনাহুত বেদনাৰ ভাষা।

ফুলৰ দৰে চৰায়ো কবিৰ বাবে সৰগী আনন্দৰ বাতৰি দিওতা 'দহিকতৰা' পুথিৰ মাজত সবাৰে অনাদৃত চৰাইটিৰ প্ৰতি থকা কবিৰ সীমাহীন স্নেহ আৰু সহানুভূতিৰ উমান পোৱা যায়।

বিহগী কবিৰ কবিতাত ফুল আৰু চৰাইৰ মনোমোহা ৰূপৰ আঁৰে আঁৰে এটি তাৎপৰ্যময় সুৰ ধ্বনিত হৈছে। সেই সুৰৰ আঁৰত আছে সংসাৰৰ বিচিত্ৰ লীলা দেখি বিস্মিত হৈ পৰা এটি ব'ৰাগী প্ৰাণৰ জিজ্ঞাসা।

'বণিজৰ কথা' নামৰ কবিতাত প্ৰতীকি স্বৰূপে তেওঁ দাঙি ধৰিছে, সংসাৰৰ চাকনৈয়াত পৰি সৰ্বশ্ৰান্ত হৈ পৰা মানৱ প্ৰাণৰ হাহাকাৰৰ কথা। এইবোৰত তেওঁ উৎকৃষ্ট পৰিমাণে নিজৰ কাব্য প্ৰতিভাৰ পৰিচয় দিছে।

কবিৰ হৃদয়ৰ মাজত সংগোপনে শুই থকা সকলো সুখ-দুখৰ অনুভূতিৰ শেষত পৰম সুন্দৰক কেনেদৰে তেওঁ পৰমপ্ৰিয়ৰূপে গ্ৰহণ কৰিছে, তাৰ উমান আছে 'ফুলশৰ্য্যা' নামৰ কবিতাটিত। কবিতাটিত ৰহস্যবাদী চিন্তাৰ এক মৃদু আভাস লক্ষ্য কৰা দেখা যায়।

তেওঁৰ কাব্যগ্ৰন্থ 'কাৰাৱালা' কৰুণ ৰসেৰে সিক্ত। এইখনি খণ্ডকাব্যত আছে বিশ্ববিখ্যাত কাৰাবালা কাহিনীৰ অন্তৰ পৰশা ৰূপ। ইয়াত তেওঁ কাব্য প্ৰতিভাৰ সুন্দৰ নিদৰ্শন পোৱা যায়। 'নৱমল্লিকা' কথা কবিতাৰ পুথি। এই কবিতাপুথিখনৰ আটাইবোৰ কথা কবিতাৰে, কবিতাৰ কোমলতা আৰু সম্মোহন নাই। ই হৈ পৰিছে কিছুমান ব্যক্তিনিষ্ঠ প্ৰবন্ধ। তথাপিও কবিৰ ব্যক্তিগত জীৱনৰ হতাশা, নিসংগতা, বেদনা আদি বিচিত্ৰ অনুভৱৰ ৰেঙণি পৰি পুথিখন সাৰ্থক হৈ উঠিছে। এই পুথিখনৰ মাজেৰে তেওঁৰ প্ৰতিভা পূৰ্ণ বিকশিত হৈ উঠিছে।

ৰঘুনাথ চৌধাৰীদেৱৰ কবিতাৰ ঘাই আকৰ্ষণ উৎকৃষ্ট শব্দৰ সু প্ৰয়োগ। ঘাইকৈ তেওঁৰ শব্দ সম্ভাৰ সংস্কৃত শব্দৰে ভৰপূৰ। তাৰে কিছুমান শ্ৰুতিমধুৰ হ'লেও অৰ্থৰ ফালৰ পৰা বুজাত কিছু জটিল। তথাপিও গিৰিমল্লিকা, দহিকতৰা, মাধৰী ইত্যাদি কবিতাক এনেবোৰ অৰ্থাৎ সংস্কৃত শব্দৰ ব্যৱহাৰে শুৱলা কৰি তুলিছে। প্ৰয়োজন সাপেক্ষে আৰবী, ফাৰ্চী শব্দ আৰু নিভাঁজ ঘৰুৱা মাত-কথা তেওঁ খাপ খোৱাকৈ ব্যৱহাৰ কৰিব পাৰিছিল। 'গোলাপ' আৰু 'কেতেকী' কবিতা দুটি ইয়াৰ উৎকৃষ্ট উদাহৰণ। তেখেতৰ কবিতাত বিশেষকৈ দুটা স্পষ্ট আৰু সুকীয়া ধাৰা দেখিবলৈ পোৱা যায়। সেই দুটা হ'ল এটা ইন্দ্ৰিয়মুখী আৰু আনটো ইন্দ্ৰিয়বিমুখী।

যি কি নহওক লাগে, ৰঘুনাথ চৌধাৰীদেৱ আমাৰ কাব্য সাহিত্যৰ এক উজ্জ্বল মুকুতা। তেওঁৰ কাব্যপ্ৰতিভা অতি উল্লেখনীয়। কবি চৌধাৰীদেৱ আছিল এজন অন্তৰ্দৃষ্টিসম্পন্ন কবি সাধাৰণত অসাধাৰণতা আৰোপ কৰিব পৰাটোৱেই তেখেতৰ কবিতাৰ ঘাই সৌন্দৰ্য। এই সুন্দৰৰ সাধক, মানৱ প্ৰেমী, প্ৰকৃতিপ্ৰেমী আৰু বিহগী কবি মহামণিষীগৰাকী ১৯৬৮ চনত পৰলোক ধামলৈ গতি কৰে। কেৱল কামৰূপৰে নহয়, ভাৰতৰে নহয়, বিশ্বৰ এই গৰাকীয়ে বিশ্ব মানৱৰ হৃদয়ত সুকুমাৰ অনুভূতি জগাই তুলি মানৱ সমাজক সুন্দৰৰ পৰা সুন্দৰতালৈ, পূৰ্ণৰ পৰা পূৰ্ণতালৈ, অন্ধকাৰৰ পৰা পোহৰলৈ, মৃত্যুৰ পৰা অমৃতলোকলৈ, অন্যতাৰ পৰা চিৰন্তনলৈ গতি কৰাৰ জ্যোতিৰ্ময় পথ প্ৰদৰ্শন কৰিছে। চিৰদুখৰ গৰাকী এইজনা কবিয়ে জীৱনৰ সকলো কামনা, বাসনা, আশা-আকাংক্ষা, অনন্তজনৰ চৰণতে অৰ্পণ কৰি তেওঁৰ অনন্ত জ্যোতিৰ ৰেণু ৰূপে মিলি যাবলৈকে অনন্ত প্ৰয়াস কৰিছিল। তেওঁৰ স্বৰ্গীয় আত্মাই সেই অনন্ত জ্যোতিৰ লগত বিলীন হৈ পৰম্পদ লাভ কৰক—এয়ে কামনা। ■

# দুলুং সংৰক্ষিত বনাঞ্চল



জুলি গোহাঁই (নেওগ)
সহকাৰী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ**

লক্ষীমপুৰ জিলাৰ মুঠ পাঁচখন সংৰক্ষিত বনাঞ্চলৰ (Reserved forest) ভিতৰত বৰ্তমান সময়ছোৱাত তিনিখন সংৰক্ষিত বনাঞ্চলহে জীৱিত অৱস্থাত আছে। বাকী দুখন বনাঞ্চল নদীৰ গৰাখহনীয়া তথা বানপানী, চোৰাং ব্যৱসায়ীৰ অত্যাচাৰ আৰু বেদখলকাৰীৰ প্ৰকোপত প্ৰায় নিঃশেষ হোৱাৰ পথত ধাবিত হৈছে। জীৱিত আৰু আংশিক জীৱিত (নিঃশেষ হোৱাৰ পথত) সংৰক্ষিত বনাঞ্চল কেইখন হৈছে—

১। ৰঙা (মাটিকালি ৮৫৩০.০৩ হেক্টৰ)
২। কাকৈ (মাটিকালি ৪৪১৫.০৩ হেক্টৰ)
৩ দুলুং (মাটিকালি ৯৯০০.০৩ হেক্টৰ)
৪। কদম (মাটিকালি ৪৬২৬.০০ হেক্টৰ)
৫। পাভ (মাটিকালি ৩৬২৬.০০ হেক্টৰ)

**পৰিচয় ঃ**

চাৰিসীমা

উত্তৰ দিশত ঃ দুলুং নদী আৰু দুলুংমুখ।
দক্ষিণ দিশত ঃ ৰাজগড় আলি, পথালিপাম, ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথ।
পূব দিশত ঃ সোৱণশিৰি নদী, গেৰুকামুখ।
পশ্চিম দিশত ঃ বগীনদী, ছিয়াজুলি।

ভৌগোলিক দিশৰপৰা মন কৰিলে দুলুং সংৰক্ষিত বনাঞ্চলখন ৯৪°৭/২৮//—৯৪°১৮/১২// পূব দ্ৰাঘিমাংশ আৰু ২৭°২৬/৪//—২৭°৩১/৪// উত্তৰ অক্ষাংশৰ মাজত অৱস্থিত। বনাঞ্চলৰ জলবায়ু ক্ৰান্তীয় মৌচুমী জলবায়ুৰ অন্তৰ্গত। বাৰ্ষিক বৰষুণৰ পৰিমাণ প্ৰায় ৪৩৯ মিঃমিঃ হয়। গ্ৰীষ্মকালত সৰ্ব্বোচ্চ ৩৪° ছেন্টিগ্ৰেড উষ্ণতাৰ পৰা শীতকালত সৰ্বনিম্ন ১০° ছেন্টিগ্ৰেডলৈ তাপমান পোৱা যায়। জৈৱ বৈচিত্ৰ্যৰে সমৃদ্ধ দুলুং সংৰক্ষিত বনাঞ্চলখন অৰুণাচল প্ৰদেশৰ পাদদেশত (foot hill) অৱস্থিত আৰু বনাঞ্চলখনৰ কিছু অংশ লক্ষীমপুৰ নগৰৰ মাজেদি যোৱা ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ (বাঁওদিশে পদুমণি থানৰ ওচৰত) দাঁতি সংলগ্ন। অৱশ্যে ওখমাটি অঞ্চলত বনাঞ্চলখনৰ সামান্য অংশ ঘাইপথৰ দুয়োদাঁতিতেই বিস্তৃত হৈ আছে। পূব আৰু পশ্চিম

দিশত সোৱণশিৰি আৰু বগীনদীয়ে অৱস্থান লৈ প্ৰাকৃতিক সৌন্দৰ্য বিলোৱাৰ লগতে বনাঞ্চলখনৰ সীমা নিৰ্ধাৰণ কৰিছে। বনাঞ্চলৰ সংলগ্ন অন্যান্য ঠাই গাঁওসমূহ হৈছে তাৰিয়নী, পদুমণি, ওখমাটি, বকুলবাৰী, কণানদী (নতুন গাঁও), ঘাগৰ, কুঁহিয়াৰবাৰী, নেপালীগাঁও আৰু পথালিপাম চাহ বাগিছা। বনাঞ্চলৰ মাজেদি পদুমণি, বাঘিনীজান, কণানদী, ঘাগৰ নদী, জিলি নদী আৰু দুলুং নদী আদি নাম লৈ কেইবাখনো নদী সমতললৈ বৈ আহি বৃহৎ সোৱণশিৰি নদীত বিভিন্ন ঠাইত মিলিত হৈছে। ইয়াৰ উপৰিও কেইবাটাও সৰু পাহাৰীয়া জুৰি (চেঙেলিজান, হাইজান...ইত্যাদি)। খাল, বিল, জলাশয়, পিটনি আদিৰে বনাঞ্চলৰ ভিতৰভাগ পৰিপূৰ্ণ। বাৰিষাকালত এই পাহাৰীয়া নদীসমূহত হৰ্হৰাই ঘোলা পানীৰ ধল অহাৰ বিপৰীতে খৰালি কালত শিলৰ ফাঁকে ফাঁকে কুলু কুলু শব্দৰে চিল্‌চিলিয়াকৈ পানী বৈ থাকে। এই পানীত আলংকাৰিক মাছৰ (ornamental fish) কেইবাটাও প্ৰজাতি পোৱা যায় বুলি জনা গৈছে।

**উদ্ভিদ বৈচিত্ৰ্য (Plan Diversity) ঃ** দুলুং বনাঞ্চলত চিৰসেউজ (evergreen), অৰ্ধ চিৰসেউজ (Semi evergreen), পৰ্ণপাতী (deciduous) শ্ৰেণীৰ অৰণ্যৰ সৈতে তৃণভূমি (grassland) ও দেখা যায়। এই বনাঞ্চলত যথেষ্ট সংখ্যক উন্নত মানৰ কাঠ উৎপাদনকাৰী গছ, বিভিন্ন ঔষধি গুণ সম্পন্ন শাক-বন, লতা, বৃক্ষ, বিভিন্ন প্ৰজাতিৰ বাঁহ-বেত, কেইবাবিধো ভক্ষণযোগ্য ফল ধাৰণ কৰা উদ্ভিদ, বিভিন্ন প্ৰজাতিৰ পৰাশ্ৰয়ীৰ (epiphytic) লগতে মাটিত হোৱা (ground) কপৌফুল, ঢেঁকীয়া আৰু মচৰ্গৰ উদ্ভিদৰ উপৰিও দুষ্প্ৰাপ্য স্থানিক প্ৰজাতি (Endemic Species), বিপদাপন্ন প্ৰজাতিৰ উদ্ভিদ পোৱা যায়।

**১। কাঠ উৎপাদনকাৰী উদ্ভিদ ঃ**

শাল, তিতাচপা, গন্ধসৰৈ, চেগুণ, গমাৰী, শলখ, আজাৰ, নাহৰ, চামকঁঠাল, বনচোন, ধূনা, এজাৰ, বগীপমা, গাহৰিচপা, পমা, চতিয়না ইত্যাদি।

**২। ঔষধি গুণসম্পন্ন শাক-বন, লতা, বৃক্ষ ঃ**

ক) শাক-বন ঃ গাখীৰতীবন, বনজালুক, গৰখীয়াকচাই, অগৰা, কাউৰীঠুটিয়া, লাই জাবৰি, গোন্ধোৱা বন, হাতীশুৰ, মেজেংগা, বচ, মালকাঠী, ওলকচু, শিলকচু কচু, চেংমৰা (জলজ) ইত্যাদি।

খ) লতা ঃ টুবুকীলতা, ভেদাইলতা, তেজমুই, পিপলি, নলটেঙা, টিকনিবৰুৱা, হাড়জোৰা লতা, শগুণীলতা, অমৰলতা ইত্যাদি।

গ) বৃক্ষ (গুল্মজাতীয়) ঃ বাহক (তিতাকচি), বগা বাহক, ভেদাই তিতা, জেটুলি, নৰসিংহ, তিঁতা ভেকুৰী, মেচাকি, (মিচিং ভাষাত নটকে বা অম্বে) অকলবিহ (মিচিং ভাষাত—অকৰবিৰি), হাতী ভেকুৰী, ডাঙৰ ডিমৰু (মিচিং ভাষাত তাকুক), সৰু ডিমৰু (মিচিং ভাষাত টাকপিয়াং) ইত্যাদি।

ঘ) বৃক্ষ (ডাঙৰ) ঃ ঔটেঙা, জৰি বা পাকৰি, কুঁজীথেকেৰা, বৰথেকেৰা ইত্যাদি।

**৩। বিভিন্ন প্ৰজাতিৰ বাঁহ-বেত ঃ**

ক) বাঁহ ঃ নলবাঁহ, কোটোহা বাঁহ, বিজুলি বাঁহ, কাক' বাঁহ (এইবিধ বাঁহ পাহাৰীয়া বিৰল ডাঙৰ বামি মাছৰ প্ৰিয় খাদ্য)। এই মাছ বিধে



কাক'বাঁহত বগাই গৈ বাঁহৰ কুমলীয়া আগ খায়। সেইবাবেই হয়তো মাছবিধৰ নাম 'কাক'বামি'। কাক'বামিৰ বৰণ ক'লা-সেউজীয়া মুগা চানেকীয়া। প্ৰায় ছয়ৰ পৰা আঠ কিলোগ্ৰাম ওজনলৈকে ডাঙৰ হয়। অতি তেলাল মাছ, দেখিবলৈ ভয় বা ঘিন লগা।

খ) বেত ঃ জিংয়ু বেত, জাতি বেত, চুলি বেত, ৰাইডাং বেত, সৌকা বেত, চুপাৰ বেত, লেজাই বেত ইত্যাদি।

৪। **ভক্ষ ফল ধাৰণ কৰা উদ্ভিদসমূহ ঃ**

ক) ঔষধি ফল ঃ শিলিখা, আৰু ভোমোৰা (ত্ৰিফলাৰ দুটা উপাদান), অমৰা, কুটাহি জামু, বিৰিয়া জৰা, জৰা নেমু।

খ) সুস্বাদু ফল ঃ টিলিকি আম, লেটেকু, বগৰী, চামকঁঠাল (ওখ বৃক্ষ, দেখাত কঁঠালতকৈ সৰু, অৰ্ধগোলাকাৰ (sub-orbicular) শাহ অংশ মিঠা-টেঙা, গুটি শুকানকৈ ভাজিলে তৈলাক্ত বাদামৰ দৰে সুস্বাদু হয়। ফলৰ বৰণ হালধীয়া)

৫। **বিভিন্ন প্ৰজাতিৰ পৰাশ্ৰয়ী আৰু স্থলজ অৰ্কিড ঃ**

এতিয়ালৈকে প্ৰায় ৪৬ বিধ পৰাশ্ৰয়ী আৰু ৪ বিধ স্থলজ অৰ্কিডৰ সন্ধান দুলুং সংৰক্ষিত বনাঞ্চলত পোৱা গৈছে।




এই বনাঞ্চলখনত সততে চকুত পৰা অৰ্কিড কেইবিধ হ'ল—

**পৰাশ্ৰয়ী ঃ** *Rhyncostylis retusa, papilionanthe teres, pholidota pallida, Dendrobium aphyllum, D. lituriflorum, Eria fragrans, E. ferruginea, Lusia Zeylanica, Aerides odoratum, A. multiflorum, Cymbidium aloifolium etc.*

**স্থলজ ঃ** *Geodorum densiflorum, Calanthe masuca, Arundina graminifolia, Malaxis latifolia etc.*

৬। **ঢেঁকীয়া আৰু মচবৰ্গৰ উদ্ভিদসমূহ ঃ**

ক) ঢেঁকীয়া জাতীয় উদ্ভিদ ঃ চিলাজিনেলা, লাইক'পডিয়াম (স্থলজ আৰু পৰাশ্ৰয়ী) ইকুইজিটাম, টেৰিছ, পলিপডিয়াম, এডিয়েণ্টাম, গ'ল্ডেন ফাৰ্ন, চিলভাৰ ফাৰ্ন, লাইগ'ডিয়াম, গছ ঢেঁকীয়া, লতাঢেকীয়া ইত্যাদি।

খ) মচ জাতীয় ঃ মচ জাতীয় উদ্ভিদ ৰিক্‌চিয়া, মাৰ্কেনচিয়া, পলিট্ৰিকম ইত্যাদি।

**অন্যান্য দুষ্প্ৰাপ্য (rare), বিলুপ্তপ্ৰায় (endengered) উদ্ভিদসমূহ ঃ**

এচিয়া মহাদেশৰ ভিতৰত একমাত্ৰ দুলুং বনাঞ্চলত পোৱা দুষ্প্ৰাপ্য স্থানিক প্ৰজাতি (endemic species) টো হৈছে চিঁয়া নাহৰ (Kayea assamica Family–Ternstroemiaceae)। তেনেদৰে বিলুপ্তপ্ৰায় বেত বাঁহ বা লতা বাঁহ (Dinochloa macclellandi Family–poaceae) একমাত্ৰ এই বনাঞ্চলখনতেই পোৱা যায়। বনাঞ্চলখনত কপৌফুলৰ উপৰিও অসমীয়া সমাজ-সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে সম্পৰ্ক থকা বিভিন্ন উদ্ভিদ— দীঘলতী, মাখিলতী, বিহলঙনী, বৰ্হমথুৰি, কেতেকী, ঢেঁকীয়া, আঁহত, তৰাগছ, ফুলবাৰু গছ, কেঁহৰাজ ইত্যাদি প্ৰচুৰ পৰিমাণে পোৱা যায়। গেৰুকা তামোল, ৰাম নেৰুকা, নল, খাগৰি, ইকৰা, খেৰ, টকৌগছ আদি ঘৰ সজা বা বাৰীত জেওৰা দিয়া কামত ব্যৱহাৰ হোৱা উদ্ভিদসমূহো কম-বেছি পৰিমাণে এই বনাঞ্চলত উপলব্ধ।

**প্ৰাণী বৈচিত্ৰ্য (Animal diversity) ঃ** প্ৰাণী বৈচিত্ৰ্যত দুলুং বনাঞ্চলখন অতি চহকী। বিভিন্ন কাৰণত বনাঞ্চলখনত প্ৰাণীসমূহৰ আবাসভূমিৰ পৰিমাণ হ্ৰাস পোৱা, চোৰাংচিকাৰীৰ লোভনীয় দৃষ্টি ইত্যাদি কাৰণত প্ৰাণী বৈচিত্ৰ্যতা আগৰ তুলনাত কমি আহিলেও এতিয়াও ভালেসংখ্যক বিভিন্ন প্ৰজাতিৰ স্তন্যপায়ী, চৰাই-চিৰিকতি, সৰীসৃপ, কীট-পতংগ আৰু মাছ-কাছ পোৱা যায়।

১। **বিভিন্ন প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণীসমূহ ঃ**

ক) তৃণভোজী ঃ বনৰীয়া হাতী, সুগৰী পহু, শৰ পহু, ছাগলী পহু বা খুঁটিয়া পহু, বনগাহৰি, কেঁটেলা পহু, মলুৱা বান্দৰ, কেৰ্কেটুৱা, উৰণীয়া কেৰ্কেটুৱা ইত্যাদি।

খ) মাংসভোজী ঃ ঢেঁকীয়াপতীয়া বাঘ, লতা মাকৰি বাঘ, জহামাল বা হাগে গেণ্ডা (শুনামতে ছয় মাহ একে ঠাইতে মল ত্যাগ

কৰে), নেউল, হেপা, শিয়াল ইত্যাদি।

২। **চৰাই-চিৰিকতিসমূহ ঃ**

পাতি কাউৰী, বৰটোকোলা, শগুণ, শামুক ভঙা, বগলী, চিলনী, হাড়গিলা, শৰালি, ডাউক, ফেঁচা, পানী কাউৰী, ঢোঁৰা কাউৰী, মাছৰোকা, ডৰিক, কণামুছৰি, শেন, হুদু, বনকুকুৰা (ঘৰচীয়া কুকুৰাতকৈ আকাৰত সৰু, ক্ষীণ, বৰণ প্ৰায়ভাগৰেই ৰঙা-মুগা, তীব্ৰ বেগী), টোকোৰা, ফেঁচুলুকা, পৰ্ঘুমা, ধনেশ, ভাটৌ, শিলকপৌ, বনপাৰ, নীলকপৌ, কেতেকী, বাঢ়েটোকা, কুলি, তেলটুপী, শালিকা, মইনা, চুতীয়া শালিকা ইত্যাদি।

৩ **বিভিন্ন প্ৰজাতিৰ সৰীসৃপ, কেঁকোৰা ঃ**

অজগৰ, মাটি ফেঁটী, ধুন্দুলি ফেঁটী, ৰঙা দুমুখীয়া সাপ, সেউজীয়া দুমুখীয়া সাপ, কাঢ়শলা সাপ, গুঁই, বাম কাছ, পানী কাছ, টৰ্কৌ কাছ বা কাঠ কাছ, শিল কাছ, নাইপিয়া, ৰঙা নাইপিয়া, কেঁকোৰা, ৰঙা কেঁকোৰা, দুধ কেঁকোৰা (চেপিলে গাখীৰৰ দৰে বগা জুলীয়া পদাৰ্থ ওলায়) ইত্যাদি।

৪। **নানা প্ৰজাতিৰ মাছ ঃ**

বিবলা, কঁকিলা, বটীয়া, গাগল, তুৰা, এলেং, পাতিমুতুৰা, নগাচেঙেলী, চন্দা, লাওপেটা, চেলকনা, কুচিয়া, গেদ্‌গেদী, বালিচন্দা, চেনীপুঠি, ভেচেলি। হাতীকুৰকুৰী, গৰুৱা, গংগাটোপ এই তিনিবিধ আলংকাৰিক মাছ হিচাপে জনা যায়।

লিথা বা ৰিতা (বৰণ হালধীয়া- মুগা, মজলীয়া আকাৰৰ অতি স্বাদযুক্ত আৰু কোমল), পিঠিয়া, বোকাপিঠিয়া, শিলঘৰীয়া, ক্ৰমে দুলুং নদী আৰু সোৱণশিৰি নদীত পোৱা যায়। কাক'বামি জিলি নদীত পোৱা যায়।

**দুলুং বনাঞ্চল আৰু স্থানীয় বাইজৰ লাভালাভ ঃ**

বনাঞ্চলখনৰ দাঁতিকাষৰীয়া কেইবাখনো গাঁৱৰ বহু সংখ্যক দৰিদ্ৰ লোকেই আৰ্থিকভাৱে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকে বিভিন্ন ইন্ধন সামগ্ৰী, ঘৰ সজা, জেওৰা দিয়া সামগ্ৰী, বিভিন্ন শাক পাত, ঔষধি উদ্ভিদ আদি সংগ্ৰহ কৰি ঘৰত ব্যৱহাৰ কৰাৰ লগতে বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰে। অৱশ্যে স্থানীয় আৰ্থিকভাৱে টনকিয়াল লোকসকলেও বৰ্তমান সময়ত ৰাসায়নিক সাৰ প্ৰয়োগ কৰি উৎপাদন কৰা ভেজাল পাচলিৰ সলনি প্ৰকৃতিপ্ৰদত্ত স্বাস্থ্যসন্মত শাক-পাত খায় আত্মসন্তুষ্টি লাভ কৰা দেখা যায়। ইয়াৰ উপৰিও স্থানীয় নেপালী লোকসকলে তেওঁলোকৰ বিভিন্ন উৎসৱ-পাৰ্বনত বহুলভাৱে ব্যৱহাৰ কৰা 'চালপাত' (নেপালী ভাষাত) যথেষ্ট পৰিমাণে সংগ্ৰহ কৰে। হস্তশিল্পত নিপুণ বাঢ়েয়ে বনাঞ্চলত পোৱা বিভিন্ন প্ৰজাতিৰ বেত ব্যৱহাৰ কৰি নানাধৰণৰ ঘৰুৱা আচবাব পত্ৰ তৈয়াৰ কৰা দেখা পাওঁ। সন্তোষৰ কথা যে বহাগ বিহুৰ সময়ত বিহু নাচনীসকলে সাদৰৰ 'কপৌফুল' পাহ খোপাত গুজিবলৈ অলপো চিন্তা কৰিব লগা নহয়। আজি কিছুদিনৰ আগতে বাতৰি



কাকতত 'মধুমেহ' ৰোগ 'ঔটেঙা'ৰ (Dillenia Indica) দ্বাৰা প্ৰতিৰোধ কৰিব পাৰি বুলি প্ৰকাশ পোৱাৰ পিছতেই বকুলবাৰী অঞ্চলৰ কিছুসংখ্যক লোকে বনাঞ্চলৰ পৰা ঔটেঙা সংগ্ৰহ কৰি গুড়ি প্ৰস্তুত কৰি বিক্ৰী কৰিছে বুলি জানিব পাৰিছোঁ। উল্লেখযোগ্য যে এই বনাঞ্চলত কম-বেছি পৰিমাণে পোৱা চিয়াঁ নাহৰ গছত এইড্ছ (AIDS) ৰোগ প্ৰতিৰোধ আৰু নিৰাময় কৰা উপাদান থকাৰ কথা ইতিমধ্যে যোৰহাট আঞ্চলিক গৱেষণা কেন্দ্ৰৰ বিজ্ঞানীসকলে সদৰী কৰিছে।

**দুলুং বনাঞ্চলৰ প্ৰতি ভাবুকি ঃ**

জৈৱ বৈচিত্ৰ্যত অতি চহকী দুলুং বনাঞ্চলখন সম্প্ৰতি গভীৰ সংকটৰ সন্মুখীন হোৱা দেখা গৈছে। বিশেষকৈ অৰুণাচলী বেদখলকাৰীৰ প্ৰতাপত বনাঞ্চলখনৰ পৰিসৰ দিনক দিনে সংকুচিত হৈ আহিছে। বেদখলকাৰীয়ে বনাঞ্চলৰ বহু ঠাইত গছ-গছনি কাটি নতুনকৈ মাটি উলিয়াই ঘৰ সজাৰ লগতে বিস্তৃতভাৱে আনাৰস, চিত্ৰনলা, মাৰুৱা, জলকীয়া, কচু আদিৰ খেতি কৰিছে। পথালিপামৰ সমীপত বহু বছৰৰ আগতেই অৰুণাচল চৰকাৰৰ তত্ত্বাৱধানত শিক্ষানুষ্ঠান আৰু হষ্টেল স্থাপন কৰিছে। চোৰাং ব্যৱসায়ীয়ে শ্ব মিল পাতি অবিৰতভাৱে বহু মূল্যবান গছ ধ্বংস কৰি কাঠৰ ব্যৱসায় কৰি

আহিছে। ২০১০ চনৰ ফেব্রুৱাৰী মাহত কুঁহিয়াৰবাৰীৰ ওচৰৰ দুলুং বনাঞ্চলৰ ভিতৰভাগৰ পাৰবস্তি, খেৰবাৰী (অৰুণাচলী লোকৰ গাঁও) লৈ যাওঁতে দিন দুপৰতে বন্দুকধাৰী চোৰাংচিকাৰী দেখিছিলো। শুনামতে তেওঁলোকে প্রায়ে বিভিন্ন প্রজাতিৰ পশু নিধন কৰি অধিক দামত অন্য ঠাইলৈ চালান দিয়ে। ২০১১ চনৰ মাজভাগত ঘাগৰ নদীৰ সমীপত হাতী নিধন কৰি দাঁত কাটি লৈ চোৰাং চিকাৰী উধাও হৈছিল। একমাত্র অৰুণাচলী বেদখলকাৰীয়ে বনাঞ্চলৰ ধ্বংস কৰিছে এনে নহয়, আমাৰ স্থানীয় বা কম দূৰত্বৰ দুষ্ট চক্র কিছুমানেও বনাঞ্চলৰ ভিতৰভাগ ফোঁপোলা কৰাত উঠি পৰি লাগিছে। বনাঞ্চলৰ ভিতৰত তেওঁলোকে ডাঙৰকৈ নলা খান্দি প্রকাণ্ড প্রকাণ্ড গছ কাটি আংশিকভাৱে জ্বলাই লৈ বিভিন্ন জাবৰ-জোথৰ, মাটি দি পুতি থৈ দুই এমাহৰ ভিতৰতে কয়লা তৈয়াৰ কৰি বিক্রী কৰে। ডাঠ বাকলি যুক্ত, প্রকাণ্ড গছ কটাৰ ফলত কপৌফুলৰ লগতে অন্যান্য পৰাশ্রয়ী উদ্ভিদৰ আশ্রয়থলীও ধ্বংস হৈছে। ইয়াৰ উপৰিও কিছুলোকে বনাঞ্চলত পোৱা বিভিন্ন মূল্যৱান অৰ্কিডৰ প্রজাতি কম অর্থৰ বিনিময়ত বিক্রী কৰে। এনে বিভিন্ন কার্যকলাপৰ ফলস্বৰূপে বনাঞ্চলখন মুকলি হোৱাৰ ফলত হস্তী মানৱৰ সংঘাত বৃদ্ধি হ'বলৈ ধৰিছে। খাদ্যৰ অভাৱত হস্তী কুল বনাঞ্চলৰ বাহিৰলৈ ওলাই আহি মানুহৰ ঘৰ-দুৱাৰ ধ্বংস কৰাৰ লগতে খেতি পথাৰৰ শস্য নষ্ট কৰে। ইতিমধ্যে দুই-এজন লোকৰ হাতীৰ গচকত মৃত্যুও ঘটিছে। এনে ক্ষেত্রত হস্তীকুল জগৰীয়া নহয়। কোৱা হয় যে, হাতীয়ে কেতিয়াও নিজৰ বাট বা পটি পাহৰি নাযায়। হস্তীকুলৰ বিচৰণ ভূমিত নতুনকৈ গাঁও-ভূঁই পতাৰ বাবেই এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। আনহাতেদি অদূৰ ভৱিষ্যতে ধেমাজি জিলাৰ গেৰুকামুখত নির্মিয়মান ২০০০ মেগাৱাট নামনি সোৱণশিৰি জলবিদ্যুৎ প্রকল্পৰ বৃহৎ নদী বান্ধে দুলুং সংৰক্ষিত বনাঞ্চলৰ জৈৱ বৈচিত্র্যত যে প্রভাৱ নেপেলাব তাক নুই কৰিব নোৱাৰি। দুলুং বনাঞ্চলক ৰক্ষণা-বেক্ষণ দিবৰ বাবে লক্ষীমপুৰ বন সংমণ্ডলৰ অন্তর্গত পথালিপাম, তাৰিয়নী দুটা খণ্ড আৰু পদুমনি, দুলুং আৰু সোৱণশিৰি আদি তিনিটা শিবিৰ থকা সত্বেও উপৰুক্ত ইমানবোৰ বিপর্যয় বনাঞ্চলখনলৈ নামি অহাটো অতি চিন্তনীয় বিষয়। এই ক্ষেত্রত বনবিভাগৰ নির্লিপ্ততাক জগৰীয়া কৰিব পাৰি। অৱশ্যে অসম চৰকাৰে বনকর্মীসকলক প্রয়োজনীয় অত্যাধুনিক সা-সৰঞ্জাম যোগান ধৰিলেহে তেওঁলোকে দুষ্কৃতিকাৰীক প্রতিৰোধ কৰিব পাৰিব।

**সামৰণি ঃ**

উল্লেখনীয় বিষয়টো হ'ল বহু ধ্বংসযজ্ঞ চলি থকাৰ পিছতো এতিয়াও বনাঞ্চলখনত জৈৱবৈচিত্র্যৰ প্রাচুর্যতা শেষ হৈ যোৱা নাই। লক্ষীমপুৰৰ পৰা প্রায় পঁচিশ কিলোমিটাৰ দূৰত্বত পদুমনি থানৰ পৰা সোৱণশিৰি নদীলৈকে বনাঞ্চলৰ প্রাকৃতিক সৌন্দর্য ভালদৰে উপভোগ কৰিব পাৰি। 'পদুমনি থান' আৰু বনবিভাগে নির্মাণ কৰা 'পদুমনি পার্ক' পর্যটকৰ আকর্ষণথলী। বনাঞ্চলৰ অন্তর্গত কণানদীৰ বাহিৰে বাকী সকলো কেইখন নদীয়েই বনভোজৰ বাবে সুবিধাজনক। বাৰিষাকালত দুই-তিনি ঘণ্টাৰ বাবে অহা কণানদীৰ বলিয়া বান চাবলগীয়া। বনাঞ্চলখনত বছৰটোৰ অনেক সময়ত বনৰীয়া ফুলে আমোলমোলায়। নির্দিষ্ট সময়ত ওখ গছত বগা-গোলপীয়া-বেঙুনীয়া ৰঙী *Dendrobium Orihid* বিলাক লমালমে ফুলাৰ দৃশ্য অতি বিতোপন। পাৰত নাৱৰীয়াই বান্ধি থোৱা নাৱৰ সৈতে সোৱণশিৰিৰ পানীত সূর্যাস্তৰ জলমলীয়া ৰূপ কিমান মোহনীয়া দেখাজনেহে বুজিব পাৰে। গ্রীষ্মকালৰ বর্ষনমুখৰ সন্ধ্যা ও ৰাতি বৰঘুণৰ শব্দই বনাঞ্চলখন জয়াল কৰি তোলে। জেঠ-আহাৰ মাহৰ দুপৰীয়া আকৌ সন্ধিয়া ঝিল্লীয়ে টৰেং টুৰেং ট'অঁ... টৰেং টৰেং' শব্দৰে পিছদিনালৈ ৰ'দ দিয়াৰ আগজাননী দিয়াৰ লগতে পৰিৱেশটো গহীন কৰি তোলে। আহিন মাহৰ গছ-বনত পৰা নিয়ৰ টোপালৰ ৰূপেই সুকীয়া। মাঘ ফাগুনৰ পুৱাৰ ভাগত সেউজ বুলীয়া ভাটৌৰ জাকটোৱে ভুৰংকৈ আহি বাৰীৰ গোমধান ডৰাত পৰি খাদ্যৰ সন্ধান লয়। কপিকুলৰ সদস্য বর্গইও গছৰ ডালত বহি খেক্‌খেকাই নিজৰ ভিতৰতে কথা পাতে। কুকিলকণ্ঠী চৰাইজাকেও নিজৰ উপস্থিতিৰ উমান দিয়েই থাকে। মাজে-সময়ে দুই-এজন গজৰাজে ৰাষ্ট্রীয় ঘাইপথত সন্ধ্যা বা নিশা পথালি দি পথ অৱৰোধ কৰিলে বাটৰুৱাৰ জীউ ধপ ধপ কৰে। গাঁওবাসী যেনেকৈ গজৰাজক গাঁৱৰ পৰা খেদি পঠোৱাৰ কৌশলত পাকৈত ঠিক তেনেকৈ উপায়বিহীন হ'লে আগলি কলপাতত ধূপ চাকিৰে সৈতে অন্যান্য খাদ্য সম্ভাৰ দি গাওঁ এৰিবলৈ কাকুতি-মিনতি কৰাতো পার্গত (গধুলি পৰত হাবিলৈ সোমোৱা পথত দি থৈ অহা হয়)। ছাগলী পছৱে হাঁও হাঁও কৈ কান্দিলে ওচৰতে বনৰজাই জোপ লৈথকা বুলি বুজা যায়। গৃহস্থই দামুৰি পোৱালীটো একসপ্তাহমান বিচাৰি নেপালে বনৰজাই বধিলে বুলি নিশ্চিত হয়। মুঠতে দুলুং বনাঞ্চলক প্রকৃতিৰ ৰম্যভূমি বুলি নকৈ নোৱাৰি। গতিকে আমি সকলোৱেই একত্রিত হৈ বনাঞ্চলখনক ৰক্ষণাবেক্ষণ দিয়াতো আমাৰ কর্তব্য। এনে ক্ষেত্রত অসম চৰকাৰৰ বন বিভাগৰ বিষয়া-কর্মচাৰী, বনকর্মী, বে-চৰকাৰী প্রকৃতিপ্রেমী সংস্থা, বিভিন্ন শিক্ষানুষ্ঠানসমূহে আগভাগ লৈ সকলো শ্রেণীৰ ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লাগিব। শেষত, এই ছেগতে মই লক্ষীমপুৰৰ প্রকৃতিপ্রেমী সংগঠন গ্রীণ হেৰিটেজে বহুদিনৰ পৰা দুলুং বনাঞ্চলক 'অভয়াৰণ্য' হিচাপে ঘোষণা কৰিবলৈ চৰকাৰক দাবী জনাই অহাৰ বাবে শলাগ ল'লো। ■

কৃতজ্ঞতা ঃ ড° স্বপ্নালী গগৈ, ভূগোল বিভাগ,
উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়

তথ্যসূত্র ঃ

১। বনজ্যোতি, ৩৯ তম্ ৰাজ্যিক অধিৱেশন, লক্ষীমপুৰ-ধেমাজি ২০০৮
২। গ্রীণ হেৰিটেজৰ সেউজ চিন্তা, চতুৰ্থ বছৰ, চতুৰ্থ সংখ্যা, মে' ২০০৭

# ফাগুনৰ কবিতা

গীতাশ্ৰী দেৱী
স্নাতক প্ৰথম বৰ্ষ

শীতৰ ঠেৰেঙা লগা জাৰৰ পিছত শুকান শুকান পৰিৱেশ, ৰ'দে পোৰা দুপৰীয়া। হঠাৎ ক'ৰবাৰ পৰা জানো এজাক বতাহ আহিল শুকান মনক কৰি গ'ল সতেজ। গালে মুখে সানি গ'ল এজাক ধূলিৰ ফাকু। কেইটমান মুহূৰ্তৰ বাবে ধূসৰ হৈ গ'ল দৃষ্টি, সৰাপাতে কঁপাই গ'ল সৰ্পিল পথৰ মসৃণ অথবা ওখোৰা-মোখোৰা দেহ। এয়াই হ'ল ফাগুন।

প্ৰকৃতিৰ ৰম্যভূমি অসম। ছয় ঋতুৰ সমাহাৰে অসমীয়া বছৰটি বিভক্ত। এই ছয় ঋতুৰ অন্তৰ্ভুক্ত এটি মাহ হ'ল ফাগুন। শীতৰ বিৱৰ্ণ প্ৰকৃতি ধূলি ধূসৰিত পৰিৱেশ, ৰিব্‌ৰিব্ মলয়া আৰু গা-মন উতলা কৰা এছাটি পছোৱাৰ নামেই হ'ল ফাগুন। শীতে সেমেকাই দিয়া পৃথিৱীৰ যন্ত্ৰণা আৰু বিষাদ যেন ফাগুনে দুগুণে বঢ়াই তোলে, তথাপি ফাগুনৰ মাজত পোৱা যায় আনন্দ-বিষাদ, পোৱা আৰু নোপোৱা, আশা আৰু নিৰাশাৰ দস্তাবেজ। সেয়েহে গীতিকাৰ কবিৰ কলম আৰু কণ্ঠত ফাগুনৰ স্বাদ ভিন্ন ধৰণেৰে পোৱা যায়।

ফাগুন হ'ল হঠাৎ অহা এজাক পছোৱা। পুৰণিক বিদায় জনাই নতুনক আদৰাৰ প্ৰথম প্ৰয়াস।

ফাগুনৰ বতাহে যেনেদৰে ধূলি উৰুৱাই তেনেদৰে এক অজান অনুভূতিৰে দেহ-মন পুলকিত কৰি তোলে। সেয়েহে গীতিকাৰে গায়—

'ফাগুনৰে বা বলে
লিহিৰি লিহিৰি বনতে
কিয় বাৰু মৌ সৰে
কাৰোবাৰ হাঁহিতে।'

ফাগুন মানেই ধূলিৰ বতাহ আৰু ধূলিয়ে সূৰ্যৰ সোণালী কিৰণকো ধূসৰ কৰি তোলে—

'দেখিছো আকাশে সনা চোতালত ধূলি মোৰ
বেলিৰ সোণালী ৰং বুলি
শুনিছো বহুত হাঁহি ইয়াৰ পৰাই নিয়া
ফাগুনৰ বতাহে বুটলি।'—

*—নৱকান্ত বৰুৱা*

সেউজীয়া কোমল গছ-গছনিক ফাগুনৰ ধূলিয়ে শুভ্ৰ পোছাক পিন্ধাই ধূলিৰে আকাশ আৱৰি পেলায়। তথাপি গীতিকাৰৰ কলমত ফাগুনৰ মাদকতা ভৰা প্ৰশান্তি। তেওঁলোক ফাগুন অহাৰ বতৰতে হৈ পৰে উৎফুল্লিত—

'বাটৰ ঘূলি পথৰ ধূলি
কোন কিশোৰৰ পদধূলি
সৰি বগা হ'ল সৌ দূৰৰি দৰা
ফাগুন আহে ফাগুন আহে
চজিনা ফুলৰ পাহে পাহে
ভাল লাগে চাই
গুণ গুণ গুণ মৌ মাখিবোৰ উৰা।'

*—নৱকান্ত বৰুৱা*

ফাগুণ অহাৰ লগে লগে মন উতলা হয়। মলয়াৰ লগে লগে মন দূৰ দিগন্তলৈ উৰি যায়। গীতিকাৰে গায়—

'আমনি নকৰিবি
দুষ্ট ফাগুন আহি।'

ফাগুনত পলাশ, শিমলু ৰঙা হোৱাৰ লগে লগে মনো ৰাঙলী হয়—

'মন দোলে
ফাগুনৰে বাত
ফুলে ফুলে
অ' পলাশ, শিমলু
কি ৰঙে উতলা
নাজানো...............।'

কিয় এনে হয় ভাবি মন ভাৱত বিভোৰ হয়। প্ৰেমিকৰ হৃদয়ত ফাগুনে ঢৌ তোলে। সেয়েহে বিহুনামতো গায়—

'মনৰে ফাগুন আহিলে
পলাশো ফুলিলে
গছে-বনে সলালে পাত।'

বসন্তৰ দৰে সেউজ প্ৰেমিকাৰ খবৰ জনাবলৈ ফাগুন বৈ থাকেহি গীতিকাৰৰ দুৱাৰমুখত। ফাগুনৰ শুকান পাতে প্ৰেমিক-প্ৰেমিকালৈ অলেখ খবৰ লৈ আহে। গছে কুঁহিপাত মেলাৰ দৰে উলাহত দেহ-মন নাচি উঠে

'ফাগুন কোনেনো আনে
পছোৱাই ক'লে তুমি
গেৰুৱা বাটৰ ধূলিয়ে ক'লে তুমি
সৰি পৰা পলাশে ক'লেহি
দুয়োজনে দুয়োজনে।'

—নৱকান্ত বৰুৱা

ধূলিৰে ধূসৰিত ফাগুনৰ শুকান পৰিৱেশত সকলোৱে কামনা কৰে এজাক বৰষুণৰ। যিজাক বৰষুণে জীপাল কৰি তুলিব পাৰে দেহ মন আৰু ধৰাতল। এই আকাংক্ষিত বৰষুণজাকৰ সম্পৰ্কে গীতিকাৰে কয়—

'আজি ফাগুনৰ পুৱা বেলাতে
মেঘে ওন্দোলাই আনিলে
আৱতৰতে নীল আকাশত
ক'লা ৰং কোনে সানিলে।'

শীতৰ ঠেৰেঙা লগা জাৰৰ পিছত শুকান শুকান পৰিৱেশ, ৰ'দে পোৰা দুপৰীয়া। হঠাৎ ক'ৰবাৰ পৰা জানো এজাক বতাহ আহিল শুকান মনক কৰি গ'ল সতেজ। গালে মুখে সানি গ'ল এজাক ধূলিৰ ফাকু। কেইটমান মুহূৰ্তৰ বাবে ধূসৰ হৈ গ'ল দৃষ্টি, সৰাপাতে কঁপাই গ'ল সৰ্পিল পথৰ মসৃণ অথবা ওখোৰা-মোখোৰা দেহ। এয়াই হ'ল ফাগুন। ফাগুন সদায় নতুন আৰু সৃষ্টিৰ উৎস।

■ ■ ■

## মহৎ লোকৰ বাণী

- *বিদ্যা মানৱৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে।*
  — সত্যনাথ বৰা
- *সোনকালে শুই সোনকালে উঠা সকলৰ বাবেহে সূৰ্যোদয় দেখাৰ সৌভাগ্য হয়।*
  — এগচন গুইল
- *কৰ্মই উপাসনা হাঁহিয়েই জীৱন।*
  — বিষ্ণুপ্ৰসাদ ৰাভা
- *ভাগ্যৰ আন এটা নাম কঠোৰ পৰিশ্ৰম।*
  — মহাত্মা গান্ধী।
- *নিভাঁজ অসমীয়া ভাষাৰে কথা লিখিবা, নিভাঁজ অসমীয়াৰে সাজ-পাৰ পিন্ধিবা, অনাহকত বিদেশীক অনুকৰণ নকৰিবা।*
  —ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা।

সংগ্ৰাহক ঃ জিতুমণি বৰা
স্নাতক প্ৰথম ষাণ্মাসিক

# অসমীয়া সাহিত্যত প্ৰবাদ প্ৰবচন, ডাকৰ বচন, আৰু ফকৰা যোজনাৰ গুৰুত্ব

**মনময়ুৰী নাথ**
স্নাতক তৃতীয় বৰ্ষ

সাহিত্যৰ ভেঁটি মানৱ জীৱনৰ অভিজ্ঞতা। লোক সাহিত্যৰ অন্তৰালতো মানৱ জীৱনৰ যুগ যুগ সঞ্চিত অভিজ্ঞতা থুপ খাই আছে। বিশেষকৈ লিপিৰ উদ্ভৱ হোৱাৰ বহু আগৰেপৰা জনসাধাৰণৰ মাজত এক প্ৰকাৰৰ সাহিত্য চলিছিল সেয়া হ'ল লোক সাহিত্য। এই শ্ৰেণীৰ সাহিত্য আদিম যুগৰে পৰা নিৰক্ষৰ লোকৰদ্বাৰা মুখে মুখে ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে। লিখিত সাহিত্যৰ দৰে লোক সাহিত্যতো মানৱ জীৱনৰ সুখ-দুখ, আশা-নিৰাশা, হৰ্ষ-বিষাদ আদি বিভিন্ন অনুভূতি, সামাজিকচিত্ৰ প্ৰকৃতিৰ বিচিত্ৰ ৰূপ আদি প্ৰকাশ পাইছে। লিখিত সাহিত্যৰ স্থিতিৰ বাহন লিপি আৰু লোকসাহিত্যৰ স্থিতিৰ বাহন স্মৃতি। মানুহৰ স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰিহে লোকসাহিত্য জীয়াই আছে। লোকসাহিত্য জনসাধাৰণৰ মুখে মুখে চলি অহা বাবে জনসাহিত্য বা মৌখিক সাহিত্য বুলিও জনাজাত। লোক সাহিত্য লোক বিশ্বাসৰ প্ৰতিচ্ছবি। লোক জীৱনৰ পৰম্পৰা আৰু অভিজ্ঞতাই লোক বিশ্বাস সৃষ্টি কৰে। লোক বিশ্বাসে যুক্তি তৰ্ক স্বীকাৰ নকৰে, কিন্তু পৰম্পৰা স্বীকাৰ কৰে। লোকসাহিত্য কোনো অলংকাৰ শাস্ত্ৰৰ সুত্ৰ অনুসৰণ কৰি ৰচনা কৰা নাই, কিন্তু সেই বুলি কাব্যিক সোন্দৰ্য্যৰ পৰশ নপৰাকৈ থকা নাই। চ্ছন্দ, চিত্ৰকল্প অলংকাৰ আদিত লোক সাহিত্য চহকী। ফকৰা, যোজনা, প্ৰবাদ বাক্য বা প্ৰবচন, ডাকৰ বচন আদিও অসমীয়া লোক সাহিত্য বহুমুলীয়া সম্পদ। ইবোৰ বিভিন্ন কালৰ ৰুচি আৰু অভিজ্ঞতা সম্পন্ন লোকৰ সুক্ষ্মতম অভিব্যক্তি। এইবোৰৰ লগত অসমীয়া জাতীয় জীৱনৰ নিবিড় সম্বন্ধ আছে। এইবোৰত ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, কৃষি, শিল্প, গৃহস্থালি, আচাৰ-ব্যৱহাৰ আদিৰ বিষয়ে সাৰুৱা উপদেশ পোৱা যায়। যোজনাত এটা কথা বুজোৱাৰ নিমিত্তে আন এটা কথাৰ প্ৰিবাদ বাক্য বা প্ৰবচন হৈছে জনসাধাৰণৰ দীৰ্ঘ অভিজ্ঞতাৰ সংক্ষিপ্ততম অভিব্যক্তি। প্ৰায় সকলো দেশতে সকলো সময়তে প্ৰবাদ বাক্যৰ প্ৰচলন আছে। কিন্তু কেতিয়া বা কেনেকৈ ইয়াৰ উৎপত্তি হ'ল এই সম্বন্ধে বিশেষ একো জনা নাযায়। প্ৰবাদ বাক্য নিৰৰ্থক নহ'লেও বাক্য বোৰ কবিতা তত্ত্ব কথা নাইবা নীতি বচন নহয়। অথচ ই লোক সমাজত চিৰদিনেই চলি আহিছে। এই প্ৰবাদ বাক্য মানুহে কবিতা আদিৰ দৰে ৰচনা কৰো বুলি ৰচা নাই। ই আপোনা- আপুনি মানুহৰ যুগ্মত প্ৰচলিত হৈছে । মানুহে দৈনন্দিন জীৱনত এটা ঘটনাৰ পৰা জন্মা ভাবটিত সংক্ষিপ্ততম অভিব্যক্তি হিচাপে প্ৰকাশ কৰিছিল। সিয়ে ক্ৰমে অভ্যাস্থ বাক্য, জনশ্ৰুতি নাইবা প্ৰবাদত পৰিণত হৈছিল। এই প্ৰবাদ বাক্যবোৰে কোনো ব্যক্তি, বস্তু বা ঘটনা বিশেষৰ উপলক্ষ্য হৈ প্ৰবাদৰ আৰু এটি বিশিষ্ট লক্ষণৰ সৃষ্টি কৰিলে।

এই প্ৰবাদ বাক্যবোৰ কালক্ৰমত যুগলৈ চলি আহিবলৈ ধৰে। ইয়াৰ ফলত মুল প্ৰবাদ বাক্য ৰচোঁতাৰ নাম লুকাল যদিও ইবোৰ মানুহৰ মাজত বহুলভাৱে প্ৰচলিত হ'ল আৰু ক্ৰমে ই সাহিত্যত অন্তভূক্ত হৈ ৰূপ, ৰস, পৰিপুষ্টি আৰু স্থায়িত্ব লাভ কৰিলে। জাতিৰ মনস্তত্ব, আচাৰ বিচাৰ, ৰীতি নীতি নাইবা তত্ত্ব কথা হিচাপে

প্ৰবাদৰ মুল্য চিৰন্তন বা সাৰ্বজনীন নহয়। নীতি বাক্যৰ লগত প্ৰবাদৰ এইখিনিতে পাৰ্থক্য যে উচ্চ আদৰ্শ, তত্বজ্ঞান বা লোকশিক্ষা প্ৰবাদৰ মুল কথা নহয়। প্ৰবাদৰ মাজত চিৰন্তনত্ব থাকিব পাৰে, কিন্তু চিৰন্তন সত্যৰ নিদৰ্শন বুলি চিৰন্তনত্ব নহয়। কিছুমান প্ৰবাদত সৰ্বকালৰ সত্য পোৱা নাযায়।

যেনে— *"তিৰী মিৰি ভাটৌ কোৱা*
*এই চাৰি আসৈ নোপোৱা"।*
*"বামুনে শগুনে বিচাৰে মৰা'*
*গনকে বিচাৰে নৰিয়া পৰা"।*

কিছুমান প্ৰবাদত জাতিভেদ সম্পৰ্কে ঠাট্ৰা মস্কাৰ কৰা হৈছে। তিৰোতাক বিদ্ৰপ কৰিও ভালেমান লৈ প্ৰবাদ বাক্য ৰচিত হৈছে।

**অভিজাতৰ প্ৰবাদ বাক্য প্ৰধানত ঃ** নিৰ্ভৰ কৰে তাৰ বিষয়বস্তু, প্ৰকাশ ভংগী সাধাৰণ বুদ্ধিৰ চমৎকাৰিত্ব আৰু প্ৰয়োগৰ সাৰ্থকতাৰ ওপৰত। যি বস্তুক উপলক্ষ কৰি প্ৰবাদবাক্য প্ৰয়োগ কৰা হয় সি অব্যক্ত হৈ থাকিলেও অস্পষ্ট হৈ নাথাকে আৰু সংক্ষিপ্ত প্ৰকাশিত ব্যঞ্জনা কৰা দৃষ্টান্তৰ সহজ সাৰ্থকতাৰ ওপৰত প্ৰবাদ বাক্যৰ মুখ্য আৰু সমাদৰ নিৰ্ভৰ কৰে। ডাকৰ বচন অসমীয়া মৌখিক তথা জন সাহিত্যৰ অন্তৰ্গত আৰু ইয়াৰ সম্বন্ধ অসমীয়া জাতিৰ জীৱনৰ লগত ওত প্ৰোতভাৱে জড়িত। কিবা এটা হাক- বচন নাইবা উপদেশ এষাৰি দিব লাগিলে, কাৰোবাৰ দোষ-গুন খুচৰি আলোচনা কৰিবলৈ হ'লে নাইবা কিবা বস্তুৰ গুনাগুন নিৰ্ণয় কৰিব লাগিলেও পোনেই এষাৰ ডাকৰ বচন মাতি শুনোৱা দস্তুৰ এতিয়াও আমাৰ মাজত আছে। সেয়েহে ডাকৰ বচনে অসমীয়া জাতীয় জীৱনত বেদৰবানীৰ দৰে প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

'ডাকৰ বচন বেদৰ বানী। বেদ গীতাৰ দুটা শ্লোক মাতি পণ্ডিত সমাজত নিজৰ পাণ্ডিত্য দেখুওৱাৰ দৰে গাৱলীয়া সমাজতো দুফাকি ডাকৰ বচন গাই নিজক পণ্ডিত বোলোৱা লোক বিৰল নহয়। অসম কৃষি প্ৰধান দেশ। কৃষিয়েই অসমীয়াৰ জীৱন স্বৰূপ। এই খেতিক লৈ বিভিন্ন ডাকৰ বচন আছে।

**যেনে—**

*ৰ'দৈ বৰষুণে সমে যাই।*
*তেবেসে কৃষিৰ লাভক পাই ভাদৰ চাৰি আহিনৰ চাৰি,*
*মাহ কৰা যিমান পাৰি আহাৰ শাওনত নকৰে ধান।*
*তাহাৰ কৃষিত কিমত মন।।*

অসমীয়া মানুহে বানিজ্যতকৈ যে কৃষিক শ্ৰেষ্ঠ স্থান দিছিল সেইটো ডাকৰ বচনৰ পৰাই বুজিব পাৰি।

যেনে—

*যি নৰে সদা কৃষিক কৰে। বেহাৰ ফল পাইবে ঘৰে।*
*সোনা ৰূপা কিবা কৰি। ভাত নাপালে ভোকতেমৰি।।*
*হীৰা মানিক থাকে অপাৰ। খুদ নহলে মৰণে সাৰ।।*

ডাকৰ বচন সমুহৰ ৰচনাৰ স্থান কাল আৰু পাত্ৰ সম্বন্ধে পণ্ডিত সকলৰ মাজত যিমানেই মতভেদ নাথাকক, ইয়াৰ সম্বন্ধ অসমীয়া জাতীয় তথা গাৱলীয়া জীৱনৰ লগত যে অবিচ্ছেদ ভাৱে জড়িত ই সত্য। জনসাধাৰণৰ নিভাঁজ মনৰ মধুৰ ভাৱৰাজিৰ মুকলি প্ৰকাশেই লোকসাহিত্য। তথাকথিত সভ্যতাৰ চকৰীত আগুৱাই আহি বৈজ্ঞানিক যুগৰ মানুহ নগৰ মুখী আধুনিক হৈ পৰাৰ লগে লগে লোক সাহিত্যক সাধাৰণ ভাৱে উলাই উপলুঙা কৰা হয়। কিন্তু দৰাচলতে জনজীৱনৰ স্বৰূপ প্ৰকাশ পায় লোকসাহিত্যতহে।

অসমীয়া লোক সাহিত্য অসমীয়া সাহিত্যৰ ভৰাঁলত মানিকী মধুৰী, জহা হৈ খুন্দ খাই আছে। ইয়াৰ আছে সুগন্ধি-সুবাস, তৃপ্তি আৰু মাধুৰিমা। তদুপৰি লোক সাহিত্য লোকজীৱনৰ ইতিহাস আৰু লোক মানসৰ ভজ্জল প্ৰতিকৃতি।

লক্ষীনাথ বেজবৰুৱা দিনৰে পৰাই অসমীয়া লোকসাহিত্যৰ সংগ্ৰহ আৰু চৰ্চাৰ কাম আৰম্ভ হৈছিল যদিও আটাইখিনি সম্পদ আজিও তুলি পাৰি সংগ্ৰহ কৰা নহ'ল।

পাশ্চাত্যগন্ধী আধুনিক শিক্ষা প্ৰভাৱ আৰু নতুন জীৱনধাৰাৰ বিক্ষিপ্ত প্ৰতিক্ৰিয়াই পুৰণি জীৱনৰ ধাৰাৰ ওপৰত এটা হেঁচা দিবলৈ ধৰাত মানুহে পুৰণিক পাহৰিবলৈ আৰম্ভ কৰিছে। ফলত লোক সাহিত্য পাহৰণিৰ বুকুত দিনক দিনে পোত খাই গৈছে আৰু অনেক সম্পদ চিৰদিনৰ বাবে আমি হেৰুৱাই পেলাইছো। ■

## মহৎ লোকৰ বাণী

- *'জগতত মাথোন দুটাই শক্তি আছে এটা নৈতিক শক্তি আৰু আনটো তৰোৱালৰ শক্তি। শেষত নৈতিক শক্তিৰ ওচৰত তৰোৱালৰ শক্তিৰ পৰাজয় ঘটে।'*

—নেপোলিয়ন বোনাপাৰ্ট

- *'ডাঙৰৰ প্ৰতি নম্ৰতা দেখুৱাবা, ই মানৱ জাতিৰ এটা নিয়ম, সমনীয়াৰ প্ৰতি নম্ৰ হ'বা, ই হ'ল শিষ্টাচাৰ। কিন্তু নিম্ন শ্ৰেণীৰ প্ৰতি নম্ৰ হ'বা ই হ'ল মহত্ব।'*

—বেঞ্জামিন ফ্ৰেংকলিন।

*সংগ্ৰহক ঃ* গীতাশ্ৰী দেৱী
স্নাতক প্ৰথম বৰ্ষ

# সুস্থ সামাজিক বাতাবৰণ গঢ়াত ধৰ্মৰ ভূমিকা

**পৰাণজ্যোতি দত্ত**
স্নাতক প্ৰথম ষান্মাসিক

সমাজক কটকটীয়া একতাৰ বান্ধোনেৰে বান্ধি ৰখাৰ মূলতেই হৈছে ধৰ্ম। ধৰ্মই মনৰ কলুষতা দূৰ কৰি জীৱনৰ পথত আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। ধৰ্ম হৈছে মানৱ সমাজৰ এক অবিচ্ছেদ্য অংগ। ঐতিহাসিক দৃষ্টিভংগীৰে যদি আমি বিশ্লেষণ কৰি চাও তেন্তে দেখিবলৈ পাওঁ যে অতি প্ৰাচীন কালৰ পৰা সমাজত ধৰ্ম বিশ্বাস প্ৰচলিত হৈ আহিছে। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ জলবায়ু, জীৱন নিৰ্বাহ ব্যৱস্থা, ৰীতি-নীতি আদিৰ পটভূমিত বিভিন্ন ধৰ্ম বিশ্বাসৰ লোকে অলৌকিক ধৰ্মীয় শক্তিক বিভিন্ন নামেৰে নামকৰণ কৰা দেখা যায়। যেনে— ঈশ্বৰ বা ভগৱান, আল্লা, গড আদি। এখন সমাজ শৃংখলাবদ্ধভাৱে পৰিচালনা কৰাত শক্তিশালী অস্ত্ৰ হৈছে ধৰ্ম। ধৰ্মৰ অবিহনে কোনো সমাজ তিষ্টি থকাতো সম্ভৱ নহয়। ধৰ্মই মানুহৰ কাৰ্য-কলাপ, শৃংখলা ৰক্ষা কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়। ধৰ্ম চৰ্চাৰ যোগেদিহে মানুহৰ আচৰণ নিয়ন্ত্ৰণ কৰা সহজ। ধৰ্মীয় নীতি-নিয়মবোৰে মানুহক প্ৰভাৱিত কৰে। এই ধৰ্মীয় নীতি-নিয়মসমূহ ক্ৰমান্বয়ে মানুহৰ নৈতিক কৰ্তব্যত পৰিণত হয়। ধৰ্মীয় নীতি-নিয়মবোৰ মানুহৰ নৈতিক কৰ্তব্যত পৰিণত হৈ তাৰ দ্বাৰা মানুহৰ কাৰ্যকলাপবোৰ নিয়ন্ত্ৰিত হৈ সুস্থ পথেৰে আগবাঢ়ি যোৱাত সহায় কৰে। ধৰ্মই মানুহৰ মাজত এক আৱেগিক ঐক্য গঢ়ি তোলে আৰু দৃঢ় বান্ধোনেৰে বান্ধি ৰাখে। ধৰ্মই মানুহক সহনশীলতাৰ শিক্ষা দিয়ে। ধৰ্মীয় উদাৰতা সকলো ধৰ্মৰে মূলমন্ত্ৰ। সকলো ধৰ্মৰ মহাপুৰুষসকলে ধৰ্মীয় সহনশীলতা আৰু উদাৰতাৰ নিদৰ্শন দি গৈছে।

**এখন সমাজ শৃংখলাবদ্ধভাৱে পৰিচালনা কৰাত শক্তিশালী অস্ত্ৰ হৈছে ধৰ্ম। ধৰ্মৰ অবিহনে কোনো সমাজ তিষ্টি থকাতো সম্ভৱ নহয়। ধৰ্মই মানুহৰ কাৰ্য-কলাপ, শৃংখলা ৰক্ষা কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়।**

ধৰ্মীয় বীজ ৰোপণ কৰিবলৈ গীত, বাদ্য, নৃত্য কলাৰ চৰ্চা কৰাতো অতীৱ প্ৰয়োজন। সংগীতৰ চৰ্চাই মানুহৰ মানসিক অশান্তি দূৰ কৰি চিন্তা প্ৰস্ফুটিত কৰি তোলে। সংগীত চৰ্চাই আধ্যাত্মিক শক্তিসম্পন্ন কৰি তোলাত সহায় কৰে। নৃত্যকলাৰ চৰ্চাইও মানুহৰ আধ্যাত্মিক ভাৱাপন্ন কৰি তোলে। শংকৰদেৱ আদি মহাপুৰুষসকলেও নৃত্য-গীত, বাদ্য আদি ধৰ্মৰ অংগ বুলি স্বীকাৰ কৰি গৈছে।

আগৰ কালৰ এটি কোমল শিশুৰ মনত আধ্যাত্মিক ভাৱৰ বীজ অংকুৰিত কৰিছিল ককা আইতাসকলে। ৰামায়ণ, মহাভাৰত, পুৰাণ আদি কৰি বিভিন্ন ধৰ্ম পুথিৰ নৈতিক আদৰ্শপূৰ্ণ সাধুকথাবোৰৰ যোগেদি নাতি-নাতিনীহঁতৰ মনত আধ্যাত্মিক ভাৱ জগাই তুলিছিল কিন্তু দুৰ্ভাগ্যবশতঃ সেই সকলো উৰুৱাই নি যান্ত্ৰিকতাৰ দৌৰৰ প্ৰতিযোগিতাত নামি পৰিছে। স্খলন হৈছে নৈতিকতা, নিঃশ্চিহ্ন হৈছে আত্মীয় সম্বোধনৰ। যান্ত্ৰিকতাৰ প্ৰতিযোগিতাৰ দৌৰত হাবুদুবু হৈ হেৰাই গৈছে মানৱীয়তা। ধৰ্মগুৰুসকল, শিক্ষাগুৰুসকল, সমাজৰ নেতৃস্থানীয়সকলৰ সামুহিক প্ৰচেষ্টাই নৱপ্ৰজন্মৰ মাজত আধ্যাত্মিক ভাৱৰ বীজ গজগজীয়া কৰি তুলিব পাৰিলে এখন সুস্থ সমাজৰ আশা কৰিব পাৰি। সুস্থ সমাজতহে আধ্যাত্মিক বাতাবৰণ সৃষ্টি হ'ব পাৰে। আধ্যাত্মিক ভাৱসম্পন্ন লোকৰ নৈতিক স্খলন ঘটিব নোৱাৰে। আধ্যাত্মিক ভাৱাপন্ন লোকে নিজৰ লগতে দহজনৰো উপকাৰ সাধন কৰিবলৈ প্ৰয়াস কৰে। যি প্ৰয়াসৰ ফলস্বৰূপে সৃষ্টি হয় এটি সুস্থ বাতাবৰণ। ■

# হাওৰা ষ্টেচনত এদিন

প্ৰভাত শইকীয়া
প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

সেইদিনা ২০১১ চনৰ ২০ ডিচেম্বৰ। আমাৰ মহাবিদ্যালয়ৰ শিক্ষামূলক ভ্ৰমণৰ শেষৰ দিন আছিল। ৰাতিপুৱা মই অলপ সোনকালেই শুই উঠিলো। কলকতা মহানগৰ এক কথাত ক'বলৈ গ'লে দিন-ৰাতি কোনো চিন নাই। সদাব্যস্ত জনসাধাৰণ। ষ্ট্ৰীট লাইটৰ পোহৰত, খিৰিকীৰে লক্ষ্য কৰি দেখিলো, পৰুৱাৰ দৰে মানুহ, কোন ক'লৈ গৈছে কোনো উৱাদিহ নাই। হোটেলৰ বাকী কোঠাৰ ছাত্ৰ-ছাত্ৰীসকলক দিনটোৰ ভ্ৰমণৰ কাৰ্যসূচীৰ বাবে প্ৰস্তুত হ'বলৈ কৈ দিনটোৰ কাৰ্যসূচীখন ঠিক কৰি ল'লো। ভাস্কৰ আৰু কমলক টোপনিৰ পৰা উঠাবলৈ গৈ লক্ষ্য কৰিলো সিহঁত দুটা একান্ত মনে শুই আছে। সিহঁত দুটালৈ বেয়াই লাগিল। কলেজৰ পৰা কলকতা ভ্ৰমণৰ বাবে ওলাই অহাৰ পৰা কলকতাৰ হাওৰা ৰে'লষ্টেচনলৈকে অহাৰ প্ৰায় ত্ৰিশজনীয়া দলটোৰ কমখন লটিঘটি হ'লনে? ৰে'লখন গুৱাহাটীৰপৰা ৰাওনা হৈছিল প্ৰায় বাৰঘণ্টামান পলমকৈ, য'ত হাওৰা ষ্টেচন পাবহি লাগিছিল ১৮ তাৰিখৰ ৰাতিপুৱা, পালেহি ১৮ তাৰিখৰ ৰাতি একমান বজাত। ৰাতিটো ষ্টেচনতে কটাই ৰাতিপুৱা সিহঁত দুটাই কলকতা মহানগৰীত খোজকাঢ়ি কাঢ়ি হোটেলখন যোগাৰ কৰিছিল। একেলগে ত্ৰিশজন লোকৰ বাবে আগতীয়াকৈ বুকিং নকৰাকৈ হোটেল পোৱাটো ইমান সহজ কথা নহয়। ইয়াৰ পাছতে যুদ্ধংদেহী মনোভাৱেৰে গোটেই দিনটো ছাত্ৰ-ছাত্ৰীসকলক ছাইন্স চিটি, ভিক্টোৰিয়া মেম'ৰিয়েল, ইডেন গাৰ্ডেন, জাতীয় গ্ৰন্থাগাৰ, চিৰিয়াখানা আদি দেখুৱাই তেওঁলোকক খোৱাই-বোৱাই হোটেলৰ বিচনাত পৰোতেই ৰাতি এটামান বাজিল। ইপিনে আজিৰ শেষৰ দিন, ৰাতি আঠমান বজাত আমাৰ ওভটনি ট্ৰেইন আছে। গতিকে সময় নিচেই কম। এইবোৰ ভাবিয়েই কিছু খৰধৰ কৰিবলৈ বুলি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰহমান চাৰৰ ওচৰলৈ যাওঁ বুলি ভাবোতেই হাওৰা ৰে'ল ষ্টেচনৰ পৰা অহা এটা ফোনে সকলো কাৰ্যসূচী অদল-বদল কৰি পেলালে। খবৰটো হ'ল 'আজি গুৱাহাটীলৈ যাবলগা শৰাইঘাট এক্সপ্ৰেছ ৰে'লগাড়ীখন অনিৰ্দিষ্ট কাললৈ বাতিল কৰা হৈছে।'

খবৰটো ৰহমান চাৰক দিয়াত চিন্তাত চাৰৰ মুখখন শুকাই গ'ল। কিয়নো ত্ৰিশজনকৈ ছাত্ৰ-ছাত্ৰীক কলকতাত আৰু এদিন থাকিবলৈ হ'লে খৰচৰ কথা আছে। দল হিচাপে বেলেগ বেলেগকৈও ট্ৰেইনত পঠাব নোৱাৰি। বহু প্ৰশ্নই আমাক আৱৰি ধৰিলে। চাৰে ভাস্কৰ আৰু কমলক টোপনিৰ পৰা উঠাই দিলে। একেলগে গোটেইকেইজন বহি আলোচনাত মিলিত হ'লো আৰু আমাক তিনিওজনকে হাওৰা ষ্টেচনলৈ গৈ কিবা এটা উপায় উলিয়াবলৈ ক'লে।

আমি থকা হোটেলৰ পৰা টেক্সিৰে গ'লে প্ৰায় ১৫০ টকামান লাগে যদিও আমি তিনিও চিটিবাছত প্ৰায় ৬ টকা মানতে গৈ পালো। আমাৰ বাবে হাওৰা ষ্টেচনৰ অফিচসমূহ বিচাৰি উলিওৱাটোও এক জটিল কাম আছিল। তাতে খবৰ পাইছিলো কুঁৱলীৰ বাবে মুঠ ২৯ খনমান ৰে'ল বাতিল হৈছিল। ষ্টেচনত যাত্ৰীৰ ইমানেই ভিৰ আছিল যে, আমি তিনিওজন হাতত ধৰাধৰিকৈ থাকিবলগা হৈছিল। কিয়নো এজনৰ হাত এৰা এৰি হ'লেই যাত্ৰীৰ ভিৰৰ মাজত বিচাৰি উলিওৱাটো সম্ভৱপৰ নাছিল।

বহুতো সোধা-মেলা কৰি, এটা সময়ত নিউ কমপ্লেক্সৰ উত্তৰ-পূৰ্বাঞ্চল (North East)-ৰ বাবে থকা টিকট ঘৰৰ অনুসন্ধান কেন্দ্ৰত গৈ বিৰয়াজনক হিন্দীতে আমাৰ সমস্যাটোৰ কথা ক'লো। বিয়লি ৬ বজাত এৰিব। আপোনালোকে North East Express Train খনহে ল'ব পাৰে নেকি চেষ্টা কৰক। আমি দৌৰা দৌৰিকৈ টিকট লোৱা আৱেদনপত্ৰসমূহ ভৰ্ত্তি কৰি শাৰীত থিয় হওঁমানে waiting ত টিকট টিকট শেষ হ'ল। আমি বিষণ্ণমনে পুনৰ অফিচাৰজনৰ ওচৰলৈ আহিলো আৰু টিকট নোপোৱাৰ বিষয়ে জনালো। ইপিনে ইমানেই যাত্ৰীৰ complain আহিছে যে আমাৰ কথাটোৰ বাবে একমিনিটৰ দহভাগ সময় শুনিবলৈ তেওঁ সময় উলিয়াব পৰা নাই। তাৰ মাজতে তেওঁ ক'লে যে যদি আপোনালোকে সাধাৰণ শ্ৰেণীত যাব বিচাৰে তেন্তে এতিয়াই শাৰী পাতিব লাগিব, তাৰবাবে ৮ নং প্লেটফৰ্মত থকা RPF ৰ লগত কথা পাতক, তেওঁলোকে কিবা সহায় কৰি দিব পাৰে। আমি তেওঁক ধন্যবাদ দি New complax ৰ পৰা ৮ নং প্লেটফৰ্ম পালেহি আৰু RPF ৰ কক্ষত আমাৰ সমস্যা বিষয়ে

কলো। কক্ষটোত এগৰাকী মহিলা RPF আছিল। তেওঁকলে এতিয়াটো First shift ৰ সকল যাবগৈ পাছৰ shift ৰ RPF সকলক কলেহে কিবা সহায় কৰিব পাৰে অৱশ্যে আমাৰ ওপৰৱালা অফিচাৰসমূহক আপোনালোকে Report কৰিলে তেখেতে কিবা সহায় কৰি দিব পাৰে।

আমি তেওঁৰ পৰা ঠিকনাটোলৈ ষ্টেচন general class ত যাবৰ বাবে সহায় কৰি দিবলৈ অনুৰোধ কৰিলো।

তেখেতে আমাৰ কথাবোৰ শুনি ভালকৈ আমাৰ মুখলৈ চালে আৰু গুৰু গম্ভীৰ ধৰেৰে কলে আপোনালোকে কেতিয়াবা general class ত গৈ পাইছেনে? আমি একেমুখে ক'লো নাই পোৱা চাৰ। তেখেতে ক'লে নাই পোৱা যদি এনে দুঃসাহস নকৰাই ভাল, কিয়নো general class ৰ দুটা দবা থাকে তাৰে এটা মহিলাৰ বাবে আনটো পুৰুষৰ বাবে। গতিকে আপোনালোক বেলেগ বেলেগ কৈ যাব লাগিব। এটা দবাত কেৱল ষাঠিটা আসনৰ বাবে কমেও এহেজাৰমান যাত্ৰী উঠিব। যদি কেনেবাকৈ আসন ল'ব নোৱাৰে তেন্তে গুৱাহাটীলৈকে থিয় হৈ যাব লাগিব, কওক পাৰিব?'

কথা শুনি মুখৰ মাত হৰিল। তথাপি তেখেতক ক'লো ছাত্ৰ-ছাত্ৰীসকলক লৈ বেছিদিন কলকতাতো থাকিব নোৱাৰি। অনুগ্ৰহ কৰি আপুনি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক আপোনাৰ RPF ৰ সহায়ত আসনত বহুৱাই দিব নোৱাৰিবনে?

তেখেতে কিছু সময় চিন্তা কৰি, কাৰোবলৈ ফোন কৰিলে আৰু অলপ পিছত আমাক ক'লে আপোনালোকৰ ছাত্ৰ-ছাত্ৰীসকলক আঠ নং প্লেটফৰ্মত শাৰী পাতিবলৈ কওক।

তেতিয়া সময় দুপৰীয়া ১২ বাজিছে। ট্ৰেইন যাব গধুলী ৬ বজাত। সকলোবোৰ কথা জনাই ৰহমান চাৰলৈ ফোন কৰিলো। চাৰক ছাত্ৰ-ছাত্ৰীসকলক বুজাই বঢ়াই ষ্টেচনলৈ লৈ আনিবলৈ কলো। ইপিনে, তেওঁলোক বজাৰ কৰিবলৈ যাবলৈ প্ৰস্তুত হ'ল। চাৰৰ কথা তেওঁলোকে বুজা নাই। পাছত যেনিবা আমিও গৈ বুজাই-বঢ়াই আনি নিৰ্দিষ্ট ঠাইত শাৰী পতালোহি। লাহে লাহে আমাৰ এটা চিন্তাই কিন্তু সময় বাগৰা লগে অস্থিৰ কৰি তুলিলে। মনত এটা ভাব হ'ল অফিচাৰজনক কেইটামান টকা দিব পৰাহেঁতেন ভাল আছিল নেকি? আমাৰ অসমতো টকা নহ'লে কাম নকৰে। যি হওক চিন্তাৰ মাজতে দৌৰি দৌৰি গৈ ছাত্ৰ-ছাত্ৰীসকললৈ ভাতৰ ব্যৱস্থা কৰিলো, শাৰী পাতি তেওঁলোকে যি তৃপ্তিৰ হাঁহি-ধেমালিৰে ভাত কেইটা খালে মই ভাবো কোনো বনভোজতে এনে আনন্দৰে কোনেও বনভোজ খোৱা নাই। দহ মিনিটৰ অন্তৰে অন্তৰে ট্ৰেকলৈ ট্ৰেইন আহিল, যাত্ৰী নামিল-আকৌ উঠিল, ওলাই গ'ল, এইবোৰ চাওঁতে চাওঁতেই কেতিয়ানো ছটা বাজিবৰ হ'ল গমেই নাপালো। এটা সময়ত সকলো জল্পনা-কল্পনা অন্ত পেলাই অফিচাৰজনে দুই ডজনমান RPF লৈ আমাৰ ওচৰ পালেহি আৰু শাৰীটো ক'ৰপৰা কলৈকে আছে ভালকৈ নিৰীক্ষণ কৰি ল'লে, ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভ্ৰমণৰ নিয়মাৱলীৰ ওপৰত এটা ভাষণ দিলে আৰু তেওঁ সকলোকে সতৰ্ক কৰি দিলে যে, সাধাৰণ শ্ৰেণীত বিভিন্ন প্ৰকাৰৰ যাত্ৰী যেনে চুৰ, ডকাইত, লম্পট, অসহায়, ভিক্ষাৰী ইত্যাদিয়ে যাত্ৰা কৰে। তেওঁলোকৰ লগত যাতে বন্ধুত্ব নকৰি, চানাৱালা-ভৰৰীৱালাৰ পৰা বস্তু ক্ৰয় কৰি নাখায় ইত্যাদি। ইয়াৰ পাছতে, গুৱাহাটীমুখী ট্ৰেইনখন আঠ নং প্লেটফৰ্মত ৰ'লহি। সাধাৰণ শ্ৰেণীৰ দবাত যাত্ৰী উঠিবলৈ এনেদৰে হেতা-ওপৰা আৰু দৌৰা-দৌৰি লাগিল যে, আমাৰ এই কোনোদিন ৰে'লত যাত্ৰা নকৰা ছাত্ৰ-ছাত্ৰীৰ বাবে উঠিব পৰাটো অসম্ভৱ, কিন্তু RPF ৰ জোৱান কেইজনমান ছাত্ৰ-ছাত্ৰীসকলক শাৰী কৰি, বাকী যাত্ৰীসকলক আঁতৰাই এজন এজনকৈ উঠিবলৈ সুবিধা কৰি দিয়াই নহয়, সকলোকে আসন গ্ৰহণ কৰাত সহায় কৰিহে তেওঁলোক দবাটোৰ পৰা নামি আহিল। ইতিমধ্যে ট্ৰেইনখনৰ মৃদু ঝক ঝক শব্দ এটাই আমাৰ ট্ৰেইনখন ৰাওনা হোৱাৰ ইংগিত দিছিল আৰু বাহিৰলৈ চাই দেখিলো RPF জোৱানসকলে আমাক একেলগে হাত জোকাৰি বিদায় দি আছিল। ■

## মহৎ লোকৰ বাণী

▶ *শিক্ষকসকল জীৱন দাতা পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃয়ে জন্ম দিয়ে। জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকে নিৰূপণ কৰে।*

—এৰিষ্টটল

*সংগ্ৰাহক ঃ* **ৰীমা শইকীয়া**
স্নাতক দ্বিতীয় বৰ্ষ, শিক্ষা বিভাগ

# গণিতজ্ঞ
# এবেল বিস্ময়কৰ
# এক গাণিতিক যৌৱন

দাদুল বৰুৱা
উচ্চঃ মাঃ দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

বিশ্বৰ গণিতজ্ঞসকলৰ জীৱন আৰু কৃৰ্তিত্বৰ বিষয়ে যদি আমি পৰ্যালোচনা কৰোঁ, তেতিয়া আমি দেখা পাওঁ যে তেওঁলোকৰ প্ৰতিভাৰ উন্মেষন একেবাৰে শৈশৱতে হয়। তেনে শৈশৱকালতে গাণিতিক প্ৰতিভাৰ উন্মেষন হোৱা এজন গণিতজ্ঞৰ বিষয়ে এই প্ৰৱন্ধটোত আলোচনা কৰিব খুজিছোঁ। যাৰ জীৱনগাঁথা জীৱনৰ কন্টকময় পথেৰে খোজকঢ়াসকলৰ বাবে পৰম পাথেয়স্বৰূপ।

ইউৰোপ মহাদেশৰ উত্তৰ-পশ্চিম প্ৰান্তত অৱস্থিত নৰৱে নামৰ এখন সৰু দেশ। এই দেশখনৰে ফিন্দো নামৰ এখন সৰু চহৰত ১৮০২ চনৰ ৫ আগষ্টত জন্ম গ্ৰহণ কৰিছিল গণিত ইতিহাসৰ এজন কিম্বদন্তি পুৰুষে যিজনে মাত্ৰ সাতাইছ বছৰ বয়সতে এই পৃথিৱীৰ পৰা চিৰ বিদায় লৈছিল। কিন্তু এই চমু জীৱনকালতে এই বিস্ময়কৰ গণিতজ্ঞজনে বিশ্বৰ গণিত জগতলৈ যি অসামান্য বৰঙণি আগবঢ়াই থৈ গৈছে, তাৰ বাবে আজিও তেখেতৰ ওচৰত বিশ্বৰ গণিত সমাজ চিৰকৃতজ্ঞ। যৌৱনকালতে পৃথিৱীৰ পৰা বিদায় লোৱা এই অমৃততেজা গণিতজ্ঞজনেই হ'ল 'নীলছ্ হেনৰিক এবেল'। কিন্তু অতি দুখৰ কথা যে গোটেই জীৱন এবেলে বহন কৰিবলগীয়া হৈছিল দুৰ্ভাগ্য আৰু দৰিদ্ৰতাৰ বোজা। এবেলৰ দেউতাক ছ'ৰেন জৰ্জ এবেল আছিল এজন অতি সুৰাসক্ত লোক। মাক এনি ম'ৰী ছাইমনছেন আছিল এগৰাকী জনপ্ৰিয় গায়িকা। সৰুৰে পৰা এবেল আছিল অত্যন্ত মেধাৱী ছাত্ৰ। ১৮১৫ চনত ককায়েক হান্সৰ সৈতে ক্ৰিষ্টিয়ানৰ কেথেড্ৰেল স্কুলত স্কুলীয়া শিক্ষা আৰম্ভ কৰে। সেই সময়তে এবেলে বাৰ্ণট মাইকেল হম্বো নামৰ এজন শিক্ষকক লগ পায়। এই শিক্ষকজনেই এবেলৰ জীৱনত গুৰুত্বপূৰ্ণ অৰিহণা যোগায়। তেওঁৰ পৰা পোৱা আৰ্থিক সহায়, প্ৰেৰণা আৰু উৎসাহৰ ফলতেই এবেল জাকত জিলিকা হৈ পৰিছিল। স্কুলৰ ৰেজিষ্টাৰ বহীত হম্বোৱে এবেলক উচ্চ প্ৰশংসা কৰিছিল। তেওঁ লিখিছিল—'এবেল এগৰাকী সবাতোকৈ প্ৰতিভাশালী, ছাত্ৰ যাৰ গণিতৰ প্ৰতি আছে প্ৰবল অনুৰাগ আৰু অপৰিসীম আগ্ৰহ। জীয়াই থাকিলে তেওঁ এজন প্ৰসিদ্ধ গণিতজ্ঞ হ'ব।' এই স্কুলীয়া কালতেই এবেলে অয়লাৰ, নিউটন, লাগাঞ্জ আদি মহান গণিতজ্ঞসকলৰ যুগজয়ী ৰচনাৰাজি অধ্যয়ন কৰে। এইখিনিতে উল্লেখনীয় যে আমাৰ দেশৰ কোনো এখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে মহান গণিতজ্ঞ আৰু স্বনামধন্য বিজ্ঞানীসকলৰ জীৱনীসমূহ পঢ়াতো দূৰৰে কথা, সেইবোৰ চুই চোৱাৰো সুযোগ নাপায়। অৰ্থাৎ গণিতৰ প্ৰতি আগ্ৰহী কৰি তোলা কোনোধৰণৰ ব্যৱস্থা নাই। এবেলে সদায় উচ্চ মানবিশিষ্ট ধ্ৰুপদী পুথিবোৰহে অধ্যয়ন কৰিছিল। অতি স্বল্প জীৱনকালৰ ভিতৰত নিজৰ গাণিতিক প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হোৱা এবেলে ১৮২১ চনৰ জুলাইত প্ৰাৰম্ভিক আনুষ্ঠানিক শিক্ষা শেষ কৰাৰ পিছত অজলোৰ খ্ৰিষ্টীয়ান বিশ্ববিদ্যালয়ত অধ্যয়নৰ বাবে নামভৰ্ত্তি কৰে। কিন্তু সেই সময়তে এবেলৰ পিতৃৰ বিয়োগ হয়। ফলত এবেলৰ জীৱনলৈ দুখৰ বন্যা নামি আহে। গোটেই ঘৰৰ দায়িত্ব এবেলৰ ওপৰত পৰিল। তথাপি এবেলে পঢ়া-শুনা এৰি নিদিলে। এনে প্ৰতিকূল অৱস্থাতো তেওঁ গণিতক বিসৰ্জন দিয়া নাছিল। শিক্ষকসকলেও এবেলক সদায় উৎসাহ-উদ্দীপনা দি পঢ়া-শুনাৰ ক্ষেত্ৰত সৰ্বতো প্ৰকাৰে সহায় কৰিছিল। সেই সময়তে অসাধাৰণ গাণিতিক মেধাসম্পন্ন এবেলে পঞ্চম ঘাতৰ সমীকৰণ সমাধানৰ বিষয়ে চিন্তা-চৰ্চা আৰম্ভ কৰিছিল। পঞ্চম ঘাতৰ সমীকৰণ সমাধানৰ বাবে এটা সাধাৰণ সূত্ৰ নিৰ্ণয় কৰাৰ প্ৰশ্নটোৱে কেইবা শতিকা ধৰি বিশ্বৰ তীক্ষ্ণধী মেধাসম্পন্ন গণিতজ্ঞসকলক বিপাঙত পেলাই ৰাখিছিল। প্ৰশ্নটো দেখাত একেবাৰে সাধাৰণ যেন লাগিলেও এবেলৰ সময়লৈকে ইয়াৰ সমাধান সম্ভৱ হৈ উঠা নাছিল। অৱশেষত এটা নতুন অভিনৱ গাণিতিক ধাৰণাৰ আৱতাৰণাৰে এবেলে প্ৰমাণ কৰি দেখুৱালে যে এনে এটা সূত্ৰ নিৰ্ণয় কৰাটোৱেই অসম্ভৱ। এই অসম্ভৱক প্ৰমাণ কৰিবলৈ যাওঁতে 'সংঘতত্ত্ব'ৰ দৰে মৌলিক গণিতৰ এটা সৰ্বাধুনিক শাখাৰ অৱতাৰণা হ'ল। বিংশ শতিকাত এই সংঘতত্ত্বৰ অদ্ভুত প্ৰসাৰ হয় আৰু বিজ্ঞানৰ বিভিন্ন শাখাত ইয়াৰ বহুল প্ৰয়োগ হ'বলৈ ধৰে। পঞ্চমঘাতৰ সমীকৰণৰ সাধাৰণ সমাধান নিৰ্ণয় সম্ভৱ বুলি প্ৰমাণ কৰি দেখুওৱাৰ বাবেই এবেলৰ নাম গণিত ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ব।

হেনৰিক এবেলে তেওঁৰ এই অসম্ভৱতা প্ৰমাণটো প্ৰথমে দেখুৱাইছিল 'গণিতৰ যুৱৰাজ' ৰূপে খ্যাত মহান গণিতজ্ঞ কাৰ্ল ফ্ৰিডৰিস গাউছক। কিন্তু এনে এটা কঠিন প্ৰশ্নৰ সমাধান এজন অখ্যাত গণিতজ্ঞৰ দ্বাৰা নিৰ্ণয় কৰা সম্ভৱ নহয় বুলিয়েই গাউছে তেওঁৰ প্ৰমাণটো পঢ়ি নাচালে। এবেল কিন্তু হতাশ নহ'ল। ১৮২২ চনৰ জুনত এবেল বিশ্ববিদ্যালয়ৰ অন্তিমটো পৰীক্ষাত উত্তীৰ্ণ হয়। তেতিয়া একাগ্ৰচিত্তে গণিত অধ্যয়নেই তেওঁৰ প্ৰধান কাম হৈ পৰিল। গণিতৰ সকলো শাখাৰ খুটি-নাতি তেওঁ অধ্যয়ন কৰিবলৈ ল'লে। এবেলৰ এই গভীৰ অধ্যয়ন দেখি ক্ৰিষ্টিয়ানা বিশ্ববিদ্যালয়ৰ গণিত আৰু পদাৰ্থ বিজ্ঞানৰ অধ্যাপক ৰাছমাছেলে তেওঁৰ ইউৰোপৰ বন্ধুবৰ্গলৈ এনেদৰে লিখিছিল যে নৰৱেই এনে এজন ল'ৰাৰ জন্ম দিছে, যাৰ বিস্ময়কৰগাণিতিক প্ৰতিভাই সমগ্ৰ বিশ্বৰে চমক লগাব। এবেলে তেওঁৰ পঞ্চম ঘাত সমীকৰণৰ বিষয়ে কৰা কামখিনিৰ বাবে চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ অৰ্থ সাহাৰ্য্যত ১৮২৫ চনৰ ছেপ্টেম্বৰৰ শেষৰফালে ইউৰোপ ভ্ৰমণ কৰে। এই ইউৰোপ ভ্ৰমণৰ প্ৰধান উদ্দেশ্য আছিল ইউৰোপৰ বিভিন্ন দেশৰ আগশাৰীৰ গণিতজ্ঞসকলক সাক্ষাৎ কৰি তেওঁলোকৰ লগত মত বিনিময় কৰা। প্ৰথমতে এবেলে বাৰ্লিনলৈ যায় আৰু তাত আগষ্ট লিঅ'প'ল্ড ক্ৰেল নামৰ অভিযন্তাজনক লগ পায়। জাৰ্মানীত তেৱেঁই প্ৰথম ৰে'লপথ বান্ধিছিল। গণিতৰ প্ৰতি আছিল তেওঁৰ অদমনীয় হেঁপাহ। দুয়োজনে লগ লাগি প্ৰকাশ কৰিলে এখন গৱেষণামূলক আলোচনী— 'A Journal of Pure and Applied Mathematics' আৰু এই আলোচনীখনত এবেলে ফলনীয় বিশ্লেষণ সম্পৰ্কে এখন অতি উচ্চ পৰ্যায়ৰ গৱেষণা পত্ৰ প্ৰকাশ কৰে।

১৮২৮ চনত এবেলে ক্ৰিষ্টিয়ানা বিশ্ববিদ্যালয়ত গণিত বিভাগৰ অংশকালীন প্ৰবক্তা হিচাপে যোগদান কৰে। কিন্তু বিশ্ববিদ্যালয়ৰ স্থায়ী পদত এবেলৰ কেতিয়াও নিযুক্তি নহ'ল। সেই সময়ছোৱাত এবেলে অকল্পনীয় গণিতীয় কাম-কাজ কৰিছিল। কিন্তু ১৮২৮ চনৰ শেষৰফালে এবেল টান নৰিয়াত পৰিল। এবেলে নিজেই স্বীকাৰ কৰে যে গণিতৰ বিভিন্ন বিষয়ে কৰা কষ্টবোৰে তেওঁৰ শাৰীৰিক সক্ষমতাক অতিক্ৰম কৰি গৈছে। মৃত্যু নিচেই ওচৰত বুলি অনুভৱ কৰি তেওঁৰ বাগদত্তাৰ ভৱিষ্যতৰ দায়িত্ব তেওঁৰ বন্ধু তথা ক্ৰিষ্টিয়ান বিশ্ববিদ্যালয়ৰ ভূ বিজ্ঞান বিভাগৰ অধ্যাপক ড° বি এম কেলহাইজাৰ হাতত অৰ্পন কৰি ১৮২৯ চনৰ ৬ এপ্ৰিলৰ উপজি পুৱাতে এই বিস্ময়কৰ গণিতজ্ঞজনে পৃথিৱীৰ পৰা চিৰবিদায় ল'লে। এবেল মৰিল সঁচা, কিন্তু গণিতৰ ইতিহাসত তেওঁ চিৰকাল জীৱন্ত হৈ ৰ'ব। ২০০২ চনৰ পহিলা জানুৱাৰীত এবেলৰ সোঁৱৰণত প্ৰতিষ্ঠা কৰা হয় 'নীলছ হেনৰিক এবেল সোঁৱৰণী পুঁজি'। এই পুঁজিৰ পৰাই প্ৰতিবছৰে গণিতৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা উৎকৃষ্ট অৱদানৰ বাবে 'নৰৱেজিয়ান একাডেমী অৱ ছায়েন্স এণ্ড লেটাছ' এ প্ৰদান কৰে 'এবেল পুৰস্কাৰ'। যিটো পুৰস্কাৰক গণিতৰ নোবেল বুলি কোৱা হয়। বৰ্তমান সময়ত এই পুৰস্কাৰৰ মূল্য ৬ নিযুত নৰৱেজিয়নান ক্ৰনাৰ, প্ৰায় ৭৫০,০০০ ইউৰো। গণিতৰ এগৰাকী কিম্বদন্তী হিচাপে নীলছ হেনৰিক এবেল নামৰ এই অমৃততেজা গণিতজ্ঞজনলৈ জনাইছো সহস্ৰ প্ৰণাম। যিজনে নিজৰ তেজোময় যৌৱনক উচৰ্গা কৰি থৈ গৈছে গাণিতিক জগতখনলৈ। ■

## মহৎ লোকৰ বাণী

- *শিক্ষা জীৱনৰ প্ৰৱাহমান নদী, ইয়াক স্থবিৰ হ'বলৈ নিদিবা।* —ৰবীন্দ্ৰ নাথ ঠাকুৰ
- *ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰা তোমাৰ শক্তিক।* —লক্ষ্মীনাথ বেজবৰুৱা
- *নিজে যিটো কাম কৰিব নোৱাৰা, আনকো সেইটো কৰিবলৈ নক'বা।* —মহাত্মা গান্ধী
- *শিক্ষাই হৈছে মূল উপায়, যি মানৱ জীৱনলৈ সুখ-শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।* —এৰিষ্ট'টল
- *নিজৰ চাকি জ্বলি নাথাকিলে সেইটো চাকিৰে আনৰ এটা চাকি জ্বলাব নোৱাৰে।* —ৰবীন্দ্ৰ নাথ ঠাকুৰ

*সংগ্ৰাহক ঃ* **দিপাংকৰ দত্ত**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

# আধুনিকীকৰণ আৰু ভাৰতত ইয়াৰ প্ৰভাৱ

অল্পনা বৰা
স্নাতক তৃতীয় বৰ্ষ, সমাজতত্ত্ব বিভাগ

আধুনিকীকৰণ হ'ল এক সামাজিক পৰিৱৰ্তন প্ৰক্ৰিয়া। আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজতো বিভিন্ন দিশত পৰিৱৰ্তনৰ ঘটা দেখা গৈছে। আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত হোৱা প্ৰতিটো পৰিৱৰ্তনৰ কথা উল্লেখ কৰাটো সহজসাধ্য নহয়। তলত মূল কেইটামান পৰিৱৰ্তনৰ কথা উল্লেখ কৰা হ'ল—

আধুনিকীকৰণৰ ফলস্বৰূপে আধুনিক শিক্ষা, ব্যৱস্থা, ঔদ্যোগিকৰণ, নাগৰিকীকৰণ, গণতান্ত্ৰিক আদৰ্শ, ধৰ্ম নিৰপেক্ষতা আদিৰ ধাৰণা সম্পৰ্কে আমূল পৰিৱৰ্তন ঘটিছে। ভাৰতীয়ৰ মনৰ পৰা অন্ধবিশ্বাস, জাতি ভেদ , ধৰ্মীয় গোড়ামী, বাল্যবিবাহ, বিধবা বিবাহ, যৌতুক, কন্যা সন্তানৰ গুৰুত্ব, স্ত্ৰী শিক্ষা বন্ধ, পৰ্দা প্ৰথা, নাৰীৰ মৰ্যদা আদি বিভিন্ন ধাৰণাবিলাক আধুনিকীকৰণৰ ফলত দূৰ হৈছে। ভাৰতীয়সকলৰ মনত যুক্তিযুক্ততা আৰু প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি নতুন সামাজিক মূল্যবোধ আৰু নতুন সমাজ ব্যৱস্থাৰ সূচনা হৈছে। আধুনিকীকৰণৰ প্ৰভাৱত বিভিন্ন দিশত নাৰীৰ স্থান, ধৰ্মীয় আদৰ্শ, সামাজিক সচেতনতা, যুক্তিযুক্ত ব্যৱহাৰিক সামাজিক মূল্যবোধ আদি বহুতো দিশত নতুন দিগন্তৰ সূচনা হৈছে।

প্ৰথমতে, আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজৰ অৰ্থনৈতিক ক্ষেত্ৰত বহুতো পৰিৱৰ্তন হোৱা দেখা যায়। পৰম্পৰাগত কৃষিভিত্তিক অৰ্থনীতি কেৱল প্ৰকৃতিৰ ওপৰতেই নিৰ্ভৰশীল আছিল। জৈৱিক শক্তিকে মূল উৎপাদিকা শক্তি বুলি ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান আধুনিকীকৰণৰ ফলত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ সহায়েৰে উন্নত কৃষি কৰিবলৈ লৈছে। বৈজ্ঞানিক পদ্ধতিৰে অধিক উৎপাদনক্ষম বীজ, উৎপাদন বৃদ্ধিৰ বাবে ৰাসায়নিক সাৰ, ৰোগ প্ৰতিৰোধ আৰু নিৰাময়ৰ বাবে বিভিন্ন ঔষধ আদিৰ ব্যৱহাৰ কৰা হৈছে। এইদৰে কৃষি ক্ষেত্ৰত হোৱা আধুনিকীকৰণৰ ফলত উৎপাদন বৃদ্ধি সম্ভৱ হৈছে আৰু লগে লগে ভাৰতীয় অৰ্থনীতিত পৰিৱৰ্তনো আহি পৰিছে। আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত ব্যৱসায়-বাণিজ্য আদিৰ দিশতো যথেষ্ট উন্নতি ঘটিছে। কৃষি উদ্যোগৰ বিভিন্ন উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱসায়-বাণিজ্য সুচল হোৱাত ভাৰতীয় অৰ্থনীতিত এক নতুন ৰূপ পৰিলক্ষিত হয়।

দ্বিতীয়তে, আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত ৰাজনৈতিক দিশতো পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। প্ৰাচীন ভাৰতত বিভিন্ন অঞ্চলত বিভিন্ন ৰজা-মহাৰজাই চলাই থকা শাসনৰ অৱসান ঘটিল। সাংবিধানিক গণতান্ত্ৰিক শাসন পদ্ধতিত আইনৰ দৃষ্টিত সকলো ব্যক্তিয়ে সমান সুৰক্ষা আৰু সুবিধা পোৱা হ'ল। এইদৰে আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত ৰাজনৈতিক পদ্ধতিত আমূল পৰিৱৰ্তন ঘটিল।

তৃতীয়তে, আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰতো পৰিৱৰ্তনৰ সূচনা হ'ল। ঔদ্যোগীকৰণ, নাগৰিকীকৰণ, বাণিজ্যিক প্ৰসাৰ, শিক্ষাৰ প্ৰসাৰ, ৰাজনৈতিক সুবিধা আদিৰ বাবে যাতায়াত আৰু পৰিবহন ব্যৱস্থাৰ যথেষ্ট উন্নতি ঘটিছে। স্থলপথ, জলপথ আৰু আকাশীপথৰ উন্নয়নে ভাৰতীয় সমাজক কম সময়তে বিভিন্ন স্থানলৈ যাব পৰাৰ সুবিধা কৰি দিলে।

চতুৰ্থতে, আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত নতুন সামাজিক মূল্যবোধ, আদৰ্শ আৰু বৈজ্ঞানিক ভাৱধাৰাৰ উদয় হৈছে। ফলত পৰম্পৰাগত পৰিয়াল পদ্ধতি, বিবাহ পদ্ধতিৰ ঠাইত অন্য নতুন পদ্ধতিয়ে গঢ় লৈছে। পাত্ৰ-পাত্ৰী নিৰ্বাচনৰ ক্ষেত্ৰত পুৰুষ-মহিলা সকলোৱেই সমান সুবিধা পোৱা গৈছে। সতীত্ব ৰক্ষা আদি পৰম্পৰাগত আদৰ্শ ক্ৰমাৎ লুপ পাবলৈ ধৰিছে। বিভিন্ন লোকৰ লগত সংযোগ স্থাপনৰ ফলত মানুহৰ আচাৰ-ব্যৱহাৰ, সামাজিক আদান-প্ৰদান, খাদ্যাভাস, সাজপাৰ আদি বিভিন্ন দিশত পৰিৱৰ্তন হ'ব ধৰিছে। এইবোৰৰ লগে লগে সামাজিক প্ৰমূল্য, সামাজিক সম্বন্ধ, জীৱন নিৰ্বাহৰ মান আদিৰ ক্ষেত্ৰতো পৰিৱৰ্তন হ'বলৈ ধৰিছে। ধৰ্ম নিৰপেক্ষতাৰ ধাৰণাই ধৰ্মীয় দিশত উৎসাহী কৰি তুলিছে।

ওপৰত উল্লেখ কৰা দিশবোৰৰ লগতে আনুসংগিক প্ৰায় সকলো দিশতে ভাৰতীয় সমাজত আধুনিকীকৰণৰ প্ৰভাৱ পৰিলক্ষিত হ'বলৈ ধৰিছে। ইয়াৰ কিছুমান দিশৰ পৰিৱৰ্তনৰ গতি ধীৰ আৰু কিছুমানৰ পৰিৱৰ্তনৰ গতি ক্ষীপ্ৰ হ'লেও প্ৰায়বোৰ দিশতে আধুনিকীকৰণৰ প্ৰভাৱৰ বিষয়ে সহজে অনুমান কৰিব পাৰি। ■





# ড° ভূপেন হাজৰিকা দেৱক সুঁৱৰি

নিৰু চুতীয়া
তৃতীয় ষান্মাসিৰ্ক

অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশত সূৰ্য উঠা দেশ

এনে এটি মহান গীতৰ স্ৰষ্টা অসম মাতৃৰ সুযোগ্য সন্তান বিশ্ববৰেণ্য শিল্পী, সংগীত সূৰ্য ড° ভূপেন হাজৰিকাদেৱৰ বিয়োগৰ লগে লগে সংগীত জগতৰ এক বৰ্ণিল অধ্যায়ৰ সামৰণি পৰিল। ড° ভূপেন হাজৰিকা অসমৰ তথা জগতৰে নহয় তেওঁ আছিল বিশ্বৰ ভিতৰতে এগৰাকী মহান সংগীতজ্ঞ। গীত আৰু সুৰেৰে তেওঁ বিশ্ব জয় কৰিছিল। অসমৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰত জাতীয় জীৱনলৈ মহান শিল্পীগৰাকীয়ে অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে।

কলা-সংস্কৃতিৰ সাধনাত আজীৱন অক্লান্তভাৱে বৰ্তি থকা ড° ভূপেন হাজাৰিকাই অসমৰ জাতীয় জীৱনক চহকী কৰি তোলাই নহয়, অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ইতিহাসপূৰ্ণ আৰু বৈচিত্ৰ্যময় কলা-সংস্কৃতি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰি থৈ গৈছে। সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ ড° হাজৰিকাই আগবঢ়াই থৈ যোৱা অৱদান ৰাজি সৰ্বকালৰ বাবে অসমৰ জাতীয় জীৱনৰ অমূল্য ৰত্নভাণ্ডাৰ ৰূপে চিহ্নিত হৈ ৰ'ব। এখন সুস্থ প্ৰগতিশীল সমাজ গঢ়াৰ উদ্দেশ্যে শিল্পীজনে আহো পুৰুষাৰ্থ যত্ন কৰিছিল।

এনেদৰে—

মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনোকোৱা সমনীয়া..

সমাজৰ অন্যায়—অনীতি, অবিচাৰ, ,বৈষম্য, হিংসা, বিদ্বেষ, শোষণৰ বিৰুদ্ধে তেওঁ আছিল সদাজাগ্ৰত। তেওঁ আছিল এজন প্ৰকৃত মানৱতাবাদী, মানৱদৰদী শিল্পী। মানুহক ভালপোৱা এইগৰাকী বিশ্বপ্ৰেমী শিল্পীয়ে দুখীয়া, বঞ্চিত, শোষিতজনৰ দুখ-কষ্টৰ উপলব্ধি কৰিছিল। জন জীৱনৰ সৈতে তেওঁ একাত্ম হ'ব পাৰিছিল। সেয়ে ড° হাজৰিকাদেৱে অসমবাসীৰ পৰা মৰম আৰু সমাদৰ লাভ কৰিছিল। অসমবাসীয়ে যে গুণীৰগুণ বুজে, প্ৰকৃত গুণীক সন্মান কৰিব জানে, সেয়া প্ৰয়াত শিল্পীজনাৰ প্ৰতি ৰাইজে প্ৰদৰ্শন কৰা অকৃত্ৰিম শ্ৰদ্ধাই প্ৰমাণ কৰিলে। ড° হাজৰিকাই গান আৰু সুৰত আমাৰ জাতীয় চেতনা তথা সমাজ জীৱনৰ হাঁহি-কান্দোন, আৱেগ-অনুভূতি, আনন্দ-বেদনাৰ যথাৰ্থৰ প্ৰতিফলন ঘটিছে।

তেওঁৰ গীত আৰু সুৰ আমাৰ জাতীয় জীৱনৰ স্পন্দন। ড° হাজৰিকাৰ গীত, কণ্ঠই সৰ্বকালৰ বাবে অসমৰ সমাজ তথা জাতীয় জীৱনক অনুপ্ৰাণিত আৰু প্ৰাণৱন্ত কৰি ৰাখিব। গভীৰ দেশপ্ৰেম আৰু জাতীয় চেতনাৰে উদ্বুদ্ধ ড° হাজৰিকা আছিল এগৰাকী বহল আৰু বিশাল মনৰ গণ শিল্পী। একাধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক, অভিনেতা, চলচিত্ৰৰ পৰিচালক, লেখক, ড° হাজৰিকা নিজেই আছিল এটা অনুষ্ঠান।

অসমৰ কলা-সংস্কৃতি তথা সমাজ জীৱনৰ উজ্জ্বল নক্ষত্ৰ ড° হাজৰিকা তেওঁৰ সৃষ্টিৰ জৰিয়তে বিশ্বৰ সংগীতৰ জগতত সদায় 'ভোটা তৰা'ৰ দৰে জিলিকি থাকিব। ৰাইজৰ প্ৰতিনিধি হিচাপে ড° হাজৰিকাই অতি নিষ্ঠা আৰু দায়বদ্ধতাৰে জনসাধাৰণলৈ সেৱা আগবঢ়াই থৈ গৈছে। বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত অসমৰ সৰ্বাংগীন বিকাশ আৰু কলা-সংস্কৃতি ক্ষেত্ৰখনক উন্নয়নৰ স্বাৰ্থত অসম বিধান সভাত ড° হাজৰিকাই অতি মূল্যবান ভাষণ আগবঢ়াইছিল। এই মহান বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ বিয়োগত আমিসবে ভগৱানৰ ওচৰত প্ৰণিপাত তথা অশ্ৰুঅঞ্জলি আগবঢ়াইছোঁ। ড° হাজৰিকাদেৱক সুঁৱৰি...'আপোনাৰ কাৰুকাৰ্যই আমাক কৰিব আপ্লুত।'

সেয়ে আপোনাৰ ওচৰত আমি চিৰকৃতজ্ঞ। ■

# লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা

**পুজা নাথ**
স্নাতক তৃতীয় বৰ্ষ
(অসমীয়া বিভাগ)

লক্ষ্মীনাথ বেজবৰুৱা অসমৰ যুগ-সৃষ্টিকাৰী লেখক। বৈষ্ণৱ যুগৰ পিছত আধুনিক যুগৰ আৰম্ভৰ পৰা দ্বিতীয় মহাযুদ্ধৰ আগলৈকে প্ৰায় অৰ্ধশতিকা কাল অসমীয়া সাহিত্যত 'বেজবৰুৱা যুগ' বুলি কব পাৰি। ইংৰাজী ১৮৬৮ চনৰ ১৯ নবেম্বৰ মাহত এইগৰাকী লেখকে জন্ম গ্ৰহণ কৰে। তেওঁ পিতৃৰ নাম আছিল দীননাথ বেজবৰুৱা। লক্ষ্মীনাথ বেজবৰুৱাই শিৱসাগৰত শিক্ষা আৰম্ভ কৰে। **১৮৮৬** চনত প্ৰৱেশিকা পাছ কৰি কলিকতাৰ পৰা বি.এ. পৰীক্ষা পাছ কৰে।

<u>সাহিত্য প্ৰতিভা ঃ</u>

লক্ষ্মীনাথ বেজবৰুৱা আছিল আগশাৰীৰ জাতীয়তাবাদী লেখক। কলিকতাৰ কলেজত পঢ়ি থকা অৱস্থাতে তেওঁ "জোনাকী" নামৰ এখন মাহেকীয়া কাকত উলিয়াই। জোনাকীতে তেওঁ ধেমেলীয়া নাটক 'লিতিকাই' প্ৰকাশ কৰে। ১৯২০ চনত তেওঁ বাঁহী নামৰ মাহেকীয়া কাকত এখন উলিয়াই। নাটক উপন্যাস চুটিগল্প, কবিতা জীৱনী, গহীন আৰু লঘুৰচনা, সমালোচনা আদি সাহিত্যৰ প্ৰায় সকলো দিশতে বেজবৰুৱাদেৰৰ বৰঙনি আছে।

'চক্ৰধবজ সিংহ' বেলিমাৰ, জয়মতী আদি তেওঁৰ উল্লেখযোগ্য নাটক। সুৰভি, জোনবিৰি সাধুকথাৰ কুকি, কেঁহোকলি তেওঁৰ চুটিগল্প পুথি। তেওঁ অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্প লিখক।

ডাঙৰীয়া দীননাথ বেজবৰুৱা, শ্ৰীশ্ৰী শংকৰদেৱ, শ্ৰীশ্ৰী শংকৰদেৱ মাধবদেৱ আদি জীৱনী গ্ৰন্থ তেওঁ ৰচনা কৰে। 'পদুম কুৱঁৰী' তেওঁ একমাত্ৰ উপন্যাস। "কদমকলি" হ'ল তেওঁৰ কবিতা পুথি', তত্ত্বকথা, কৃষ্ণকথা, বাখৰ, কামত কৃতিত্ব লভিবৰ সংকেত, ভাগবৎ কথা আদি তেওঁৰ তত্ত্বমুলক ৰচনা। ককাদেউতা আৰু নাতিল'ৰা, বুঢ়ী আইৰ সাধু, তেওঁৰ পুৰণি সাধুকথাৰ সংগ্ৰহ। 'জুনুকা' এখন শুৱলা শিশু গ্ৰন্থ' 'কৃপাবৰ' বৰুৱাৰ কাকতৰ টোপোলা, বৰুৱা ভাবৰ বুৰবুৰণি, বুলনি আদি কৃপাবৰ বৰুৱা ছদ্ম নাম লৈ লিখা তেওঁৰ ৰচনা। 'নোমল পাচনি, লিতিকাই, চিকৰ পতি, নিকৰ পতি, আদি ধেমেলিয়া পুথি অসমীয়া সাহিত্যৰ সকলো দিশৰে দিশদৰ্শক হিচাপে তেওঁক "সাহিত্যৰথী" উপাধিৰে বিভূষিত কৰা হৈছে।

লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া ভাষা সাহিত্যৰ কৰ্ণধাৰ। একেধাৰে কবি, নাট্যকাৰ চুটিগল্পৰ প্ৰৱৰ্তক, ঔপন্যাসিক, ব্যঙ্গলেখক, সমালোচক, শিশু সাহিত্যক আৰু অসমীয়া ভাষাদ্ৰোহীৰ কাৰণে কলান্তক সদৃশ। কৃপাবৰ বৰুৱা তেওঁৰ সাহিত্যক ছদ্ম নাম। বিভিন্ন ধাৰৰ ৰচনাত বিষয় অনুসৰি ব্যৱহাৰ কৰা ভাষা বেজবৰুৱাৰ গদ্য শৈলীৰ ডাঙৰ গুন।

এই প্ৰসংগত ড° কাকতিয়ে অতিৰঞ্জনৰ আভাস নথকাকৈ সেয়ে কৈছে যে— "বেজবৰুৱা ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ অবিচাৰ"। এইদৰে মহান সাহিত্যক গৰাকীয়ে অসমীয়া সাহিত্য জগতলৈ যথেষ্ট বৰঙণি আগবঢ়াই অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি থৈ ১৯৩৮ চনত ডিব্ৰুগড়ত ইহলীলা সম্বৰণ কৰে। এই গৰাকী মহান সাহিত্যক অসমীয়া সাহিত্যৰ জগতত চিৰদিন অবিস্মৰণীয় হৈ ৰ'ব। ■

বিশেষ লেখা

# অনুভৱৰ অন্য নাম চোতাল

**নাৰায়ণ চন্দ্ৰ বৰুৱা**
**সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ**

অসমীয়া কৃষ্টি-সংস্কৃতিৰ কঠিয়াতলী স্বৰূপ চোতালখন আমাৰ হৃদয়ৰ আপোন। সাহিত্য পৰম্পৰাৰ বীজ অংকুৰিত হয় হৃদয়ৰ এই চোতালখনতেই। মানুহৰ সামাজিক জীৱনৰ পাতনিৰ পৰা চোতালে আমাৰ সকলোৰে হৃদয়ত উৰণীয়া জীৱনৰ স্মৃতিৰ সাঁচ বহুৱাই ৰাখিছে। চোতালক মানুহৰ অনুভৱ উপলব্ধিৰ কঠিয়া সঁজাল ধৰা পথাৰ বুলিব পাৰি। চোতাল আমাৰ ধৈৰ্য সাহসৰ আকৰ। বৰ্তমান যুগ পৰিৱৰ্তনৰ লগে লগে আধুনিকতাৰ ধামখুমীয়াত প্ৰায়বোৰ মানুহৰ ঘৰতে চোতাল নাইকিয়া হৈ আহিছে। চোতালত বহি কথা পতা, গল্প-সাধু কথা শুনাৰ সময় নোহোৱা যান্ত্ৰিক সমাজত চোতালৰ প্ৰয়োজনো ক্ৰমাৎ শেষ হৈ আহিছে। হয়তো আৰু কিছুদিনৰ পিছত চোতাল নামৰ এবিধ সম্পদ আমাৰ মাজৰ পৰা নাইকিয়া হৈ পৰিব। আধুনিকতাৰ অত্যাচাৰত অতীষ্ঠ চোতাল এতিয়া কৃত্ৰিম কংক্ৰিতৰ আচ্ছাদনে ভৰা। সেয়ে চোতাল এতিয়া মৌনতাৰে ভৰা অস্তিত্বহীন এক অৱলোপন সংস্কৃতি।

> **কাতি বিহুত ঘৰৰ চোতালখনলৈ নামি আহে সৰগীয় সৌন্দৰ্য। জাত জাত ঘোষা-কীৰ্ত্তন আৰু প্ৰাৰ্থনা, কাকুতিৰ শব্দত ভক্তিমতি হয় গাঁও। চোতালতে গোৱা হয় 'তুলসীৰ তলে মৃগপহু চৰে...।' চোতালৰ তুলসী ভেঁটিত প্ৰতিনিয়তি জ্বলোৱা হয় সন্ধিয়াৰ চাকি। গাঁৱৰ জীৱনত এয়া যেন কাতি মাহত মৰতৰ সৰগ।**

গাঁৱলীয়া চহা জীৱনৰ অংগে অংগে প্ৰৱাহিত হৈ আছে চোতালৰ অনুপম সৌন্দৰ্য। জন্ম-মৃত্যু উভৈক্ষণত চোতালৰ প্ৰয়োজন অনস্বীকাৰ্য। নতুন মানৱ সন্তানৰ বাতৰি প্ৰথমে ঘৰৰ চোতালখনতে প্ৰচাৰ হয়। কেঁচুৱা জন্মৰ এঘাৰ দিনৰ মূৰত সূৰ্যদেৱতাক সেৱা জনাই শৰাই সঁফুৰাৰে কেঁচুৱাক বাহিৰলৈ উলিয়াই ঘৰৰ চোতালখনতে এপাক সূৰ্য প্ৰদক্ষিণ কৰা হয়। ইয়াৰ পিছৰ পৰা সঁচাকৈ চোতালৰ ধূলি-বালি, বোকাপানীতে ডাঙৰ-দীঘল হয় প্ৰত্যেকটো মানৱ শিশু। জীৱনৰ আদিপাঠ গ্ৰহণৰ থলি চোতালখন যে আমাৰ কিমান আপোন। আহিনৰ পুৱা-গধূলি চোতালৰ দুবৰিবনত নিয়ৰৰ মুকুতামণি চাই দেওদি ফুৰাৰ আমেজ আধুনিক কংক্ৰীটৰ মাজত বিচাৰি পোৱা নেযায়। টাংগুটি, হাইগুদু, চেংগুটি, খলিগুটি আদি শিশুকালৰ অলেখ খেলৰ মজিয়া তাহানিৰ সেই চোতালখন। পুৰণি অসমীয়া সমাজত আনন্দ-বিষাদৰ সাক্ষীও ঘৰৰ চোতালখনেই। দুখৰ চকুপানী আৰু অনাবিল আনন্দৰ কথা মনত পৰিলেই মন উৰা মাৰে অতীতৰ বহু স্মৃতি বুকুত বান্ধি মৌন হৈ বহি থকা চোতালখনলৈ। তাহানি মানুহৰ ঘৰৰ চোতালবোৰ আছিল কৃষিজীৱি সমাজৰ দুখ-সুখৰ লগৰী। আনন্দ-বিষাদৰ সাক্ষী তথা আশা-ভৰষাৰ একমাত্ৰ থল। ঘৰলৈ নতুন আলহী আহিলে চোতালৰ মূৰতে বৰপীৰা পাৰি হাত-ভৰি ধুৱাই ভিতৰলৈ অনা হয়। নতুনকৈ কিনি অনা বলধহাল, গাইজনীকো চোতালত ৰখাই মাছৰ পানীৰে ঠেং ভৰি তিয়াই গোহালিলৈ নিয়া হয়। আঘোনত ঘৰলৈ ন-লখিমী আনিলে চোতালত এপাক ঘূৰাই ভঁৰালত ভৰোৱা হয়। ঘৰলৈ লখিমী অনাৰ দিনা চোতালত বহি কিমান যে আনন্দ কৰা হয়। ভঁৰালৰ আগত আগলি কলপাতখিলাত মাটিৰ চাকিগচি জ্বলি থকা দৃশ্যটো চাবলৈ বাৰে বাৰে চোতাললৈ আহোঁ। চোতালখন একালত অসমীয়া মানুহৰ সাহসৰ ভঁৰাল। এই চোতালতে একালত ৰঙামুৰা বীৰে যুঁজৰ বাবে কঁকালত টঙালি বান্ধি ৰণচালি ধৰিছিল। ৰাঙলী বুঢ়ীয়েও চোতালত বহি ৰঙামুৰা বীৰৰ সেৱা গ্ৰহণ কৰি যুঁজত জিকিবলৈ আশীৰ্বাদ দিছিল। বিৰাল্লিচৰ স্বাধীনতা আন্দোলনৰ শ্বহীদ কণকলতাইও শেষবাৰৰ বাবে

**চোতালৰ দাঁতিত গৰু বান্ধিবলৈ শাৰি শাৰিকৈ পুতিছিলো সৰু সৰু খুটি। কাজলি, ৰাঙলী, পখৰা, ফুজলাক বান্ধিবলৈ সজাইছিলো খুঁটিৰ দূৰত্ব। চোতালৰ কাষে কাষে ৰুইছিলো তগৰ, খৰিকাজাঁই, কঠনা আদি বিভিন্ন ফুলৰ পুলি। ৰ'দত লেৰেলি যোৱা ফুলগছবোৰক পুৱা-গধূলি দিছিলো আশাৰ পানী। নিশা নিঁয়ৰত তিতি সজাল সতেজ হৈ থকা ফুলগছবোৰ পুৱা নয়নভৰি চাইছিলো। শীতৰ ৰ'দালি প্ৰতিটো পুৱা চোতালত থৈলা পাৰি গাইছিলো—'শুৱনি আমাৰ গাঁওখনি অতি।'**

চোতালৰ মূৰতে এৰি থৈ আহিছিল গাভৰু জীৱনৰ আশাৰ তাঁতশাল। ঘৰৰ চোতালখনেই আছিল অসমীয়াৰ জাতীয় জীৱনৰ ন্যায়-অন্যায়ৰ আৰু অপৰাধ-দুৰ্নীতিৰ বিচাৰ কৰা আদালত তথা কাছাৰীঘৰ। এই চোতালতে তাহানি গাঁৱৰ দোষী-অপৰাধীয়ে শৰাই ভৰা তামোল পাণ দি ৰাইজৰ আগত নিজৰ দোষ স্বীকাৰ কৰিছিল। চোতালতে বাদি-বিবাদীয়ে মিত্ৰতাৰ আলিংগন কৰি সম্প্ৰীতিৰ সাঁকো গঢ়িছিল। সেয়ে চোতালখনক মৈত্ৰীৰ নাটঘৰ বুলিবও পাৰি। শিশুকালত সাধাৰণ দোষতে আই বোপাইৰ ধমকত চোতালত আঁঠুকাঢ়ি দোষ-অপৰাধ আঁতৰোৱাৰ শাস্তি গ্ৰহণ কৰা হৈছিল। এনেবোৰ শাস্তিয়ে জীৱনৰ প্ৰতিটো দোষত নিজক শুধৰাই লোৱাৰ সুবিধা দিছিল কেৱল ঘৰৰ চোতালখনেই।

• • •

পুৰণি কালত অসমীয়া সমাজৰ যৌথ পৰিয়ালবোৰৰ ঘৰুৱা সকলো কামৰ আঁচনি সকলোৱে চোতালত বহিয়েই নিৰ্ণয় কৰিছিল। বাৰিষাৰ জোনাক ৰাতি চোতালত বহি চুবুৰীয়াৰে গল্প কৰি আইতা-ককাৰ মুখে সাধু শুনি ৰসাল হৈছিল আমাৰ অনুভৱৰ বৰঘৰ। ৰিম্‌ঝিম বৰষুণত তিতি-বুৰি ঘামচি গুচোৱাৰ মহৌষধো লোৱা হৈছিল চোতালতে। শৰতৰ আবেলি চোতালত ঢাৰি পাৰি আকাশৰ গ্ৰহ তৰা চাই চিন্তাত বিভোৰ হৈ টোপনি ধৰা ল'ৰালিৰ সেই সপোনসুৰীয়া দিনৰ দিনলিপি গঢ়া হৈছিল সকলোৰে অনুভৱৰ সেই চোতালখনতে। গাঁৱৰ বৰসবাহত অনুষ্ঠিত কৰা বছৰেকীয়া ভাওনাৰ আখৰাঘৰ হিচাপেও কেতিয়াবা কেতিয়াবা ঘৰৰ চোতলখনকে ব্যৱহাৰ কৰা হৈছিল। ভীমৰ ভাও লোৱা সৰুবোপাইৰ গদ্ গদ্ বচনত চ'ৰাঘৰ, ৰান্ধনিঘৰ ৰজন্‌জনাই থকা পুৱা-গধূলি নাচি উঠে চঞ্চলামনৰ চোতাল। কেতিয়াবা দুপৰীয়া কেতিয়াবা আবেলি নিমাওমাও সময় এসোপা বুকুত বান্ধি বৈ থাকে ককাদেউতাৰ চোতাল। শেষ বাৰিষাৰ ভাৰনাত চোতালবোৰ হয় উচবমুখৰ। গাঁৱৰ জুপুৰি ঘৰবোৰৰ সমুখত অতিথি সৰস হৈ হাঁহি হাঁহি বহি থাকে চোতালত। প্ৰাচীন বাসনাত ভাৰ গধূৰ হৈ থকা বুঢ়ী আইতাৰ চোতাল ঘৰৰ আগৰ সৰু ডাঙৰ চোতালবোৰ গীত আৰু প্ৰাচীন সাধুকথাৰ ৰাগীত মাতাল হয় বাৰে বাৰে।

চোতাল অসমীয়া মানুহৰ কৃষ্টিৰ বৰঘৰ। অসমীয়া শিপিনীৰ তাঁতশালৰ তুলিকা যেন আঙুলিৰ স্পৰ্শত দিনে দিনে প্ৰাণ পাই উঠে তাঁতৰ কোহালি। চোতালৰ ইমূৰৰ পৰা সিমূৰলৈ চেনেহৰ দীঘ-বাণীৰে সূতা পকোৱা উঘা চেৰেকীৰ ঘূৰণ শব্দত আহিন মাহত মুখৰ হয় প্ৰতিখন চোতাল। পিতায়ে চিকনায় দিয়া চোতালত আশাৰ তাঁত লগাই বৌতিয়ে শান্তি নিশ্বাস এৰে পিতাইৰ ঘৰ্মাক্ত বুকুত। চোতালত ধেমালি কৰোঁতে তাঁতৰ সূতা চিঙি চেকনিৰ কোব খাই দেওপাৰি চিঞৰি কান্দি কান্দি আইতাৰ কোলাত টোপনি যোৱা সেই মধুৰ দিনৰ স্মৃতিবোৰে আজিও উন্মনা কৰে আমাৰ মন। নিৰস দিনত দেহ মন উন্মনা কৰা মানুহৰ স্মৃতিয়েই হেনো চোতাল। চোতালত তিক্ততা আৰু আনন্দৰ অবাধ বেহা। বৰাধানৰ মৰণাত বলধহালৰ পিছে পিছে ঘূৰি দেহমন ভৰি পৰে তিক্ততাই, মৰণাৰ খেৰ জোকাৰি সোণগুটিবোৰ কোৰোণাৰে চপালে মনলৈ আনন্দ আহে, আহে আশা। আঘোন মাহত চোতালতে সৃষ্টি হয় শস্যৰ এখন ভৰুণ পথাৰ। বিৰীয়াৰ চিপ্ চিপ্ শব্দত ক্ষণে ক্ষণে বাঢ়ে শস্যমতি চোতালৰ অহংকাৰ আৰু আকাংক্ষা। মৌসনা ধানৰ বাসনাত বাঢ়ি যায় আমাৰ লেচেৰীঘৰৰ মজিয়া। ইতিহাস ৰসাল পুৰাতন মমতাৰ সকলো সম্পদেৰে ভৰা চোতাল এতিয়া মৌনতাৰে আৱৰা এখন নিস্তেজ ছবি। মানুহৰ হৃদয়ৰ চোতালখনেই আছিল একালত সকলোৰে সুখ-দুখৰ খবৰ ৰখা ভৌতিক চেতনাৰ এক মান হৃদয়। চোতালে ভাল পায় সংগ্ৰামী মানুহৰ জীৱন। ভাল পায় শ্ৰমৰ ভৰত অৱস নোহোৱা শৰীৰ। চোতালক কেন্দ্ৰ কৰি বিস্তাৰিত হয় শ্ৰমজীৱি মানুহৰ চেতনা। বাসনাত ডুব যায় পথাৰ আৰু সন্ধিয়াৰ হালধীয়া বেলি। ঘৰৰ পানী পোতাত জোখা হয় দিনৰ সময়। এডাল দুডাল কৰি সময়ৰ আঁচবোৰ প্ৰসাৰিত হয় ক্ৰমে চোতালৰ মাজলৈ তাৰ পিছত পদূলিলৈ আৰু শেষত এখন অন্তহীন যুঁজলৈ। সেয়ে চোতালত আতিথ্য, চোতালত সম্ভাষণ, চোতালত বিদায়, চোতালত চকুৰ পানী আৰু চোতালত হাঁহি।

নগৰ-চহৰ বাদেই আজিকালি আমাৰ গাঁওবোৰতো তাহানিৰ সেই সপোনৰ সৰগ যেন লগা চোতালবোৰ নাইকিয়া হৈ আহিছে। গাঁৱৰ মানুহৰ জীৱন সুৰভী এই চোতালখনৰ প্ৰতিজোপা তৃণ-তৰু আৰু ফুল-তগৰৰ লগত গঁথা আছে আমাৰ জীৱনৰ সপোন, সংকল্প ধূলি-বালিৰ সুবাসেৰে জীৱনৰ প্ৰতিটো ক্ষণত সবাকো আকুল কৰা চোতালখন বুকুত সাৰটি চোতালৰ ঘ্ৰাণ লৈ সুঁৱৰি চাওঁ সংগ্ৰামী

জীৱনৰ দীঘ আৰু বাণী। চোতালৰ মূৰৰ তুলসীজোপাত আজিও জকমকাই থাকে আমাৰ শিশু মনৰ সমস্ত ৰং তুলিকা, য'ত সন্ধিয়া নামিলেই ধূপ-ধুনাৰ সুগন্ধই চোতালৰ সুগন্ধি প্ৰতিটো পদূলিলৈ উদ্ভাসিত হয়। চোতালৰ কাষৰ শেৱালিৰ সুগন্ধিয়ে সুৰভিময় কৰে গাঁও আৰু গাঁৱৰ বাট। পুৱা-গধূলি চোতালৰ মূৰৰ ফুলনীডৰাত ফুলা বিভিন্ন ৰঙৰ ফুলবোৰ দেখি আনন্দত নাচি উঠে মন। চোতালখনেই যেন গাঁও আৰু গাঁৱৰ জীৱন। ভাদ মাহৰ প্ৰতিটো গধূলি ঘৰৰ চোতালত বহি নামঘৰৰ ডবা-কাঁহৰ চন্দ শুনিছিলো নিৰলে। ঘৰখন, গাঁওখন কুশলে থকাৰ প্ৰাৰ্থনা কৰো মনতে গুণগুণাই। আহিন মাহত বৰ সযতনে চিকুণাইছিলো ঘৰৰ চোতাল। চোতালৰ দাঁতিত গৰু বান্ধিবলৈ শাৰি শাৰিকৈ পুতিছিলো সৰু সৰু খুটি। কাজলি, ৰাঙলী, পখৰা, কজলাক বান্ধিবলৈ সজাইছিলো খুঁটিৰ দূৰত্ব। চোতালৰ কাষে কাষে ৰুইছিলো তগৰ, খৰিকাজাঁই, কঠনা আদি বিভিন্ন ফুলৰ পুলি। ৰ'দত লেৰেলি যোৱা ফুলগছবোৰক পুৱা-গধূলি দিছিলো আশাৰ পানী। নিশা নিঁয়ৰত তিতি সজাল সতেজ হৈ থকা ফুলগছবোৰ পুৱা নয়নভৰি চাইছিলো। শীতৰ ৰ'দালি প্ৰতিটো পুৱা চোতালত থৈলা পাৰি গাইছিলো—'শুৱনি আমাৰ গাঁওখনি অতি।' এনেকৈয়ে চুবুৰীয়ে চুবুৰীয়ে গদ্য-পদ্য, নেওতা গোৱাৰ কোলাহল। কাতি বিহুত ঘৰৰ চোতালখনলৈ নামি আহে সৰগীয় সৌন্দৰ্য। জাত জাত ঘোষা-কীৰ্ত্তন আৰু প্ৰাৰ্থনা, কাকুতিৰ শব্দত ভক্তিমতি হয় গাঁও। চোতালতে গোৱা হয় 'তুলসীৰ তলে মৃগপছ চৰে...।' চোতালৰ তুলসী ভেঁটিত প্ৰতিনিয়তি জ্বলোৱা হয় সন্ধিয়াৰ চাকি। গাঁৱৰ জীৱনত এয়া যেন কাতি মাহত মৰতৰ সৰগ। আঘোন মাহত চুঙাত পোৱা বৰাচাউল আৰু এঠাদৈৰ সকামে প্ৰতিগৃহস্থকে দিয়ে বাৰিষাৰ প্ৰতিদান। পুহ মাহত ঠেৰেঙা লগা জাৰ গুচাবলৈ কাঠখৰিৰ জুয়ে দগমগাই থাকে চোতালৰ জুই। জুইৰ উত্তাপত বাঢ়ি আহে শীতৰ মমতা। এয়াই যেন গাঁৱৰ বৰ্ণময় জীৱন। মাঘ মাহত ঘৰৰ চোতালখনতে কলপাতৰ ৰভাদি বছৰেকীয়া নামগোৱা, বৰসবাহ পাতি লোৱা হয় ঐশ্বৰীয় শুভাশীষ। এইখন চোতালতে ঘৰৰ জীয়ৰী কেতিয়া বা পৰৰ আৰু পৰৰ জীয়ৰীও কেতিয়াবা ঘৰৰ হয়। ব্যস্ততাময় জীৱনৰ মাজতো স্মৃতিত ধৰা পৰে মাঘৰ উৰুকাৰ চোতাল। ফাগুনৰ উন্মনা বতাহে ক'ৰবাৰ পৰা উৰুৱাই অনা শুকান পাতে চোতালত চুপতি বঢ়ায়। শিমলু, মদাৰৰ ৰঙচুৱা পাহিৰে ৰঙচুৱা হয় আমাৰ মনৰ চোতাল। যোৰপতা শালিকীহালৰ পাখীবোৰত ফাগুনৰ নিলাজ বতাহৰ সাঁচ। এতিয়া চোতালৰ সেই কৰুণ সত্যটো হৈছে ইয়াৰ সৌন্দৰ্য আৰু প্ৰয়োজন ক্ৰমাৎ শিল-বালি আৰু চিমেণ্টৰ কংক্ৰীটত ধ্বংস। মানুহৰ আধুনিক জীৱনশৈলী সৰ্বত্ৰ শিপাই পৰাৰ পিছত চোতালৰ বিস্তাৰিত অনুভৱ পৰিৱৰ্তনৰ বুকুত লীন হৈ আহিছে। তথাপিও ক্ষণে ক্ষণে হেঙুলবুলীয়া পুৱাৰ দৰে তুলনাবিহীন আৰু প্ৰশান্তিৰে ভৰি থকাৰ প্ৰতিশ্ৰুতিপূৰ্ণ এখন চোতাল আমাৰ সকলোৰে কাম্য। বহাগৰ পহিলা দিনত আশীৰ্বাদ লোৱা হয় নিজৰ চোতালতে বছৰটো কুশলে থকাৰ। বহাগৰ জোনাক নিশা আজিও আমি চোতালত বহো। হাঁহি কান্দোলনৰ বাতৰি বিলাই জোনৰ শীতলতাৰে সিক্ত কৰো আধুনিক যন্ত্ৰণাত চটফটাই থকা মন। সভ্যতাৰ কঠিন আঘাতত টচ্‌নচ্ চোতালে নিজক এৰি দিছে সময়ৰ হাতত। কোনো অভিমান নোহোৱাকৈ পুৰাতনি মমতাৰে বৈ আছে চোতাল। নীৰৱে সহিছে আধুনিক মানুহৰ অত্যাচাৰ আৰু গ্লানি। কাণপাতি নিৰলে শুনিছে শিল-বালি বিলাসী গাড়ী আৰু কংক্ৰিটৰ গান। বন্দুকধাৰী, অস্ত্ৰধাৰীৰ নিৰ্বিচাৰ গুলীত ডোঙা বন্ধা তেজৰ চেকুৰা বুকুপাতি লৈছে সাৱটি। কেতিয়াও কাকো কৰা নাই আপত্তি দুখৰ। যেন এখন সৰল হৃদয়। নাম যাৰ চোতাল। য'ত জোনাকৰ সন্ধিয়া জাক পাতি নাচে চুবুৰীৰ চেমনীয়া আৰু ঘনঘোৰ আন্ধাৰত নাচে জোনাকী পৰুৱা। ■

## মহৎ লোকৰ বাণী

➤ 'শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বয়সৰ কোনো সীমাৰেখা নাথাকে। জীৱনেই আমাক শিকায়। কিন্তু কুৰিতেই হওক বা চাৰিকুৰি হওক আমি যদি শিকিবলৈ এৰি দিওঁ, তেন্তে এইটো নিশ্চিত যে আমি বাৰ্ধক্যক আকোৱালি লৈছো। গোটেই জীৱন জুৰি শিকিবলৈ বিচৰাজনেই তৰুণ আৰু নিজৰ মনটোক তৰুণ কৰি ৰাখিব পৰাটোৰেই জীৱনত আটাইতকৈ মহত্বপূৰ্ণ কথা।'

—হেনৰী ফৰ্ড।

# মাধৱদেৱৰ 'নামঘোষা'ত প্ৰকৃত মানৱ ধৰ্মৰ আবেদন আৰু মহত্ত্ব

দিম্পী শৰ্মা
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

মানৱ ধৰ্ম মানুহৰ সৰ্বোত্তম ধৰ্ম আৰু মানৱ কল্যাণৰ প্ৰকৃত ধাৰা। ভাৰত বৰ্ষিযে সৰ্বকালৰ সৰ্বোত্তম পুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা 'নামধৰ্ম' ই হৈছে নৱবৈষ্ণৱ ধৰ্ম। সাম্যমন্ত্ৰক ধৰাৰে নমাই আনি পৃথিৱীত পাঁচশৰো অধিক বছৰ আগতেই সাৰ্বজনীন ধাৰণাৰে গণ চেতনা জগাই গণতান্ত্ৰিক চিন্তাৰে 'একশৰণ নাম ধৰ্ম' প্ৰতিষ্ঠা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় দৰ্শন মতে 'ধৰ্মহে মানুহৰ কাৰণে, মানুহ ধৰ্মৰ কাৰণে নহয়।' হিন্দু ধৰ্মৰ ধাৰাত মানুহক ধৰ্মৰ কাৰণে লৈ মানুহক ভাগ ভাগ কৰি বৈষম্য আৰু সংকীৰ্ণতাৰ সৃষ্টি হোৱাত গুৰুজনাই মানৱ কল্যাণৰ অৰ্থে ধৰ্মক মানুহৰ বাবে লৈ ধৰ্মীয় দৰ্শনত গণ চেতনাৰে মানুহক গণতান্ত্ৰিকভাৱে উদ্বুদ্ধ কৰিলে। পৃথিৱীত ভগৱান আৰু মানুহক মাথো দুটি সম্প্ৰদায় ৰূপে চিহ্নিত কৰি শংকৰদেৱে ধৰ্মক মানৱ ধৰ্মৰ ধাৰাৰে উন্নীত কৰিলে আৰু সাম্যবাদৰ আধাৰত সকলো মানুহে ভগৱানক উপাসনা কৰাৰ সম অধিকাৰ প্ৰদানেৰে 'নামধৰ্ম'ৰ প্ৰৱৰ্তন কৰি প্ৰচাৰ আৰু প্ৰসাৰেৰে প্ৰকৃত মানৱ ধৰ্মৰ পথলৈ মানুহক অৱতীৰ্ণ কৰালে। গুৰুজনাৰ 'নামধৰ্ম'ক বিশেষভাৱে প্ৰচাৰ আৰু জনপ্ৰিয় কৰি তোলা মাধৱদেৱে সকলো শ্ৰেণীৰ মানুহৰ কাৰণে উপযোগী কৰি মানৱধৰ্মৰ বাস্তৱ ধাৰণাৰে 'নামঘোষা'ত প্ৰকৃত মানৱ ধৰ্মীয় বাৰ্তা আৰু আবেদন মানৱ সমাজলৈ প্ৰেৰণ কৰিলে।

তেৰাৰ 'নামঘোষা' পুথিত স্পষ্টভাৱে প্ৰতিফলিত হোৱা সৰ্বশক্তিমান, পৰমব্ৰহ্ম, পৰমপিতা পৰমাত্মাৰ স্বৰূপ এক ভগৱানৰ 'নাম' মূলধাৰা ৰূপে সকলো ধৰ্মৰ উৰ্ধত "সৰ্বধৰ্ম শিৰোমণি তুৱা গুণ নাম।" এই প্ৰবন্ধত মহাপুৰুষ মাধৱদেৱে 'নামঘোষা'ত প্ৰতিফলিত কৰা প্ৰকৃত মানৱ ধৰ্মৰ আবেদন সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰিছো। গুৰুজনাৰ নামধৰ্মক সাৰ্বজনীন চিন্তাৰে বিশ্বপ্ৰেম, মানৱপ্ৰেমৰ মহত্ত্বময় সমাহাৰেৰে জীৱ শ্ৰেষ্ঠ মানৱক জীৱন সফল কৰাৰ আধ্যাত্মিক উপায় দি যোৱা মাধৱদেৱে মানৱ কল্যাণৰ হকে মানৱধৰ্মৰ বাৰ্তা আৰু আবেদন প্ৰকৃতভাৱে প্ৰেৰণ কৰিলে। সেয়েহে 'নামঘোষা'ৰ অন্তৰ্গত ঘোষাসমূহ সকলো শ্ৰেণীৰ মানুহৰ কাৰণে ভগৱানক উপাসনা কৰাৰ বহুমুখী অথচ সকলোৱে গ্ৰহণীয় উপায়ৰূপে প্ৰযোজ্য হ'বলৈ ধৰিলে। হৰিনাম, নাম ৰত্নৰ আলোকেৰে ভগৱান আৰু ভক্তৰ সম্পৰ্কৰ কথা গাঢ় কৰিব পৰাকৈ 'নামঘোষা'ত শৰণ, ভজন, উপদেশ, নমস্কাৰ, প্ৰাৰ্থনা, আত্ম উপদেশ, হৰিগুণ, বস্তু প্ৰকাশ, নাম, আত্ম নিবেদন, খেদ কাৰুণ্য, কৃপা, মহিমা, পৰমাৰ্থৰ সন্ধান, নিন্দা, আত্ম-নিন্দা, নাম নামান্বয়, তুতি, আশ্ৰয়, নামবস্তুৰ মহত্ত্ব প্ৰকাশ কৰি ঈশ্বৰ নিৰ্ণয়ৰ দ্বাৰা ভগৱানৰ প্ৰকৃত মহৎ কথা ব্যক্ত কৰি মাধৱদেৱে সুন্দৰভাৱে অতি সহজ-সৰল কৰি ভগৱৎ প্ৰেমময় ৰূপত ভক্তৰ কাৰণে যুগধৰ্ম নিৰ্ণয় কৰি দিলে।

এনেদৰে ঈশ্বৰ নিৰ্ণয়, যুগধৰ্ম প্ৰকাশ, ভগৱানৰ মহিমা ব্যক্ত কৰি মাধৱদেৱে 'নামঘোষা'ত গুৰুৰ যোগেদি জ্ঞান লাভ কৰি ঈশ্বৰৰ পৰম নিগুণ মহত্ত্বময় তত্ত্বকথা বুজিব পাৰি, গোটেই জগতক ব্ৰহ্মস্বৰূপ জ্ঞান কৰিব পাৰি, তাকে পৰমাৰ্থ বুলি ব্যাখ্যা দি মানুহক পৰমাৰ্থ লাভৰ উপায় দিছে। ইয়াৰ লগতে মুক্তিত নিস্পৃহ ভকতক ৰসময়ী ভকতিৰ মহত্ত্ব কথা ব্যক্ত কৰি 'নামঘোষা'ত ভক্তিৰ তত্ত্ব আৰু ৰহস্যৰ সহজ-সৰল ধাৰণা প্ৰকাশেৰে ভগৱান আৰু মানুহৰ চিৰন্তন সম্বন্ধৰ কাৰণে উত্তম মাধ্যম "নাম বস্তু" প্ৰকাশ কৰিছে। কৃষ্ণই পৰম বান্ধৱ উদ্ধৱক পৰম জ্ঞান দিছিল, সেই তত্ত্ব আৰু মহত্ত্ব কথা যাৰ দ্বাৰা লাভ কৰিব পাৰি তেনে 'উপদেশ', 'আত্ম নিবেদন', 'নমস্কাৰ' আৰু 'শৰণ' ৰ কথা মাধৱদেৱে 'নামঘোষা'ত প্ৰতিফলিত কৰাৰ লগতে প্ৰাৰ্থনাৰ কাৰণে নাম বস্তু আৰু তাৰ মহিমা তাৎপৰ্য ব্যক্ত কৰিছে। 'যাৰ নাম কৃষ্ণনাম নামে ভৱ সিন্ধু তৰি পাৱে পৰম্পদ পাপী যত' বুলি ঘোষাৰ মাজেৰে প্ৰকাশ কৰা মাধৱদেৱে 'সকল নিগম লতা তাৰ অবিনাশী ফল কৃষ্ণনাম চৈতন্য স্বৰূপ' এনে অৰ্থত হৰিনামৰ মহত্ত্ব প্ৰকাশ কৰি লিখিছে —

*"যিটো জনে কৃষ্ণ কথা বিচাৰে সময়ে মনে*
*ধৈৰ্য ধৰি ক্ষণেক থাকয়।*
*যত তীৰ্থ স্নান-দান দেৱ পিতৃ যজ্ঞ যাগ*
*যোগাদিৰো ফলক পাৱয়।।"*

'নামঘোষা'ত হৰিনামক সৰ্বধৰ্ম অনুপম বুলি কৈ জগতৰ সবাতোকৈ উপকাৰী নামবস্তুৰ মহিমা ব্যক্ত কৰি 'ভগৱন্তক ভকতৰ প্ৰাণ ৰূপে প্ৰতিপন্ন কৰি মাধৱদেৱে 'চণ্ডাল পৰ্যন্ত কৰি জগতৰ উপকাৰী নাহি নাম গুণ বিনে আন' ৰূপে মানৱ ধৰ্মৰ ধাৰাত হৰিনামৰ কাৰণে মানুহৰ মাজত কোনো ভেদভাৱ ৰখা নাই আৰু এনে অৰ্থত 'নামঘোষা'ত অতি তত্ত্বময় ছবি পদ সংযোগ কৰিছে।

*হৰিনাম কীৰ্ত্তনত নাহি কেশ কালপাত্ৰ*
*নিয়ম সংযম একোবিধি।*
*হৰিত শৰণ লৈয়ো কেৱলে হৰিৰ নাম*
*কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।।*

'হৰিগুণক ভাগৱতৰ সাৰ' বুলি কৈ মাধৱদেৱে,,'নামঘোষা'ত হৰিভকতি আৰু হৰিনামক সবাৰো উৰ্ধত ৰূপে ব্যক্ত কৰিছে— 'সৰ্বশ্ৰুতি শিৰোৰত্ন, ভাগৱত বনে মাজে, হৰিনাম সিংহ প্ৰকাশয়' অৰ্থাৎ শংকৰদেৱে "সকলো সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি কৃষ্ণ ভকিত প্ৰচাৰ কৰাৰ দৰে ভগৱৎ প্ৰেমময় কথা ব্যক্ত কৰিছে। মাধৱদেৱে গুৰুজনাৰ অৱদানেৰেই হৰিনামক 'মহাধৰ্ম' ৰূপে প্ৰকাশ কৰি" "হৰিনাম কীৰ্ত্তনত মিলে মোক্ষ আদি যত কীৰ্ত্তন সুখৰ নাহি সীমা"—বুলি ভগৱানৰ নামবস্তুক মধুৰৰো সুমধুৰ, মংগলৰো পৰম মংগল যেন অনুভৱেৰে হৰিৰ কীৰ্ত্তন ৰসৰ ৰসময়ী ভকতিৰ পৰম আস্বাদনৰ কথা ব্যাখ্যা কৰি আছে আৰু মানৱ কল্যাণৰ হকে ভগৱানৰ নামকে সাৰ কৰি 'নামঘোষা'ত লিখিছে—

*তযু গুণ নাম হৰি কেৱল নিৰ্গুণ মাত্ৰ*
*আৱৰে সমস্তে গুণময়।*
*এতেকে জানিয়া হৰি তোমাৰ নামক মাত্ৰ*
*কৰিলোহো সাৰ কৃপাময়।।*

'ভগৱান ভক্তি' দান দি সংসাৰ সাগৰ পাৰ হোৱাৰ উপায় দিয়াৰ কথা কৈ কৃপালু শংকৰগুৰুক মানুহৰ পৰম বন্ধু বুলি আখ্যা দিছে। এই প্ৰসংগত মানুহৰ কাৰণে হৰি ভক্তিৰ হাট পাতি গুৰুজনাই সাম্যমন্ত্ৰৰ আধাৰত মানুহক ভগৱানৰ নাম কীৰ্ত্তন কৰাৰ সম অধিকাৰ দিয়াৰ কথা সঁচাই মানৱ ধৰ্মৰ প্ৰকৃত আৱেদন স্বৰূপ। মাধৱদেৱে 'নামঘোষা'ত 'হৰি ভক্তিদান দিলা জগতক তাৰিলা সংসাৰ সিন্ধু' বুলি শংকৰদেৱৰ ধৰ্মীয় দৰ্শন আৰু নামৰ মহিমাৰে ভগৱান ভকতিৰ মহত্ত্ব প্ৰকাশ কৰিছে। নৱবিধ ভক্তিৰ প্ৰসংগত শ্ৰৱণ, কীৰ্ত্তন, অৰ্চন, বন্দন, দাস্য আৰু আত্ম নিবেদনক প্ৰাধান্য দি মাধৱদেৱে 'নামঘোষা'ৰ আদ্যোপান্ত ভগৱৎ প্ৰেমৰ অৰ্থাৎ ভক্তিৰ বন্যা প্ৰৱাহিত হোৱাকৈ হৰি ভকতিৰ মাহাত্ম্য কথা ব্যাখ্যা কৰিছে। এনে কথাই মানুহক ভগৱান ভকতিৰ গণচেতনাৰে হৰিনাম শ্ৰৱণ, কীৰ্ত্তন, অৰ্চন, বন্দনৰ মুক্ত পথ উন্মোচন কৰি মাধৱদেৱে প্ৰকৃতাৰ্থত মানৱ কল্যাণৰ অৰ্থে 'মানৱ ধৰ্ম'ৰ আৱেদন সদৰি কৰিছে। গুৰুজনাই নামধৰ্ম প্ৰৱৰ্তন কৰাৰ পাছত মাধৱদেৱে 'নামঘোষা'ৰ মাধ্যমেদি প্ৰকৃতাৰ্থত নামৰ মহিমা আৰু হৰি ভকতিৰ কথা স্পষ্টভাৱে গণমুখী অথচ ভগৱৎ প্ৰেমময় গতি প্ৰদান কৰিছে। এনে গণমুখী আধ্যাত্মিক দৰ্শনৰ তাৎপৰ্যৰ কথা সঁচাই সকলো শ্ৰেণীৰ মানুহৰ কাৰণে মানৱ ধৰ্মৰ বাস্তৱ ধাৰণা স্বৰূপ। ঘোষাৰ জৰিয়তে ভাগৱতৰ মুলতত্ত্ব অনুসৰি মাধৱদেৱে প্ৰধান দেৱতা অৰ্থাৎ এক ঈশ্বৰৰ ভক্তি ধাৰা প্ৰসাৰ কৰিলে আৰু মানৱ ধৰ্মৰ মহত্ত্বম ধাৰণাৰে ভাগৱতধৰ্মক সবাৰো উৰ্ধত স্থান দিলে।

*"বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।*
*তাহাৰ উত্তম ফল হৰিনাম মাত্ৰ।"*

■ ■ ■

## মহৎ লোকৰ বাণী

➤ *জীৱনৰ ঘটনা-পৰিঘটনা, উত্থান-পতন এই সকলোবোৰ স্বতঃস্ফূৰ্ত আৰু প্ৰাকৃতিক। এইবোৰক বাধা দিবলৈ চেষ্টা নকৰাই ভাল। বাধা দিবলৈ গ'লেও দুখহে পোৱা যায়। সেয়ে জীৱনটো যেনেদৰে আগবাঢ়ি যায়, তেনেদৰেই আগবাঢ়ি যাবলৈ দিয়া।* —লাওৎ জে

➤ *যুদ্ধত এবাৰে ভুল কৰা আৰু নিজৰ পত্নীক এবাৰ বাছি লোৱাত ভুল কৰা একেটা কথাই— দুয়োটাই চিৰদিনৰ বাবে অন্ধকাৰ নমাই আনিব পাৰে।* —মিডলট্ৰন

# Assamese Society and Women

**Dr. Runali Goswami**
**Asst. Professor**
**Deptt. of Sociology.**

In Assam there are people of many ethnic groups with rich cultural traits. 'The evolution of the Assamese Society thus has been a thrilling and lively story of people of different races passing through the process of conflicts, conciliations and convergence into a plural society (D. Doley, 1980). Every ethnic, linguistic, cultural and religious groups has become one society in the process of assimilation and fasion. The social and cultural life indicate that the Assamese Society is based on the principle of liberalism, secularism and democratic functioning. In spite of such differences, the status of women in different communities appears to be much better than many other women in the country. Assamese women are fond of colourful handloom clothes which they weae in the family looms. They wear Mekkela (in the lower part of the body) and Chaddar (in the upper part of the body). Some married women wear Riha (Additional piece of cloth in the upper part of the body besides Mekhela and Chaddar. In tribal societies women wear their traditional dresses but many of them wear modern dresses. They wear various kinds of ornaments of gold, silver etc. with traditional designs. Dowry is most uncommon in Assamese society. On the other hand, bride-price was a common practice in the past. Bride price is still common in tribal societies. Married women observe some rules of avoidance particularly with the senior male members of the husband's family. Women are not expected to talk face to face with senior male members. The wife does not address the husband by name. Married women are expected to cover their heads with the end part of the cloth (Uroni) worn in the upper part of the body (chaddar) in presence of the elderly members of her husband's family as well as other respectable person of the society. Like other women in the country, the Assamese women do all kinds of domestic works of cleaning, washing, cooking and distribution of food items. But the participation women in economic activities is higher. Male members are not expected to do some of the household works except in unavoidable circumstances. In fact, men generally avoid some works assigned to women. Women observe some rules at time of cookings. They do not generally enter into cooking room without taking bath. In some rural societies, girls attaining puberty but unmarried are not allowed to cook rice. Such unmarried girls are not allowed to take part in some works related to religious ceremonies.

Weaving is indispensable to Assamese women. Most of the Assamese women of the rural areas are expert in spinning and weaving. Though at present most of the educated women do not weave, in interior rural areas weaving is regularly done by women. There was a time when one would refuse to marry a girl who does not know weaving. Gandhiji once remarked : 'Assamese women weave dreams in

their looms.' It was a belief in the Assamese society that if women can send their husbands to the battle field by giving Kabacha (a kind of garment for men made by women by spinning and weaving overnight.) then their husbands would not meet defeat. Rural women of Assam like other rural Indian women keep themselves busy in the endless household works, for most part of the day till night. Women of Assam are traditionally housewives who consider their husbands as their inseparable life partners even at their extreme sacrifice. They have to look after all the domestic affairs meant for women. Though women who were engaged in household works termed as 'workers' in the Indian census upto 1961, in 1971 census women who engaged themselves in househld activities withour direct economic gain are classified as ' non worker'. Most of the works performed by women, hoever, are directly or indirectly linked with the economic activities. The definition adopted naturally brought down the percentage of women workers to a considerable extent in 1971. Though the number of women workers had thus dininished, the work load for women remained the same. Though it was once thought that women should not go outside for employment as it was considered to involve less of prestige of the family, the idea has changed due to spread of education. Women who can earn are now considered important persons to the family. In fact, women in salaried jobs have better social status. However, a women who does household and other family economic activities even up to 14 hours a day is generally not considered equally important. Though many male members like women who earn, they hardly realize fully the difficulties of the working women. Though some male mebers are found to have helped women in certain domestic works, some do not help women at all. Usually men abstain from cooking, washing and cleaning the house. So, earning women also generally donot get much help from men. Similarly, the non-earning women who do endless household works rarely get help from men. Some women have to do certain works even if they are sick. The interesting aspect is that men's works are considered more valuable and important by many men and women. Most of the women abstain from shopping due to social restrictions. Therefore women have little chance of spending family income by themselves at the market. Inspite of that some housewives keep family income with them. Generally, very few women have liberty to spend family income at their own with.

*Reference :*

Doley, D. 'Assam and the Assamese Mind' 1980, quated from P.D. Saiking, K. Gogoi and Anjali Lekharu, Indian Rural Women (A study on Role and Status of Rural Women in Assam) Mittal Publication, 1986. ■

# অসমৰ বৃহৎ নদীবান্ধৰ সম্ভাৱনা আৰু সমস্যা

হেমন্ত হাজৰিকা
স্নাতক তৃতীয় বৰ্ষ, বুৰঞ্জী বিভাগ

১৯৫৬ চনত ভাৰতৰ ভাক্রা নাংগল বান্ধ পৰিদৰ্শন কৰি তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰুৱে কৈছিল— *These are the new temples of India where I worship.* ভেটিৰপৰা মূধচলৈকে ১৫ মিটাৰ বা ততোধিক উচ্চতাৰ বান্ধকে বৃহৎ বান্ধ বোলে। পৃথিৱীত প্ৰায় ৪০০০ টামান বৃহৎ বান্ধ সজা হৈছে, তাৰে প্ৰায় ২৯০ টা ভাৰতত আছে। ইতিমধ্যে ভালেমান বান্ধৰ বাবে আঁচনিৰ খচৰাও তৈয়াৰ কৰা হৈছে। তাৰে ভিতৰত অসমৰ সোৱণশিৰি আৰু বৰাক বান্ধ দুটাও পৰিছে।

প্ৰণিধানযোগ্য এয়ে যে বহুমুখী সুফল লাভৰ উদ্দেশ্যেই যে বৃহৎ বান্ধ নিৰ্মাণ কৰাটো অপৰিহাৰ্য সেই কথা যিমান প্ৰচাৰ কৰা হয়, তাৰ তুলনাত বান্ধবোৰৰ লগত সন্নিৱিষ্ট হৈ থকা ভালেমান সম্ভাব্য দুৰ্যোগৰ বিষয়ে জন সাধাৰণক জনাৰ সুযোগ দিয়া নহয়।

সম্প্ৰতি এক বহুচৰ্চিত বিষয় হৈ পৰা নামনি সোৱণশিৰি নদীবান্ধ প্ৰকল্পক লৈ ইতিমধ্যে সমগ্ৰ ৰাজ্যতে বিতৰ্কৰ সূত্ৰপাত ঘটিছে। চৰকাৰে এই বান্ধৰ সপক্ষত বহু যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে বিভিন্ন সংগঠনে ইয়াৰ বিৰুদ্ধে মাত মাতিছে।




**নামনি সোৱণশিৰি বৃহৎ নদীবান্ধৰ এক বৈজ্ঞানিক বিশ্লেষণ ঃ**

২০০২ চনলৈকে সোৱণশিৰি নৈ আৰু ইয়াৰ উপত্যকা আছিল জৈৱ-বৈচিত্ৰ্য আৰু কৃষি বৈচিত্ৰ্যৰ এক চহকী ভঁৰাল তথা নৈপৰীয়া জনসাধাৰণৰ জীৱনৰেখা। সোৱণশিৰিৰ প্ৰাকৃতিক প্ৰৱাহ ঋতুভেদে ভিন্ন, সেয়ে বাৰিষাৰ বান, খৰালিৰ নিম্ন প্ৰৱাহ যুগ যুগ ধৰি জীৱকুল, কৃষিভূমি, নৈপৰীয়া জনসাধাৰণৰ আৰ্থ-সামাজিক, নৃগোষ্ঠীয় বৈচিত্ৰ্যতা তথা সাংস্কৃতিক বৈচিত্ৰ্যতাৰ চালক হিচাপে নিয়ন্ত্ৰণ কৰি আহিছে। কিন্তু নৈখনৰ ওপৰত অসম-অৰুণাচল সীমান্তত নিৰ্মীয়মান ২,০০০ মেগাৱাট শক্তিসম্পন্ন বৃহৎ সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পটোৱে নৈখনৰ নামনিত এই সকলো দিশত এক মোক্ষম আঘাত হনাৰ সম্ভাৱনা আছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল *International Union for Conservation of Nature and Natural Resource (IUCN)* প্ৰতিবেদনৰ বিপন্ন তথা বিলুপ্তপ্ৰায় প্ৰাণী 'শিহু'ৰ কথা উল্লেখ থকাটো। কাৰণ সোৱণশিৰিত শিহুৰ অৱস্থিতি এতিয়াও বিদ্যমান। আনহাতে শিহুক ৰাষ্ট্ৰীয় জলপ্ৰাণী আৰু অসমৰ ৰাজ্যিক জলচৰ প্ৰাণী হিচাপে ক্ৰমে ২০০৮ আৰু ২০০৯ চনত স্বীকৃতি দিয়া হৈছিল। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এই প্ৰাণীবিধৰ সংৰক্ষণৰ ব্যৱস্থা হিচাবে বিভিন্ন ব্যৱস্থা হাতত লৈছে। কিন্তু সোৱণশিৰি নদীবান্ধৰ প্ৰতিবেদনত সোৱণশিৰি নদীত শিহুৰ অৱস্থানৰ বিষয়ে তিলমানো উল্লেখ নকৰি কৌশলগতভাৱে এই লুপ্তপ্ৰায় প্ৰাণীবিধক প্ৰতিবেদনৰ পৰা একাশৰীয়া কৰি জলবিদ্যুৎ প্ৰকল্পটোৰ অনুমোদন লোৱা হ'ল। এনে নীতিবিৰুদ্ধ চতুৰালি ভাৰতীয় আইন ব্যৱস্থাৰ বাবেও প্ৰত্যাহ্বান।

**নিৰ্মাণকালত সোৱণশিৰিৰ ওপৰত অত্যাচাৰ ঃ**

১। এন.এইচ. পি. চিয়ে বান্ধ নিৰ্মাণৰ বাবে ডিনামাইট ব্যৱহাৰ কৰি পাহাৰৰ বিস্তৃত অঞ্চল ধ্বংস কৰি, প্ৰকৃতিৰ ওপৰত নিৰ্দয় অত্যাচাৰ কৰি বহু জীৱকুলক চিৰদিনৰ বাবে বিদায় দিলে।

২। নিৰ্মাণস্থলীত খন্দা সকলো মাটি, শিল নামনিলৈ এৰি দি নৈৰ বুকু প্ৰায় দুবছৰৰ ভিতৰতে বিশ ফুট পৰ্যন্ত বাম কৰাৰ



তথ্য পোৱা গৈছে। লগে লগে নৈখনে চেলাজুৰি গুঁঠাৰ পৰিমাণ বৃদ্ধি কৰাৰ ফলত নৈখনে যেনি তেনি গতি কৰি তীব্ৰ খহনীয়াৰ সৃষ্টি কৰিছে।

৩। বালিৰ পৰিমাণ বৃদ্ধিয়ে নামনিত থকা পাহাৰীয়া মাছৰ আবাস তথা বিচৰণভূমিসমূহ ইতিমধ্যে অৱক্ষয় কৰিছে।

৪। উচ্চহাৰৰ বালিৰ আগমণে নামনিৰ উপত্যকাৰ বিলবোৰৰ লগতে নৈৰ সংযোগ বিচ্ছিন্ন কৰিছে। ফলত মাছবোৰক বিলত প্ৰৱেশ কৰাত হেঙাৰৰ সৃষ্টি কৰিছে।

৫। বিস্তীৰ্ণ কৃষিভূমি ইতিমধ্যে বালিৰে পুতি পতিত ভূমিলৈ পৰ্যবসিত কৰিছে।

৬। মৎস্যজীৱি, শিল, বালি মহলত কাম কৰা লোক, খৰি সংগ্ৰহ কৰি খোৱা প্ৰায় ১০,৯৫০ জন লোকৰ জীৱিকাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

৭। নিৰ্মাণৰ নামত হাতী অহা-যোৱা পথত হেঙাৰ সৃষ্টি কৰি হাতী আৰু মানুহৰ মাজত সংঘাত আৰম্ভ হোৱাত অৰিহণা যোগাইছে।

৮। নিৰ্মাণৰ অৱস্থাত নৈৰ পৰিৱেশৰ ওপৰত নিৰীক্ষণ ব্যৱস্থা কৰা নহ'ল, যি অতি জৰুৰী আছিল।

**ভৱিষ্যতৰ নৈতিবাচক প্ৰভাৱ ঃ**

১। সোৱণশিৰিয়ে নিয়ন্ত্ৰণ কৰি ৰখা নামনিৰ পাৰিবেশিক ভাৰসাম্যতা বিলুপ্ত হ'ব। ফলত জীৱ তথা কৃষি আবাসস্থলসমূহ ক্ৰমাৎ হ্ৰাস হ'ব আৰু পৰ্যায়ক্ৰমে জীৱকুল আৰু থলুৱা উদ্ভিদ আৰু শস্যৰ প্ৰজাতিসমূহ হেৰাই যাব।

২। স্থানীয় লোকে অতীতৰ জীৱন বৃত্তি সলনি কৰিব লাগিব। জীয়াই থকাৰ তাড়নাত পেটৰ ভাতমুঠিৰ বাবে বৃত্তি তথা স্থান সলনি কৰি চহৰমুখী হ'ব। যিয়ে স্বকীয় জনগাঁথনিত এক মোক্ষম আঘাত কৰিব।

৩। নতুন পৰিৱেশে নৃগোষ্ঠীয় তথা সংস্কৃতিৰ বৈচিত্ৰ্যতাত, বিশেষকৈ সোৱণশিৰিপৰীয়া মিচিং, দেউৰী আদি জনগোষ্ঠীৰ বিচিত্ৰতাক থানবান কৰিব।

৪। সোৱণশিৰিৰ বৃহৎ জলভাণ্ডাৰত জমা হোৱা অতিৰিক্ত পানী বাৰিষা লক্ষীমপুৰ, ধেমাজি আৰু মাজুলীৰ দিশত এৰি দিয়াৰ ফলত প্ৰবল বান হ'ব পাৰে। যাক নিয়ন্ত্ৰণ কৰাৰ কোনো ব্যৱস্থা প্ৰকল্পটোত উপলব্ধ নহয়।

৫। নিম্ন কাৰিকৰী মানৰ প্ৰকল্পটোত প্ৰব্ৰজন কৰা মাছৰ বাবে কোনো ব্যৱস্থা নথকাত পাহাৰীয়া মৎস্যকূল নামনি অংশৰ পৰা নোহোৱা হ'ব।

৬। এন. এইচ. পি. চিৰ পৰিবেশ মূল্যাংকন প্ৰতিবেদনত উল্লেখ আছে যে, কিবা কাৰণত সোৱণশিৰি বান্ধ ভাঙিলে আধাঘণ্টা বা ৪০ মিনিটৰ ভিতৰত লক্ষীমপুৰ নগৰ, ধেমাজি, মাজুলী আৰু যোৰহাটত ৪০ ৰপৰা ৫০ ফুট পৰ্যন্ত পানী উঠিব পাৰে।

৭। জলভাণ্ডাৰৰ দীৰ্ঘজীৱনৰ বাবে জমা হোৱা গেদ নামনি অংশলৈ উলিয়াই দিয়াৰ ফলত নৈৰ গভীৰতা সুদূৰ ভৱিষ্যতে আৰু কমিব আৰু খেতি পথাৰসমূহ বালিৰ তলত পোত যাব। যিয়ে কৃষকৰ শেষ আশাকণো মযিমূৰ কৰিব।

**বৃহৎ নদীবান্ধৰ সম্ভাৱনা ঃ**

বৃহৎ নদীবান্ধৰ ক্ষয়-ক্ষতিৰ তুলনাত ইয়াৰ যেনেদৰে সম্ভাৱনীয়তা থাকিব লাগিছিল, সেয়া বাস্তৱ ক্ষেত্ৰত সম্ভৱপৰ নহ'ব। নগণ্য পৰিমাণৰ সম্ভাৱনীয়তাক ক্ষতিৰ তুলনাত এপাচি শাকত এটা জলকীয়া বুলি অভিহিত কৰিব পাৰি। নামনি সোৱণশিৰিৰ ৰাইজ বা অসমবাসীয়ে উন্নয়নৰ নামত এই প্ৰকল্পৰ পৰা বিজুলী বাতিৰ পোহৰ বা বিজুলী বিচনীৰ বতাহ বিনামূল্যে নাপাব, কেৱল অসম চৰকাৰে মুঠ উৎপাদনৰ দুই শতাংশ (৪০ মেগাৱাট) পাব। কিন্তু তাৰ পৰিৱৰ্তে সকলো বিদ্যুৎ আমাৰ চকুৰ আগেদিয়েই লৈ যাব ২০ হাজাৰ কিলোমিটাৰ দূৰলৈ, য'ত হয়তো অনাগত দিনত এই বিদ্যুতৰ জৰিয়তে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি বহিঃৰাজ্যৰ মানুহে ভৱিষ্যৎ জলবিদ্যুৎ প্ৰকল্পৰ পৰা অসমে পাব লগা নেতিবাচক ফলসমূহ প্ৰত্যক্ষ কৰিব টেলিভিচনৰ পৰ্দাত। আনহাতে উন্নয়নৰ নামত প্ৰকল্পটোত হয়তো দুই-এজনে কৰ্মসংস্থাপন লাভ কৰিব। কিন্তু ভোগ কৰিবলগীয়া নেতিবাচক প্ৰভাৱৰ তুলনাত ই হ'ব অতি নগণ্য। গতিকে সময় থাকোতেই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সচেতন জনগণ ঐক্যবদ্ধ হৈ এনে ধ্বংসকাৰী পৰিকল্পনা ৰোধ কৰিব নোৱাৰিলে অসমৰ উত্তৰ প্ৰজন্মৰ ভৱিষ্যৎ যে তিমিৰাচ্ছন্ন সি ধ্ৰূৰূপ। ■

# বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা

**প্ৰিয়ংকা দত্ত**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

ইংৰাজী Science শব্দটো লেটিন 'Scire' শব্দৰ পৰা আহিছে। লেটিন ভাষাত 'Scire' শব্দৰ অৰ্থ হৈছে জনা। প্ৰকৃত অৰ্থত বিজ্ঞান হৈছে বস্তুনিষ্ঠ দৃষ্টিভংগী আৰু দাৰ্শনিক যুক্তি-যুক্ততাৰে অধ্যয়ন কৰা প্ৰণালীবদ্ধ এক জ্ঞান-কৌশল। যি বিধিসন্মত আৰু বাস্তৱসন্মত প্ৰমাণ সাপেক্ষ।

'কামৰ দ্বাৰাই শিক্ষা' কথাষাৰ প্ৰাথমিক পৰ্যায়তে অতি প্ৰয়োজন। মহামানৱ মহাত্মা গান্ধীয়ে ১৯৩৭ চনৰ ২৩ অক্টোবৰৰ দিনা ৱাৰ্ধাত অনুষ্ঠিত সৰ্বভাৰতীয় শিক্ষা সন্মিলনত ইয়াক বুনিয়াদী শিক্ষাস্তৰত অন্তৰ্ভুক্ত কৰিবলৈকে প্ৰস্তাৱ দাঙি ধৰিছিল। হাত আৰু চকুৰে, ইটোৰে-সিটোৰ লগত সমিল মিলকৈ শাৰীৰিক আৰু মানসিক পৰিশ্ৰমৰ দ্বাৰাই নিৰ্মাণ কৰা কামৰ বাবে প্ৰয়োজনীয় বিচাৰ বুদ্ধিৰ স্বাভাৱিক জ্ঞানেই হৈছে কাৰিকৰী শিক্ষা। ই হৈছে ব্যৱহাৰ্য বস্তু তৈয়াৰ কৰিবলৈ নিজৰ নিজৰ জ্ঞান প্ৰয়োগ কৰাৰ, কৌশল। সুলভ অৰ্থত ই এক প্ৰকাৰ প্ৰশিক্ষণ আৰু ইয়াৰ উৎপাদিত বস্তু বা সামগ্ৰীয়েই হৈছে প্ৰযুক্তি।


দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলৰ গুৰু পণ্ডিত এলফ্ৰেড নৰ্থ হোৱাইটহেডে কৈছিল, 'এইখন এখন সন্মিলিত ৰাষ্ট্ৰসংঘ, য'ত কামেই ধেমালি আৰু ধেমালিয়েই জীৱন।' প্ৰকৃততে কাৰিকৰী শিক্ষাৰ আদৰ্শ এইটোৱেই। অৱশ্যে বাস্তৱৰ লগত যেতিয়া কথাষাৰ মিলাই চোৱা যায়, তেতিয়া ই ৰহস্যজনক যেন লগাটোৱেই স্বাভাৱিক। যেনেদৰে 'অভ্যাসেই আৱিষ্কাৰৰ মূল' কথাষাৰৰ বাস্তৱিকতাৰ ঠাইত ৰহস্যই বেছি ঠাই অধিকাৰ কৰা পৰিলক্ষিত হয়। গতিকে উক্ত কথাষাৰি সলনি 'অভাৱেই কিছুমান ব্যৰ্থ কৌশলৰ মূল বুলি ক'লে বেছি যুক্তিপূৰ্ণ হ'ব যেন লাগে। কিয়নো আজিৰ আৱিষ্কাৰৰ প্ৰগতিৰ ভিত্তি হৈছে বিজ্ঞান আৰু বিজ্ঞান হৈছে আনন্দদায়ক বৌদ্ধিক অনুসন্ধিৎসাৰ পৰা উদ্ভূত এখন সত্য সাহিত্য। বিজ্ঞানৰ লগত সম্পৰ্ক থকা কাৰিকৰী প্ৰশিক্ষণৰ ক্ষেত্ৰত কোনো এটা স্তৰত বিশেষকৈ মাধ্যমিক স্তৰত বিজ্ঞান শিক্ষাৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। যিহেতু কাৰিকৰী দিশটো কলাবিদ্যাৰ লগত অৰ্থাৎ কলাসুলভ হস্তশিক্ষাৰ নন্দনতাত্ত্বিক প্ৰশিক্ষণৰ লগত প্ৰত্যক্ষভাৱে জড়িত। প্ৰথিতযশা পণ্ডিত হোৱাইটহেডৰ মতে, 'মানুহে জ্ঞান অৰ্জন কৰিবৰ বাবে আৱিষ্কাৰ নকৰে, আৱিষ্কাৰ কৰিবৰ কাৰণেহে জ্ঞান অৰ্জন কৰে।' যেনেদৰে বিজ্ঞলোকে জ্ঞানৰ কাৰণে অধ্যয়ন নকৰে, তেওঁলোকে জ্ঞান অৰ্জন কৰে আৱিষ্কাৰৰ কাৰণে অন্তৰৰ নিভৃতকোণত লুকাই থকা একো একোটা হেঁপাহ পূৰণ কৰাৰ বাবে। গতিকে বাস্তৱিক তথা আধুনিক যুক্তিসম্পন্ন কলা আৰু বিজ্ঞানে শ্ৰমক যি আনন্দ দান কৰে সি হৈছে সফলতাৰে পৰিচালিত অভিলাসৰ আনন্দ। বিজ্ঞানী আৰু কলাশিল্পীয়ে যি আনন্দ লাভ কৰে, সিও সেই একেই আনন্দ। কিয়নো সাহিত্য কলাৰ আন এটা উদ্দেশ্যই হৈছে ৰসানন্দ। নতুন শিক্ষা ব্যৱস্থা প্ৰচলনৰ আগৰ পৰ্যায়ত প্ৰাথমিক আৰু মজলীয়া শিক্ষাস্তৰত হোৱাইটহেডৰ মতাদৰ্শ বহিৰ্ভুত হেতু কাৰিকৰী শিক্ষাক হাতৰ কাম, মাধ্যমিক স্তৰত কৰ্ম অভিজ্ঞতা, যাক সমাজ সেৱা আদিৰে জুখি-মাপি চোৱা হৈছে। অৱশ্যে আজিকালি এই সকলোবোৰে দিন উকলিল। শেষত গৈ (উচ্চস্তৰত) কাৰিকৰী বিদ্যা চৰ্চাৰ পথ, কাৰিকৰী পাঠ্যতালিকাৰ অন্তৰ্ভুক্ত হ'ল। সেয়ে আজি কৰ্মশালা বিহীন আমাৰ দেশৰ শিক্ষাই হাতৰ কাম, কৰ্ম অভিজ্ঞতাই বিষয়মুলক জ্ঞান দিয়াত ব্যৰ্থ হৈছে বুলি ক'লে একো যেন অত্যুক্তি কৰা নহয়। কিয়নো বজাৰৰ পৰা কিনা হাতৰ কামে শিক্ষাৰ্থীয়ে কোনখিনিত অকৃতকাৰ্য হৈছে তাক বুদ্ধি পৰিচালনাৰে ফটফটীয়াকৈ বুজাই দেখুৱাব নোৱাৰে। গতিকে আমাৰ দেশৰ কাৰিকৰী শিক্ষা সম্পূৰ্ণ এটা আছুতীয়া হৈ পৰিছেগৈ, য'ত নেকি উপযুক্ত প্ৰশিক্ষণ আৰু প্ৰশিক্ষকৰো অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। কিন্তু চীন, জাপান, আমেৰিকা আদি উন্নত দেশবোৰৰ ল'ৰা-ছোৱালীক কাৰিকৰী শাৰীৰিক প্ৰশিক্ষণ তেৰ বছৰ বয়সতে আৰম্ভ কৰি দিয়া হয় থূলমূলভাৱে দুটা পদ্ধতি কৌশলৰ মাজেৰে। যেনে—

**ক) জ্যামিতিক কৌশল। খ) যান্ত্ৰিক কৌশল।**
**গ) ভৌতিক কৌশল। ঘ) জৈৱিক কৌশল।**
**ঙ) ৰাসায়নিক কৌশল।**
**চ) ব্যৱসায়ৰ লগতে সমাজ সেৱা কৌশল।**

গতিকে, আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত মাধ্যমিক স্তৰৰপৰাই ল'ৰা-ছোৱালীক তেনে কাৰিকৰী লক্ষ্যসমূহৰ মাজেৰে শিক্ষা প্ৰদান কৰি গঢ় দিব নোৱাৰিলে, ভৱিষ্যতে তেনেবোৰ ল'ৰা-ছোৱালীয়ে কাৰিকৰী শিক্ষাৰে অৰ্হতাপ্ৰাপ্ত হ'লেও কৰ্মমুখী নহৈ বৃত্তিমুখী হোৱাটোৱেই স্বাভাৱিক। ■

# অৰ্কিড সংৰক্ষণ ঃ কিয় আৰু কেনেকৈ ?

ইন্দ্ৰানী দেৱী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা




শালিকী ফুল

ফুলৰ সৌন্দৰ্যই মানুহৰ মনলৈ আনি দিয়ে কোমলতা, প্ৰেৰণা, উন্মাদনা আৰু অনাবিল আনন্দ। আমাৰ অতি চিনাকি আৰু আৱেগৰ জগত-খনৰ লগত জড়িত এবিধ ফুল হৈছে অৰ্কিড। বিশ্বৰ বিভিন্ন স্থল অৰ্কিডৰ আবাস-ভূমি। আমাৰ বিহুগীতবোৰৰ লগত, অসমৰ কলা-সংস্কৃতিৰ লগত এই ফুলৰ (কপৌফুল) ওতঃ প্ৰোতভাৱে সম্বন্ধ। এই ধুনীয়া অৰ্কিড ফুল সপুষ্পক উদ্ভিদৰ এটা বৃহৎ পৰিয়াল। বৰ্তমানলৈকে এনে অৰ্কিডৰ বা জাতিৰ - ৩০,০০০ প্ৰজাতিক চিনাক্ত কৰা হৈছে। অৰ্কিডৰ আকৰ্ষণীয় গঠন, চকুত লগা ৰং আৰু দীৰ্ঘদিন সতেজ হৈ থকা আদি গুণৰ বাবে উদ্যান বিজ্ঞানী, সাধাৰণ মানুহ সকলো ইয়াৰ প্ৰতি আকৃষ্ট হয়। অৰ্কিড ফুলৰ এনেবোৰ গুণ উদ্ভিদ জগতৰ অন্য ফুলত খুব কমেই দেখা যায়। ভাৰতবৰ্ষত প্ৰায় ১৬৩ টা জাতি বা বৰ্গৰ ১,৩০০ ৰ পৰা ১,৬০০ টা মান অৰ্কিডৰ বিভিন্ন প্ৰজাতি পোৱা যায়। উত্তৰ পূব হিমালয় অঞ্চল, মালভূমি অঞ্চল আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জই এই অৰ্কিডবোৰৰ মুখ্য আবাসভূমি। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষকৈ ভৌগোলিক অৱস্থান, জলবায়ু ইত্যাদিৰ কাৰণে এই ৰাজ্যসমূহত অৰ্কিডৰ এক বিৰল প্ৰাচুৰ্য চকুত পৰে। এই অঞ্চলত এতিয়ালৈকে ৬০০ বিধ প্ৰজাতিক চিনাক্ত কৰা হৈছে। কেৱল অৰুণাচলতে ৫০০ বিধ বিভিন্ন প্ৰজাতিৰ অৰ্কিড পোৱা যায়। অসমৰ পৰ্বত ভৈয়ামত প্ৰায় ১৮২ বিধ অৰ্কিড সিঁচৰতি হৈ আছে। অসমৰ বিভিন্ন হাবিত পোৱা অৰ্কিডৰ বৰ্গবোৰ হৈছে—ডেনড্ৰ'বিয়াম, ভেণ্ডা, ৰিংক ,টাইলিছ, এৰিডিছ, কেলান্ধি, ছিম্বিডিয়াম, ছিল'গাইনি, পেস্কিঅ' পেডিলাম আৰু ডিনা, ফেয়াছ, ৰেনানথেৰা ইত্যাদি। এইটো আমাৰ বাবে গৌৰৱৰ কথা যে আমাৰ উত্তৰ-পূৰ্বাঞ্চলেৰ ইৎ এনে প্ৰাকৃতিক মনোমোহা অৰ্কিডৰ অতিকৈ চহকী ভাণ্ডাৰ। কিন্তু দুখৰ বিষয় এই যে সম্প্ৰতি বহুতো প্ৰজাতি অৰ্কিড প্ৰকৃতিৰ বুকুৰ পৰা বিলুপ্ত হোৱাৰ উপক্ৰম ঘটিছে।। অৰ্কিড বিশেষজ্ঞই প্ৰকাশ কৰা তথ্য অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৩৪ বিধ অৰ্কিড অস্তিত্বৰ সংকটত ভূগিছে আৰু ১৮ বিধ প্ৰায় বিলুপ্তিৰ পথত। অৰ্কিডসমূহ অস্তিত্বৰ সংকটত ভোগাৰ কাৰণ বহুত। তাৰে এটা প্ৰধান কাৰণ হৈছে ইহঁতৰ বংশ বিস্তাৰ কৰাৰ ক্ষমতা কম। অৰ্কিডৰ গুটি বহুত লাগে যদিও এইবোৰ অন্যান্য সাধাৰণ বীজৰ দৰে অংকুৰিত হ'ব নোৱাৰে। কাৰণ বীজবোৰত ভ্ৰূণপোষক নাথাকে। অংগজ প্ৰজনন পদ্ধতিৰে ইয়াৰ বংশ বৃদ্ধি হয় যদিও অতি লেহেম গতিত হয়। কিছুমান অৰ্কিড ব্যৱসায়ীয়ে ভাৰতবৰ্ষৰ বিভিন্ন বনাঞ্চলত পোৱা অৰ্কিডবোৰ জধে-মধে সংগ্ৰহ কৰি আনে। এনেকৈয়ে স্থানীয় আৰু বিদেশৰ চাহিদা পূৰণ কৰিবলৈ চেষ্টা কৰে। এনে কৰাৰ ফলত বনাঞ্চলৰ পৰা কিছুমান প্ৰজাতি লুপ্তপ্ৰায় হ'বলৈ ধৰিছে। ইয়াৰ উপৰিও আমাৰ বনাঞ্চলৰ পৰিসৰ কমি অহাৰ কাৰণে প্ৰকৃতিৰ বুকুত স্বতঃস্ফূৰ্তভাৱে গজা কিছুমান অৰ্কিড নাইকিয়া হ'বলৈ আৰম্ভ কৰিছে। তদুপৰি



পাতমুচিফুল

অৰ্কিডৰ লুপ্তপ্ৰায় অৱস্থাৰ কাৰণ হিচাপে পাহাৰ অঞ্চলৰ ৰাইজে কৰা ঝুমখেতি, খহনীয়া, বানপানী, বনজুই, ভূমিস্খলন আদিলৈ আঙুলিয়াব পাৰি। সৌভাগ্যৰ কথা যে যোৱা তিনি-চাৰিটা দশকৰ পৰা বিজ্ঞানীসকলে ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰিছে আৰু ইয়াৰ বিষয়ে গৱেষণাও আৰম্ভ কৰিছে। চৰকাৰেও আইনৰ কিছুমান পদক্ষেপ হাতত লোৱা দেখা গৈছে। ১৮৮২ চনত ভাৰত চৰকাৰে উদ্ভিদকূল আৰু প্ৰাণীকূল দুয়োটাই বন্যপ্ৰাণী সংৰক্ষণৰ *(Wild life conservation Act)* অন্তৰ্ভুক্ত কৰে। ইয়াৰ বাবে বিভিন্ন ভৌগোলিক অৱস্থান সামৰি ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য, জীৱমণ্ডল সংৰক্ষিত অঞ্চল *(biosphere reserve)* আদিৰ সৃষ্টি কৰা হৈছে। ইতিমধ্যে চৰকাৰে অৰ্কিডসমূহ বনপ্ৰাণী ৰক্ষণাবেক্ষণ আইনৰ *(Wild life Protection Act.)* অধীনৰ ষষ্ঠ কাৰ্যসূচীত *(Schedule VI)* অন্তৰ্ভুক্ত কৰিছে। আন্তৰ্জাতিক প্ৰাকৃতিক সম্পদ সংৰক্ষণ সংস্থাই *(IUCNR-The International Union for Conservation of Natural Resources)* বিৰল পশু-পক্ষী আৰু উদ্ভিদ সংগ্ৰহ আৰু ব্যৱসায় প্ৰতিৰোধ কৰাৰ অৰ্থে ১৯৭৩ চনত 'বিলুপ্তপ্ৰায় প্ৰজাতিসমূহক আন্তৰ্জাতিক বাণিজ্য চুক্তি' *(CITES-The Conservation on International Trade in Endangered Species)* উত্থাপন কৰিছিল আৰু পৃথিৱীৰ ৪৯ খন দেশে এইচুক্তিত স্বাক্ষৰ দান কৰিছিল। ১৯৭৫ চনৰ পৰা এই চুক্তি কাৰ্যকৰী কৰা হয়। ছাইটছৰ *(CITES)* তালিকা ১ আৰু ২ ত *(Appendix I and II)* অৰ্কিডৰ অন্তৰ্ভুক্ত কৰা হয়। বৰ্তমান সকলো পেফিঅ'পেডিলামৰ প্ৰজাতি, ভেণ্ডা চিৰ'লিয়া আৰু ৰেনানথেৰা ইমছটিয়ানাৰ ৰপ্তানি নিষিদ্ধ কৰা হৈছে। ভাৰত চৰকাৰে অৰ্কিডৰ গৱেষণাৰ বাবে ছিকিমত এটা ৰাষ্ট্ৰীয় গৱেষণা কেন্দ্ৰ *(National Research Centre)* স্থাপন কৰিছে।



হাইঠা ফুল

অৰ্কিডৰ প্ৰাকৃতিক বাসস্থানসমূহক ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আদি ঘোষণা কৰি এইবোৰ সংৰক্ষণ কৰাটো সকলোতকৈ উত্তম ব্যৱস্থা। কিয়নো পৰিৱেশ পৰিৱৰ্তনৰ প্ৰতি ই অতি সংবেদনশীল। ইয়াকে স্বস্থানে সংৰক্ষণ *(In Situ Conservation)* বুলি কয়। থলুৱা,



সখিয়তী ফুল

বিৰল আৰু লুপ্তপ্ৰায় প্ৰজাতিবোৰৰ বাবে *Ex Situ Conservation* বা বহিঃস্থানে সংৰক্ষণ দৰকাৰী। ইয়াৰ উপায় হিচাপে এই প্ৰজাতিবোৰ সিহঁতৰ বাসস্থানৰ পৰা সংগ্ৰহ কৰি স্বাভাৱিক বাসস্থানত থকাৰ দৰেই অৰ্কিডেৰিয়া আৰু বটানিকেল গাৰ্ডেনত প্ৰতিপাল কৰিব পাৰি। তাৰ পাছত এই প্ৰজাতিবোৰ কলাকৰ্ষণৰ দ্বাৰা বৃদ্ধি কৰি আকৌ প্ৰাকৃতিক বাসস্থানত সংস্থাপন কৰিব পাৰি। অৰ্কিডসমূহৰ সংৰক্ষণৰ বাবে কলা কৰ্ষণৰদ্বাৰা বংশবিস্তাৰ কৰাটো এটা উত্তম উপায় বুলি বিবেচিত হৈছে। শ্বিলং, তামিলনাডুৰ য়েৰকাওদ আৰু কলকাতাৰ হাওৰাত তিনিটা ৰাষ্ট্ৰীয় অৰ্কিডেৰিয়া কেন্দ্ৰত স্থাপিত হৈছে। এই অৰ্কিডেৰিয়া কেন্দ্ৰ কেইটা ভাৰতৰ উদ্ভিদ বিষয়ক জৰীপ *(BSI-Botanical Survay of India)* নামৰ প্ৰতিষ্ঠানে নিয়ন্ত্ৰণ কৰে। বৰ্তমান সময়ত হাইব্ৰিড অৰ্কিডৰ জনপ্ৰিয়তা বঢ়াৰ লগে লগে থলুৱা অৰ্কিডৰ প্ৰতি কম গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। আমাৰ দেশৰ এই অমূল্য সম্পদবোৰৰ সংৰক্ষণৰ প্ৰয়োজনৰ বিষয়ে প্ৰত্যেকেই অনুভৱ কৰা দৰকাৰ। সজাগতাৰ অভাৱত উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ মাজত জীৱকূল আৰু উদ্ভিদকূল সংৰক্ষণৰ মানসতা গঢ়ি উঠা নাই। গতিকে সভা-সমিতি, ছেমিনাৰ, বক্তৃতা, অৰ্কিড প্ৰদৰ্শনী, শ্ৰাব্য-দৰ্শন প্ৰচাৰ *(audio visual publicity)* আদিৰ জৰিয়তে অৰ্কিডৰ সংৰক্ষণ আৰু ব্যৱসায়ৰ বিষয়ে ছাত্ৰ-ছাত্ৰীকে আদি কৰি সকলো জনসাধাৰণকে সচেতন কৰা প্ৰয়োজন। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে অৰ্কিড পৰ্যটনৰ দ্বাৰা পৰ্যটকক আকৰ্ষণ কৰিবলৈ আৰ্থিকভাৱে লাভান্বিত হব 'আহক আমি সকলোৱে মিলি আমাৰ এই আপুৰুগীয়া অৰ্কিড বৈচিত্ৰ্যসমূহৰ সংৰক্ষণৰ দিহা কৰোঁ।। ■

মানুহ যিমানেই সামাজিক হয় সিমানেই সুনাম বৃদ্ধি পায়। সৰুৰে পৰা সকলো মানুহৰ লগত কথা বতৰা পাতিবলৈ শিকিব লাগে। কোনো ব্যক্তি ঘৰলৈ আহিলে তেওঁক নমস্কাৰ কৰি বিনম্রভাৱে ঘৰলৈ মাতি আনি তেওঁৰ লগত বহি খুব স্পষ্টকৈ কথা বতৰা পাতিব লাগে।

# কৈশোৰ কাল
# জীৱন গঢ়াৰ প্ৰকৃত সময়

**প্ৰাঞ্জল দাস**
তৃতীয় ষাণ্মাসিক
শিক্ষা বিভাগ

> মানুহ যিমানেই সামাজিক হয় সিমানেই সুনাম বৃদ্ধি পায়। সৰুৰে পৰা সকলো মানুহৰ লগত কথা বতৰা পাতিবলৈ শিকিব লাগে। কোনো ব্যক্তি ঘৰলৈ আহিলে তেওঁক নমস্কাৰ কৰি বিনম্ৰভাৱে ঘৰলৈ মাতি আনি তেওঁৰ লগত বহি খুব স্পষ্টকৈ কথা বতৰা পাতিব লাগে।

শৈশৱ কালছোৱা সকলো ব্যক্তিৰ প্ৰকৃত সময় বাবে জীৱনৰ আটাইতকৈ মধুৰতম সময়, যেন এক পাহৰিব নোৱাৰা অতীত।

হয়তু এনে কোনো ব্যক্তি নাই যিজনে তেওঁৰ এৰি অহা সোণালী শৈশৱৰ স্মৃতি ৰোমন্থন কৰা নাই। শিশু সকলে মাক দেউতাকৰ হাতত ধৰি কোনো দুখ-বেদনা নোহোৱা কষ্টহীন জীৱন পাৰ কৰে। সেয়েহে বহুতো প্ৰখ্যাত কবিয়েও শৈশৱৰ সময়ছোৱাক সোণালী অৰ্থাৎ সু-দিন বুলি আখ্যা দিছে। এই সময়টো এবাৰ পাৰ হৈ গ'লে পুনৰ কদাপি ঘুৰি নাহে। প্ৰায় সকলো শিশুৱে ককাদেউতাকৰ সৈতে কল্পনাৰ বালিঘৰ সাজি, আইতাৰ মুখত ফুলকোঁৱৰৰ সাধু শুনি অতিবাহিত কৰে জীৱনৰ আটাইতকৈ মধুৰতম এই সময়ছোৱা। এই সময়ছোৱা পাৰ হৈ যোৱাৰ পিছতেই আৰম্ভ হয় ব্যক্তিৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তথা জটিল আৰু সংঘাতপূৰ্ণ সময়। যাক আমি আখ্যা দিওঁ কৈশোৰ কাল হিচাপে। এই সময়ছোৱাই হৈছে প্ৰত্যেক ব্যক্তিৰ বাবে জীৱন গঢ়াৰ সময়। এই কৈশোৰ কালতে প্ৰত্যেক ব্যক্তিৰ মনত অংকুৰিত হয় নানান ৰঙীন স্বপ্ন। এই সময়ছোৱাতেই কৈশোৰ মনত উদ্ভৱ হোৱা স্বপ্নক উপযুক্ত পথ আৰু আৰ্হিৰে বাস্তৱমুখী কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰা হয়। ভৱিষ্যতে সফল হ'ব বিচৰাটো প্ৰতিজন ব্যক্তিৰে কৈশোৰৰ স্বপ্ন। কাৰোবাৰ স্বপ্ন সফল হয় আৰু উপযুক্ত পথ নিৰ্দেশনাৰ অভাৱত কাৰোবাৰ স্বপ্ন সফল নহয়। ব্যক্তিত্ব গঠন কৰি তোলাৰ বাবে কৈশোৰ কালছোৱা উপযুক্ত সময়। নিজৰ স্বভাৱ চৰিত্ৰৰ সু-সংগঠন, ধৈৰ্য-সহনশীলতা, কথা-বতৰা কোৱাৰ ধৰণ, সমাজত মিলা-প্ৰীতিৰে থাকিব পৰা ইত্যাদি সকলোবোৰকে একত্ৰিত কৰি ল'ৰা-ছোৱালীৰ ব্যক্তিত্ব গঠন হয়। যিহেতু দহ বছৰ অতিক্ৰম কৰাৰ পিছৰ কালছোৱাকে কৈশোৰ বোলে, গতিকে সেই সময়ছোৱাত লৰা-ছোৱালীসকল ডাঙৰ হোৱা বুলি ধৰিব পাৰি। নিজৰ নিজৰ কাম কৰাৰ অভ্যাসে ল'ৰা-ছোৱালীৰ আত্মবিশ্বাস বঢ়ায়। মানুহ যিমানেই সামাজিক হয় সিমানেই সুনাম বৃদ্ধি পায়। সৰুৰে পৰা সকলো মানুহৰ লগত কথা বতৰা পাতিবলৈ শিকিব লাগে। কোনো ব্যক্তি ঘৰলৈ আহিলে তেওঁক নমস্কাৰ কৰি বিনম্ৰভাৱে ঘৰলৈ মাতি আনি তেওঁৰ লগত বহি খুব স্পষ্টকৈ কথা বতৰা পাতিব লাগে। যদি কোনো অপৰিচিত সমবয়সীয়া ল'ৰা বা ছোৱালী আহে তেতিয়া তেওঁলোকৰ মাজতো সহজে বন্ধুত্ব কৰিব পাৰিব লাগে। মানুহৰ সংগত কথোপকথন কৰা প্ৰক্ৰিয়াটো প্ৰত্যেক ব্যক্তিৰ বাবেই গুৰুত্বপূৰ্ণ। কিয়নো এষাৰ কথা আছেই— "আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়"। নিজ ব্যৱহাৰৰ মাজেদিহে নিজৰ ব্যক্তিত্ব প্ৰকাশ পায়। নিজৰ নম্ৰ ব্যৱহাৰৰ দ্বাৰা মানুহক সহজে আৰ্কষণ কৰিব পাৰি। অথচ এইখিনি পাবলৈ কোনো অৰ্থ, শ্ৰম আদি ব্যয় কৰিব নালাগে। সেয়ে আমি গম পালো যে আমাৰ এই কালছোৱাই জীৱন গঠন কৰিবৰ বাবে উপযুক্ত আৰু একমাত্ৰ কাল। ইয়াত যদি অবাবত নষ্ট হ'বলৈ অৰ্থাৎ পাৰ হ'বলৈ দিয়া হয় তেন্তে আগলৈ পৰিতাপ কৰিব লাগিব।

■ ■ ■

# অসমীয়া সাহিত্য-সংস্কৃতিলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান


**গুনিন্দ্ৰ কুমাৰ ফুকন**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

*"শ্ৰীমন্ত শংকৰ হৰি ভকতৰ*
*জানা যেন কল্পতৰু,*
*তাহান্ত বিনাই নাই নাই*
*আমাৰ পৰম গুৰু।"*

বাৰ বছৰ বয়সলৈকে ধিতিঙালি কৰি ফুৰা ল'ৰাজনে ডাঙৰ হৈ মহেন্দ্ৰ কন্দলি টোলত শিক্ষা জীৱনৰ পাতনি মেলি স্বৰ বৰ্ণ আৰু ব্যঞ্জন বৰ্ণ শিকিয়েই নিৰ্ভুল আৰু গভীৰ ভাষাৰে এটা কবিতা লিখিলে—

*কৰতল কমল কমলদল নয়ন।*
*ভৱদৱ দহন গহন বন শয়ণ।।*
*নপৰ নপৰ পৰ শতৰত গময়।*
*সভয় মভয় ভয় সমহৰ সততয়।।*
*খৰতৰ বৰ শৰহত দশবদন।*
*খগচৰ নগধৰ ফণধৰ শয়ণ।।*
*জগদঘ সপহৰ ভৱ ভয় তৰণ।*
*পৰপদ লয় কৰ কমলজ নয়ন।।*

এই কবিতাটি লিখি শ্ৰীমন্ত শংকৰদেৱে অসামান্য প্ৰতিভা পৰিচয় দিলে। এই কবিতাটিয়ে অসমীয়া ভাষা সাহিত্যৰো উন্নতি সাধিলে। ইয়াৰ পাছত শ্ৰীমন্ত শংকৰদেৱে গুৰুগৃহৰ পৰা বিদায় লৈ দুবাৰকৈ তীৰ্থ ভ্ৰমণ কৰিলে। প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি আহি বন্ধু-বান্ধৱসকলৰ অনুৰোধত চিহ্নযাত্ৰা ভাওনা প্ৰদৰ্শন কৰে। যিখনেই আছিল অসমীয়া নাট ভাওনাৰ প্ৰথমখন নাট। শ্ৰীমন্ত শংকৰদেৱে নাট ভাওনাৰ কাৰণে বৈকুণ্ঠ পট অংকন কৰিবলৈ অসমীয়া শিপিনীৰ হতুৱাই পাট কাপোৰ বোৱালে, খোল, তাল, ডবা, মৃদং, নাগাৰা আদি মাটিৰে গঢ়ালে। তেখেতে সেই সময়ৰ কপিলী ও কলং নদীৰ পাৰত কুমাৰৰ হতুৱাই মাটিৰে খোল গঢ়োৱাৰ কথা 'যা কেৰি নাহিকে উপাম' নামৰ তেখেতৰ আত্মজীৱনীখনত উল্লেখ আছে। অসমীয়া নাট ভাওনাৰ কাৰণে অংকন কৰা বৈকুণ্ঠ পটৰ এটা খুঁত ৰৈ গৈছিল বুলি এগৰাকী আইতাইহে আঙুলিয়াই দিছিল। ইয়াৰ পৰা আমি বুজিব পাৰোঁ যে সেই সময়ৰ অসমীয়া নাৰীসকল চিত্ৰ বিদ্যাত বেচ পাকৈত আছিল। শ্ৰীমন্ত শংকৰদেৱে ভাগৱতৰ সাৰমৰ্মকে ভেটি কৰি ভক্তি ধৰ্ম প্ৰচাৰ কৰিবলৈ নামঘৰ, সত্ৰ আদি প্ৰতিষ্ঠা কৰিলে। অসমত জাতি ভেদ প্ৰথা আঁতৰাই সেই নামঘৰত সকলো জাতি সম্প্ৰদায়ক একগোট কৰি নামধৰ্মৰ জ্ঞান দিলে। গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম আৰু মুছলমানৰ ছান্দসাই আদি শিষ্যসকলক লৈ অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ নামঘৰত অংকীয়া নাট ভাওনা কৰিলে আৰু নামঘৰত



সকলোকে একেলগে নাম-কীৰ্ত্তনৰ দ্বাৰা এক হ'বলৈ শিকালে। তেখেতে বৈষ্ণৱ ধৰ্মত 'এক দেৱ এক সেৱ একত বিনে নাই কেৱ' বাণীৰে অসমীয়া জাতি একনিষ্ঠ হ'বলৈ শিকোৱাৰ লগতে মানুহক দয়া, ক্ষমা, ধৈৰ্য আৰু উদাৰতাৰ অধিকাৰী হ'বলৈ শিকালে। তেখেতে নামঘৰত ভাগৱত প্ৰতিষ্ঠা কৰিবলৈ মণিকূট সাজিলে। বৰদোৱা, বৰপেটা আদি সত্ৰৰ সমুখতে কৰাপাট প্ৰতিষ্ঠা কৰিলে। সত্ৰত ভকতসকলৰ সুবিধাৰ কাৰণে হাটী সাজিলে কাৰণ যাতে ভকতসকলে সত্ৰ নামঘৰত পুৱা, দুপৰীয়া আৰু গধূলি নাম প্ৰসংগ কৰিব পাৰে। তেখেতে নামঘৰ, সত্ৰ আদিত গীত-মাত, সত্ৰীয়া নৃত্য, শৰণ-ভজন আৰু ধৰ্ম সম্পৰ্কীয় শিক্ষা দিয়াৰ উপৰিও অসমীয়া জাতীয় সংস্কৃতিৰ যাদুঘৰ ৰূপে প্ৰতিষ্ঠা কৰিলে। শ্ৰীমন্ত শংকৰদেৱে কেইবাখনো অংকীয়া নাট, ছকুৰীৰো অধিক বৰগীত, কীৰ্ত্তন, দশম, গুণমালা আদি মহান কাব্য ৰচনা কৰিলে। এই সকলোবোৰে অসমীয়া ভাষা সংস্কৃতিৰ ভঁৰাল মেটমৰা কৰি তুলিলে। শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ আদৰ বাঢ়ি যোৱাত কিছুমান চকুচৰহা লোকে তেওঁৰ বিপক্ষে খল দিলে আৰু তেতিয়া আহোম স্বৰ্গদেৱে আগপিছ নুগুনি শংকৰদেৱক ধৰিবলৈ মানুহ পঠালে। কথাতে কয় 'ভয়ত ভগৱন্ত পলাই কিলবৈ বাসুদেৱ ভৰায়।' শংকৰদেৱে পলাই গৈ মহাৰাজ নৰনাৰায়ণৰ ৰাজ সভাত আশ্ৰয় ল'লৈগে। শংকৰদেৱৰ বিষয়ে মহাৰাজ নৰনাৰায়ণে শুনি আছিল। তেওঁ ৰাজসভাত আজ্ঞা দিলে যে, ভূৰুকাত হাতী ভৰাই দিব লাগে। মহাৰাজৰ কথা শুনি ৰাজসভাত থকা অন্য পণ্ডিতসকলৰ মুখত যেন চূণ ছাইহে পৰিল। কিন্তু শ্ৰীমন্ত শংকৰদেৱে ক'লে চেষ্টা কৰি চোৱা হ'ব। সেইদিনাৰ ৰাতি শ্ৰীমন্ত শংকৰদেৱে ভাগৱতৰ দ্বাদশ স্কন্ধৰ মূল কথা লৈ সুন্দৰ, বাছকবনীয়া আৰু গভীৰ ভাষাৰে গুণমালা পুথিখন ৰচনা কৰিলে। পিছদিনা শ্ৰীমন্ত শংকৰদেৱে এটা ভূৰুকাত পুথিখন ভৰাই মহাৰাজ নৰনাৰায়ণক দিলে। তাক দেখি অন্য পণ্ডিতসকলৰ মুখত চেঁচা পানীহে পৰিল। শ্ৰীমন্ত শংকৰদেৱৰ সন্মান বাঢ়িল। মহাৰাজ নৰনাৰায়ণ আচৰিত হ'ল আৰু শংকৰদেৱৰ ওচৰত তেওঁ শৰণ ল'লে আৰু শংকৰদেৱৰ কথামতে তেওঁ অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ আহোপুৰুষাৰ্থ চেষ্টা কৰিলে। এনেদৰেই অসমত বৈষ্ণৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ হ'ল। শ্ৰীমন্ত শংকৰদেৱৰ এই অমৰ কৃতিসমূহে অসমীয়া সাহিত্য আৰু সংস্কৃতি জগতৰ ভেটি ওখ কৰি গঢ়িলে। এই অৱদানসমূহৰ কাৰণেই শ্ৰীমন্ত শংকৰদেৱ আমাৰ 'গুৰু' ৰূপে চিৰপূজ্য হৈ আছে আৰু আগলৈকো থাকিব। ■



# দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰাথমিক ধাৰণা

**অবিনাশ দলে**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বিজ্ঞান পুথি হৈছে সাৰ অতি গৰ্ভময় পুথি। বিজ্ঞান হ'ল প্ৰণালীবদ্ধ জ্ঞান। বিজ্ঞানৰ জৰিয়তে মানুহে প্ৰকৃতিক বুজি পোৱাৰ জ্ঞান প্ৰণালীবদ্ধ কৰিবলৈ অহৰহ প্ৰয়াস কৰে। আমাৰ দৈনন্দিন জীৱনত বিজ্ঞান বিষয়টো অতি গুৰুত্বপূৰ্ণ।

বিজ্ঞানক কিছুমান শাখাত বিভক্ত কৰাহৈছে। সেই শাখাবোৰ হ'ল—ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান আদি। ৰসায়ন বিজ্ঞানক আমি মধ্যমণি বুলিও ক'ব পাৰি। পদাৰ্থবিজ্ঞান, জীৱবিজ্ঞান, ভূবিজ্ঞান আদি বিজ্ঞানৰ সকলো শাখাৰ লগতে ৰসায়নৰ সম্বন্ধ আছে। প্ৰাত্যহিক জীৱনত ৰসায়নে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। ৰসায়নত পদাৰ্থৰ সংযুক্তি, ধৰ্ম আৰু পৰিৱৰ্তন সম্বন্ধে অধ্যয়ন কৰা হয়। পদাৰ্থৰ পৰিৱৰ্তন দুই ধৰণে হ'ব পাৰে ৰাসায়নিক আৰু ভৌতিক।

ৰসায়নৰ বিধিসমূহ বিভিন্ন ক্ষেত্ৰত যেনে—বতৰ প্ৰণালী, মস্তিষ্কৰ ক্ৰিয়া, কম্পিউটাৰ সংক্ৰিয়া আদিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। ৰাসায়নিক উদ্যোগসমূহে দেশৰ অৰ্থনীতিত, আধ্যাত্মিক দিশত অৰিহণা যোগায়। ৰসায়নৰ পৰা বিভিন্ন ঔষধ আদি প্ৰস্তুত কৰিব পাৰি। *Cisplatin* আৰু *Taxal* নামৰ কৰ্কট ৰোগৰ আৰু *AIDS* নামৰ ৰোগৰ দৰৱ ৰসায়নৰে অৱদান। বহু জীৱন ৰক্ষাকাৰী দৰবো ৰসায়নে যোগান ধৰিছে। ৰাসায়নিক বিধিসমূহৰ ফলত মানুহে বহুতো জ্ঞান আহৰণ কৰিব পাৰি।

এইবোৰ জ্ঞান আহৰণৰ ফলত নিৰ্দিষ্ট ধৰণৰ চুম্বকীয়, বৈদ্যুতিক আৰু আলোকীয় ধৰ্মসম্পন্ন দ্ৰব্য প্ৰস্তুত কৰিব পাৰিছে। পৰিৱেশৰ প্ৰদূষণ নিয়ন্ত্ৰণতো ৰসায়নে মূল ভূমিকা পালন কৰিছে। ৰেফ্ৰিজাৰেটৰত ব্যৱহাৰ কৰা পৰিবেশ বিনষ্টকাৰী ক্ল'ৰ ফৰ্ম কাৰ্বনৰ বিকল্প পদাৰ্থ ৰসায়নে উদ্ভাৱন কৰিছে। সেউজগৃহৰ প্ৰভাৱ সৃষ্টিকাৰী গেছৰ ($Ch_4$ $Co_2$) আদি নিয়ন্ত্ৰণ হ'ল একো একোটা পৰিৱেশৰ সমস্যা।

পদাৰ্থ বিজ্ঞান বিজ্ঞানৰ ৰজা বুলিও ক'ব পাৰি। আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা সকলোবোৰ বস্তু হৈছে একো একোটা পদাৰ্থ। যিবোৰ বস্তুৰ ভৰ আছে আৰু যিয়ে ঠাই আগুৰে সেয়াই হ'ল পদাৰ্থ। আমাৰ পৰিৱেশৰ চাৰিওফালে বিভিন্নধৰণৰ পদাৰ্থ আছে বুলি আমি অনুভৱ কৰিব পাৰো। কাৰণ প্ৰকৃতি পৰিৱেশৰ সকলোবোৰ বস্তুৰে ভৰ আছে আৰু ঠাই আগুৰে। পদাৰ্থৰ অৱস্থা সমগ্ৰ পৰিৱেশত বিভিন্নধৰণৰ হ'ব পাৰে। কঠিন, জুলীয়া আৰু গেছীয় আদি বিভিন্ন অৱস্থাত পদাৰ্থৰ ভাগ ল'ব পাৰে। ইহঁতৰ গঠিত হোৱা পদাৰ্থৰ কণাবোৰৰ সংজ্ঞা নিজ নিজ তত্ত্ব মতে গঠিত হয়। এটা পদাৰ্থৰ অৱস্থানক আমি উষ্ণতা আৰু চাপ প্ৰয়োগ কৰি আন এটা পদাৰ্থৰ অৱস্থানলৈ নিব পাৰি।

যেনে—কঠিন পদাৰ্থ এটাক আমি গৰম কৰি জুলীয়া অৱস্থালৈ সাধাৰণভাৱে নিব পাৰো। জুলীয়া পদাৰ্থ এটাক আৰু বেছিকৈ উত্তপ্ত কৰিলে গেছীয় অৱস্থালৈ পৰিণত হ'ব। এনেদৰে বিভিন্ন পদাৰ্থৰ বিনিময় কৰিব পাৰি। পদাৰ্থ বিজ্ঞানৰ প্ৰতিটো অৱস্থানবিলাকক আমি কেইটামান ভৌতিক শ্ৰেণীবিভাজন অনুসৰি দুই প্ৰকাৰৰ হ'ব পাৰে—বিশুদ্ধ পদাৰ্থ আৰু মিশ্ৰ পদাৰ্থ। আকৌ এইবোৰ পদাৰ্থৰ দুটাকৈ ভাগ আছে, বিশুদ্ধ পদাৰ্থ দুই ধৰণৰ— মৌল আৰু যৌগ আৰু মিশ্ৰ পদাৰ্থৰ দুই ধৰণৰ—সমসত্ব মিশ্ৰ পদাৰ্থ আৰু অসমসত্ব মিশ্ৰ পদাৰ্থ। আমি সেই বিভিন্ন পদাৰ্থবোৰৰ মাজত জীৱন নিৰ্বাহ কৰি আছোঁ।

গতিকে আমি পদাৰ্থবোৰৰ বিষয়ে জনাতো এক গুৰুত্বপূৰ্ণ কৰ্তব্য। জীৱবিজ্ঞান হ'ল জীৱনৰ বিজ্ঞান। বৰ্তমানৰ যুগটো হৈছে জীৱবিজ্ঞানৰ সময়। জীৱৰ আকাৰ প্ৰকাৰ আৰু জীৱন প্ৰক্ৰিয়াৰ অধ্যয়নকে জীৱবিজ্ঞান বুলি ক'ব পাৰি। ইয়াত সমগ্ৰ পৃথিৱীৰ জীৱজগত আৰু উদ্ভিদ জগতৰ বিষয়ে অধ্যয়ন কৰা হয়।


জীৱবিজ্ঞানত জীৱ আৰু উদ্ভিদৰ মাজত গেছ বিনিময় কাৰ্য্যহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইয়াত জীৱৰ দেহৰ বৃদ্ধি, শৰীৰ, স্বাস্থ্যৰ আদিৰ বিষয়েও আলোচনা কৰা হয়। সমগ্ৰ প্ৰকৃতিত জীৱৰ কি কি প্ৰয়োজনীয় হয় সেই বিষয়ে জীৱবিজ্ঞানীসকলে বিশেষ ধাৰণা দাঙি ধৰে। গতিকে আমিও এটা জীৱ, সেইকাৰণে জীৱবিজ্ঞানৰ বিষয়ে জনাটো অতি গুৰুত্বপূৰ্ণ। ■

# What is Science?

**Jitumoni Borah**
TDC 1st Semester

'Science is a systematic knowledge. Science lies at the roof of progress of the modern civilization. It has benefited human life in various ways. It began with the inventions of machines that help in mills, industries etc. Now it is spreaded to different fields like radio, telegraphs, telephone, computer etc. We now live in an age of science. Todays science beings to us. It has made our life easy and comfortable. Science has made us powerful. Transport and communication have become quick and comfortable through electricity and computers. It adds much to the joys of our lives. In our daily lives the first thing we take early in the morning toothpaste and tea are the blessings of ' science. The daily news paper, the telegraph, telephone the radio, electrnic mail are the gifts of science. The televisions brings the distance objects, nearen to us, we travel in bus, trains, aeroplanes, we get cold air by we clean our elctric fans, cloths by washing machine we can preferve our Things by Refrigerator, and life saving drugs, medicines surgery and ul-tra modern products medicinets are the blessings of science. Now, a person can live a luxurious and comfortable life with the help of science which has changed the mode of living of mankind. Science plays an important role in the present time, but it has made our lives too some extent artificial. We should ever be watchful against the damage to property and destruction of human lives through unscupulous use of science and technology and thus protect this beautiful earth 'The sweet home of manking'.

■ ■ ■



# শংকৰী সংস্কৃতি

**ৰশ্মি শইকীয়া**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

*'জয়গুৰু শংকৰ সৰ্ব গুণাকৰ*
*যাকেৰি নাহিকে উপাম।*
*তোহাৰি চৰণে ৰেণু শতকোটি*
*বাৰেক কৰোহো প্ৰণাম।।'*

চতুৰ্দশ আৰু পঞ্চদশ শতিকাত অসমত যেতিয়া বৈদিক সভ্যতাৰ প্ৰভাৱ বিস্তাৰ হৈছিল, তেতিয়াই মানুহৰ পৰস্পৰৰ মাজত হিংসা, দ্বেষ তথা দাৰিদ্ৰতা, অস্পৃশ্যতাই গা কৰি উঠিছিল। সাধাৰণ প্ৰজাসকল শিক্ষা তথা ধৰ্মজ্ঞান আহৰণৰ বাবে আগবাঢ়িব পৰা নাছিল। আনহাতে ক্ষমতাৰ বলত আঢ্যৱন্তসকল অতি ভোগ বিলাসত মত্ত হৈছিল। যাদুমন্ত্ৰৰ ওপৰত অপৰিসীম বিশ্বাস তথা বৈষয়িক সুখ লাভৰ এক প্ৰবল ইচ্ছাও বৃদ্ধি পাইছিল। শক্তি ধৰ্মৰ অনুগামী হৈ বলি বিধানৰ লগতে নৰবলি প্ৰথাৰো বহুল প্ৰচলন আছিল। ইতিহাসৰ তেনে এক বিপৰ্যস্ত পৰিস্থিতিতে জাতীয় সম্প্ৰীতি তথা ঐতিহ্য পূৰণৰ বাবেই জন্ম লভিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। তেখেতে অসমখনক সজাই-পৰাই ন ৰূপ দি নব্য সংস্কৃতিৰে উজ্জীৱিত কৰি নানা জাতি, ধৰ্ম, বৰ্ণৰ জনসাধাৰণক একতাৰ দোলেৰে বান্ধিবলৈ চেষ্টা কৰিছিল। যেন তেওঁ আছিল ঘোৰ অন্ধকাৰত জ্বলি উঠা এগচি বন্তি। সমাজ সংস্কাৰৰ বাবে তেওঁ নামধৰ্ম প্ৰচাৰ কৰিছিল। 'একদেৱ একসেৱ, একবিনে নাই কেৱ' বাণীকে মূলমন্ত্ৰ হিচাপে লৈ গুৰুজনাই ধৰ্মৰ বাণীবোৰ জনসাধাৰণৰ মাজত বিলাই দিছিল। তেওঁৰ একমাত্ৰ আন্তৰিক প্ৰয়াস আছিল ভগৱানৰ মাহাত্ম্য জনমানসত প্ৰদৰ্শন কৰা আৰু যুক্তিৰ পথেৰে মুক্তিৰ সন্ধান দিয়া আৰু সেই উদ্দেশ্যেই ভকত বৈষ্ণৱৰ মাজত নামধৰ্ম প্ৰচাৰ কৰিছিল।

গুৰুজনাৰ আদৰ্শ আছিল—

*'হৰি হেন ইটো দুগুটি অক্ষৰ*
*জিহ্বা আগে থাকে যাৰ*
*গংগা, গয়া, কাশী, প্ৰয়াগ তীৰ্থক*
*যাইবাক নলাগে তাৰ।'*

অৰ্থাৎ শ্ৰীকৃষ্ণৰ চৰণত ভক্তিৰ সৰ্বস্ব অৰ্পণেই ভক্তৰ সৰ্বোচ্চ আৰু শ্ৰেষ্ঠতম ভক্তিৰ নিদৰ্শন। তাৰ বাবে আমি তীৰ্থ ভ্ৰমণ কৰি হাবাথুৰি খাব নালাগে। নাম ধৰ্ম প্ৰচাৰৰ বাবে গুৰুজনাই প্ৰথমে বৰদোৱাৰ কীৰ্ত্তন ঘৰত ভক্তিৰ প্ৰথম খুঁটাটো পুতিছিল আৰু লাহে লাহে পৰৱৰ্তী সময়ত অসমখনতে নামঘৰ, সত্ৰ আদি প্ৰতিষ্ঠা হৈছিল। নামঘৰ পাতি গুৰুজনাই মানুহৰ মাজত সাম্য, মৈত্ৰী স্থাপনৰ অৰ্থে, কেৱল ঈশ্বৰৰ উপাসনাৰ কেন্দ্ৰ হিচাপেই স্থাপন কৰা নাছিল। ধৰ্মীয় দৰ্শন আৰু সামাজিক গাঁঠনি তথা পৰম্পৰাসমূহ সংৰক্ষণৰ তথা চৰ্চাৰ কথা উপলব্ধি কৰিয়েই মহাপুৰুষজনাই নামঘৰ সাজিছিল। তদুপৰি নামঘৰত ভাওনা পাতি ধৰ্মীয় নৈতিক জ্ঞান বিলাবৰ বাবে গুৰুজনাই এক স্বকীয় নাট্য আন্দোলনৰ সূচনা কৰিছিল। এইবোৰৰ উপৰিও 'চিহ্নযাত্ৰাৰ' নাটত তেওঁ সাত বৈকুণ্ঠৰ বিষয়ে সৰ্বসাধাৰণ ৰাইজক, শিক্ষা দিছিল। সেয়ে গুৰুজনাৰ এই পবিত্ৰ সৃষ্টি 'নামঘৰ' আছিল এক সম্পূৰ্ণ সাংস্কৃতিক ও সামাজিক কেন্দ্ৰ তথা নৈতিক আৰু আধ্যাত্মিক সাধনৰ থলী। গুৰুজনাই জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে শিষ্য কৰি লৈছিল। তেওঁ জানিছিল প্ৰাচীন কালৰেপৰা অসমখন বিভিন্ন জাতি-জনজাতিৰ সমন্বয়ভূমি। গতিকে পাৰস্পৰিক সমন্বয় আৰু সংহতিৰ অবিহনে যে উদ্‌গতি আৰু জাতীয় চৈতন্য জাগৰণ সম্ভৱপৰ নহয় সেই কথা সাৰোগত কৰিয়ে গুৰুজনাই তেওঁৰ 'সমস্ত ভূততে দেখিবেক নাৰায়ণ, এক পৰে আন ধৰ্ম সবে কিড়ম্বণ' বাণীৰে

*গুৰুজনাই স্থান আৰু কৰ্ম পদ্ধতি সলাই বিভিন্ন সংঘাতৰ পৰা বিৰত থকি আৰু এক মহৎ গণ সামাজিক ও সাংস্কৃতিক আন্দোলনৰ সূচনা কৰি থৈ গৈছে। (অৰাজনৈতিক) তাৰবাবেই আজিৰ অসমত এখন মহান অসমীয়া সমাজ গঢ় লৈ উঠিলে।*

সকলোকে নাম ধৰ্মৰ প্ৰতি উৎসাহী কৰি তুলিছিল। তাৰেই ফলস্বৰূপে নগা, মিজো, খাচী, গাৰো, জয়ন্তীয়া প্ৰমুখ্যে সকলো জাতি-জনজাতিয়ে হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ সমগ্ৰ অসমৰ ধৰ্মীয় একতা বজায় ৰাখিছিল। সমাজ সংগঠক হিচাপে ও গুৰুজনাৰ অৰিহণা অপৰিসীম আছিল। সেইবাবে বৰ্ণাশ্ৰম ধৰ্মৰ লোকে নিজৰ কৰ্তব্য কৰিও গুৰুজনাৰ এই নামধৰ্মত অংশ গ্ৰহণ কৰিছিল। তদুপৰি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৱে মহাপুৰুষীয়া এই



ধৰ্ম দৰ্শনৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছিল। গুৰুজনা আৰু তেওঁৰ শিষ্যসকলেও সকলো জনজাতিক মৰম, শ্ৰদ্ধা আৰু একতাৰ এনাজৰীৰে বান্ধি ৰাখিবলৈ চেষ্টা কৰিছিল। জনসাধাৰণক সমানে সামাজিক মৰ্যাদা আৰু আধ্যাত্মিক অধিকাৰ প্ৰদান কৰিছিল। জনজাতীয় লোকসকলক হাল বাই খেতি কৰিবলৈ শিকাই তেখেতে এক উমৈহতীয়া অৰ্থনৈতিক জীৱনৰ বুনিয়াদ গঢ়ি থৈ গৈছিল। শংকৰদেৱে জাতি, ধৰ্ম, বৰ্ণ উপেক্ষা কৰি সকলো শ্ৰেণীৰ লোককে, যেনে নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মিচিঙৰ পৰমানন্দ, কাৰ্বিৰ বলাই, আহোমৰ নৰহৰি, কোচৰ ভূৰাৰী, মুছলমানৰ চান্দসাঁই আদি সকলোকে একত্ৰিত কৰি নামধৰ্ম প্ৰচাৰ কৰি সম্প্ৰীতিৰ দেৱাল ওখ কৰিছিল। ইয়াৰ উপৰিও তেওঁ সাহিত্য-সংস্কৃতিলৈ যি অৱদান আগবঢ়ালে তাৰ বাবে তেওঁ চিৰদিন অমৰ হৈ ৰ'ব। নামধৰ্মৰ উপযোগীকৈ তেওঁ ভাগৱতৰ অমৃত কথাবোৰৰ সাৰমৰ্মেৰে কীৰ্ত্তন ৰচি থৈ গৈছিল। তদুপৰি আন আন গ্ৰন্থৰ ভিতৰত বিশেষকৈ অনাদি পতন, নিমিনৰ সিদ্ধ সংবাদ, ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ ইত্যাদি। (ভক্তিতত্ত্বৰ গ্ৰন্থ) ৰামবিজয়, ৰুক্মিণী হৰণ, পত্নী প্ৰসাদ, পাৰিজাত হৰণ, কেলি গোপাল, কালিয়দমন আদি অংকীয়া নাটৰ উপৰিও বৰগীত, ভটিমা, টোটয় আদি ৰচনাৰে অসমীয়া সাহিত্য-সংস্কৃতি চহকী কৰি থৈ গৈছে। এই সকলোবোৰ অৱদান আগবঢ়ালেও কিন্তু আহোম ৰাজন্যবৰ্গৰ পৰা নানা বাধা-বিঘিনি ভোগ কৰিবলগীয়া হৈছিল। তাৰবাবে গুৰুজনাই স্থান আৰু কৰ্ম পদ্ধতি সলাই বিভিন্ন সংঘাতৰ পৰা বিৰত থকি আৰু এক মহৎ গণ সামাজিক ও সাংস্কৃতিক আন্দোলনৰ সূচনা কৰি থৈ গৈছে। (অৰাজনৈতিক) তাৰবাবেই আজিৰ অসমত এখন মহান অসমীয়া সমাজ গঢ় লৈ উঠিলে। এইজন মহাপুৰুষলৈ পুনৰবাৰ শতকোটি প্ৰণাম। ■

## মহৎ লোকৰ বাণী

➤ *সংসাৰত এনে মুৰ্খ নাই যি সুখী হ'ব পাৰিছে। আৰু এনে জ্ঞানী লোক নাই, যি সুখী নোহোৱাকৈ আছে।*

—চিচাৰো

➤ *সাজ-পোছাকে মানুহক ভদ্ৰ কৰি নোতোলে, সৎ চিন্তা, সৎ শিক্ষাৰ দ্বাৰাহে প্ৰকৃত ভদ্ৰলোক হ'ব পাৰে।*

—দামোদৰ স্বামী

# মনোবিজ্ঞান ঃ শিক্ষাদানত ইয়াৰ প্ৰাসংগিকতা

বীমা শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ, শিক্ষা বিভাগ

শিক্ষণ বা শিকাৰ প্ৰক্ৰিয়াটো মানৱ জীৱনৰ এটা অতি আৱশ্যকীয় সংজ্ঞাত্মক প্ৰক্ৰিয়া বুলি গণ্য কৰা হয়। প্ৰকৃত অৰ্থত মানুহ বুলি পৰিচয় দিবলৈ হ'ল, জন্মৰপৰাই বহুত কথা শিকিব লগা হয়। এনে বহুতো কৌশল আয়ত্ব কৰা কামকে শিকা বুলি কোৱা হয়। একেটা পৰিস্থিতিত ভিন্ ভিন্ ব্যক্তিয়ে বেলেগ আচৰণ দেখুৱায়। কিয় এজন ছাত্ৰই ক্ষীপ্ৰতাৰে শিকিব পাৰে আৰু আন এজন পিছপৰি যায়? এইবিলাক প্ৰশ্নৰ উত্তৰ দিব পাৰে কেৱল মনোবিজ্ঞানেহে। সেয়েহে মনোবিজ্ঞাননো কি? মনোবিজ্ঞান কিয় অধ্যয়ন কৰিব লাগে? মনোবিজ্ঞান জনাতো কিয় প্ৰয়োজন সেই বিষয়ে সম্যক অৱতাৰণা কৰিবলৈ চেষ্টা কৰা হৈছে। সাধাৰণ অৰ্থতমন সম্পৰ্কীয় বৈজ্ঞানিক অধ্যয়নেই মনোবিজ্ঞান। আমি জানো যে প্ৰত্যেক মানুহৰেই একোটা মন আছে। এই মনেই নানা ধৰণৰ মানসিক ক্ৰিয়া, যেনে—চিন্তা, ভাৱ-অনুভূতি, আৱেগ আদি নিয়ন্ত্ৰণ কৰে। মনোবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ *Psychology.* ইংৰাজীৰ এই শব্দটো দুটা গ্ৰীক শব্দ '*psycho*'আৰু '*logos*'ৰ পৰা আহিছে। *Psyche* শব্দৰ অৰ্থ আত্মা আৰু *logos* মানে বিজ্ঞান বা অধ্যয়ন। গতিকে *Psychology* মনে আত্মাৰ বিজ্ঞান বা আত্মাৰ অধ্যয়ন। ১৫৯০ খৃষ্টাব্দত ৰুডফ্ গোকেল নামৰ এজন লেখকে মনোবিজ্ঞানৰ প্ৰথমখন কিতাপ প্ৰণয়ন কৰিছিল। কিতাপখনৰ নাম আছিল *Psychologia.* এই শব্দটোৰ পৰাই ইংৰাজী *Psychology* শব্দটো আহিছে। আধুনিক মনোবিজ্ঞানৰ আনুষ্ঠানিক আৰম্ভণি হৈছিল ১৮৭৯ চনত জাৰ্মানীৰ লেইপজিগত *(Leipzing)*। উইলেম ৱুণ্ডিত*(Wilnelm wundit)*ৰ দ্বাৰাপ্ৰথম মনোবৈজ্ঞানিক পৰীক্ষাগাৰ স্থাপিত হোৱাৰ সময়ৰপৰাই পৰ্যবেক্ষণ আৰু পৰীক্ষা-নিৰীক্ষাৰ অন্তত গ্ৰহণ কৰা তথ্য পাতিয়েহে বৰ্তমান মনোবিজ্ঞানত স্থান পায় আৰু ইয়াৰ ফলত ই এক প্ৰকৃত বস্তুনিষ্ঠ বিজ্ঞান *(Exact objective Science)*ত পৰিণত হৈছে। অৱশ্যে ভাৰতত মনোবিজ্ঞানৰ বিকাশ বহুত দেৰিকৈহে হোৱা পৰিলক্ষিত হয়। ভাৰতীয় মনোবিজ্ঞানৰ আধুনিক যুগ কলিকতা বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগত আৰম্ভ হৈছিল। ১৯১৫ চনত এই বিশ্ববিদ্যালয়ত প্ৰথমটো মনোবৈজ্ঞানিক পৰীক্ষাগাৰ স্থাপিত হৈছিল। ১৯১৬ চনত কলিকতা বিশ্ববিদ্যালয়ে প্ৰথমে মনোবিজ্ঞান বিভাগ আৰম্ভ কৰিছিল। অৱশ্যে দ্বিতীয় পৰ্যায়টো আৰম্ভ হৈছে ১৯৬০ চনৰ। এই সময়ছোৱাত ভাৰতবৰ্ষত নানা শাখাৰে মনোবিজ্ঞান সম্প্ৰসাৰণ হয়। এই পৰ্যায়টোক মনোবিজ্ঞানত প্ৰাদেশিক চিন্তাৰ বিকাশৰ পৰ্যায় হিচাপে বিশেষভাৱে চিহ্নিত কৰিব পাৰি। এনে বিকাশ প্ৰক্ৰিয়া বৰ্তমানতো চলিয়েই আছে আৰু ভাৰতীয় মনোবিজ্ঞানে পৃথিৱীৰ মনোবিজ্ঞানীসকলে বিশেষ সমস্যা থকা শিশুসকলৰ সৈতেও কাম কৰি আছে। আধুনিক শিক্ষাৰ প্ৰতিটো পৰ্যায়তে মনোবিজ্ঞানৰ প্ৰয়োগ বিস্তৃতভাৱে হোৱাৰ ফলত মনোবিজ্ঞান শিক্ষাৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। সেয়ে শিক্ষা মনোবিজ্ঞানৰ অৰ্থ এনেকৈ প্ৰদান কৰিব পাৰি যে শিক্ষাদান আৰু শিক্ষা প্ৰদান কাৰ্যত লিপ্ত থকা ব্যক্তি আৰু সমষ্টিৰ আচৰণ অধ্যয়ন কৰি শিক্ষা ব্যৱস্থাত থকা সমস্যা সমূহ সমাধান কৰা আৰু নতুন নতুন শিক্ষা পদ্ধতি উদ্ভাৱন কৰা বিষয়েই লিখা মনোবিজ্ঞান। বৰ্তমান শিক্ষা ব্যৱস্থাক প্ৰধানকৈ শিশুকেন্দ্ৰিক শিক্ষা বুলি অভিহিত কৰা হয়। মনোবিজ্ঞানৰ অধ্যয়নে শিক্ষকসকলক বিভিন্ন প্ৰকাৰে উপকৃত কৰিব পাৰে। উদাহৰণস্বৰূপে শিক্ষা মনোবিজ্ঞানৰ অধ্যয়নে এজন শিক্ষকক তেওঁ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰে। শিক্ষকজন সমাজৰ এজন আদৰ্শ স্থানীয় ব্যক্তি। তেওঁৰ ব্যক্তিগত সামাজিক গুণবোৰ প্ৰতিফলিত হ'ব লাগিব। দয়া, ক্ষমা, সহিষ্ণুতা, সহানুভূতিশীলতা, মানৱীয় প্ৰমূল্যৰ প্ৰতি শিক্ষকৰ সম্পূৰ্ণ আস্থা থাকিব লাগিব। শাৰীৰিক বা মানসিকভাৱে বাধাগ্ৰস্ত শিশুৰ, অপৰাধ প্ৰৱণ শিশুৰ বা অস্বাভাৱিক শিশুৰ শিক্ষাৰ ক্ষেত্ৰত যিবোৰ সমস্যা আছে সেইবোৰ সমাধান কৰিবৰ বাবেও শিক্ষকে মনোবিজ্ঞান অধ্যয়ন কৰা প্ৰয়োজন। শিক্ষানুষ্ঠানসমূহক একোখন সৰু সমাজ বুলি গণ্য কৰা হয়। এই সমাজখনৰ নেতৃত্ব দিয়ে শিক্ষকে। শিক্ষকৰ আচৰণ আৰু কৰ্মপদ্ধতি যোগ্য ব্যক্তিত্বৰ লক্ষণ পৰিস্ফুট হ'ব লাগিব। গতিকে দেখা যায় যে শিক্ষাদান আৰু শিক্ষা গ্ৰহণ কাৰ্য সফল কৰি তুলিবলৈ শিক্ষকক মনোবিজ্ঞানৰ জ্ঞানে বিশেষভাৱে সহায় কৰে। ■



# আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন উদ্ভাৱক
# উদ্ধৱ ভৰালীৰ সৈতে

বেলি লহিওৱাৰ সময়। আমি সেইসময়ত উপস্থিত হৈছিলো আমাক বিশ্ববাসীৰ লগত চিনাকী কৰি দিয়া এমোকোৰা হাহিঁৰে সদা ব্যস্ত এগৰাকী ব্যক্তিৰ সমীপত। সেইগৰাকী ব্যক্তি হ'ল সকলোৰে পৰিচিত উদ্ধৱ ভৰালী। আমি উপস্থিত হোৱাৰ লগে লগে নিজৰ ব্যস্ততাৰ পৰা আঁতৰি অতি আন্তৰিকতাৰে তেখেতৰ কাৰ্য্যলয়ত আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে। আমিও তেখেতৰ সময়ৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ নিৰ্ধাৰিত কৰ্মসূচীলৈ আগবাঢ়িলো।

আমাৰ প্ৰশ্ন : আপোনাৰ জন্ম

উদ্ধৱ ভৰালী : ১৯৬২ চনৰ ৭ এপ্ৰিল

আমাৰ প্ৰশ্ন : আপুনি ক'ত শিক্ষা গ্ৰহণ কৰিছিল?

উদ্ধৱ ভৰালী : লক্ষীমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, জে, বি মহাবিদ্যালয়, চেন্নাই ইঞ্জিনীয়াৰিং কলেজ।

আমাৰ প্ৰশ্ন : আপুনী বৰ্ত্তমান যি স্বীকৃতি পাইছে, ইয়াৰ আগতে ৰাজ্যিক ভিত্তিত কিবা স্বীকৃতি চৰকাৰে আপোনাক দিছিল নেকি?

উদ্ধৱ ভৰালী : মই বৰ্ত্তমান যি স্বীকৃতি পাইছো, সেইয়া আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ পিছতহে ভাৰত চৰকাৰৰ তৰফৰ পৰা ডালিমৰ গুটি উলিওৱা যন্ত্ৰটোৰ বাবে অনুদান লাভ কৰিছোঁ। অসম চৰকাৰৰ পৰা এতিয়ালৈকে কোনো ধৰণৰ অনুদান লাভ কৰা নাই।

আমাৰ প্ৰশ্ন : বৰ্ত্তমানলৈকে আপুনি কিমানটা যন্ত্ৰ আৱিস্কাৰ কৰিছে?

উদ্ধৱ ভৰালী : এতিয়ালৈকে এশদুটা যন্ত্ৰ আৱিস্কাৰ কৰিছো।

আমাৰ প্ৰশ্ন : নাছাৰ স্বীকৃতি লাভ কৰাৰ পিছত আপোনাৰ অনুভৱ কেনে হৈছিল?

উদ্ধৱ ভৰালী : বহুত ভাল লাগিছিল। এই পজিচনটো পাবলৈ সাধাৰণ মানুহৰ আৰ্শীবাদ পাইছোঁ।

আমাৰ প্ৰশ্ন : বৰ্ত্তমান সততে এটা কথা মনলৈ আহে যে যুৱ প্ৰজন্ম উচ্ছৃংখল হৈছে। ইয়াৰ কাৰণ কি বুলি ভাবে?

উদ্ধৱ ভৰালী : যুৱ প্ৰজন্মৰ উচ্ছৃংখলতাৰ কাৰণ সস্তীয়া গ্লেমাৰ। এই সস্তীয়া গ্লেমাৰে প্ৰতিভা ধ্বংস কৰে। অসমত ছদ্মবেশত সস্তীয়া গ্লেমাৰটো চলি আছে।

আমাৰ প্ৰশ্ন : আপোনাৰ দৃষ্টিত কলা আৰু বিজ্ঞান কি?

উদ্ধৱ ভৰালী : কলাই সকলো উৎসৰে মূল। বিজ্ঞানে মাত্ৰ এটা সংজ্ঞা দিয়ে। 'Science can only define' কলাক বাদ দি বিজ্ঞানৰ অস্তিত্ব নাই।

আমাৰ প্ৰশ্ন : আপুনি নৱ প্ৰজন্মক কাৰিকৰী দিশত আকৰ্ষিত কৰিবৰ বাবে কেনেকুৱা পদক্ষেপ লব লাগিব বুলি ভাবে।

উদ্ধৱ ভৰালী : কাৰিকৰী শিক্ষা প্ৰসাৰণৰ বাবে 'Industrial Education System 'থাকিব লাগে, এটা Pre-Plan লাগিব আৰু ইয়াক যুৱ প্ৰজন্মৰ মাজত বহল প্ৰচাৰ কৰিব লাগিব।

আমাৰ প্ৰশ্ন : আপোনাৰ ভাল লগা গ্ৰন্থ

উদ্ধৱ ভৰালী : গীতা

আমাৰ প্ৰশ্ন : আপোনাৰ প্ৰিয় কণ্ঠশিল্পী

উদ্ধৱ ভৰালী : কিশোৰ কুমাৰ, পুলক বেনাৰ্জী

আমাৰ প্ৰশ্ন : আপোনাৰ ভৱিষ্যত পৰিকল্পনা

উদ্ধৱ ভৰালী : আই, টি, আইৰ 'Worker ' হিচাপে কাম কৰি যাম। Science আৰু Technology ৰ অপকৰ্মৰ দিশত মাত মাতি যাম। বিজ্ঞানৰ Technical ৰ দিশত ৰাইজক সজাগ কৰিবৰ বাবে চেষ্টা কৰিম। পিছত এখন অনাথ আশ্ৰম আৰু বৃদ্ধাশ্ৰম গঢ়ি তোলাৰ পৰিকল্পনা আছে।

আপুনি আমাক ইমান ব্যস্ততাৰ মাজতো এইখিনি অমূল্য সময় আমাৰ দিয়াৰ বাবে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

উদ্ধৱ ভৰালী : ধন্যবাদ।

—সাক্ষাৎ গ্ৰহণ
বাহাৰুল ইছলাম, ভাস্কৰজিৎ বৰা

# মহাকাশেই আমাৰ ভৱিষ্যত
# SPACE IS OUR FUTURE

নিহাৰীকা শইকীয়া
বিজ্ঞান স্নাতক প্ৰথম বৰ্ষ

**. . . সফলতাৰে উভতি আহিব খুজা দুৰ্ভগীয়া যানখনক আদৰিবলৈ বিশ্ববাসীৰ লগতে ভাৰতবৰ্ষটো আয়োজন চলিল ৰঙা বা নীলা গৌৰৱময় উৎসৱৰ। কিবা এটাৰ আশাত সহস্ৰ সহস্ৰ ম'ম আৰু চাকিবোৰ জ্বলি জ্বলি নুমাই গৈছিল। আটছ বাজিৰে শব্দৰ তৰংগই বিজ্ঞানৰ সূত্ৰবোৰ আঁকি দিছিল বায়ুমণ্ডলত। বিৰাত আয়োজনৰ সমাহাৰ এইয়া......। কিন্তু . . .**

২০০৩ চনত ১ ফেব্ৰুৱাৰী নিশা অচম্বিত "STS-107 কলম্বিয়া" মহাকাশযানখনে পৃথিৱীৰ বুকুলৈ সিচি দিছিল জ্বলন্ত শৰীৰৰ ছাইৰণ্ডীৰ কেতবোৰ অংশ বিশেষ। আৰু ..... আৰু শোকত ভাগি পৰিছিলো আমিবোৰঙ্গ ..... ।। মৃত্যু হ'ল ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী কল্পনা চাওলাৰ লগতে অন্য ছয়জন দুৰন্ত সাহসী ভাগ্যৱান মহাকাশচাৰী। দুৰ্জেয় সাহস আৰু ধৈৰ্য্যৰ প্ৰতীক সেই অমূল্য মানৱ দেহা কেইটিৰ তেনে অবিশ্বাস্য ঘটনা সমগ্ৰ বিশ্বৰ বাবেই আছিল অতি হৃদয় বিদাৰক। আজিৰ এই লানি লিখনিয়ে আকৌ এবাৰ আকাশৰ বুকুত জিলিকাই তুলিব মহাকাশচাৰী কল্পনা চাওলাৰ জীৱনো স্পৰ্শ কৰা মহাকাশযান উৎক্ষেপন, দুৰ্ঘটনাগ্ৰস্থ মহাকাশচাৰী "STS-107 কেলম্বিয়া। আৰু চকুপানী দুচকুত।

**কল্পনা চাওলাৰ জন্ম ঃ** হাৰিয়ানাৰ কাৰ্ণালত ১৯৬২ চনৰ ১৭ মাৰ্চত। পিতৃ বান্‌চাৰিলাল চাওলা আৰু মাতৃ সংযোগিতা আছিল চাওলা। কল্পনা চাওলাৰ মাতৃ সংযোগীতা আছিল এগৰাকী শিক্ষিত নাৰী। সেয়ে তেওঁ পুৰণি নিয়ম কাণুননৰ অদৃশ্য শিকলি চিঙি জিয়েকক আগবঢ়াই দিছিল জ্ঞানৰ পোহৰ বুটলিবলৈ। শিশু কল্পনা, সৰুৰেপৰাই এক মুক্তিকামী, দুৰন্ত সাহসী কল্পনাপ্ৰিয় মনোভাৱৰ আছিল। কল্পনাই গৰমকালি নিশা ঘৰৰ মানুহখিনিৰ সৈতে চাদৰ ওপৰত শুবলৈ যাওঁতে পৰিয়ালৰ সদস্যবোৰ যেতিয়া গভীৰ টোপনিত পৰিছিল, তেতিয়াই কল্পনাই চাই ৰৈছিল নক্ষত্ৰচিত্ৰ নিশাৰ আকাশখনিলৈ। সময়ৰ আচলত ধৰি কল্পনাই প্ৰাৰম্ভিক শিক্ষাৰ পঢ়াশালিত সন্মাৰ্খৰ সীমাৰেখা স্পৰ্শ কৰিলে। শিশু কল্পনা কম দিনৰ ভিতৰত "বাশনিকেতন বিদ্যালয়"ত পৰ্দাপন কৰিলে। পঢ়াশুনাৰ লগতে কিশোৰী কল্পনাৰ দৈনন্দিন কাৰ্যাৱলীৰ ভিতৰত আছিল, ঘৰৰ চাদত বহি জাহাজত উঠা-নমা দৃশ্যবোৰ চাই উপভোগ কৰাটো। কেতিয়াবা আকৌ উৰাজাহাজবোৰ তলেৰে যোৱা দেখিলেই জাহাজৰ সৰু খিড়ীকিৰে দেখা অস্পষ্ট পাইলটজনলৈকো হাতবাউলী দি জোকাই ধেমালিও কৰিছিল ছোৱালীজনীয়ে। এঘাৰ বছৰ বয়সত কল্পনাই পোন প্ৰথম বাৰৰ বাবে উৰা জাহাজত উঠি মাক-দেউতাকৰ মনত সীমাহীন প্ৰশ্নবোধক আঁকি দিছিল এনেদৰে..... "উৰাজাহাজেৰে গ'লে দেখোন তলৰ পৃথিৱীখনত থকা দালান ঘৰ, জুপুৰী ঘৰ সকলোকে একে যেন লাগি যায় । তেনেহ'লে মানুহৰ মাজত ধনী-দুখীয়া বুলি ইমান হাহাঁকাৰ কিয় হৈ থাকে.....??" পঢ়াশালিত কোনোবাই জীৱনৰ লক্ষ্য কি বুলি প্ৰশ্ন কৰিলে টপৰাই উত্তৰ দিছিল "Flight Engineer"। অথচ সেই সময়ত তাৰ অৰ্থই বুজা নাছিল কল্পনাই। এদিন শ্ৰেণীকোঠাত এলজ্ৰেবা বিষয়ৰ Nullset পঢ়োৱাওঁতে ভাৰতত মহিলা মহাকাশচাৰী ওলোৱা নাছিল বুলি কৈছিল শিক্ষয়ত্ৰীয়ে। সেই মুহূৰ্ততে কল্পনাই হাতখন ওপৰলৈ দাঙি চিঞৰি উঠিছিল, "মেডাম, কি কি, ময়েই কিজানি প্ৰথমজনী মহিলা মহাকাশচাৰী হৈ যাব পাৰো...। মহাকাশচাৰী নহ'বয়েই বা কিয়? যাৰ মন সৰুৰেপৰা মহাকাশেৰে মুগ্ধ কৰি ৰাখিছে।" সময়ৰ চাপে চাপে জপিয়াই কল্পনাই মেট্ৰিকত সুখ্যাতিৰে পাছ কৰি ঘৰৰ ওচৰতে থকা কলেজখনতে প্ৰি-ইউনিভাৰচিটিত নাম লগাইছিল আৰু তাতো ভাল ফলাফল দেখুৱাই নামভৰ্ত্তি কৰিছিলগৈ পঞ্জাব ইঞ্জিনিয়াৰিং

কলেজৰ "এৰোনেটিকেল ইঞ্জিনিয়াৰিঙ" (বায়ু—যান সম্পৰ্কীয়) বিষয়ত। অৱশ্যে, সেই বিষয়টোত আসন লাভ কৰিবলৈ তীব্ৰ প্ৰতিযোগীতাৰ সন্মুখীন হৈছিল। ১৯৮২ চনত সেইজনী কল্পনা চাওলাই B.Sc Enginäring পৰীক্ষাত তৃতীয় স্থান লৈ উত্তীৰ্ণ হয়। তাৰপিছত নতুন পৃথিৱীৰ সন্ধানত ব্ৰতী হৈ পৰে। উচ্চ শিক্ষাৰ বাবে কল্পনাই বিদেশলৈ গৈ আলিংটনৰ টেক্সাচ বিশ্ববিদ্যালয়ত ভৰি দিলে। ভৰি দিয়ে কল্পনাই লগ পাইছিল "জিন পিয়েৰী চহৰীচন" নামৰ যুৱকজনক। অতি দেখনিয়া ডেকা জিম পিয়েৰী প্ৰকৃততে ফ্ৰাঞ্চৰ বাসিন্দা যদিও তেওঁ যুক্তৰাষ্ট্ৰৰ নাগৰিকত্ব লৈছিল। চমুকৈ J.P. নামেৰে জনাজাত এইজন যুৱকে স্থানীয় উৰণসংঘটোৰ Flying Instructor ৰূপে কাম কৰি আছিল। একে মানসিকতাৰ হোৱাৰ বাবে দুয়ো দুয়োৰে কাষ চাপি গৈছিল। কল্পনাকো চমুকৈ K.C. বুলিয়েই আটাইয়ে মাতিবলৈ আৰম্ভ কৰাত J.P.-K.C.ৰ প্ৰেমক বাস্তৱত ৰূপায়িত কৰিবলৈ বন্ধু-বান্ধৱৰ উৎসাহৰ সীমা নোহোৱা হৈছিল। ফলত ১৯৮৩ চনত ২ ডিচেম্বৰত J.P.-K.C. বিবাহ পাশত আবদ্ধ হ'ল। বিয়াৰ পাছত কল্পনায়ো আমেৰিকাৰ নাগৰিকত্ব গ্ৰহণ কৰিছিল যদিও নিজৰ দেশৰ লগত সম্পৰ্কটো কটকটীয়া কৰি ৰাখিছিল। ১৯৮৪ চনত কল্পনাই টেক্সাচৰ পৰা ওলাই "ডন উইলচন" নামৰ বৈজ্ঞানিকজনৰ তত্বাৱধানত মহাকাশ যানৰ ওপৰত গৱেষণা আৰম্ভ কৰিছিল। কল্পনাই ব্যস্ত হৈছিল ভিন ভিন মহাকাশযানৰ আৰ্হি সজাৰ শিক্ষা সম্বন্ধীয় কামত। ১৯৮৮ চনত PH.P শেষ কৰি কল্পনাই কেলিৰ্ফানিয়াৰ San Jose অত থকা M.C.A.T ইনষ্টিটিউত আৰু NASA (National Aerontical and Space Administration) গৱেষণা কেন্দ্ৰত গৱেষণা বিশেষজ্ঞ ৰূপে নিযুক্তি পায়। আকাশমাৰ্গত উৰাটোৱেই কল্পনাৰ জীৱনৰ প্ৰধান সপোন আছিল। এইক্ষেত্ৰত স্বামী J.P.ৰ উৎসাহ আছিল— প্ৰেৰণাদায়ক আৰু আদৰ্শস্বৰূপ। উল্লেখযোগ্য যে এই কেন্দ্ৰত ১৪ মহীয়া প্ৰশিক্ষণ সমাপ্ত হোৱাৰ পিছতহে প্ৰশিক্ষাৰ্থীসকলে মহাকাশচাৰী বুলি চিনাকী দিয়ে নিৰ্দিষ্ট দায়িত্বভাৰ লাভ কৰাৰ পিছত মহাকাশ পৰিভ্ৰমণৰ সুযোগ পায় প্ৰয়োজন সাপেক্ষে। কল্পনায়ো স্বামীৰ ইচ্ছামতেই প্ৰশিক্ষণত যোগ দিয়েগৈ আৰু সেই কেন্দ্ৰটোৱেই প্ৰশিক্ষাৰ্থীসকলক সাহসী, ধৈৰ্যশীল, ভয়হীন হ'বলৈ কঠোৰ প্ৰশিক্ষণ দিয়া হয়। কল্পনাৰ সপোন সপোন লগা অথচ দৃঢ় মনোভাববোৰক এদিন দিঠকে হাতবাউল দি মাতিলেঙ্গ হয় মহাকাশ যাত্ৰাৰ সুযোগ লাভ। ১৯৯৭ চনৰ নবেম্বৰ মাহত STS-87 (Space Transportation System) প্ৰথমবাৰৰ বাবে মহাকাশ পৰিভ্ৰমণৰ সুযোগ পালে। কল্পনাৰ মনৰ সপোনটো যেন জীৱন্ত হৈ সাতুৰঙী ৰামধেনু অকাঁত লাগিল।

**মহাকাশযান (ৰকেট) উৎক্ষেপণ :** ...... মহাকাশযান বুলি ক'লৈ চকুৰ আগত উৰাজাহাজ এখনৰ দৰে ভাঁহি থাকিব পাৰে। কিন্তু মহাকাশযানত যাত্ৰীবাহী কোঠাৰ সলনি থাকে এক ঘূৰনীয়া 'গহ্বৰ' যাৰ কিয়দাংশ কিছু বাহিৰলৈ ওলাই অহা ধৰণৰ। এই জোঙা অংশটোক কোৱা হয় Paylaed bay. ইয়াতেই মহাকাশত পৰীক্ষা কৰাৰ বাবে লগত নিয়া জীৱজন্তু, গছগছনি, পৰীক্ষাগাৰকে ধৰি সকলো থাকে। কৰ্কপিটত মহাকাশচাৰী, মানচালক আৰু মুখ্য অধিনায়কজন বহা ঠাই থাকে। এই কৰ্কপিটচৰ তলত থকা Glove box ত আৰু তিনিজন মহাকাশচাৰী বহাৰ ব্যৱস্থা থাকে। কৰ্কপিটৰপৰা ইঞ্জিন, হেট আদিত অগ্নি সংযোগ কৰা হয়। যানৰ ভিতৰত একে বাৰ্তাবৰণত মন্ত্ৰপুত, কোনোবা যোগী সন্যাসীৰ দৰে বহা প্ৰতিজন মহাকাশ বিজ্ঞানীৰ মাজত থাকে দলীয় ঐক্য। যানখনৰ ওপৰত চলোৱা পৰীক্ষা নিৰীক্ষা শেষ কৰি দুয়োটা ক্ষেপনাস্ত্ৰতে অগ্নিসংযোগ কৰা হয়। এক ছেকেণ্ডত ৪,৫০০ লিটাৰ ইন্ধন জ্বলিব পৰাকৈ হোৱা সেই প্ৰচণ্ড বিস্ফোৰণৰ পিছতে যানখন এটা বিশেষ ধৰণৰ কম্পন আৰম্ভ হয় আৰু তাৰ লগে লগে যানখন লাহে লাহে ওপৰলৈ উঠি যায়। এই আঠমিনিট সময় মহাকাশযাত্ৰাৰ অতি কষ্ট কৰা সময়। কাৰণ এই সময়চোৱাত যানখনক তীব্ৰ গতিৰে উৰ্দ্ধমুখী কৰি মহাকাশলৈ উৎক্ষেপণ কৰা হয়। পৃথিৱীৰ মাধ্যাকৰ্ষণিক শক্তিৰ বিপৰীতে যোৱা সেই সময়ৰ গতিবেগ হয় শূন্যৰ পৰা সাত km লৈকে। এই সময়চোৱাক মহাকাশচাৰী সকলৰ নাড়ী স্পন্দনৰ হাৰ মিনিটত 72 পৰা 102 লৈ বৃদ্ধি পায় আৰু মুখেৰে কিছুমান অদ্ভুদ শব্দ ওলায়। লাহে লাহে যানখনৰ ইঞ্জিনত অগ্নি সংযোগ কৰি এটা সময়ত থমকি ৰয়গৈ। ইয়াক তেতিয়া পৰিভ্ৰমণকাৰী কৃত্ৰিম উপগ্ৰহ বুলি কয় আৰু উপগ্ৰহৰ নিচিনাকৈ নিজৰ কক্ষপথত পৃথিৱীৰ চাৰিওফালে ঘন্টাত 28,000 km বেগত তীব্ৰ বেগেৰে ঘূৰে। অৱশেষত যানখনে এটা নিৰ্দিষ্ট পথেৰে প্ৰদক্ষিণ আৰম্ভ কৰে আৰু তেতিয়াহে যাত্ৰীসকলে স্বস্তিৰে উশাহ লয়। তেতিয়া তেওঁলোকে দেহৰ গধূৰ সাজ সলায় আৰু আৰামদায়ক সাজ পৰিধান কৰিবলৈ খৰখেদা লগায়। তাৰপিছত তেওঁলোকে মহাকাশৰ নতুন পৰিবেশ পায়। গতিকে দুদিনমানলৈ টোপনি নাহে, সৰ্বশৰীৰপৰা অহৰহ ঘাম বৈ থাকে। মহাকাশত থকা প্ৰতিটো সময়তে সূৰ্য্যৰ পোহৰ পৰি থাকে কাৰণে দিন ৰাতিৰ প্ৰভেদ নাথাকে। অৱশ্যে মহাকাশচাৰীসকলে জৈৱিক তাড়নাত সময় ধৰিব পৰাৰ লগতে পৃথিৱীৰপৰাও সময়ৰ সংকেত প্ৰেৰণ কৰি থাকে। মহাকাশত মহাকাশচাৰীৰ দৈনিক তালিকাখন এনেধৰণৰ—পুৱা এটি জনপ্ৰিয় গীতৰ সুৰত সাৰ পায়। তাৰপিছত স্নান পৰ্ব। তাৰপিছতে কিছু ব্যায়াম, পুৱাৰ আহাৰৰ সময়ত দিনটোৰ কাৰ্য্যসূচীৰ আলোচনা। অধিনায়ক জনে আলোচনাৰ শেষত যানখন তন্ন-তন্নকৈ বাৰম্বাৰ নিৰীক্ষণ কৰে। প্ৰয়োজন অনুসৰি জোখ-মাখ লয়। সকলো ঠিক ঠাক যেন পালেহে সিহঁতে নিজ নিজ পৰিয়ালৰ লগত কথা বতৰা পাতে। বিভিন্ন মাধ্যমসমূহৰ পৰা অহা সংকেতৰ উত্তৰ দিয়ে। মুঠতে তেওঁলোকে দিনৰ 16 ঘন্টা সময় বিৰামহীন ভাৱে কাম কৰে আৰু

আঠ ঘন্টা সময় বিশ্ৰাম লয়। ব্যস্ততাৰ মাজেৰে মহাকাশত পাৰ কৰাৰ পাছত অভিযান সামৰি পৃথিৱীৰ ভূমিত যানখনে অৱতৰণ কৰে। মহাকাশচাৰীসকল মাটিত ভৰি দিয়াৰ লগে লগে তেওঁলোকক প্ৰথমে পৃথিৱাৰ মাধ্যকৰ্ষণ শক্তিৰ সৈতে সমতালৈ আহিবলৈ কিছু সময় শুৱলৈ দিয়া হয়। তাৰপিছত হে পৰিয়াবৰ্গৰ সৈতে দেখা সাক্ষাৎ হয়।

**"STS-87 কলম্বিয়া" ত কল্পনা চাওলাৰ প্ৰথম মহাকাশ যাত্ৰা** ঃ ওপৰত উল্লেখ কৰি অহা হৈছে যে ১৯৯৭ চনত নবেম্বৰ মাহত কল্পনাই "STS-87 কলম্বিয়া" যানখনৰ অন্য কেইবাজনো (Kelvin R. Kregel, Stiven Indsey, Winston Scott, Toko Dai) যাত্ৰীৰ লগত মহাকাশ পৰিভ্ৰমণৰ সুযোগ পাইছিল। সেই যাত্ৰাকালত তেওঁলোকে 376 ঘন্টা 34 মিনিট কাল মহাকাশত অতিবাহিত কৰিছিল আৰু মিলিয়নৰ দূৰত্ব অতিক্ৰম কৰি 252 বাৰ পৃথিৱীৰ কক্ষপথত পৰিভ্ৰমণ কৰিছিল। উল্লেখযোগ্য যে ইয়াৰপৰাই কল্পনাই প্ৰমুখ্যে তেওঁলোকে STARTAN নামৰ উপগ্ৰহটো মহাকাশৰ বুকুলৈ কৌশল পূৰ্ণ ভাৱে এৰিছিল। এইয়ে আছিল আমাৰ বাবে অথবা কল্পনাৰ বাবে অনন্য সাফল্যৰ ৰেঙনি। মূহৰ্ত্তে পৃথিৱী বিখ্যাত হৈ পৰিছিল কল্পনা চাওনাৰ। এনে এক উচ্চ স্তৰত উপনীত হৈও নিজকে কেতিয়াও মহাকাশচাৰী বুলি পৰিচয় দিয়া নাছিল, কেৱল তেওঁক ব্যক্তিগত গাড়ীখনতহে অংকীত আছিল ....."Space is our Future" অৰ্থ্যৎ মহাকাশেই আমাৰ ভৱিষ্যত। ইয়ে কল্পনা যে মহাকাশৰ লগত জড়িত ব্যক্তি তাৰ চিনাকী দিছিল। কল্পনা নিৰামিষহাৰী আছিল কাৰণে তাই খাই ভাল লাগিছিল তেতেলী চাটনি, চিংগাৰাৰ লগত পানীপুৰী, ফলমূল, চিৰা মুড়ি আদি প্ৰিয় আছিল। মহাকাশৰপৰা উভটি অহাৰ পিছত কল্পনাই আমেৰিকাতই ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলক লৈ নিজা বাসভৱনত নানা কথাৰ আড্ডা মাৰিছিল। সেই সময়ত কল্পনাই হিন্দী ভাষা অধিক প্ৰয়োগ কৰিছিল। সেই কথাবোৰৰ আতঁ ধৰিব নোৱাৰি J.P.য়ে ৰান্ধনি ঘৰত সোমাই চিকেন, পোলাও ৰন্ধাত ব্যস্ত হৈ পৰিছিল। কল্পনাই প্ৰথম মহাকাশ ভ্ৰমণৰ পৰা উভতি আহি আপোন ঘৰখনলৈ অহাৰ কথা বহুবাৰ ভাবিছিল যদিও সুৰক্ষাজনিত কাৰণত সেয়া হৈ নুঠিল। তাৰপিছত NASA-ত থাকিয়েই তাৰ শিবিৰ বিশেষজ্ঞৰ দায়িত্বভাৰ লৈ দিনবোৰ বৰ ব্যস্ততাপূৰ্ণ ভাৱে অতিবাহিত কৰিছিল।

**"দুৰ্ঘটনাগ্ৰস্থ STS-107 কলম্বিয়া"** ঃ উল্লিখিত শব্দকেইটাই কিবা এটা সংকেট দিছে। হয়... কল্পনা চাওলাৰৰ দ্বিতীয়বাৰৰ মহাকাশ ভ্ৰমণ আনন্দৰ অথবা বিষাদৰ বতৰা। দ্বিতয়বাৰ নিমন্ত্ৰণ পাইছিল ২০০৩ চনৰ ২৬ জানুৱাৰীত। সেয়া আছিল কল্পনাৰ বাবে এক অভিনৱ আৰু অশ্ৰুশিক্ত আমন্ত্ৰণ। কিন্তু কল্পনাই জনা নাছিল সেই যাত্ৰাই কল্পনাৰ অভিজ্ঞতাৰে ভৰা বৈচিত্ৰময় জীৱনৰ শেষ যাত্ৰা আছিল বুলি। দুৰ্ভগীয়া "STS-107 কলম্বিয়া" যানখনত কল্পনাৰ লগতে অন্য ছয়জন (ৰিক হাচবেণ্ড, পাইলেট উইলিয়াম, মেক্যাণ, লৰেল, ক্লাক, ডেভিড ব্ৰাউনকে) ধৰি সাতজন দুৰন্ত সাহসী মহাকাশচাৰী। কিন্তু ২০ বছৰীয়া পুৰণি এই যানখন মেৰামতি কৰি লোৱাৰ পিছতো এটা সৰু খুদ থাকি গ'ল। উৎক্ষেপনৰ আগমূহুৰ্ত এই বিষয়টো আনকি অংগ্নিসংযোগৰ সময়তো অৱহেলা দৃষ্টিতে চোৱা হৈছিল। তথাপি এই দুৰ্ভগীয়া যানখনে সফলতাৰে মহাকাশলৈ উৰা মাৰিলে। সেই অভিযানটোত সৰ্বমুঠ চাৰিকুৰি বিজ্ঞান ভিত্তিক পৰীক্ষা যানখনৰ ভিতৰত চলাই থকা হৈছিল। তাৰ ভিতৰতে মুঠ 12 টা কল্পনাই নিজৰেই সফলতা আৰু মেধাশক্তিৰ অপূৰ্ব নিদৰ্শন আছিল। মহাকাশত জীৱই কি আচৰণ কৰে, জ্বলন্ত মমবাতিৰ ১৫০ টা ৰাসায়নিক ক্ৰিয়া, কেঞ্চাৰ ৰোগ প্ৰতিৰোধ ইত্যাদি পৰীক্ষা। মহাকাশযানখন নিজ কক্ষপথত অৱতৰণ কৰাৰ লগে লগে তেওঁলোকে কিছুমান বিশেষ ধৰণৰ "কেলছিয়াম" ঔষধ খাবলগীয়া হৈছিল। ওজনহীনতা, অসাৰ অসাৰ লগা, ৰক্তচলাচল বন্ধ হোৱা ইত্যাদি বিসংগতি বাবে ইয়াক ব্যৱহাৰ কৰা হয়। এগৰাকী উৰণ অভিযন্ত্ৰণ হিচাপে কল্পনাৰ এই দায়িত্ব আছিল সেই আসোঁৱাহসমূহ পৰ্য্যবেক্ষণ কৰি তাক নিৰ্মূল কৰা। এই পৰীক্ষা পাতিবোৰ কৰাৰ উপৰিও তেওঁলোকে মাজে সময়ে পৃথিৱীবাসীৰ লগত ব্যস্ত থাকে। সেই সময়ত মহাকাশৰপৰা প্ৰেৰিত, মহাকাশচাৰীসকলৰ শেষ ঘোষণা আছিল এনেধৰণে, "আমাৰ অভিযান সফল হৈছে, আমি সকলোৰে ভালেই আছো, লগ হ'মগৈ অতি সোনকালে...... ।" সেই অভিযানটোৰ শেষ VDO ছবি আছিল মহাকাশচাৰীসকলৰ ধেমেলিয়া কথা বতৰা, হাঁহি ধেমালি, ৰগৰ দি উভতনি যাত্ৰাৰ বাবে সাজু হোৱা কিছু সজীৱ ল'ৰা-ঢপৰা চিৰসেউজ মধূৰ মুহূৰ্তৰ। অন্যহাতেদি সফলতাৰে উভতি আহিব খুজা দুৰ্ভগীয়া যানখনক আদৰিবলৈ বিশ্ববাসীৰ লগতে ভাৰতবৰ্ষটো আয়োজন চলিল ৰঙা বা নীলা গৌৰৱময় উৎসৱৰ। কিবা এটাৰ আশাত সহস্ৰ সহস্ৰ ম'ম আৰু চাকিবোৰ জ্বলি জ্বলি নুমাই গৈছিল। আটছ বাজিৰে শব্দৰ তৰংগই বিজ্ঞানৰ সূত্ৰবোৰ আঁকি দিছিল বায়ুমণ্ডলত। বিৰাত আয়োজনৰ সমাহাৰ এইয়া..... । কিন্তু "নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস..... ।" সময়ে সেইয়া হৈ উঠিবলৈ নিদিলেঙ্গ কাৰণ যানখনৰ ভূমিত অৱতৰণৰ নিধাৰিত মিনিটৰ আগতেই ফ্লৰিডা আৰু টেক্সাচ্ চহৰত সৰ্বত্ৰ চিটিকি পৰিছিল যানখনৰ জ্বলন্ত ধ্বাংসহেস। বুকুভঙা এজাক কান্দোনৰ ৰোলে কপাইঁ তুলিলে বিশ্বৰ আকাশ বতাহ। সিহঁতৰ শৰীৰৰ ছাইৰঙী অংশবিশেষে ইয়াকেই বাৰে বাৰে কৈছে যে অসহ্য হ'লেও সফল মৃত্যুৱেই জীৱনক অমৰত্ব প্ৰদান কৰে। আমি জীয়াই থাকিম চিৰকাললৈ। সেয়ে মই খুবেই আশা কৰোঁ কল্পনা চাওলাৰ সমন্বিতে সাতোজন মহাকাশচাৰী জীয়াই থাকক প্ৰতি জনতাৰ প্ৰাণত, জীয়াই থাকক উজ্জ্বল নক্ষত্ৰ হৈ পৃথিৱীৰ বুকুত, মহাকাশৰ মহাশূন্যৰ বুকুত। —হে মহাকাশচাৰী ৰং তুলিকাৰে আকাশত বুকুত আকিছোঁ তোমালোকৰেই প্ৰতিচ্ছবি মই অকলে.......নিৰৱে, —নিৰৱে।। ■

—সহায় দৈ

# My Dream... Indian Idol

**Manashjyoti Borah**
H.S. 2nd Year (Science)

Every human being dreams as per their interrest. Since music is my passion, therefore obviously my dream is also related to music. My dream is to take part in Indian Idol.

Indian Idol is an adaptation of the Pop Idol format, an interactive reality talent show. It started airing in Indian with the first season in 2004-05 and followed that with second (2005-06), third (2007) and fourth (2008-09) seasons. In February 2010, Sony Entertainment Television announced the launch of the fifth season. Indian Idol is created by 'Simon Fuller.'

The fifth season of Indian Idol started airing on Sony TV from 26th April, 2010 and was concluded on 15th August 2010. The winner of the season was 'Sreeram Chandra' from Hyderabad. In addition to a recording contract with Sony BMG, he was awarded a one year contract with Sony Entertainment TV, worth Rs. 50,00,000, a Suzuki GS-150R motorbike, a Tata Winger Platinum car and a chance to be a playback singer in a forth coming movie of Yash Raj Films, said a press release issued by Sony Entertainment TV. One of the top five contestants will also be given the opportunity to become an RJ in Radio Mirchi 98.3 FM. The new season has started from 1st of June, 2012.


The honourable judges of Indian Idol are Anu Malik, Sunidhi Chauhan (2010), Salim Merchant (2010), Asha Bhosle (2012), Farah Khan (2004-06), Alisha Chinnoi (2007), Udit Narayan (2007), Javed Akhtar (2007-09), Sonali Bendre (2008-09), Kailash Kher (2008-09) and my most favourite singer Sonu Nigam (2004-06).


I wish, one day my dream will come true and I shall be able to take part in it. For this, I am ready to do everything. I will try my best for it. May God bless me and let me join in this extraordinary reality talent show. ■

# প্ৰেমৰ স্মাৰক

# তাজমহল

**দীপাংকৰ দত্ত**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ





বগা মাৰ্বলেৰে সজা তাজমহল বিশ্বৰ সপ্তম আশ্চৰ্য হিচাপে পৰিগনিত হৈছে। তাজমহল আগ্ৰাত অৱস্থিত। ইয়াৰ প্ৰতিডোখৰ শিলাখণ্ডই যুগ যুগ ধৰি বহন কৰিছে প্ৰেম-ভালপোৱাৰ অযুত স্মৃতি। তাজমহল হৈছে পৃথিৱীৰ সৰ্ববৃহৎ প্ৰেমৰ স্মাৰক। এই তাজমহল নিৰ্মাণ কৰাইছিল বিখ্যাত মোগল সম্ৰাট ছাহজাহানে।

ছাহজাহানৰ দিনতে বেছিভাগ মোগলৰ স্মাৰক নিৰ্মাণ কৰাইছিল। জাহাংগীৰৰ মৃত্যুৰ পিছত ছাহজাহানে আচফখান আৰু অন্য ৰাজন্য পৰিষদৰ সহায়ত ভাতৃসকলক পৰাজয় কৰি সিংহাসন লাভ কৰে। ১৬১২ চনত ছাহজাহানে মমতাজক নিকাহ (মুছলমানসকলে বিবাহক নিকাহ বুলি কয়) কৰাইছিল। নিকাহৰ সময়ত মমতাজৰ বয়স আছিল ১৯ বছৰ অৰ্থাৎ মমতাজৰ জন্ম হৈছিল ১৫৯৩ চনত। ঐতিহাসিক পণ্ডিতসকলৰ মতে ছাহজাহানৰ অন্য বেগম (পত্নী) সকলৰ কোনো সন্তান নাছিল।

আনহাতে মমতাজৰ মুঠ চৈধ্যটা সন্তান আছিল। ১৬৩১ চনত মমতাজৰ শেষৰ সন্তানৰ জন্মৰ সময়ত মৃত্যু হয়। ছাহজাহানে মমতাজক অপৰিসীম ভাল পাইছিল। সেয়েহে মৃত্যুৰ সময়ত ছাহজাহানে মমতাজক সুধিছিল যে—কি কৰ্মৰ যোগেদি তোমাৰ মোৰ এই ভালপোৱা সমাজত স্মৰনীয় হৈ ৰব? তেতিয়া মমতাজে তেওঁক এটা স্মাৰক নিৰ্মাণ কৰিবলৈ কয়।

তাজমহলৰ নক্সা অংকন কৰিছিল ওস্তাদ ইচ্ছাক আফান্দিয়ে আৰু সহায় কৰিছিল শিষ্য আহমদ পাৰছে। তাজমহলৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত তেওঁলোকক ছাহজাহানে মৃত্যুদণ্ড দিছিল কাৰণ তেওঁলোকে যাতে দ্বিতীয়টো তাজমহল গঢ় দিব নোৱাৰে। ১৬৩১ চনত আৰম্ভ হোৱা তাজমহলৰ নিৰ্মাণ সম্পূৰ্ণৰূপে শেষ হৈছিল ১৬৫৩ চনত। তাজমহল বাগিচাৰ মাটিৰ পৰা চাৰিফুট ওখকৈ নিৰ্মাণ কৰা এটা ভেটিত অৱস্থিত। ভেটিটো দীঘলে ১২৫ ফুট ৫ ইঞ্চি আৰু বহলে ৪৮ ফুট ৩ ইঞ্চি। এই ভেটিটোৰ বাওঁফালে এটা মচজিদ আছে। তাক তাজমচজিদ বোলে আৰু সোঁফালে মেহমানস্মান বা জামাতখানা অৱস্থিত। তাজমহলৰ সৌন্দৰ্য বঢ়োৱাত আন এটা সহায়ক হৈছে ইয়াৰ বাগিচা।

মোগলসকল চাৰবাগ পদ্ধতিৰে বাগিচা সজাইছিল। চাৰবাগ বাগিচাৰ অৰ্থ হ'ল একেখন বাগিচাকে চাৰিটা ভাগত ভাগ কৰা। তাজমহলৰ মুখ্য প্ৰৱেশদ্বাৰৰ ভিতৰত যোল্লখন বাগিচা আছে। যমুনাৰ পানীত তাজমহলৰ প্ৰতিবিম্ব আবেলিৰ সূৰ্যাস্তৰ সময়ত আৰু জোনাক নিশা অপূৰ্ব দেখা যায়।

তাজমহল মমতাজ ছাহজাহানৰ প্ৰেমৰ স্মাৰক হিচাপে নহয়, ই সমসাময়িক মোগল ইতিহাসৰ কলা-সংস্কৃতি আদিৰো গৌৰৱৰ কাৰণ। ■

# এইচ আই ভি

# এইডচ্‌ৰ বিষয়ে চমু কথা

**সত্যজিৎ গগৈ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এইড্‌চ হৈছে এবিধ ভাইৰাচ জনিত ৰোগ যি মানুহৰ দেহৰ প্ৰাকৃতিক ৰোগ প্ৰতিৰোধ ক্ষমতা ধ্বংস কৰে। এইড্‌চৰ সম্পূৰ্ণ ৰূপ Acquired Immune Deficiency Syndrome এ কথাখিনি চমুকৈ AIDS বুলি লিখা আৰু কোৱা হয়। সংক্ৰামক বীজাণুজড়িত বেছিভাগ ৰোগেই ঔষধ প্ৰয়োগ কৰি নিয়ন্ত্ৰণ কৰিব পাৰি। বহু ৰোগ প্ৰতিষেধক ব্যৱহাৰ কৰি প্ৰতিৰোধ কৰিব পাৰি। কিন্তু এইড্‌চ এনে এটা ৰোগ যাৰ এতিয়ালেকে কোনো প্ৰতিষেধক সফলভাৱে আৱিষ্কাৰ হোৱা নাই। পৃথিৱীত প্ৰথম এইড্‌চ শ্ৰেণী চিনাক্ত হয় কুৰি শতিকাৰ ষাঠিৰ দশকত মধ্য আফ্ৰিকাত। প্ৰাপ্ত তথ্য মতে আফ্ৰিকাৰ কোনো এক প্ৰজাতিৰ বান্দৰৰ তেজৰ পৰা এই ৰোগ প্ৰথমে মানুহলৈ সংক্ৰমিত হৈছে। ইয়াৰ পাছত সম্ভৱত পৰ্যটকৰ যোগেদি এই ৰোগ আমেৰিকাৰ হাইটি দ্বীপলৈ বিয়পে। এইড্‌চ ৰোগীৰ প্ৰথম সংবাদ প্ৰকাশ হয় আমেৰিকাৰ লচ এঞ্জেলচত ১৯৮১ চনত। বৰ্তমান পৃথিৱীৰ বিভিন্ন ঠাইত এইড্‌চ আক্ৰান্ত ব্যক্তি বিয়পি পৰিছে। আফ্ৰিকাৰ ইডগাণ্ডা দেশত এইড্‌চত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ ফলত পুৰুষৰ সংখ্যা প্ৰায় নোহোৱা হৈ গৈছে। ১৮৮৬ চনত ভাৰতৰ চেন্নাইত প্ৰথম এইড্‌চ আক্ৰান্ত মানুহ ধৰা পৰে। ভাৰতত এতিয়ালৈকে ৰোগী মানুহৰ সংখ্যা ১,২০,৭৩৩ জন। গোটেই পৃথিৱীৰ ৩৯.৪ মিলিয়ন। অসমতো ২৭৯ জন এইড্‌চ ৰোগী আৰু ৮৮০ জন এইড্‌চ আই ভি পজিটিভ মানুহ আছে। এইড্‌চ ৰোগৰ প্ৰাথমিক লক্ষণ হ'ল এই ৰোগ হ'লে ৰোগীজন ক্ৰমাগত বিভিন্ন সংক্ৰমন ৰোগত আক্ৰান্ত হয়। এজন সুস্থ মানুহে সাধাৰণতে যিবোৰ ৰোগ অনায়াসে প্ৰতিৰোধ কৰিব পাৰে এইড্‌চ আক্ৰান্ত ব্যক্তিয়ে সেয়া নোৱাৰে। এইড্‌চৰ কেইটামান লক্ষণ হৈছে—

ক) শৰীৰৰ দহ শতাংশ ওজন হ্ৰাস পোৱা।
খ) বহুদিন পনীয়া শৌচ হোৱা।
গ) এমাহতকৈ বেছিদিন জ্বৰ কাঁহ হৈ থকা।
ঘ) গোটেই গাত খজুৱতি হৈ থকা।
ঙ) সঘনাই হাৰপিক ৰোগ হৈ থকা।
চ) ডিঙি আৰু মুখত ঘাঁ হৈ থকা।
ছ) গোটেই শৰীৰত টেমুনা সদৃশ গাঙঠি উঠা।

মন কৰিবলগীয়া যে উপৰিউক্ত লক্ষণসমূহ আন কিছুমান ৰোগৰো লক্ষণ হ'ব পাৰে। তথাপি ইয়াৰ তিনিটামান লক্ষণে দেখা দিলে এইড্‌চৰ সন্দেহ কৰি পৰীক্ষা কৰাব পাৰি। এইড্‌চ হোৱাৰ বাবে দায়ী ভাইৰাচবিধ ইতিমধ্যে চিনাক্ত কৰা হৈছে। এই ভাইৰাচবিধৰ নাম হৈছে Human Immuno Deficiency Virus সংক্ষেপে HIV (মানুহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাসকাৰী ভাইৰাচ)। ই অতি ক্ষুদ্ৰ চুলি এডালৰ এহাজাৰ ভাগৰ এভাগতকৈ কম ডাঠ। ইৰেটো ভাইৰাচ পৰিয়ালৰ অন্তৰ্ভুক্ত। ই ইমানেই ক্ষুদ্ৰ যে পাৰমাণৱিক যন্ত্ৰৰ সহায়তহে চাব পাৰি। মানুহৰ তেজত শ্বেতৰক্ত কণিকা থাকে। এই কণিকাই মানুহৰ দেহত বিভিন্ন ৰোগৰ বীজাণুৰ লগত যুজিব পৰা প্ৰতিদেহ সৃষ্টি কৰে। এই সৃষ্টি শক্তি প্ৰাকৃতিকভাৱেই মানুহৰ থাকে। এইচ আই ভি আক্ৰান্ত ব্যক্তিৰ এই শ্বেত কণিকা ধ্বংস কৰে। শ্বেত কণিকাবোৰে এইচ আই ভিক আকৰ্ষণ কৰে। ফলত ভাইৰাচবোৰ শ্বেত কণিকাত সোমাই তাত থকা নিউক্লিয়াচৰ জেনেটিক পদাৰ্থত লাগি ধৰে আৰু লাখ লাখ নতুন ভাইৰাচৰ সৃষ্টি কৰে। ইয়াৰ ফলত আক্ৰান্ত ব্যক্তিৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বিঘ্নিত হয়। ফলস্বৰূপে তুলনামূলকভাৱে সাধাৰণ বীজাণুৰ আক্ৰমনতে ব্যক্তিজনৰ মৃত্যু হয়। এইচ আই ভি আক্ৰান্ত ব্যক্তিজনক প্ৰথম অৱস্থাত এই আই ভি .....পজিটিভ বুলি চিনাক্ত কৰা হয়। এই অৱস্থাত মানুহজন এইড্‌চত ভোগা নাই। এইচ আই ভি পজিটিভ ব্যক্তিজনক সম্পূৰ্ণ স্বাস্থ্যবান যেন লাগে আৰু সুস্থ মানুহৰ দৰেই জীৱন নিৰ্বাহ কৰিব পাৰে। যেতিয়া আক্ৰান্ত ব্যক্তিজনৰ ইমিউন ব্যৱস্থা সম্পূৰ্ণ ধ্বংস হৈ যায় আৰু যিকোনো ৰোগত আক্ৰান্ত হয় তেতিয়াহে তেওঁৰ এইড্‌চ হোৱা বুলি কোৱা হয়। এনে অৱস্থাত যিহেতুকে কোনো চিকিৎসাই ফল নিদিয়ে ফলত লোকজনৰ মৃত্যু নিশ্চিত হৈ পৰে। গড় হিচাপে এজন ব্যক্তি এইচ আই ভি আক্ৰান্ত হোৱা সাত-আঠ বছৰৰ পিছতে এইড্‌চত আক্ৰান্ত হয়।

এতিয়া প্ৰশ্ন হ'ল এই ভাইৰাচবিধ এজনৰ দেহৰ পৰা আন এজনৰ দেহলৈ কেনেকৈ বিয়পে? সাধাৰণতে এজন এইচ আই ভি, এইড্‌চ আক্ৰান্ত ব্যক্তিৰ তেজ আৰু বীৰ্য আন এজন নিৰোগী লোকৰ দেহত প্ৰৱেশ কৰিলে এই ৰোগ বিয়পে। এই তেজ আৰু বীৰ্য নিৰোগী লোকৰ দেহত প্ৰৱেশ কৰিব পাৰে প্ৰধানকৈ দুটা উপায়েৰে।

ক) অ-সুৰক্ষিত যৌন সম্ভোগ।

খ) তেজ গ্ৰহণ।

ইয়াৰ প্ৰথম বিধৰ এইচ আই ভি, এইড্‌চ সংক্ৰমণৰ আটাইতকৈ সহজ পথ। বিশ্বৰ আশী শতাংশ ব্যক্তি এই প্ৰথাৰে আক্ৰান্ত হয়। এনেধৰণে হোৱা সংক্ৰমণ অতি দ্ৰুত গতিত দূৰ দূৰণিলৈ বিয়পি যাব পাৰে। সংক্ৰমিত ব্যক্তিৰ তেজ গ্ৰহণ কৰিলে লওতাৰ শৰীৰলৈ পোনপটীয়াকৈ এইচ আই ভি সংক্ৰমিত হয়।

এতিয়া প্ৰশ্ন হ'ল এইচ আই ভি, এইড্‌চ প্ৰতিৰোধ কৰা যায় কেনেকৈ? শেহতীয়া সমীক্ষা মতে এই ভাইৰাচৰ দ্বাৰা আটাইতকৈ বেছি আক্ৰান্ত হৈছে যুৱক-যুৱতী আৰু মহিলাসকল। গতিকে যুৱক-যুৱতী আৰু মহিলা সকলৰ মাজতেই সজাগতাৰ জাগৰণ আনিব লাগিব। সাৱধানতাবোৰ এনে ধৰণৰ—

ক) বিবাহপূৰ্বে যৌন সম্পৰ্কৰ পৰা, অসুৰক্ষিত ভাৱে বহু সংগীৰ লগত ৰখা যৌন সম্পৰ্কৰ পৰা বিৰত থাকিব লাগিব। তাৰ বাবে নিজৰ মন দৃঢ় কৰিবলৈ শিকিবই লাগিব।

খ) পৰীক্ষা কৰিহে তেজ গ্ৰহণ কৰিব লাগিব।

গ) বেজী ল'বলৈ হ'লে ষ্টেৰিলাইড বাডিচপজিব্‌ল বেজী ব্যৱহাৰ কৰিব লাগিব।

জনসাধাৰণক সচেতন কৰিবলৈ প্ৰতি বছৰে ৩১ ডিচেম্বৰ তাৰিখটো এইড্‌চ দিৱস হিচাপে পালন কৰে। ■

## বিবিধ কথা

- মানুহৰ প্ৰায় পোন্ধৰ বছৰ বয়সৰ পাছৰ পৰা মগজুৰ আয়তন বঢ়াটো বন্ধ হয়।
- মানুহৰ শৰীৰৰ আন ৰক্ততকৈ মুখৰ ভিতৰত আটাইতকৈ বেছি পৰিমাণৰ বেক্টেৰীয়া থাকে।
- মানুহৰ দুটা স্বাভাৱিক কিড্‌নীত সৰু সৰু বিশ লাখ তেজ শোধন কৰা ফিল্টাৰ থাকে।
- হাঁচিয়াওতে চকু মেলি থকাটো সম্ভৱ নহয়।
- ভাৰতৰ 'মহাভাৰত' গ্ৰন্থখনত প্ৰায় ত্ৰিশ লাখ শব্দ আছে।
- *'The quick brown fox jumps over the lazy dog'* এই বাক্যটোত ইংৰাজী বৰ্ণমালাৰ আটাইকেইটা আখৰ আছে।
- অৰ্ধ চন্দ্ৰতকৈ পূৰ্ণ চন্দ্ৰ প্ৰায় ন গুণ উজ্জ্বল।
- এখন চামুচত প্ৰায় ৰচম্ম টোপাল পানী ধৰে।
- মাইকী মৃগীয়ে ৰামধেনুৰ আটাইকেইটা ৰঙৰ পাৰ্থক্য ধৰিব পাৰে।
- মাখিয়ে পাছফাললৈ জাপ মাৰি উৰা মাৰে।
- কাছৰ দাঁত নাই।
- শামুকে দাঢ়ি খুৰুৱা ব্লেডৰ ওপৰেদি নিজকে নকটাকৈ সুন্দৰভাৱে বগাব পাৰে।

**হিৰকজ্যোতি গগৈ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ,
বিজ্ঞান শাখা

# মিচিং সমাজৰ কৰ্ম-সংস্কৃতি ঃ নাৰী প্ৰগতি

**মাধুৰ্য দলে**
স্নাতক তৃতীয় বৰ্ষ

মিচিং মহিলাৰ দিনলিপি অসাধাৰণ দিনলিপি। আমাৰ গ্ৰাম্য মহিলাৰ ভাগ্যলিপি কৰ্ম সংস্কৃতিৰেই জীৱন্ত দিনলিপি। অলিখিত দিনলিপিৰ মাজেৰেই মিচিং মহিলাৰ কৰ্ম জীৱনৰ চকৰি গতিশীলভাৱে ঘূৰি থাকে।

মিচিং মহিলাৰ তুলনাত মিচিং পুৰুষৰ দিনলিপিৰ খতিয়ান উকা কাগজৰ পৃষ্ঠা মাথোন। দিনে দিনে মিচিং মহিলাৰ কামৰ পৰিমাণ বাঢ়ি গৈ আছে। আনহাতে যি সময়ত পৰিয়ালৰ সকলো সদস্য শ্ৰমদানৰ অবিহনে ঘৰ এখনৰ জীৱন জীৱিকাৰ পথ মোকলোৱা সম্ভৱ নহয়, সেই সময়ত মিচিং পুৰুষসকলে দিনে দিনে কৰ্ম বিমুখ হৈ পৰিছে। এই ক্ষেত্ৰত যিকোনো মিচিং গাঁওও এখন পৰিভ্ৰমণ কৰি বাস্তৱ অভিজ্ঞতাৰ বুজ ল'ব পাৰি। সন্তান জন্ম দি তুলি-তালি, ডাঙৰ-দীঘল কৰাৰ পৰা ধৰি সন্তানক সু-নাগৰিক হিচাপে গঢ়ি তোলালৈকে মিচিং মহিলাৰ ওপৰতেই মূল দায়িত্ব ন্যস্ত থাকে।



তদুপৰি খেতি বাতিৰ কামত সহায়কৰাৰ পৰা আৰম্ভ কৰি, ঘৰ-গৃহস্থৰ কাম-বন চম্ভালি, গাহৰি, কুকুৰা পালন কৰি ঘৰুৱা খৰচৰ বাট মোকলোৱালৈকে মিচিং মহিলাসকলো দায়িত্ব পালন কৰে। মিচিং মহিলাসকলে পথাৰৰ সকলোখিনি কামেই কৰিব পাৰে। পথাৰৰ পৰা উভটি আহোঁতে পিঠিত কেঁচুৱা আৰু মূৰত এবোজা খৰি, হাতত এটোপোলা তৰাপাত বা কৌপাত লগতে বনৰীয়া শাক-বনৰ নুৰা আনে.নাও বাব জনা মহিলাই দ্ৰুতবেগী নদীৰে উটি অহা কআঠ ধৰিব পাৰে।

> **“আনৰ ঘৰলৈ উলিয়াই দিবলগা ছোৱালীক পঢ়ুৱাই কিবা লাভ আছে নেকি? আমাৰ অশিক্ষিত পিতৃ-মাতৃৰ সেই ভুল ধাৰণাটোক চেৰ পেলাই মিচিং মহিলাই ৰাজপথৰ প্ৰতিবাদী আন্দোলনেৰে নহয় নিজৰ স্বকীয় প্ৰতিভাৰে আৰু কৰ্ম সংস্কৃতিৰে প্ৰতিপন্ন কৰি দেখুৱাবলৈ সক্ষম হৈছে কৰ্ম সংস্কৃতিৰ কৃৰ্তিত্ব।”**

মিচিং মহিলাৰ জীৱনৰ মূলমন্ত্ৰ হ'ল বিনা প্ৰতিবাদে এখন ঘৰৰ সকলো দায়িত্ব সম্পাদন কৰা। মিচিং সকলৰ স্বভাৱতে মনোভংগী হ'ল 'Milbon gém Ula:ma: péi amilo gidon' অৰ্থাৎ নিজৰ জীৱন সংগীৰ ভৰণ-পোষণ সমস্ত দায়িত্ব মূৰ পাতি ল'ব নোৱাৰোঁ, কোনোবাই বিয়াত সোমায়নে? এনে ধাৰণাই মিচিং মহিলাৰ স্বাৱলম্বিতাৰ মানসিকতা প্ৰকাশ কৰিলেও তেনে ধাৰণাই মিচিং পুৰুষসকলক পৰনিৰ্ভৰশীল কৰি তুলিছে। অন্যহাতে মিচিং পুৰুষসকলে প্ৰায়েই দায়িত্বজ্ঞানহীন ভূমিকা পালন কৰা অভিযোগ



উত্থাপিত হয়। উদাহৰণস্বৰূপে গাহৰি, কুকুৰা পুহি উপাৰ্জন কৰা গৃহিনীৰ সামান্য পুঁজি কোনো সময়ত কাঢ়ি নি পুৰুষসকলে মদ আৰু জুৱা খেলত উৰুৱাই দিয়ে। এনেকুৱাই হ'ল শ্ৰম বিমুখ পুৰুষৰ এখন বাস্তৱ প্ৰতিচ্ছবি। বিশেষকৈ বানপীড়িত নৈপৰীয়া মিচিং গাঁৱত এনে প্ৰতিচ্ছবি সহজেই পৰিলক্ষিত হয়। তথাপি মিচিং মহিলাসকলৰ কৰ্মপটু জীৱনৰ চানেকিৰ আঁত ধৰি ক'ব লাগিব যে মিচিং মহিলাৰ জীৱন কৰ্ম সংস্কৃতি জীৱন। স্বভাৱতে সহজ-সৰল, স্বচ্ছ মনৰ গৰাকী মিচিং মহিলাসকলেই হ'ল কঠোৰ শ্ৰমৰ গৰাকী। মিচিং মহিলাই হালবোৱা, কোৰ মৰা, খৰি ফলা, তাঁত বোৱা আদি সকলো কামেই কৰিব পাৰে। তেওঁলোকে বিয়া-সবাহ, সকাম-নিকাম আৰু ঘৰুৱা চাহিদা পূৰণৰ বাবে আপং প্ৰস্তুত কৰে। বয়ন শিল্প মিচিং মহিলাৰ এক সংস্কৃতিস্বৰূপ। বয়ন শিল্পৰ যোগেদি মিচিং মহিলাই স্বকীয় গৰিমা আৰু মৰ্যাদা শল্পৰ যোগেদি মিচিং মহিলাই স্বকীয় গৰিমা আৰু মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। মিচিং মহিলাসকলে নিজৰ প্ৰয়োজনীয় সকলোবোৰ বস্ত্ৰ নিজে ঘৰতে প্ৰস্তুত কৰি লয়। তেনে বস্ত্ৰ সম্ভাৰসমূহ হৈছে গাদু (মিৰি জিম) ৰিবি গাচেং, গাপা গালে, গেৰ'-পেৰেৰে, য়াকান এগে আদি। তদুপৰি পুৰুষসকলৰ জাতীয় সাজপাৰ মিবু গালুক আৰু গন্‌ৰ উগন আদি তৈয়াৰ কৰি দিয়ে।

গাঁৱৰ উদ্যোগী মিচিং মহিলাই সাম্প্ৰতিক সময়ত নিজে ঘৰতে তৈয়াৰ কৰা আপুৰুগীয়া মিচিং সাজপাৰ বিক্ৰীৰ বিপনী স্থানীয় নগৰ চহৰসমূহত প্ৰতিষ্ঠা কৰি আত্ম সংস্থাপনৰ বাট মুকলি কৰিছে। গুৱাহাটীৰ উপৰিও দিল্লীতো প্ৰতি বছৰে অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত মিচিং সাজপাৰ প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা বুটলাৰ লগতে তেনে বস্ত্ৰসম্ভাৰ বিক্ৰী কৰি আৰ্থিকভাৱে লাভান্বিত হৈছে। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে কেৱল ঘৰৰ ভিতৰতেই নহয় বাহিৰত মিচিং সাজপাৰৰ চাহিদা আছে। অৱশ্যে বাণিজ্যিক চাহিদা বৃদ্ধিৰ বাবে প্ৰশিক্ষণ গ্ৰহণ কৰি উন্নত মানৰ সাজপাৰ প্ৰস্তুত কৰিব পাৰিব লাগিব।

সাম্প্ৰতিক সময়ত মিচিং শিক্ষাতা মহিলাই ভাৰতীয় প্ৰশাসনীয় বিষয়া (আই. এ. এছ) অসম অসামৰিক সেৱা বিষয়া (এ. চি. এছ.) স্কুল-কলেজ শিক্ষয়িত্ৰী-অধ্যাপিকা, ডাক্তৰ, ইঞ্জিনিয়াৰ, কবি-সাহিত্যিক আদি সকলো গুৰুত্বপূৰ্ণ ক্ষেত্ৰতেই সক্ষম হৈছে। তদুপৰি ৰাজনৈতিক ক্ষেত্ৰখনতো মিচিং মহিলা পদাৰ্পণ কৰি বিধায়িকা বা সাংসদ হিচাপে নিৰ্বাচিত হৈছে। আনকি মিচিং মহিলাই বিদেশতো চাকৰি কৰি আছে। অতি আচৰিত কথা যে সৌ সিদিনালৈকে মিচিং মহিলাই শৈক্ষিক সম বিকাশৰ মৰ্যাদা, মিচিং সমাজত পোৱা নাছিল। আমাৰ অশিক্ষিত পিতৃ-মাতৃৰ ধাৰণা আছিল 'Omménméi poraidonam ilo bipag pénamé.' অৰ্থাৎ আনৰ ঘৰলৈ উলিয়াই দিবলগা ছোৱালীক পঢ়ুৱাই কিবা লাভ আছে নেকি? আমাৰ অশিক্ষিত পিতৃ-মাতৃৰ সেই ভুল ধাৰণাটোক চেৰ পেলাই মিচিং মহিলাই ৰাজপথৰ প্ৰতিবাদী আন্দোলনেৰে নহয় নিজৰ স্বকীয় প্ৰতিভাৰে আৰু কৰ্ম সংস্কৃতিৰে প্ৰতিপন্ন কৰি দেখুৱাবলৈ সক্ষম হৈছে কৰ্ম সংস্কৃতিৰ কৃৰ্তিত্ব। ■

সামাজিকীকৰণ প্ৰক্ৰিয়াটো যদি শুদ্ধ হয় আমাৰ সমাজখন শুদ্ধ হ'ব। গতিকে তাৰ বাবে আমাক লাগিব শুদ্ধ সামাজিকীকৰণৰ প্ৰক্ৰিয়া। যাৰ বাবে সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে সচেতন আৰু সক্ৰিয় হ'ব লাগিব। ইয়াৰ ভেটিটো পৰিয়ালৰ ভিতৰতে বান্ধিব লাগিব। কাৰণ এই প্ৰক্ৰিয়া প্ৰথম আৰু প্ৰধান উৎপাদনে হ'ল পৰিয়াল।

# সাম্প্ৰতিক কালত যুৱ প্ৰজন্মৰ উশৃংখলতা

লিপিকা শইকীয়া
স্নাতক তৃতীয় যান্মাসিৰ্ক

সাম্প্ৰতিক কালত কেউদিশে যি হিংসা, নৈতিক, আধ্যাত্মিকতাৰ, ৰূপ ধাৰণ কৰি আহিছে। ই ক্ৰমে সমাজক ধ্বংসাত্মক ৰূপত প্ৰতিফলিত কৰাইছে। এই ধ্বংসই সমাজ তথা ৰাষ্ট্ৰৰ ভয়াবহতাৰ কথাকে সুচাইছে।

সমাজত অহৰহ চলি থকা মৰামৰি, কটাকটি, হাই কাজিয়া, বিভিন্ন বিদ্ৰোহী সংগঠনত বোমা বাৰুদৰ ধোঁৱাই কেউফালে ছানি ধৰিছে। ৰাষ্ট্ৰৰ বিভিন্ন ৰাজনৈতিক দল সংগঠনে ৰাজকোষ উদং কৰা বিষয়া-কৰ্মচাৰীয়ে ইয়াত ইন্ধন যোগাইছে। ইয়াৰ ফলত দিনক দিনে মূল্য বৃদ্ধি হৈ আহিছে আৰু সমাজখনত নিবনুৱাৰ সমস্যাই গঢ় লৈ উঠিছে। ই যেন ক্ৰমান্বয়ে গভীৰতালৈ গতি কৰিছে। পুনৰ সৃষ্টিৰ আৰু নতুনৰ পাতনি নহ'লে ই যেন আৰু ধ্বংসাত্মক ৰূপলৈ গতি কৰিব এই কথাকে উদং কৰি দেখুৱাইছে।

উঠি অহা প্ৰজন্মৰ কাৰণে এটা সুন্দৰ বাতাবৰণ উন্মোচিত কৰিবলৈ ঘৰ, সমাজ আৰু চৰকাৰৰ এটা মহৎ অৱদান থাকিলে কিছু সুশৃংখল ৰূপ আশা কৰিব পৰা যায়। ঘৰখন শিশুৰ হ'ল প্ৰভূত শিক্ষাৰ ঠাই। ঘৰখনৰ এটা সুন্দৰ পৰিৱেশে এজন শিশুক ভৱিষ্যতে এজন সু-নাগৰিক বা সফল ব্যক্তি হ'বলৈ প্ৰেৰণা যোগাব পাৰে।

ঘৰখনৰ সকলোবোৰ দিশতে পিতৃ-মাতৃৰ উপৰিও পৰিয়ালৰ সকলো শিশুৰ প্ৰতি চকু ৰখাতো কৰ্তব্য। শিক্ষা দিয়াৰ লগতে, এটা ভক্তিপূৰ্ণ আচৰণ শিক্ষা দিয়া উচিত। পুৱা-গধূলি ঈশ্বৰক প্ৰাৰ্থনা কৰা, গুৰুজনা, পিতৃ-মাতৃ, বয়োজ্যেষ্ঠসকলৰ প্ৰতি সন্মান কৰা ওচৰ-চুবুৰীয়া, তথা লগৰ বন্ধু-বান্ধৱৰ লগত হাই কাজিয়া নকৰি মিলা-প্ৰীতিৰে বাস কৰা সকলোবোৰ দিশতে পৰিয়ালে কঠোৰভাৱে চকু ৰাখিব লাগে। এই আৰ্হি সৰুতে শিক্ষা নিদিলে যুৱ অৱস্থাত দিয়াটো কষ্টকৰ হয় আৰু সুফল নিদিয়ে। বৰ্তমান সময়ত মধ্যবিত্তৰ পৰা অভিজাত সকলোৱে শিশুসকলক এখন উন্নতি পৰ্যায়ৰ বিদ্যালয়ত শিক্ষাদানত গুৰুত্ব দিয়ে। কিন্তু মানসিক উৎকৰ্ষ সাধনত গুৰুত্ব নিদিয়ে।

যেতিয়াই তেতিয়াই ধনৰ অপচয় কৰি পিতৃ-মাতৃক হাৰাশাস্তি কৰে। আজিৰ যুগত মটৰ চাইকেল, ম'বাইল ফোন ব্যৱহাৰৰ প্ৰৱণতাই সকলো যুৱক-যুৱতীক মোহচ্ছন্ন কৰিছে। এখন বাইক আৰু হাতত ম'বাইল ফোন থাকিলেহে সিহঁতে যেন এজন মানুহ হিচাপে স্বীকৃতি দিয়ে। কিন্তু এই ক্ষেত্ৰত পিতৃ-মাতৃয়ে যুৱক-যুৱতীসকলক খোৱা পিন্ধাৰ যোগাৰ দিয়েই কৰ্তব্য সামৰিলে নহ'ব ইয়াৰ সম্পূৰ্ণ দায়িত্বও শেষ কৰিব লাগিব। যুৱক-যুৱতীসকল হৈছে এখন সমাজৰ লাইখুঁটা উঠি অহা সূৰ্যৰ প্ৰতি শ্ৰুতিৰে পৰিপূৰ্ণ।

এই যুৱক-যুৱতীসকলৰ শৰীৰত প্ৰচুৰ সৃষ্টিৰ প্ৰতিশ্ৰুতি দেখা দিয়ে। তেওঁলোকে বিচাৰে যদি এখন সমাজ বা এটা জাতি সুন্দৰ, সুখময় আৰু সোণালীকৈ গঢ়িব পাৰে নাইবা তেওঁলোকে ভয়াবহ দুখময় আৰু অন্ধকাৰময় কৰি তুলিব পাৰে।

আজিৰ যুৱ সমাজক হাতীৰ লগত তুলনা কৰিব পৰা যায়। হাতীয়ে যেনেদৰে নিজৰ শৰীৰটো নেদেখে ঠিক সেইদৰে আজি যুৱসমাজে নিজৰ শক্তিবোৰ সৃষ্টিমূলক উদ্দেশ্য ব্যৱহাৰ নকৰি অপচয়ৰ কামত লিপ্ত কৰাইছে। যাৰ ফলত সমাজৰ বয়োজ্যেষ্ঠসকল

চিন্তিত হৈছে কাৰ হাতত গটাই থৈ যাব এই বিশাল আৰু চিৰময় বিনন্দীয়া পৃথিৱীখন? বাৰে বাৰে প্ৰশ্ন আহিছে তেওঁলোকৰ মনলৈ আজিৰ যুৱ সমাজৰ ওচৰত এই সমাজৰ ভৱিষ্যৎ সুৰক্ষিত থাকিবনে? উঠি অহা কণ কণ প্ৰজন্মসকলে পাবনে উচিত শিক্ষা তেওঁলোকৰ অগ্ৰজসকলৰ পৰা? কাৰণ শিশুসকল হ'ল অনুকৰণপ্ৰিয়।

বয়স্কসকলৰ আচৰণৰ পৰাই শিশুসকলৰ সামাজিক আচৰণৰ ভেটিটো তৈয়াৰ হয়। যিটো প্ৰক্ৰিয়াৰ পৰা এটা শিশুৱে শৈশৱ অৱস্থাৰ পৰা বিভিন্ন সামাজিক পৰিৱেশৰ মাজেদি অতিক্ৰম কৰি প্ৰাপ্তবয়স্ক অৱস্থালৈ আহি এখন সমাজক গঢ় দিবলৈ অতি প্ৰয়োজনীয়, এই প্ৰক্ৰিয়াটো সসংহত কৰিব নোৱাৰিলে এখন সুস্থ-সবল সমাজ গঢ় দিয়াৰ আশা একেবাৰে কৰিব নোৱাৰি। কাৰণ উৎপাদিত সামগ্ৰী এটাৰ গুণাগুণ নিৰ্ভৰ কৰে উৎপাদিত প্ৰক্ৰিয়াটোৰ ওপৰত। উৎপাদনৰ প্ৰক্ৰিয়াটো যদি শুদ্ধ হয় উৎপাদিত ফল শুদ্ধ হ'ব।

ঠিক সেইদৰে সামাজিকীকৰণ প্ৰক্ৰিয়াটো যদি শুদ্ধ হয় আমাৰ সমাজখন শুদ্ধ হ'ব। গতিকে তাৰ বাবে আমাক লাগিব শুদ্ধ সামাজিকীকৰণৰ প্ৰক্ৰিয়া। যাৰ বাবে সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে সচেতন আৰু সক্ৰিয় হ'ব লাগিব। ইয়াৰ ভেটিটো পৰিয়ালৰ ভিতৰতে বান্ধিব লাগিব। কাৰণ এই প্ৰক্ৰিয়া প্ৰথম আৰু প্ৰধান উৎপাদনে হ'ল পৰিয়াল। পৰিয়ালৰ পিতৃ-মাতৃক ধৰি সকলো সদস্যই নিজৰ ভূমিকা উদ্দেশ্য আগত ৰাখি নিষ্ঠাৰে আগবাঢ়িলে কোনো বাধাই লক্ষ্যত উপনীত হোৱাত বাধাৰ সৃষ্টি কৰিব নোৱাৰে।

এজন অভিভাৱকে নিজৰ ল'ৰা-ছোৱালী কেইটাৰ লগতে আনৰ ল'ৰা-ছোৱালীৰ ওপৰতো চকু ৰখাতো প্ৰয়োজন। এজন ব্যক্তি এখন সমাজৰ এক অবিচ্ছেদ্য অংগ। এই বিষয়ে বহলভাৱে দাঙি ধৰিলে প্ৰবন্ধৰ ৰূপ লোৱাৰ আকাংক্ষা থাকে। ইয়াৰ বিষয়ে ইমানতে এটা থুলমূল আভাস দাঙি ধৰি সামৰণি মাৰিলো। ■

## ভাৰতৰ দীৰ্ঘতম, বৃহত্তম আৰু উচ্চতম

| | | |
|---|---|---|
| দীৰ্ঘতম নদী | — | গংগানদী, ২৪৬৪ কিলোমিটাৰ। |
| দীৰ্ঘতম ৰাজপথ | — | গ্ৰেণ্ড ট্ৰাংকৰোড, ২৪০০ কিলোমিটাৰ। |
| দীৰ্ঘতম খাল | — | বিকানীৰ খাল, ১২৮ কিলোমিটাৰ। |
| বৃহত্তম জিলা | — | বিশাখাপট্টনম (অন্ধ্ৰপ্ৰদেশ) |
| বৃহত্তম মহানগৰ | — | মুম্বাই (মৰাৰাষ্ট্ৰ) |
| বৃহত্তম গুহা | — | ইলোৰা (মহাৰাষ্ট্ৰ) |
| বৃহত্তম চিৰিয়াখানা | — | আলিপুৰ (কলকাতা) |
| উচ্চতম স্তম্ভ | — | কুটুবমিনাৰ (দিল্লী) |
| উচ্চতম বান্ধ | — | ভাক্ৰানাংগল (পঞ্জাৱ) |
| উচ্চতম দুৱাৰ | — | বুলন্দৰৱাজা (ফতেহপুৰ চিক্ৰি) |
| উচ্চতম ৰে'ল ষ্টেচন | — | ঘুম (দাৰ্জিলিং) |

হিৰকজ্যোতি গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ,
বিজ্ঞান শাখা

# পঞ্চায়ত নিৰ্বাচন আৰু অসমৰ ৰাজনৈতিক দলসমূহৰ ভূমিকা

**জ্যোতিস্মৃতা দত্ত**
স্নাতক চতুৰ্থ ষাণ্মাষিক

পঞ্চায়ত নিৰ্বাচন হ'ল ভাৰত তথা অসমৰ এক ৰাজনৈতিক পদক্ষেপ। গ্ৰাম্য উন্নয়ন, স্ব-শাসন, বিভিন্ন ধৰণৰ সামাজিক ব্যৱস্থাসমূহৰ উন্নতিৰ চৰকাৰী বিষয়াবাব হিচাপে আমাৰ অসমত পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰচলন আছে। বিভিন্ন ধৰণৰ আত্ম-সামাজিক দিশৰ বিকাশৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থা এক উল্লেখনীয় পদক্ষেপ। এই পঞ্চায়তী ব্যৱস্থাৰ গুৰুত্ব ইমানেই বেছি যে সংবিধানৰ নৱম অধ্যায়ত পঞ্চায়ত ব্যৱস্থাক সংবিধানৰ ২৪৩ নং অনুচ্ছেদ 'খ' ধাৰাৰ অধীনত 'স্ব-শাসন'ৰ মাধ্যম হিচাপে চিহ্নিত কৰা হৈছে। পঞ্চায়তী ব্যৱস্থাই এক অংশীদাৰীত্বমূলক গণতন্ত্ৰৰ সুচনা কৰে। সংবিধানে গাঁও পৰ্যায়ত ৰাইজৰ মতামত যাতে সাব্যস্ত হয়, সেই উদ্দেশ্যে গাঁওসভাৰ ব্যৱস্থা কৰিছে।

কিন্তু দুৰ্ভাগ্যজনক ভাৱে পঞ্চায়তৰ দ্বাৰা এনে স্ব-শাসনৰ প্ৰক্ৰিয়াক সম্পূৰ্ণ সলনি কৰি পেলাইছে বিভিন্ন দলীয় চৰকাৰে। পঞ্চায়তী ব্যৱস্থাটো হৈ পৰিছে ৰাজনৈতিক মল্লযুজঁৰ আখৰাথলী। এক কথাত ক'বলৈ গ'লে পঞ্চায়ত গঠনৰ যি সাংবিধানিক লক্ষ্য আৰু উদ্দেশ্য, সেয়া আজি প্ৰায় অন্তঃসাৰশূণ্য। এক দালাল আৰু দুৰ্নীতিপৰায়ণ নেতাৰ আখৰাথলী হৈ পৰিছে।

এসময়ত অসমৰ চুকে-কোণে 'ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ' এই আমোঘ মন্ত্ৰই প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিছিল। কিন্তু ৰাজনৈতিক দলসমূহৰ হস্তক্ষেপত এতিয়া 'ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰৰ পৰিৱৰ্তে হৈ পৰিল দালালৰ চৰকাৰ।

অসমৰ পঞ্চায়তীৰাজ ব্যৱস্থাটোত আমোলাৰ প্ৰভাৱ ইমান বেছি যে ই প্ৰকৃতাৰ্থত অংশীদাৰীত্ব মুলক গণতন্ত্ৰ নহয়। আমোলাকেন্দ্ৰিক চৰকাৰহে প্ৰত্যেক পদক্ষেপতে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহে কিছু চৰকাৰী বিভাগৰ সহযোগী অনুষ্ঠান হিচাপেহে স্বীকৃতি পালে।

উপৰিউক্ত পঞ্চায়তী ব্যৱস্থা তথা পঞ্চায়ত নিৰ্বাচনৰ প্ৰাসংগিক বিষয়হিচাপে পঞ্চায়ত নিৰ্বাচনত ৰাজনৈতিক দলসমূহৰ ভূমিকাক আমি ন-দৃষ্টিৰে চোৱা উচিত। কিয়নো এই ৰাজনৈতিক দলসমূহৰ ওপৰতেই এখন ৰাজ্যৰ ভৱিষ্যত নিৰ্ভৰ কৰি আছে। গণতান্ত্ৰিক শাসন ব্যৱস্থাটোক শক্তিশালী কৰি তৃণমুল পৰ্যায়তো ৰাইজক গণতন্ত্ৰৰ স্বাদ দিয়াৰ ক্ষেত্ৰত বিকেন্দ্ৰীভূত পঞ্চায়তীৰাজ ব্যৱস্থাই বিশেষ ভূমিকা পালন কৰে। সেয়েহে ৰাজনৈতিক দলসমূহৰ ভূমিকাৰ ওপৰত দৃষ্টি ৰখা উচিত।

বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসমূহে তেওঁলোকৰ অভিযান তুংগত তোলা দেখিবলৈ পোৱা গৈছে। কিয়নো তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ দিন ধাৰ্য কৰাৰ দিনৰ পৰাই বিভিন্ন ৰাজনৈতিক দলসমূহে ক্ষমতা লাভৰ আশাৰে নিৰ্বাচন প্ৰচাৰত নামি পৰিছে। বিভিন্ন ৰাজনৈতিক দ'ল, যেনে—অসম গণ পৰিষদ, কংগ্ৰেছ, ভাৰতীয় জনতা পাৰ্টি, এ. আই. ইউ. ডি. এফ.কে ধৰি নিৰ্দলীয় দলসমূহেও নিজ প্ৰাৰ্থীত্ব প্ৰদান কৰি নিৰ্বাচন প্ৰচাৰত অগ্ৰসৰ হয়। ইতিমধ্যে প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ ২০১৩চনৰ ৩০ জানুৱাৰীত সুকলমে পাৰ হৈ যায় যদিও ভোট গ্ৰহণত কিছুমান অপ্ৰীতিকৰ ঘটনাই স্থান নোপোৱাকৈ থকা নাই। ইয়াৰ পিছৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ৬ ফেব্ৰুৱাৰীত আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ১২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।

বিভিন্ন ৰাজনৈতিক দলসমূহৰ সক্ৰিয় সহযোগত প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণত বিভিন্ন ৰাজনৈতিক দলৰ ২৭,৮৭৪ গৰাকী প্ৰাৰ্থীৰ ভৱিষ্যৎ নিৰ্ণয কৰা হয়। ইয়াৰ পিছৰ পৰ্যায়ৰ ভোট গ্ৰহণত বিভিন্ন ৰাজনৈতিক দলৰ ২৬,৭২৪ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰা হ'ব।

এইটো মন কৰিবলগীয়া কথা যে ৰাজনৈতিক দলসমূহে নিৰ্বাচন প্ৰচাৰৰ নামত যি ব্যাপক প'ষ্টাৰিং, বাইক-চাইকেল ৰেলী। বিৰোধীক ক্ষুৰধাৰ সমালোচনাৰে নিৰ্বাচনী সভা পাতি নিজৰ প্ৰচাৰ অভিযান

তীব্ৰতৰ কৰি তোলা দেখা গৈছে সেয়া কিমান যুক্তিসংগত সিও বিচাৰ্যৰ বিষয়। তেওঁলোকে নিজ আসন দখলৰ বাবে যুদ্ধংদেহী ৰূপ লৈ নিৰ্বাচন প্ৰচাৰ অভিযানত নামি পৰাও পৰিলক্ষিত হয়। ইয়াৰ ফলতে বিভিন্ন ধৰণৰ কূটাঘাতমূলক কাৰ্য, বিদ্ৰোহ আদিৰ সৃষ্টি হৈছে তথা নানা অনিয়মৰো সৃষ্টি হৈছে বুলি ক'ব পাৰি। এইবাৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ প্ৰাৰম্ভিক সময়ছোৱাত জনসাধাৰণে এটা কথা বিশেষভাৱে লক্ষ্য কৰিছে যে মনোনয়ন-পত্ৰ লাভ কৰিবলৈ অভিলেখসংখ্যক প্ৰাৰ্থীয়ে হেতা ওপৰা লগাইছে আৰু এনে প্ৰাৰ্থীৰ সংখ্যা শাসকীয় দলৰেই সৰ্বাধিক। কিন্তু এইখিনিতে মনকৰিবলগীয়া কথা যে, শাসকীয় দলৰ প্ৰাৰ্থীত্ব লাভ কৰিবলৈ যাওঁতে শাসকীয় দলৰ বিসম্বাদে এক নতুন মাত্ৰা লাভ কৰিছে। ফলত কোনো কোনো জ্যেষ্ঠ নেতাও শাৰীৰিক আক্ৰমণৰ বলি হ'বলগীয়া হৈছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত বিশেষকৈ শাসকীয় দলৰ মাজৰ পৰাই ভোটগ্ৰহণ পৰ্বত অথবা ভোট গণনাৰ পৰ্বতো বা নিৰ্বাচনী প্ৰচাৰ অভিযানৰ সময়তো লেংমৰা ৰাজনীতিয়ে ক্ৰিয়া কৰিছে বুলি পৰ্যবেক্ষকসকলে ক'ব খোজে।

যি কি নহওক নিৰ্বাচনী প্ৰক্ৰিয়াটো যাতে সুকলমে পৰিচালিত হৈ শান্তি বিঘ্নিত নহয়, তাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই সকলো পদক্ষেপ গ্ৰহণ কৰিব বুলি জনসাধাৰণে কামনা কৰিছে। ৰাজনৈতিক দলসমূহৰ অগ্ৰণী ভূমিকা তথা সক্ৰিয় সহযোগিতাই আমাৰ পঞ্চায়তীৰাজ ব্যৱস্থাটোৰ ওপৰত সুপ্ৰভাৱ পেলাই তেওঁলোকৰ ন্যস্ত স্বাৰ্থৰ বিপৰীতে গৈ যেন দেশৰ উন্নতিত, ৰাজ্যৰ উন্নতিত সহায়ৰ হাত আগবঢ়াই অসমক উন্নতিৰ পথে আগুৱাই নিয়ে এয়ে আমাৰ কাম্য। ■

(মহাবিদ্যালয়ৰ 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ'ত ঠাইতে বহি লিখা ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)

## মহৎ লোকৰ বাণী

- *পৃথিৱীলৈ পৰিৱৰ্তন আনিবৰ বাবে আমি ব্যৱহাৰ কৰিব পৰা সকলোতকৈ শক্তিশালী অস্ত্ৰপাতে হৈছে শিক্ষা।*

  *—পাৱলো পিকাছো*

- *এজন কবি সদায় কবিয়েই। ...কিন্তু কবি হোৱাৰ আগতে তেওঁ আকুলভাৱে ভাষাৰ প্ৰেমত পৰা এজন ব্যক্তি।*

  *—ডব্লিউ এইচ অ'ডেন*

- *সাগৰতো দিনটোৰে মেলানি মাগে, সন্ধিয়া আকাশৰ জোনটোৰ তলত সাগৰৰ ঢৌত জোনাকী পৰুৱাই পাতে জোনাকী মেল। সীমাহীন আকাশ, সীমাহীন পানী। সাগৰ আৰু পানীয়ে দুখবোৰ বাৰু কেনেকৈ ভগাই লয়।*

  *—আলবেয়াৰ কেমু*

- *মই ভাষা শিকিব নোৱাৰো, এখন জাৰ্মান অভিধান কিনিবলৈ মোক যিমান সময় লাগে, তাতকৈ কম সময়ৰ ভিতৰতে এজন বুদ্ধিৰ মানুহে সংস্কৃত ভাষা শিকিব পাৰে।* *—জৰ্জ বাৰ্নাৰ্ড শ্ব*

# Origin and Development of Assamese Prose Literature : upto 18th Century

**Lila Borah**
Retd. Professor. L. T. K. College

Assam is a land situated in the far East of India, a rich state with its own literary and Cultural heritage. Assam was an independent country till 1826 A.D. when the British brought it under their rule. From 1947 A.D.after independence Assam becomes a part of India.

Early it was known as Kamrup and it covered an area including some part of present North Bengal and Bangla Desh to the Myanmar in the East. In the thirteenth century, the Ahoms established their kingdom in the part of the country and ruled if for six hundred years. In the name of the Ahoms, it came to be known as Asom. On the other hand Naranarayana, a powerful king of Koch dynastry, ruled in the Western part of the state Kamtapur and Koch Bihar was capital. Royal Palace of Naranarayana and Gorgaon the capital of Ahom kingdom were the centres of education, culture and Assamese literature. King Naranarayana highly patronized in the field of Assamese literature and culture Saint Shankar Deva, a famous propagator of Neo-Vaishnavite Religion in Assam had done his literary works and cultural activites at Koch Bihar the Capital of Koch Kingdom.

Though Assam is a multilingual state, its standard language is Assamese. Origin of the Assames language is Indo-Aryan language developed from latest stage of Magadhi Prakrita. Assamese language developed in Assam from 600 BC to 600 AD by the name of kamrupi. 'Prahlad Charita' religious verse witten by poet Hema Swarsawati in the 14th century is the first instance of Assamese written literature. Since then, Assamese literature has been growing up in various literary aspects till our times.

Now we come to the origin and development of Assamese Prose Literature, which is the subject matter of this paper. Human being can express their thoughts and ideas through two linguistic media- prose and poetry. Generally in day to day life people used prose media in their conversation. But it is found that in all over the world, both in oral and written literature, poetic form that appeared before the prose literature. Assamese literature is not also exception from this point. But in oral literture prose style took place just afterthe verse in Assam. Prose in Mantra Sahitya :

In the early kamrupa a kind of oral literature developed centering around Kamakhya Temple which was known as Mantras. It was found both in verse and prose form. In ancient time Kamrupa was famous for its Mantras i.e.a kind of oral magic. These mantras were the cause of fear and mystery for the foreigners. In this context R.S. Sathinathiear opinion is noteworthy. Who said -

"Assam is a dangerous country to invade and the Muslim invaders were terrified not only by its physical features, but also the people who were believed to be the great magicians. It is the region where the Hindu and Mongulian cultures met and belended. It is the home of Shakti worship and fanaticism."

For Example :

Brahma deva bahi ache camatkara kari, adi Pubat basila Indra, Yama Dakshinata; Uttarata Kuvera Barun, Pachimata ano devagana acha sabha pati. Sehi samajaka Chakre dekhileka pache, dekhi tharahari kampe jata praja ache .... Charibaka sanka nahi chakshoo jai phuti. jake jaite pawe Chakra palaile kati.'

Though the Mantras were a part of oral literature, its practice was not open for all, because of its limitatons and secrecy among the magicians. In

the true sense of the terms, real form of Assamese prose literature was not reflected in the mantra sahityas as rhyms, rhythm and recitation played an important role in it.

Prose of Ankia Nat.

In the sixteenth century Mahapurush Shri Shankar Deva and his disciples inculiding Shri Madhab Deva wrote a kind of drama known as Ankia Nat. This kind of drama was consisted of songs, slokas and dialoguse. Songs were written were in Assamese, slokas are in Sanskrit and dialogues were in Brajavali languge which was originated from Maithily language.

About Brajavali languge Dr. Birinchi Kumar Boruah, a renown literator of Assam in his opinion said-

"The language Barjavali though originated from Maithili language, grew and developed in the hands of Assamese writer in such a way that it can called as dialect of assam".[2]

For Example :

Ahe patramontri jnyatisava : hamara duhita Rukamini : Bivahaka Yogya vela : Kanyaka sadisha bara kuna thane thika : Savahi bimarishakoya bolala: Hamu zano eka Daibaki-nandan bine Kanyaka samana bara nai: zaba sabahi bhalla dekhaha : tabe swahaste Krishnaka Kanya dana karu.

(Rukmini Haran : Shankar Deva)

Therefore, in the history of Assamese prose literature the prose style of Ankia Nat cannot be excluded. But Brajavali language of the Ankia Nat, though some local elements were used in it, cannot be an ideal instance of Assames prose literature as it was an artificial language and it retained some musical qualities in it. Yet we can say that Shri Shankar Dev and his Ankia Nats were the pioneers of the prose literature of Assam.

Prose of Bhattadeva :

After Shankar Deva we can mention the name of Bhattadeva in whose writings Assamese prose literature took a highly successful shape. The real name of Bhattadeva was Baikuntha Nath Bhattacharya. He wa born 1558 A.D. and died in 1638. He was a famous scholar of Sanskrit. He was a disciple of Saint Damodar Deva of Vaishnavite religion.

Bhattadeva composed there main religious books from Sanskrit to Assamese namely, Katha Bhagawat, Katha Gita and Katha Ratnawali in prose. He translated these three famous Sanskrit books into Assamese prose by following the suggestion of his Guru Damodar. Damodar Deva directed him to compose these books in such a prose style, so that the Sudras (lower caste people) and women also could read and understand its meaning. His direction was–

"Aru eka jagata ishawara ajna dhara .!
katha bandhe eka khanda Bhagwata kara !!
............................................................
............................................................
Tat kari sugam kario Bhagavata
Stree Sudra sarbhaloke buje jenamata"[3]

In early time Assamese prose was called as Katha.

In the sixteenth century all books were compose in all over Indian regional language in verse, i.e. poetic form. Bhattadeva was the first prose writer in the regional languages of India and before him only a few languages of the world developed their prose literature, Therefore, these three books can be regarded as the mile-stone Of Assamese prose literature. Having read the Katha Gita of Bhattadeva edited by Pandit Hem Chandra Goswami, a renowned educationist of Bengal, Acharya Prafulla Chandra Rai said—

"it is a priceless treasure. Assamese prose literature developed to a stage in the far distance sixteenth century, which no other literature of the world reached except the writings of Hooker and Latimar in England"[4]

By reading the same book Vishwakavi Rabindra Nath Tagore opined.– "You (Pt. Hem Chandra Goswami) may very well be proud of the author of this book who could handle prose in such a remarkable lucid style more than a century we had any prose in Bengal."[5]

In this regard Sir Ashotosh Mukherjee, a prominent writer of Bengal remarked– "The people who could write Gita in such prose in the 16th century was not a small people".[6]

In the origin and development of Assamese prose literature role of Bhattadeva is most important and highly impressionable. Therefore, Bhattadeva was regarded as father of Assamese

prose literature. In the Katha Bhagawata Bhattadeva used many Sanskrit words. The language of Katha Gita simple than that of katha Bhagawata, as it was composed later on. The language of these books is to extent in conversational style using some colloquial wods.

For Example:

Khere merhai agni dei: apunar
mangsha kati khuavaye : jibantae shrigal
shagune anta ubhare : sarpe kamore :
bichaye dankle : dahe mahe khai : hat bhari
bhange : hasti phetai mare : parbhatar para
pehlawe : gata khani pote : panit dubawae :
emane anek bhunjawai

(Katha Bhagavat, 3/30)

Yena mayee anadi Ishawara lila tanu dhariteo
naika naho, kinto sadaye thako.
tomio ei rajasobu upaji mario mor
angsha pade naika nohowa.
kintoo satate thaka.

(Katha Gita,2nd Chapter)

Benig inspired by the trend of Bhattadva's prose style many other assamese prose writers composed their books like Katha Ramayana of Raghunath Mahanta, 'Bhakti Ratnakar Katha' of Gopal Dwija and so on.

In the hostory of Assamese literature this period is called the period of expansion ofAssamese literature. Assamesse prose developed in various aspects in this period 16th to 18th century.

Another famous instance of Assamese prose literature of this age was historical literature. It is called 'Buranji' in Assam. At the very beginning of Ahom reign these were written in Tai Language. From the sixteenth century after Bhattadeva. Buranjis were written isAssamese language in prose. As to the Assamese historical literature, Sir G.A. Grierson opined-

Assamese are justly proud of their national literature. In no department have they been more successful than in a branch of study in which India, as rule is curiously deficient..... The historical works ¿ Buranjis, as they are styled by the Assamese, are numerous and voluminous. A knowledge of Buranjis was an indispensable qualification to an Assamese gentlemen".[7]

Charit Puthi, the biography of Vaishnavite Saints were also very precious prose literature of Assam. Study of Charit Puthi in 'Satras' of Assam was compulsory. 'Katha Guru Charit's is one valuable instance of this kind of prose literature in the 17th and 18th century. In the course of development of Assamese prose literature 'Hasti Vidyarnava', Ghora Nidana' and many other writings were being composed during the region of Ahom Kings upto18th Century.

Conclusion :


In this way Assamese Prose literature formed and developed up to 18th Century. Assam was brought under British Rule in 1826 A.D.when the American Baptist Missionaries also came to Assam. They published first Assamese journal 'Aronoday' in their own printing press at Sivasagar Dist. From this time the Assamese language took its moderbn shape with slight modification of original one. Simultaneously. Hem Chandra Boruah, an educationist of Assam composed Assamese Grammar and Assamese Dictionary for the first time which played a vital role in the formation of the modernAssamese language. The name of the Grammar is 'Asomiya Bhasar Vyakaran' and the dictionary is known as 'Hemkosh' Hem Ch. Boruah composed the grammar in modern form on the basis of the early assamese literature. The structure and form of the grammar and the dictinary given by Hem ch. Boruah has continued till now without any modification.

From the time of British Rule. Assamese were attracted towards modern education. Due to influence of the English literature a modification took place in the form and content of the Assamese prose literature. In 1889 A.D. the Journal "Jonaki" played an important role in this matter in whichthe idea of Romanticism deeply rooted in Assamese prose literature. In the field of short story, novel, drama, criticism etc. Assamese prose literature developed to a new stage.


References :


1. Boruah, Birinchi Kumar : Asomia Katha Sahitya.
2. Goswami, Hem Chandra : Katha Gita (ed)
3. Grierson, G.A. : Linguistic Survey Of India.
4. Sarma dploi, Harinath : Katha Bhagawat (ed).
5. Sarma doloi, Harinath : Asomia Godya Sahityar gati path.


# প্ৰাচীৰ শিল্প













# শিষ্টাচাৰ

**প্ৰজ্বলিতা শইকীয়া**
স্নাতক তৃতীয় যাণ্মাসিক, শিক্ষা বিভাগ

শিষ্টাচাৰ হ'ল সজ আচৰণ। শিক্ষা আৰু পৰিৱেশৰ প্ৰভাৱৰ দ্বাৰা মানুহৰ হৃদয়ৰ অভ্যন্তৰ ভেদি নিগৰি নিগৰি ওলোৱা পবিত্ৰ বস্তুটোৱেই হ'ল শিষ্টাচাৰ। দয়া আৰু সৰলতাৰ পৰাহে শিষ্টাচাৰ গঢ় লৈ উঠে। মিঠা মাত, ভাল কথা, ভাল ব্যৱহাৰ, সজ আচৰণ আদি শিষ্টাচাৰৰ চিৰ সহচৰ। শিষ্টাচাৰীয়ে আনৰ গুণ দেখিলে শলাগ লয় আৰু আনৰ ভুল দেখিলে নাহাঁহে। কাকো কথা আৰু কামেৰে আঘাত নিদিয়ে। সহস্ৰ ভুল, সহস্ৰ অপৰাধ, সহজভাৱেই গ্ৰহণ কৰিব পাৰে। নিজৰ গুণ বখনা শিষ্টাচাৰৰ ধৰ্ম নহয়। শিষ্টাচাৰ জন্মগতভাৱে নাহে। শিষ্টাচাৰ শিক্ষা, সংস্কাৰ, সংগ, পাৰিপাৰ্শ্বিকতাৰ পৰা গঠন হয়। এলেহুৱা ব্যক্তিয়ে শিষ্টাচাৰ গঠন কৰিব নোৱাৰে। আপুনি এলেহুৱা ভাব দুৰ কৰক। এলাহ হ'ল শিষ্টাচাৰৰ প্ৰধান শত্ৰু। এজন ব্যক্তি দুখীয়া হ'ব পাৰে, কিন্তু সজ আচৰণত দুখীয়া হোৱাৰ কোনো কাৰণ নাই বুলিব পাৰি। 'তৃণশস্যা, সমাদৰ আৰু জল, ভূমি সজৰ গৃহত ই চাৰিৰ নহয় নাটনি।' ভাল আচাৰ-ব্যৱহাৰে মানুহৰ ব্যক্তিত্ব বিকাশত সহায় কৰে আৰু ভাল আচৰণ কৰা ব্যক্তিক সকলোৱে শ্ৰদ্ধা, ভক্তি কৰে আৰু আকোৱালি লয়। সেয়েহে সময় বুজি শব্দ ব্যৱহাৰ কৰিব লাগে। 'ধন্যবাদ', 'অনুগ্ৰহ কৰি...', 'বেয়া নাপাব' এনেবোৰ শব্দই মানুহক আপোনাৰ প্ৰতি আকৃষ্ট কৰিব পাৰে। বন্ধু-বান্ধৱ, মিতিৰ কুটুম্বৰ ঘৰলৈ কোন সময়ত যাব লাগে আপুনি জানি লওক অন্যথা আপোনাৰ বন্ধু, মিতিৰ-কুটুম্বে আপোনাৰ লগ এৰিবলৈ চেষ্টা কৰিব। কোনো ৰোগীৰ লগত কথা পাতোতে সাৱধান হ'ব যাতে আপোনাৰ কথাত ৰোগীজন মানসিকভাৱে ভাগি নপৰে। ওচৰ-চুবুৰীয়াৰ লগত আন্তৰিকতা গঢ়ি তোলক, কিন্তু সদায় সচেতন হ'ব যে কোনো কাৰণতে ঘৰুৱা বিষয়ত সোমাব লগা নহয়। এষাৰ কথা আছে— আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়। সেয়েহে জীৱনত কৃতকাৰ্যতা লভিবলৈ 'সজ আচৰণ' শিকা উচিত। ■

## কৌতুক



এজন চোৰৰ পত্নীক পুলিচে সুধিলে—

পুলিচ : তুমি জানানে, তোমাৰ স্বামী এজন চোৰ?

চোৰৰ পত্নী : হয় জানো।

পুলিচ : তেওঁ যে চোৰ তুমি কেতিয়া গম পালা?

চোৰৰ পত্নী : যিদিনা তেওঁ মোক পলুৱাই আনিছিল।

**দিপাংকৰ দত্ত**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

# ভাগ্যহীন জীৱনৰ সুৰহীন গান

**ঋতুৰাজ বৰগোহাঁই**
**স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ**

সময় গতিশীল। এই গতিশীলতাৰ যুগতেই আৱৰ্তিত আমাৰ জীৱনৰো গতি। সেই গতিৰ পৰিণতিতেই হয়তো ৰাজীৱ আৰু ৰাজুৱে এৰি থৈ আহিছে স্কুলীয়া জীৱনৰ সেই স্মৃতিবোৰ। একেলগে খোৱা, খেলা, দুষ্টালি কৰা...ইআদি ইত্যাদি।

কিন্তু দুখীয়া জীৱনতেই আৱিৰ্ভাৱ হোৱা সেই বন্ধুত্বৰ এনাজৰীত তেওঁলোক এতিয়াও বান্ধ খাই আছে। তেওঁলোকৰ ইজনে-সিজনক নেদেখিলে এক পলো থাকিব নোৱাৰে। এইদৰে পাৰ হ'ল স্কুলীয়া জীৱন। বৰ্তমান তেওঁলোক মহাবিদ্যালয়ৰ ছাত্ৰ।

*প্ৰথম দিনা হোৱা ভাৱ বিনিময়ৰ যোগেদি অচিনাকিৰ লগত চিনাকি হৈ আপোনজন বুলি চেনেহেৰে বুকুত সাৱটি লৈ, পোহৰৰ বাটত খোজ পেলোৱা ৰাজীৱক এক নুবুজা প্ৰেমে মধুৰ ফালে টানি লৈ গৈছিল। মধুৰেও প্ৰথম দিনাৰ পৰাই ৰাজীৱক ভাল পাই পেলাইছিল।*

কোৱা হয় ছাত্ৰ-ছাত্ৰীৰ আটাইতকৈ মনোমোহা, ৰঙে ৰসে উপচি পৰা, মধুৰ স্বপ্নৰ, আৱেশেৰে ভৰপুৰ বৈচিত্ৰময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। কলেজীয়া জীৱন আনন্দোচ্ছল, মাধুৰ্যপূৰ্ণ, আশা-আকাংক্ষাৰ সোণালী ৰঙেৰে ৰঙীণ, ৰামধেনুৰ বিচিত্ৰতাৰে বৰ্ণিল। জীৱনৰ আকাশত গঢ়িব খোজা ইন্দ্ৰধনুৰ বাবে ৰহনীয়া ৰঙৰ মেলাত মন-ময়ুৰীয়ে পেখন ধৰি ধৰি নাচোনৰ মূৰ্চ্ছনা তোলে। এই সময়ছোৱা অফুৰন্ত আৱেগৰ সীমাহীন স্বপ্নৰ ভৰপুৰ। দিনবোৰ বাগৰি যোৱাৰ লগে লগে মহাবিদ্যালয়ত প্ৰথম দিনাই চিনাকি হোৱা মধুৰ লগত তেওঁলোকৰ বন্ধুত্ব গঢ়ি উঠিছিল।

নীল আকাশৰ অসীম নিলীমাত কল্পনাৰ ৰঙীণ তুলিকাৰে মনৰ সুখত পৰম তৃপ্তিত আঁকি গৈছিল তেওঁলোকৰ ছবিবোৰ। সোণালী স্বপ্নৰে ভৰা ৰঙীণ স্মৃতিবোৰ জীৱন্ত হৈ দেখা দিছিল সকলোৰে মাজত। প্ৰথম দিনা হোৱা ভাৱ বিনিময়ৰ যোগেদি অচিনাকিৰ লগত চিনাকি হৈ আপোনজন বুলি চেনেহেৰে বুকুত সাৱটি লৈ, পোহৰৰ বাটত খোজ পেলোৱা ৰাজীৱক এক নুবুজা প্ৰেমে মধুৰ ফালে টানি লৈ গৈছিল। মধুৰেও প্ৰথম দিনাৰ পৰাই ৰাজীৱক ভাল পাই পেলাইছিল। কিন্তু ইজনে-সিজনক মনৰ ভাৱ ব্যক্ত কৰা নাছিল আৰু শেষত তেওঁলোক বান্ধ খাই পৰিছিল প্ৰেম নামৰ এক অস্থায়ী বান্ধোনত। দুয়োৰে কল্পনাৰ ময়ুৰ পংখীয়ে সাতোৰহনীয়া ৰামধেনু হৈ দিগন্তৰ সীমাহীন কোনোবা সপোন ৰাজ্যলৈ উৰাই লৈ গৈছিল। কিন্তু এই সুখৰ দিনবোৰৰ মাজতো অনন্ত ব্যাপি সীমাহীনভাৱে বিস্তৃত হৈ থকা নীলা আকাশক পশ্চিমৰ ক'লামেঘে আৱৰি ধৰাৰ দৰে দুয়োৰে জীৱন অন্ধকাৰে আৱৰি ধৰিলে।

ৰাজুৱে তেওঁৰ বন্ধু ৰাজীৱৰ লগত থকা মধুৰ প্ৰেমৰ সম্পৰ্ক সহ্য কৰিব পৰা নাছিল। ৰাজুৱে ৰাজীৱৰ পৰা মধুক কেনেকৈ আঁতৰ কৰিব পৰা যায় সেইটোক লক্ষ্য হিচাপে লৈ শেষত লক্ষ্যত উপনীত হৈছিল। বন্ধুত্বৰ প্ৰেমৰ বান্ধোনৰপৰা মধু চিৰদিনলৈ ওলাই গৈছিল ৰাজীৱৰ জীৱনৰ পৰা। ৰাজীৱ এতিয়া সংগবিহীন।

জীৱনৰ কোবাল সোঁতত উটি-ভাঁহি গ'ল। শেষ হৈ গ'ল সকলো আশা, কল্পনা, মুক্ত আকাশৰ তলৰ মুক্তমন, মুক্ত চিন্তা লৈ জীৱনৰ জ্যোতিৰ বাট পোহৰাই তোলা প্ৰচেষ্টাত আগবঢ়া ৰাজীৱে এতিয়া আলিংগন কৰিছে ৰাতিৰ বিশাল নীৰৱতাক। বেথা ভৰা আউসীৰ নিষ্ঠুৰ পৰশে আৱৰি ধৰিছে চাৰিওফালৰ পৰা, দুৰ্ভগীয়া জীৱনৰ দাৰুণ, বেদনাবোৰ নিশাৰ বতাহৰ সতে ওচৰ চাপিছে। ৰিব্ ৰিব্ বা লগা বসন্তৰ মধুৰ ৰাতিপুৱা, শৰতৰ ৰাতিপুৱাৰ বকুলৰ গোন্ধ, শৰতৰ নিঁয়ৰৰ সেমেকা ৰাতিপুৱাৰ দৰেই আপোন আছিল সকলোবোৰ। কিন্তু নিয়তিৰ কঠোৰ বাধাত পৰি আজিও গাবলৈ বাধ্য ভাগ্যহীন জীৱনৰ সুৰহীন গান। ■

# আব্দুল মালিকৰ উপন্যাস

**মুন্দ্ৰিন্দ্ৰ কলিতা**
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

আলোচনীৰ পাত মেলিলে প্ৰথমে অসমীয়া সাহিত্যৰ ডাঙৰ মুকুটবিহীন সম্ৰাট চৈয়দ আব্দুল মালিকৰ নাম বিচৰাটো অসমৰ বেছিভাগ পাঠকৰে চিৰাচৰিত অভ্যাস। সাহিত্যই যাৰ চিনাকি, তেনে এজন লোকৰ জীৱনৰ ভিতৰৰ ছবিখন চাবলৈ সকলো পাঠকৰে কৌতূহল হোৱাটো স্বাভাৱিক মালিকৰ সাহিত্যৰ আলোচনা কৰিবলৈ গ'লে থমকি ৰ'ব লগা হয় ইয়াৰ বিশালতা আৰু ভিন্নতা দেখি। মালিকৰ সমগ্ৰ সাহিত্যৰ ভিতৰত উপন্যাসৰ অনুৰাগীৰ সংখ্যা বেছি। থুলমূল বিচাৰত তেখেতৰ উপন্যাসৰ সংখ্যা আঢ়ৈ কুৰিৰ ওচৰ।

মালিকৰ উপন্যাসত এটা বেলেগ সোৱাদ আছে। বাৰিষাৰ বৰষুণৰ অবিৰাম ৰিমঝিম আৱাজৰ দৰে এটা আমেজ আছে। অলপ দ্বি প্ৰহৰত পুৰণি বন্ধুৰ লগত কথা পাতিলে যেনে অনুভৱ হয়, তেনে ভাৱ হয় মালিকৰ উপন্যাস পঢ়িলে। মালিকৰ ক্লান্তিহীন কলমে উপন্যাসবোৰত বাধাহীন নদীৰ দৰে স্বচ্ছন্দ গতিৰে বৈ প্ৰেমৰ দৰে আলসুৱা, বিৰহৰ দৰে কোমল, অশ্ৰুৰ দৰে সেমেকা, মিলনৰ দৰে উত্তাপময় উচ্ছাসভৰা ভাষাৰে ন-যুৱতীৰ অনুৰাগে ভৰা হিয়াৰপৰা চাকৰিহীন যুৱকৰ মনোবেদনালৈ অথবা গ্ৰাম্যাঞ্চলৰ তিক্ত মধুৰ অভিজ্ঞতাৰে ভৰা চিৰসেউজীয়া কাহিনীৰে স্বচ্ছন্দ গতিৰে আগবঢ়া সাৰ্থক সৃষ্টি।

মালিকৰ উপন্যাস তাহানিৰ সাপ্তাহিক 'বাঁহী'ৰ পাতত ধাৰাবাহিকভাৱে ওলাইছিল লঃ সাঃ গুঃ। উপন্যাস জগতলৈ তেওঁৰ প্ৰথম প্ৰব্ৰজন হৈছিল এইখন অসম্পূৰ্ণ উপন্যাসতেই। তেতিয়াৰপৰাই লিখি আছে উপন্যাসৰ পিছত উপন্যাস। মালিক ঘাইকৈ মানুহৰ অনুভূতি জীৱনৰ ৰূপকাৰ। বিচিত্ৰ পৰিস্থিতিত নৰ-নাৰীৰ অনুভূতিক প্ৰতিক্ৰিয়া বৰ্ণনা কৰাই তেখেতৰ উপন্যাসৰ বৈশিষ্ট্য। তেখেতৰ উপন্যাসত দ্বি প্ৰহৰৰ কপৌৰ ৰুণ শুনিবলৈ পোৱা যায়। ১৯৬০ চনত প্ৰকাশিত 'সূৰুযমুখীৰ স্বপ্ন' এডৰিন ম্যুৰে যাক কৈছিল 'পেটাৰ্ণ' সেই পেটাৰ্ণ অথবা ৰূপকল্পৰ যাদুস্পৰ্শতেই সাৰ পাই উঠিছে এই 'স্বপ্ন'। ইয়াত যৌনিক বাসনাৰ স্থূলতাৰ বাকলিখন গুচাই তাক প্ৰেমৰ সূক্ষ্ম চেতনাৰ পোহৰত ধৰি আলোকিত কৰি তুলিছে। নদী আৰু মানুহৰ গাঢ় সম্পৰ্কতো জীৱনৰ ৰহস্য অন্বেষণ কৰিছে আৰু তাৰ অন্তৰালত কাম কৰি থকা দৈব্য আৰু জীৱনৰ গভীৰতালৈ সোমাই গৈছে। গোটেই উপন্যাসখনতেই বিয়পি আছে এক ট্ৰেজিক স্বৰূপৰ উপলব্ধি। 'সূৰুযমুখীৰ স্বপ্ন' গাঁৱৰ সাধাৰণ মানুহৰ কাহিনীৰ চৰিত্ৰৰে কেৱল এখন উপন্যাসেই নহয়, ৰোমাণ্টিক ভাৱ-কল্পনাৰে যাৰ লেখনিৰ বহুলাংশই ৰঞ্জিত, ভাস্বৰ, সেইজন লেখকৰ উপন্যাসৰ অলেখ কাহিনী চৰিত্ৰ তেখেতৰ জন্মভূমি নাহৰণিৰ পটভূমিৰেই। মালিকৰ উপন্যাসবোৰত ৰোমাণ্টিক প্ৰেমৰ জিলমিলনি এক প্ৰধান লাৱণ্য। তেখেতৰ প্ৰতিখন উপন্যাসৰ চমুটোকা লিখি সৌন্দৰ্য বিচাৰ কৰা সহজ নহয়। সামগ্ৰিক বিচাৰত তেখেতৰ উপন্যাসবোৰ কাহিনী প্ৰধান। তেখেতৰ জীৱনৰ প্ৰথম চোৱাৰ উপন্যাস 'ৰথৰ চকৰি ঘূৰে'ত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ কিছু পৰমাণে দেখা যায়।

১৯৭২ চনত 'সাহিত্য একাডেমী বঁটা' লাভ কৰে 'অঘৰী আত্মাৰ কাহিনী' উপন্যাসখনৰ বাবে। তেওঁৰ উপন্যাসৰ বিষয়বস্তু মাটিৰপৰা মেঘলৈ বিস্তৃত। মালিকৰ এখন সুবৃহৎ উপন্যাস 'আধাৰশিলা'ৰ কাহিনীটো কেইবাটাও খণ্ডত বিভক্ত। সঁচা মানুহৰ জীৱন কাহিনী বিলাক মালিকৰ ৰচনাত উপন্যাস হৈ পৰে। 'ৰূপতীৰ্থৰ যাত্ৰী' আৰু 'ধন্য নৰ তনু ভাল' দুয়োখন জীৱনীমূলক উপন্যাস।

ক্ৰমে 'জ্যোতিপ্ৰসাদ' আৰু 'শংকৰদেৱ'ৰ জীৱন কাহিনী ইয়াত উপজীব্য। বাস্তৱত সততে নেদেখা অংশবোৰত পোহৰ পেলাওতে চৰিত্ৰ সৃষ্টি, পৰিস্থিতি উপস্থাপন আৰু ভাষা ব্যৱহাৰত কেৱল সন্মোহনেই নহয়, অভীষ্ট ৰঙ দেখুৱাই বুজাই দিয়াৰ ক্ষমতাও আছে। 'ৰাতিৰ কবিতা', 'অন্য যুগৰ ভিন্ন তীৰ্থ', 'হাঁহি আৰু চকুলোৰে', 'সোণালী সুতাৰে বন্ধা' আদিকে ধৰি প্ৰতিখন উপন্যাসতেই এইজনা ৰূপকাৰৰ অনায়াস ছন্দেৰে মৃদু ধ্বনি স্পন্দিত একো একোখন সাৰ্থক সৃষ্টি। ■

# শালীনতা

**দিপান্তী পায়েং**
স্নাতক তৃতীয় বৰ্ষ

শালীনতা নাৰীৰ কাৰণে অতি আৱশ্যক। ই অমূল্য মুক্তা। শালীনতাৰ সীমা অতিক্ৰম কৰাটো নাৰীৰ কাৰণে ধৰ্মবিৰুদ্ধ। এই সীমা অতিক্ৰম কৰিলে বহু দুৰ্যোগ ঘটিব পাৰে। নাৰীত্বৰ এই গৌৰব নাৰীয়ে নিজে নষ্ট কৰাটো উচিত নহয়। বিনম্ৰ নাৰীয়ে তেওঁৰ শালীনতাৰ সহজাত গুণেৰে সদায় সীমাৰ ভিতৰতে থাকে। কোনটো ভাল কোনটো বেয়া সেই বিষয়ে তেওঁ স্বতঃস্ফুৰ্তভাৱে সজাগ হৈ পৰে।

শালীনতাই এগৰাকী নাৰীক আধ্যাত্মিক পবিত্ৰতাৰ উচ্চ স্তৰলৈ উন্নীত কৰিব পাৰে। বিনম্ৰ নাৰীয়ে ঘৰে-বাহিৰে, জনসমাজত তথা গোটেই পৃথিৱীতে কৰ্তৃত্ব খটুৱাবলৈ সমৰ্থ হয়। 'কিন্তু যিসকল নাৰীয়ে বিবেক দংশন অনুভৱ নকৰাকৈ শালীনতাক গ্ৰাস কৰি থৈছে, সেইসকল নাৰীকহে আজিকালি সন্মান প্ৰদৰ্শন কৰা দেখা যায়। তেওঁলোকে মুৰ ওখ কৰি ফিতাহি মাৰি ঘূৰি ফুৰে আৰু পৃথিৱীৰ লোকে লেশমানো কম নকৰাকৈ তেওঁলোকক সন্মান কৰে।

তেওঁলোকে শ্ৰদ্ধা আৰু সন্মান পাব পাৰে কিন্তু সেই সন্মান অনুমোদিত নহয় বা পাবৰ যোগ্য নহয়। সন্মান যদি অযোগ্য ব্যক্তি এজনক দিয়া হয় তেনেহ'লে সেয়া অপমানৰ সমতুল্য হয়। সেই সন্মান দিয়াৰ পিছত গ্ৰহণ কৰিলে সেই দানটোৰ অৱমূল্যায়ন কৰা হয়। এয়া দৰাচলতে সন্মান নহয়। তোষামোদহে। স্বাৰ্থপৰ আৰু লুভীয়া মানুহৰ দ্বাৰা অশালীন নাৰীক তোষামোদ কৰা হয়।

অৱশ্যে শালীনতাবোধ থকা নাৰীয়ে সন্মান বা প্ৰশংসাৰ কাৰণে আকাংক্ষা নকৰে। তেওঁৰ মনোনিবেশ শক্তি সদায় এটা সীমাৰ মাজত থাকে। সেই সীমা তেওঁ কেতিয়াও অতিক্ৰম নকৰে। সন্মান আৰু প্ৰশংসা তেওঁৰ ওচৰলৈ অযাচিতভাৱে আৰু অলক্ষিতে আহে। ফুলৰ বা পদুমৰ মধুৰে মৌমাখিৰ কাৰণে আকাংক্ষা কৰি নাথাকে। ফুলবোৰে মৌমাখিক আহিবলৈ কাকুতি নকৰে। যিহেতু মৌ মাখিবোৰে মধুৰ ঘ্ৰান পাইহ সেইকাৰণে নিজে নিজে ফুল বিচাৰি থাকে আৰু দৌৰি আহে। সিহঁতৰ আৰু মধুৰতাৰ মাজত আসক্তি থাকে কাৰণে সিহঁতে ফুলৰ ওচৰলৈ দৌৰি আহে। সেইদৰে সীমাৰ পৰিধি বুজি পোৱা নাৰী এগৰাকী আৰু তেওঁ লাভ কৰা সন্মানৰ মাজত এনেধৰণৰ সম্বন্ধ থাকে। যদি ভেকুলী এটাই পদুম ফুল এটাত বহি থাকি সি তাত বহি থকা বুলি পৃথিৱীত ঘোষণা কৰি দিয়ে তেনেহ'লে তাৰ দ্বাৰা এইটো বুজাবনে যে ভেকুলীটোৱে ফুলটোৰ সৌন্দৰ্য আৰু মধুৰতাৰ মূল্য বুজি পায়। সি ইয়াৰ পৰা কিবা সোৱাদ পাইছেনে? সি হয়তো পদুম ফুলটোক তোষামোদ কৰিব পাৰে কিন্তু ফুলটোৱে কি ধাৰণ কৰে সেইখিনি অন্ততঃ সি বুজি পাব লাগিব।

সেইদৰে আজিকালি নাৰীক কি প্ৰশংসা কৰিব লাগে আৰু কেনেকৈ প্ৰশংসা কৰিব লাগে সেই বিষয়ে কোনো জ্ঞান নথকা মানুহে এনেধৰণে শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰে।

তেওঁলোকে বিচাৰ ক্ষমতাৰ মান নুবুজে। তেওঁলোকৰ চূড়ান্ত মূল্যৰ ওপৰত কোনো বিশ্বাস নাই। যিটো প্ৰকৃততে ভাল আৰু মহান সেইটোক তেওঁলোকে সন্মান প্ৰদৰ্শন নকৰে। তেনে ক্ষেত্ৰত তেওঁলোকে প্ৰদান কৰা বস্তুটোক আমি কেনেকৈ শ্ৰদ্ধা বা সন্মান বুলি ক'ব পাৰো?

ইয়াক এবিধ ৰোগ বুলিহে ক'ব পাৰি। খুব বেছি 'সজ ব্যৱহাৰ'ৰ চিন বুলি ক'ব পাৰি। সেয়ে যথেষ্ট। আত্মধৰ্ম তত্ত্বই 'নাৰী' সংজ্ঞাটো 'শালীনতা বিহীন নাৰী'ৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ বিবেচনা নকৰে।

আত্মধৰ্ম অনুসৰণ নকৰা নাৰীক কোনোলোকে শ্ৰদ্ধা আৰু সন্মান কৰিলেও তাক প্ৰকৃততে মৃতদেহ এটাৰ ওপৰত সন্মানেৰে বিভূষিত হৈ থকা বুলিহে ক'ব পৰা যায়। শালীনতাবোধ থকা নাৰী এগৰাকীয়ে এনেকুৱা অৰ্থহীন অলাগতিয়াল আৰু সস্তীয়া বস্তুৰ আগত মুৰ অৱনত নকৰে। তেওঁ বৰং আত্মসন্মানহে বিচাৰে, যিটো অতি সন্তোষদায়ক। ঘৰ এখনৰ লক্ষ্মী হিচাপে পৰিগনিত হোৱাৰ সেইটোৱে বৈশিষ্ট্য। সেইকাৰণে পত্নীক গৃহলক্ষ্মী হিচাপে আখ্যা দিয়া হয়। পত্নীৰ যদি এনেকুৱা চিন নাথাকে তেতিয়া ঘৰখন কদৰ্যতাৰ স্থান হৈ পৰিব। ■

# মহান বিজ্ঞানীৰ ৰসাল কাহিনী

**ৰবীন্দ্ৰ দে**
স্নাতক প্ৰথম ষান্মাসিক, বিজ্ঞান শাখা

ক) মাইকেল ফেৰাড ঃ

প্ৰখ্যাত বিজ্ঞানীসকলৰ মাজৰে মাইকেল ফেৰাডো এজন অন্যতম বিজ্ঞানী। তেওঁ মাত্ৰ পঁচিশ বছৰ বয়সতে লণ্ডনৰ 'ৰয়েল ছ'চাইটি'ৰ সভ্য পদ লাভ কৰিছিল।

এবাৰ এজন ডেকা যুৱকে কিছুদিন ৰয়েল ছ'চাইটিত গৱেষণা কৰিবলৈ আহিল। যুৱকজন যিহেতু আন দেশৰ পৰা আহিছিল, সেয়ে ৰয়েল ছ'চাইটিৰ সকলো সভ্যকে তেওঁ ভালকৈ চিনি পোৱা নাছিল।

দুদিনমান কাম কৰাৰ পাছত তেওঁ লক্ষ্য কৰিলে যে তেওঁ কাম কৰা কোঠাটোৰ অন্য এটা চুকত লেতেৰা সাজ পাৰ পিন্ধা, ডাড়িয়ে গোফে ভোবোকাৰ বয়সীয়া মানুহ এজনে বহি কিবাকিবি কৰি আছে।

যুৱকজনে বৃদ্ধৰ কাষলৈ গৈ সুধিলে—'আপুনি সম্ভৱতঃ ইয়াত বহুত বছৰ ধৰি কাম কৰি আছে, নহয়নে?'

'হয়।'

—'আপুনি নিশ্চয় ইয়াৰ দাৰোৱানেই হ'ব।'

—'তেনে বুলিয়েই ধৰক।'

—'আপুনি নিশ্চয় ভাল দৰমহাই পায়?'

—'কম নাপাওঁ।'

—'আপোনাৰ নামটো বা কি?'


—'মাইকেল ফেৰাড।'

ফেৰাড বুলি কোৱাৰ লগে লগে যুৱকজন উচপ খাই উঠিল আৰু ক'লে—'মই আপোনাক চিনি পোৱা নাছিলো। মোক মাফ কৰিব।' ফেৰাডে উত্তৰত ক'লে—'মাফ কৰিবলৈ কিটো আছে? কিন্তু এটা কথা সঁচা, সাজ পোচাকেই সকলো নহয়।'

খ) ড° এলবাৰ্ট স্কুইজাৰ ঃ

বহুতো বিজ্ঞানীয়ে গোটেই জীৱন জুৰি গৱেষণাত লাগি থাকি নিজৰ থকা ঘৰ এটা বনাবলৈও সময় নাপায়।

এলবাৰ্ট স্কুইজাৰৰ ক্ষেত্ৰতো সেয়ে হৈছিল। তেওঁ শেষ বয়সত আফ্ৰিকাৰ লেমব্ৰেন নামে ঠাইত ঘৰ সাজিবলৈ লৈছিল, কিন্তু কি দুৰ্ভাগ্য যে কাঠ, বাঁহ আদি গোটোৱাৰ ঠিক পাছতেই এজাক ঘূৰ্ণী বতাহ আহিল। সেই বতাহজাকে কাঠ, বাঁহবোৰ উৰুৱাই নিব বুলি ভাবি তেওঁ সেইবোৰ ঠানঠিত লগাই জাপিবলৈ ধৰিলে। তেনেতে অলপ দূৰত ভাল সাজ-পোচাক পিন্ধা বগা চেহেৰাৰ এজন লোকক দেখি স্কুইজাৰে আতুৰত পৰি তেওঁক অলপ সহায় বিচাৰিলে। মানুহজনে কিন্তু সহায় কৰাৰ সলনি ক'লে—'মই এগৰাকী বুদ্ধিজীৱি। কাঠ, বাঁহ কঢ়িওৱাটো মোৰ কাম নহয়।' মানুহজনৰ কথা শুনি স্কুইজাৰ হতাশ হৈ পুনৰ কাম কৰাত লাগিল। তিনিটাকৈ ডক্টৰেট ডিগ্ৰীৰ অধিকাৰী আৰু ন'বেল পুৰস্কাৰ পাওঁতা স্কুইজাৰে মানুহজনক মাত্ৰ এযাৰ কথাই ক'লে—'ময়ো বুদ্ধিজীৱি হ'বলৈ চেষ্টা কৰিছিলোঁ, কিন্তু নোৱাৰিলোঁ। সাহিত্যিকহে হ'লো।' ■




# দুৰ্নীতি আৰু ছাত্ৰ সমাজৰ কৰ্তব্য


**হিমাশ্ৰী দাস**
স্নাতক প্ৰথম ষান্মাসিক, কলা শাখা


বৰ্তমান অসমত যি ৰাজনৈতিক বাতাবৰণে বিৰাজ কৰিছে। সেই বাতাবৰণ কেৱল ৰাজনীতিৰ জগততেই প্ৰভাৱ পেলোৱা নহয়। ই সৰ্বস্তৰৰ জনসাধাৰণৰ মনত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে। যি সময়ত অসমৰ বৰ্তমান চৰকাৰখনে মূল্যবৃদ্ধিৰ সমস্যা বোধৰ ক্ষেত্ৰতেই হওক বা খিলঞ্জীয়াৰ প্ৰতি নীতি গ্ৰহণৰ বিষয়তেই হওক সম্পূৰ্ণ ব্যৰ্থ হৈছে। যি সময়ত বিভিন্ন প্ৰান্তৰ উৎকৃষ্ট গৱেষণাৰ সৃষ্টিত নিমজ্জিত হৈ আছে, সেই সময়ত আমি মূল্যবৃদ্ধি, মাটিৰ পট্টা, বানপীড়িত খাদ্য সাহাৰ্য আৰু সকলো স্তৰতে খোপনি পুতা দুৰ্নীতি আৰু অপৰাধৰ বিৰুদ্ধে চিঞৰিব লগা হৈছে। অন্যথা, চৰকাৰে গ্ৰহণ কৰা প্ৰত্যেকখন আঁচনিতে দুৰ্নীতিৰ গোন্ধ পোৱা যায়।

ইন্দিৰা আবাস যোজনা, অন্ন সুৰক্ষা, অন্ত্যোদয়া, এনৰেগা, অনাময় আদি দৰিদ্ৰ সীমাৰেখাৰ তলত নাগৰিকৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহ দুৰ্নীতিৰ বোকাত লুতুৰি-পুতুৰি হোৱা দেখা গৈছে। আজি ৰাজনৈতিক, শৈক্ষিক, প্ৰশাসনিক, সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰৰ দুৰ্নীতি অপৰাধে ভৰি পৰিছে। বিশেষকৈ ৰাজনৈতিক ক্ষেত্ৰখন হৈ পৰিছে অপৰাধীৰ ভূ-স্বৰ্গ।

অৱশ্যে এই দুৰ্নীতিৰ বিৰুদ্ধে সবলভাৱে আগবাঢ়িব লাগিব আমাৰ ছাত্ৰ সমাজে। বিজ্ঞানসন্মত দৃষ্টিভংগীৰে সততা আৰু সৎ সাহসেৰে পৰিৱেষ্টিত এক সুস্থ-সবল যুৱ প্ৰজন্মইহে দুৰ্নীতিমুক্ত সমাজ গঢ়িব পাৰিব। আমাৰ এই সংকট কালত ছাত্ৰসকলৰ প্ৰধান কৰ্তব্য হ'ব প্ৰকৃত ৰাজনৈতিক চেতনাবোধেৰে ৰাজনৈতিক ক্ষেত্ৰখনত সক্ৰিয় অংশগ্ৰহণ কৰা আৰু ইয়াৰ জৰিয়তে এক বৈপ্লৱিক সংস্কাৰ সূচনা কৰি সমাজত প্ৰতিস্তৰৰ পৰা দুৰ্নীতি নামৰ সংস্কৃতিটোৰ অৱসান ঘটোৱাৰ বাবে অহোপুৰুষাৰ্থ কৰা। ■



# বিৰোধীবিহীন অসমৰ চৰকাৰ কোন দিশে

ঋতুৰাজ বুঢ়াগোহাঁই
স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

. . . অসমৰ চৰকাৰ মানবিহীন। বিৰোধীহীন চৰকাৰ হোৱাত ৰাজনৈতিক বাতাবৰণ অচল হৈ আছে। এই বাতাবৰণে কেৱল ৰাজনীতিৰ জগতখনতেই প্ৰভাৱ পেলোৱা নাই, ই জনসাধাৰণৰ জীৱনতো প্ৰভাৱ বিস্তাৰ কৰিছে। অভিজ্ঞতাপুষ্ট চৰকাৰখনে জনগণৰ সমবেচনা উপলব্ধি কৰি জনসাধাৰণৰ কল্যাণ সাধন কৰিব পাৰিববুলি আশা কৰিব নোৱাৰি কাৰণ চৰকাৰখন বিৰোধীহীন।

প্ৰকৃত গণতন্ত্ৰৰ বাবে বিৰোধীবিহীন ৰাজনৈতিক দল অতিকৈ প্ৰয়োজন। কিন্তু বৰ্তমান অসমৰ গণতান্ত্ৰিক ব্যৱস্থা বিৰোধী দলে এক গুৰুত্বপূৰ্ণ তাৎপৰ্য বহন কৰিছে। অসমৰ বিধান সভা নিৰ্বাচনৰ ফলাফলে কিছুমান নতুন চিন্তাৰ খোৰাক যোগালে আৰু চিন্তা-দুঃচিন্তাৰ মাজতো আমাক অলপ আমোদ উপভোগ কৰাৰ সুবিধা দিলে।

অসমৰ বাতৰি কাকত আৰু টি.ভি চেনেলত এখন ওলমা বিধানসভা হ'ব বুলি অতিশয় প্ৰত্যয়েৰে কৈ থাকিল আৰু সেইটো সত্য হ'ল। অসমত বহুতো ৰাজনৈতিক দল আছে যদিও ইয়াত কোনো বিৰোধী দল নাই। এটা বিৰোধী দল গঠন হ'বৰ কাৰণে যিমানখন আসনৰ প্ৰয়োজন হয় অৰ্থাৎ ছয়ভাগৰ এভাগ আসনৰ প্ৰয়োজন হয়, কিন্তু শাসকগোষ্ঠীৰ দলৰ বাদে আন কোনো এটা দল বিৰোধী দলৰ ভূমিকা গ্ৰহণ কৰিব পৰাকৈ আসন লাভ কৰিব নোৱাৰিলে। ফলত অসমত এখন বিৰোধীবিহীন চৰকাৰ গঠন হ'ল। বিৰোধীবিহীন চৰকাৰ হোৱাৰ কাৰণে শাসকীয় চৰকাৰে একনায়কত্বতা শাসন চলোৱাৰ সুবিধা পালে। বিৰোধীবিহীন চৰকাৰে গণতন্ত্ৰৰ কাৰণে অতি অশুভ সংবাদ কঢ়িয়াই আনিলে।

অসমত বিৰোধীবিহীন চৰকাৰ হোৱাৰ বাবে প্ৰধান বিৰোধী দলৰ ভূমিকা জনসাধাৰণ, বাতৰি কাকত আৰু মেডিয়াই পালন কৰিব লাগিব। ই অতি দুৰ্ভাগ্যজনক। অসমৰ ৰাজনীতিৰ কথা চৰকাৰৰ সকলোধৰণৰ ভুল-ত্ৰুটিবোৰ দেখুৱাব পাৰিব। কিন্তু বিধান সভাৰ মজিয়াত জনসাধাৰণ, বাতৰি কাকত আৰু মেডিয়াই বিৰোধী দলৰ ভূমিকা গ্ৰহণ কৰিব নোৱাৰে।

ৰাজনীতি আৰু প্ৰশাসনত নৈতিকতাৰ দ্ৰুত অৱক্ষয় ঘটিছে। প্ৰচলিত আইনসমূহ আৰু শাসন পদ্ধতিয়ে দুৰ্নীতিৰ দুৰন্ত গতিক নিয়ন্ত্ৰণ কৰিব পৰা নাই। অসমত বিৰোধীহীন চৰকাৰ হোৱাৰ বাবে অসমৰ ৰাজনীতিত এটা বিৰোধী দলৰ প্ৰভাৱ জনসাধাৰণৰ মাজত বহুপৰিমাণে প্ৰভাৱ পৰিছে।

শাসনগোষ্ঠীৰ আত্মতুষ্টি, দম্ভ, স্বেচ্ছাচাৰী আৰু অপ্ৰতিৰোধ ক্ষমতাই দায়িত্ববোধ আৰু সেৱাৰ মনোবৃত্তিৰ পৰা বিচ্যুত কৰিব পাৰে, কাৰণ অসমৰ চৰকাৰ মানবিহীন। বিৰোধীহীন চৰকাৰ হোৱাত ৰাজনৈতিক বাতাবৰণ অচল হৈ আছে। এই বাতাবৰণে কেৱল ৰাজনীতিৰ জগতখনতেই প্ৰভাৱ পেলোৱা নাই, ই জনসাধাৰণৰ জীৱনতো প্ৰভাৱ বিস্তাৰ কৰিছে। অভিজ্ঞতাপুষ্ট চৰকাৰখনে জনগণৰ সমবেচনা উপলব্ধি কৰি জনসাধাৰণৰ কল্যাণ সাধন কৰিব পাৰিব বুলি আশা কৰিব নোৱাৰি কাৰণ চৰকাৰখন বিৰোধীহীন। এই ক্ষেত্ৰত ছাত্ৰসকলে বা যুৱ সমাজে ৰাজনীতিত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিলেহে জনসাধাৰণৰ কল্যাণ সাধন কৰিব পাৰিব বুলি বহু পৰিমাণে আশা কৰিব পাৰি। ■

*নিশাৰ আন্ধাৰত তাই এবাৰ বহে এবাৰ শোৱে। মাজে মাজে উঠি আন্ধাৰ কোঠাটোৰ অকণমান ঠাইকণতে তাই খোজ কাঢ়ে। ডিঙিৰ ওপৰত আহি দুখবোৰে খুন্দা মাৰি ধৰে। চিঞৰি চিঞৰি কান্দিব খোজে তাই।*

# গল্প - স্মৃতিক পাহৰিব নোৱাৰি

**সবিতা কলিতা**
স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ

এটা অবাঞ্ছিত ফোনকলে যোৱা দুদিন ধৰি তাইৰ মনৰ মাজত প্ৰচণ্ড ধুমুহাৰ সৃষ্টি কৰিছে। আনদিনাৰ দৰেই পুৱা উঠিয়ে চেলফোনৰ ছুইচ্ অন কৰিছিল তাই। ছুইচ্ অন কৰাৰ ক্ষন্তেক সময়ৰ পিছতেই সংগীতৰ মৃদু ধ্বনিৰে তাই শোৱনি কোঠাটো বুৰাই পেলাইছিল। ইমান পুৱাই কাৰ ফোন হ'ব পাৰে? অকণমান কৌতূহলেৰে তাই হাতত ফোনটো তুলি লৈছিল। সিফালৰ পৰা ভাঁহি আহিছিল টো নিচিনা কণ্ঠস্বৰ। সেই পুৰুষ কণ্ঠই তাইক সুধিছিল—'জোন চিনি পাইছানে?'

গভীৰ সমুদ্ৰৰ তলিৰ পৰা ওলাই আহিছিল যেন এক শ্বেতপদ্ম। নুপুৰৰ ৰুণ্ জুন শব্দই যেন তাইৰ চাৰিওকাষৰ বতাহখিনিক উন্মনা কৰি তুলিছিল। তাই সমস্ত শৰীৰ জিকাৰ খাই উঠিছিল। কিন্তু সেয়া এক মুহূৰ্তৰ বাবহে। পিছ মুহূৰ্ততে তাই গৰ্বিনী। কণ্ঠত কিছু বিৰক্তি সানি তাই অকণমান আচৰিত হৈ প্ৰশ্ন কৰিলে—'ইমান বছৰৰ মূৰত কেনেকৈ মনত পৰিল?' সিটো মূৰৰ পৰা কাকুতিৰ সুৰত উত্তৰ আহিছিল—'মনততো সদায় পৰে।'

অতি সৌজন্যসূচক দুই এষাৰ কথা কৈ তাই ফোনটো একাষৰীয়াকৈ থৈ দিলে। একৈশ বছৰৰ আগতে এজন বিশেষ ব্যক্তিয়ে তাইক জোন বুলি মাতিছিল। সেই একৈছ বছৰৰ আগৰ তাই জীৱনৰ এটা বিশেষ অধ্যায় এই ফোনকলটোৱে মুকলি কৰি দিছিল। তাইৰ মনৰ মাজত, সেই অধ্যায়, যি অধ্যায় বৰ্তমানৰ সৈতে অপাংক্তেয়। যি অধ্যায় মনত পেলাবলৈ তাই কোনোদিনে চেষ্টা নকৰে। তাই চিনি পায় বৰ্তমান, কেৱল বৰ্তমানক।

'জোন, জোন'—বহুনিশা তাইৰ কাণত বাজিছিল এই শব্দটো। জোনেই আছিল তাই অৰ্থাৎ জোনালী। ৰাতি জোনৰ পোহৰত শূন্যময় আকাশৰ তলত গীত গাই ফুৰিছিল তাইৰ প্ৰেমাস্পদে। কিমান বয়স হৈছিল বাৰু তেতিয়া তাইৰ? ওঠৰ-উনৈশ...? ফুলশয্যাৰ পৰা উঠি তাই খোজ পেলাব লগীয়া হৈছিল এখন কাঁইটীয়া পথাৰত। এখন মুকলি পথাৰ। তাই দিশহাৰা হৈছিল সেই মুকলি পথাৰত। তাইৰ সুকোমল অনুভূতিবোৰ সেই কাঁইটে ছিৰিলা ছিৰিলকৈ ফালি পেলাইছিল। পথাৰখনৰ মাজত থিয় হৈ তাইৰ একুৰা জুইৰ পোহৰ চকুত পৰিছিল। সেই জুইকুৰাক উদ্দেশ্যি তাই খোজ লৈছিল। সেই জুইকুৰা আছিল হোমাগ্নিৰ জুই।

বৰ চঞ্চল হৈ পৰিছিল তাই। পৰিয়াল-পৰিজনৰ অজ্ঞাতে তাই এটা নতুন জীৱনৰ পাতনি মেলিছিল। আত্মাৰ ওপৰত, প্ৰেমৰ ওপৰত তাইৰ বিশ্বাস আছিল। সেয়ে কৰ্ট কাছাৰীৰ চৰী নাইবা মন্দিৰলৈ গৈ মালা অদল-বদলত তাই গুৰুত্ব দিয়া নাছিল। যাৰ ফলত তাইৰ সেই নতুন জীৱনটোক কোনেও স্বীকৃতি নিদিলে। আনকি তাইৰ মনৰ মানুহজনেও। এদিন তাইক উপেক্ষা কৰি তেওঁ আন এখন সংসাৰৰ পাতনি মেলিছিল। সেইখন আছিল সমাজ স্বীকৃত পৰিয়াল পৰিজনৰ আশীৰ্বাদধন্য সংসাৰৰ। তাই হৈ পৰিল এলাগী। তাই হৈ পৰিল অস্থিৰ। হাত ভৰিৰ পতা শিৰশিৰাই উঠে। নিশাৰ আন্ধাৰত তাই এবাৰ বহে এবাৰ শোৱে। মাজে মাজে উঠি আন্ধাৰ কোঠাটোৰ অকণমান ঠাইকণতে তাই খোজ কাঢ়ে। ডিঙিৰ ওপৰত আহি দুখবোৰে খুন্দা মাৰি ধৰে। চিঞৰি চিঞৰি কান্দিব খোজে তাই। সাধাৰণ দহজনী ছোৱালীৰ দৰে দুগাল তিয়াই তাই কান্দিব নোৱাৰিলে। তাই হৈ পৰিল মাথোঁ অস্থিৰ।

তাৰ পিছত যেন পাৰ হৈ গ'ল বহু যুগ। বহুকেইটা অধ্যায়। পুৰা একৈশ বছৰ। বছৰ হিচাপেৰে বৰ কম বছৰ নহয়। কিয় মনত পেলালে তেওঁ এতিয়া তাইক? কিয় কিয়? নাই সেই কিয়ৰ উত্তৰ নালাগে তাইক। অতীতৰ ভাৱাক্ৰান্ত স্মৃতিৰে তাই বৰ্তমানটোক গধুৰ কৰিব নিবিচাৰে। ■

# আত্মসংযম

**নমিতা বৰা**
স্নাতক তৃতীয় বৰ্ষ

মানৱ জীৱনৰ মূল সম্পদ হ'ল চৰিত্ৰ। এই চৰিত্ৰৰ ঘাই উপাদান হ'ল আত্মসংযম। জীৱনৰ সমস্ত নৈতিক উৎকৰ্ষৰ মূলতে হ'ল আত্মসংযম। সাধাৰণতে মানুহৰ মানসিক প্ৰবৃত্তি দুই ধৰণৰ সু-প্ৰবৃত্তি আৰু কু-প্ৰবৃত্তি। এই দুয়োবিধ প্ৰবৃত্তিৰ ভিতৰত কু প্ৰবৃত্তিৰ প্ৰতিয়েই মানুহ সহজতে আসক্ত হয়। যি মুহূৰ্ততেই এই আসক্তি জাগ্ৰত হয় সেই মুহূৰ্তৰ পৰাই মানুহ এজনৰ নৈতিক উৎকৰ্ষৰ পতন ঘটিবলৈ ধৰে। তেতিয়াই লোকজনে সংসাৰৰ চাকনৈয়াত পৰি উবাদিহ হেৰুৱাই। তেওঁ জীৱনৰ পথত দিশহাৰা পথিকৰ দৰে হৈ পৰে। আটাইতকৈ শক্তি কু প্ৰবৃত্তিসমূহৰ তেওঁ দাস হৈ পৰে।

তেওঁ নিজকে নিয়ন্ত্ৰিত কৰি ৰাখিব লাগিব আৰু এই কাৰ্য কৰিবলৈ সক্ষম হ'ব কেৱল আত্মসংযমৰ দ্বাৰাহে। এই সংসাৰত প্ৰকৃত শক্তিশালী সেইজনেই যিজনে নিজৰ মনোভাৱ, কথা আৰু কাৰ্যৰ অবিৰত নিয়ন্ত্ৰণত ৰাখে। প্ৰকৃততে আত্মসংযম হ'ল এক প্ৰকাৰৰ মানসিক সচেতনতা। যাৰ দ্বাৰা মানুহে সততাৰ পথেৰে আগুৱাব পাৰে। ই মানুহৰ এটা সহজগুণ। ইয়াৰ উৎপত্তি স্থল মানুহৰ মনেই। মানুহে নিজ চেতনাৰ দ্বাৰা ইয়াৰ বিকাশ ঘটাব পাৰে। কিন্তু ইয়াৰ বাবে প্ৰয়োজন হয় কঠোৰ অভ্যাস আৰু কঠোৰ আত্মানুশাসনৰ। কাৰণ এই দুবিধ উপকৰণেই হ'ল এজন মানুহৰ সৎ চৰিত্ৰৰ মূল অৱলম্বন। গতিকে আত্মসংযমৰ দৰে, চৰিত্ৰৰ এক মূলভেটি অভ্যাস আৰু আত্মানুশাসনৰ যোগেদি লাভ কৰি জীৱনটোক প্ৰকৃত পথেৰে আগুৱাই নি সক্ষম কৰি তুলিব পাৰি।

> **এই সংসাৰত প্ৰকৃত শক্তিশালী সেইজনেই যিজনে নিজৰ মনোভাৱ, কথা আৰু কাৰ্যৰ অবিৰত নিয়ন্ত্ৰণত ৰাখে। প্ৰকৃততে আত্মসংযম হ'ল এক প্ৰকাৰৰ মানসিক সচেতনতা। যাৰ দ্বাৰা মানুহে সততাৰ পথেৰে আগুৱাব পাৰে।**

কবি ৱৰ্ডচৱৰ্থক সকলোৱে জানে। ল'ৰাকালত তেওঁ ভীষণ উগ্ৰ প্ৰকৃতিৰ আছিল। তদুপৰি তেওঁ আছিল অসাধ্য আৰু শাসন নমনা স্বভাৱৰ। কিন্তু তেওঁৰ জীৱনৰ অভিজ্ঞতাই তেওঁক নিজকে সংযত কৰিবলৈ শিকালে। বিশেষকৈ তেওঁ নিজৰ মানসিক অৱস্থাক শাসনত ৰাখিবলৈ শিকিলে আৰু ইয়াৰ ফলস্বৰূপে এটা সুন্দৰ সাৰ্থক জীৱন লাভ কৰিলে।

এখন সুস্থ সমাজ গঢ় ল'বলৈ সমাজৰ প্ৰতিজন ব্যক্তিৰে আত্মসংযম, আত্মসন্মানবোধ, আত্ম মৰ্যাদাবোধ তথা আত্মানুশাসন থকাটো নিতান্তই প্ৰয়োজন। গতিকে এখন সুস্থ সমাজ গঢ়িবলৈ জীৱনত সাৰ্থকতা লভিবলৈ যথেষ্ট চেষ্টাৰ উপৰিও আত্মসংযমৰ দৰে মহান গুণৰ অতিশয় প্ৰয়োজন। ■

# জীৱন এক সংগ্ৰাম


**তৰুণ গগৈ**
স্নাতক দ্বিতীয় বৰ্ষ, শিক্ষা বিভাগ

জীৱন কি? জীৱনৰ অৰ্থ কি?

জীৱন এক সংগ্ৰাম। এক গতানুগতিক ব্যস্ততা। কোনোবাই ত্যাগ কৰে, কোনোবাই গ্ৰহণ কৰে, কোনোবাই হৃদয়ৰ পাত লুটিয়াই লিখে সোণালী ইতিহাস। এয়াইটো জীৱন। জীৱনৰ সম্পৰ্কে বিভিন্নজনৰ বিভিন্ন মত আছে। জীৱন খন নদী। কেতিয়াবা বহল, কেতিয়াবা গভীৰ, কেতিয়াবা ৰুক্ষ আৰু কেতিয়াবা কোমল। অজান ইয়াৰ চৰিত্ৰ। কিন্তু নদীৰ দৰে জীৱনে নিজে নিজৰ বাট উলিয়াই গৈ থাকে, তাত কাৰো হাত নাথাকে। আপেক্ষিকভাৱে কেৱল সুখ আৰু দুখৰ আঁচ থাকি যায় জীৱনত। প্ৰকৃত অৰ্থত জীৱন এক সংগ্ৰাম। সৎপথত চলা জনে জীৱনৰ প্ৰকৃত সত্য দেখা পায় আৰু তেওঁৰ জীৱনৰ কাঁইটীয়া বাট অতিক্ৰম কৰি মাণিক বিচাৰি পাবলৈ সক্ষম হয়।

সকলো মানুহেই খাই বৈ জীয়াই থাকে। কিন্তু খাই বৈ জীয়াই থকাটোৱেই জীৱন হ'ব নোৱাৰে। বৰ্তমান যুগত মানুহ সকলো বস্তুৰে অধিকাৰী হ'ব লাগিব। নোপোৱাটো পাবলৈ, নজনাটো জানিবলৈ মানুহে অসাধ্য সাধন কৰিব লাগিব। অৱশ্যে মানৱীয় গুণেৰেহে মানুহে এই কাম কৰিব লাগিব। ধন, সোণ এই ক্ষেত্ৰত সম্পূৰ্ণ ব্যতিক্ৰম। কেৱল ধন সোণেই মানুহৰ সকলো হ'ব নোৱাৰে। মানুহৰ মাজত মানৱ সমাজত সকলোৰে মাজত মিলা-প্ৰীতিৰ এনাজৰীডাল নাথাকিলে মানৱীয় গুণসমূহৰ অৱক্ষয় ঘটিলে কেৱল ধন সোণেই মানুহক এক সুখী জীৱন দিব নোৱাৰে।

নিজৰ জীৱনক ভাল পাবলৈ হ'লে প্ৰথমে ভাল পাব লাগিব মানুহক। প্ৰত্যেকজন মানুহৰে সাৰ্বজনীন আৱেগ-অনুভূতি, সুখ-দুখবোৰ সহৃদয়তাৰে উপলব্ধি কৰিব লাগিব। তেতিয়াহে জীৱনৰ প্ৰকৃত সত্য কি তাক বুজি পায় আৰু এখন সভ্য সমাজ তথা দেশ গঢ়ি তাক প্ৰগতিৰ পথত আগুৱাই নিব পাৰিব। মুঠতে জীৱন এনে এক প্ৰক্ৰিয়া যাৰ অৰ্থ কৈ শেষ কৰিব নোৱাৰি। যাক বহু সময়ত আনকি মৃত্যুৰ সময়ৰ লৈকেও বহুতে বুজিব নোৱাৰে আৰু ইয়াৰ গভীৰৰ পৰা গভীৰতম অংশ জানি বুজি শেষ কৰিব নোৱাৰি। জীৱন এক ৰহস্যময়, চলনাময় প্ৰাণস্পন্দন, জীৱন এক অন্তহীন জিজ্ঞাসা। জীৱনটো হ'ল অসাৰ। প্ৰয়োজনো নাই, তথাপি আছোঁ জীয়াই...।■



# হেৰুৱা সত্ত্বাৰ সন্ধানত

**মনময়ুৰী নাথ**
স্নাতক দ্বিতীয় বৰ্ষ

মাইনা, তোমাৰ ঘৰ ক'ত? মানুহগৰাকীয়ে বিনয়ক সুধিলে। 'মোৰ ঘৰ নাই।' সি তললৈ মূৰ কৰিয়েই ক'লে। আচলতে সি জানো মিছা কথা ক'লে? কাষৰ টেবুলখনৰ পৰা গিলাচ প্লেট কেইখন সি তুলি লৈ গ'ল। দুৱাৰমুখৰ পৰা সি মানুহগৰাকীকো আকৌ চালে, মানুহগৰাকীয়েও তালৈ চাই হাঁহি আছে, জীৱনৰ কিমান বছৰৰ মূৰত যে এটা শব্দ শুনিছে, 'মাইনা' যিটো শব্দ শুনি অতীতৰ এখন ছবি চকুৰ আগত ভাঁহি উঠিল। যেতিয়া ঢকুৱাখনাৰ নিজৰ ঘৰত আছিল, মাক-দেউতাক, সি আৰু ভনীয়েকৰ সৈতে এখন সৰু সুখৰ সংসাৰ। মাকে তাক মৰমতে মাইনা বুলি মাতিছিল। কিমান যে আনন্দৰ আছিল সেই দিনবোৰ। মাকে শুবৰ সময়ত তাৰ মূৰত আঙুলি বুলাই 'শিয়ালি এ নাহিবি ৰাতি' গাইছিল আৰু তাৰ টোপনি আহিছিল। কি যে তৃপ্তি আছিল মাকে ৰান্ধি দিয়া ব্যঞ্জনসমূহ। এতিয়া মাথোন সকলো তাৰবাবে সপোন, কিন্তু সিহঁতৰ সুখৰ সংসাৰখনলৈ এদিন কলীয়া ডাৱৰ নামি আহিল। ৰাতি ব্ৰহ্মপুত্ৰৰ বলীয়া বানত বিনয়ৰ মাক-দেউতাক আৰু মৰমৰ ভনীয়েকজনী কেতিয়ানো উটি গ'ল সি গমকে নাপালে। সেই পানীৰ মাজত অকল সিহে বাচি থাকিল। ভাবিলে তাৰ বুকুখন হাহাকাৰ কৰি উঠে, আচৰিত লাগে, কিন্তু স্বাৰ্থপৰ দদায়েকে তাক আনি এই হোটেলখনত বিক্ৰী কৰি থৈ গ'ল।

*বিনয়ে মানুহগৰাকীৰ চকুলোৰে ভৰা মুখখনলৈ চালে, যি মানুহগৰাকীৰ মুখত দেখা পালে তাৰ হেৰাই যোৱা মাকৰ ছবিখন। সি আৰু বৈ থাকিব নোৱাৰিলে 'মা' বুলি চিঞৰি মানুহগৰাকীক মৰমেৰে সাৱটি ধৰিলে।*

'ঐ ল'ৰা কি চাই আছ, টেবুলবোৰ চাফা নকৰ কিয়?' মালিকৰ ধমকিত বাস্তৱলৈ ঘূৰি আহিছিল সি। মানুহগৰাকীৰ ওচৰত সি লাজো পালে। চলচলীয়া ৰঙা পৰা চকু দুটা সি কোনেও নেদেখাকৈ মচি ল'লে।

'মাইনা এইফালে আহা।' মানুহগৰাকীয়ে তাক মাতিলে সি যাওঁ নাযাওঁকৈ তেওঁৰ ওচৰ পালেগৈ। তোমাৰ ঘৰ ক'ত? তুমি ইয়াত কেনেকৈ পালাহি? মানুহগৰাকীয়ে তাক সুধিলে। বিনয়ে মানুহগৰাকীক তাৰ জীৱনৰ সকলো কথা কৈ দিলে। আজি তাৰ সদায় চৰ, ভুকু খাই থকা মালিকলৈও ভয় নালাগিল, আনকি সি তেওঁক হোটেলৰ মালিকে কৰা অত্যাচাৰৰ কথাও মন খুলি ক'লে। 'তুমি মানে ইয়াত থাকি বেয়া পাইছা নহয়?' মানুহগৰাকীয়েও তালৈ প্ৰশ্নবোধক দৃষ্টিৰে চালে। কি জানো কেতিয়াবা মোৰ মৰি যাবলৈ মন যায়, কিন্তু মই যে মৰিব নোৱাৰো, পলাবও নোৱাৰোঁ। পলাই গৈ মই ক'ত থাকিম, কি খাম? মোৰো যে জীয়াই থাকিবলৈ বৰ মন। ডাঙৰ হ'লে মই যেন এই তেজপিয়াবোৰৰ বিপক্ষে..........,

ঃ তেতিয়া হ'লে তুমি মোৰ লগত যাবা?

ঃ যাম। যি উলাহেৰে ক'লে। কিন্তু মালিকে জানো মোক পঠাব?


ঃ মই তোমাৰ মালিকৰ লগত কথা পাতিছোঁ। তেওঁ তোমাৰ ইচ্ছাৰ কথা কৈছে।

ঃ মই যাম। মোৰ পঢ়িবলৈ বৰ মন যায়। আপুনি মোক পঢ়াবনে? বিনয়ে আৱেগেৰে সুধিলে। সি আৰু ইয়াত অত্যাচাৰৰ মাজত জীয়াই থাকিব নোৱাৰে।

নিশ্চয় তুমি পঢ়িব পাৰিবা। কিন্তু এটা চৰ্ত, তুমি আজিৰ পৰা মোক 'মা' বুলি মাতিব লাগিব। আমাৰো তোমাৰ নিচিনা এটা ল'ৰা আছিল কিন্তু নিষ্ঠুৰ ভগৱানে তাক আমাৰ পৰা কাঢ়ি লৈ গ'ল। কথাটো কৈ মানুহগৰাকীৰ চকুলো বাগৰিল। বিনয়ে মানুহগৰাকীৰ চকুলোৰে ভৰা মুখখনলৈ চালে, যি মানুহগৰাকীৰ মুখত দেখা পালে তাৰ হেৰাই যোৱা মাকৰ ছবিখন। সি আৰু বৈ থাকিব নোৱাৰিলে 'মা' বুলি চিঞৰি মানুহগৰাকীক মৰমেৰে সাৱটি ধৰিলে। সি যেন হেৰাই যোৱা মাকক আকৌ ঘূৰাই পালে। মাথোন ভগৱানক প্ৰাৰ্থনা কৰিলে, তাৰদৰে দৰিদ্ৰ হিয়াৰ আন ল'ৰা ছোৱালীবোৰেও যেন এটা নতুন জীৱন ঘূৰাই পাওক। ■

# কলমৰ উদ্ভাৱন

**দিপাংকৰ দত্ত**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



মানুহে লিখিবলৈ শিকাৰ পাছৰে পৰা বিভিন্ন প্ৰকাৰৰ লেখন সামগ্ৰীৰ প্ৰচলন আছিল। আদিম যুগত যিসকল লোক গুহাত বাস কৰিছিল তেওঁলোকে নানা চিহ্নৰ দ্বাৰা তেওঁলোকৰ কাৰু-কাৰ্য, ধৰণ-কৰণ আদি শিলত খোদিত কৰি থৈ গৈছে। সেয়া হ'ল তেওঁলোকৰ লিখন পদ্ধতি। তাৰ পৰিৱৰ্তিত পৰ্যায়ত ভিন্ন গছৰ পাতত আখৰ লিখিছিল। লাহে লাহে মানুহৰ মগজুৰ বিকাশ ঘটাত চৰাই পাখিৰে লিখা আৰম্ভ কৰিলে। আগৰ দিনৰ ঋষি-মুনিসকলকে আদি কৰি শংকৰ মাধৱেও ধৰ্মগ্ৰন্থসমূহ লিখিবৰ বাবে চৰাইৰ পাখি ব্যৱহাৰ কৰিছিল। তাৰ পৰৱৰ্তী পৰ্যায়ত মানুহে বিভিন্ন গছৰ পাত চেপি চিয়াহী প্ৰস্তুত কৰিছিল। ভাৰতত মোগল সম্ৰাটসকলৰ দিনত বিভিন্ন ধৰণৰ কাঠৰ কলমৰ ব্যৱহাৰ থকাৰ কথা জনা যায়। আপোনা-আপুনি চিয়াহী ওলাই অহা কলমৰ উদ্ভাৱন হয় ১৬৫৫ চনত। এনে কলমত পাখিৰ নিব এটাৰ ওপৰত টিউৱ লগাই তাত চিয়াহী ভৰাইছিল। টিউবৰ পৰা চিয়াহী ওলাবলৈ মাজে মাজে টিউবটো চেপি দিব লাগিছিল। এনেদৰে প্ৰায় এশ দুশ বছৰ চলিছিল। ইয়াৰ পাছত ১৮২০ চনত ইংলণ্ডৰ ৰাইড নামৰ ব্যক্তিজনে সজা কাঠৰ নালত নিব লগোৱা এবিধ কলমৰ প্ৰচলন হয়। দহ বছৰৰ ভিতৰত এই কলমৰ প্ৰভূত উন্নতি হয়। ১৮৫৯ চনত ৰাল্টাৰ মাছলি নামৰ লোক এজনে ৰবৰৰ টিউব লগাই স্বয়ংক্ৰিয়ভাৱে চিয়াহী ওলাই অহা কলমৰ উদ্ভাৱন কৰে। আজিকালি আমি ব্যৱহাৰ কৰা কলমৰ উদ্ভাৱন কৰিছিল আমেৰিকাৰ লুই ৱাটাৰমেনে ১৮৮৪ চনত। অৱশ্যে লুই ৱাটাৰমেনে উদ্ভাৱন কৰা কলম ভালেখিনি উন্নতি সাধন কৰি বৰ্তমান অৱস্থা পাইছেহি।

■ ■ ■

# "নঞর্থক" মনৰ মানুহৰ পৰা দূৰত থাকিব

শ্যাম দাস
স্নাতক মহলাৰ প্ৰথম বষ

আপুনি যদি কোনোবা নিম্নস্তৰৰ মানুহক কয় যে আপুনি ভবিষ্যত ২০ লাখ টকাৰে ফ্লেট এটা কিনাৰ কথা ভাবি থৈছে। তেনেহলে তেওঁ আপোনাক হাঁহিব পাৰে। কাৰণ তেওঁৰ বাবে সেইটো এটা অসম্ভব কথা। তেওঁ সিমান ওপৰলৈ ভাবিব নোৱাৰে। সিমান ডাঙৰ সপোন দেখিব নোৱাৰে। নিজৰ উচ্চাকাংক্ষক সেই পৰ্যায়লৈ নিব নোৱাৰে।


কিন্তু আপুনি যদি এই সপোনটোৰ কথা কোনোবা এনে মানুহক কয় যি এতিয়া ১০লাখ টকাৰ ফ্লেটত বা তাতকৈ দামী ফ্লেটত বাস কৰে তেনেহলে তেওঁ তাত আচৰিত হ'ব লগীয়া একোকে বিচাৰি নাপাব।

কাৰণ তেওঁ জানে এইটো কোনো অসম্ভব কথা নহয়। কাৰণ তেওঁ নিজে তেনে কৰিবলৈ সক্ষম হৈছে। তেওঁ জানে যিটো কাম তেওঁ নিজে কৰিবলৈ সক্ষম হৈছে সেই কামটো আনে কৰিবলৈ বা কৰিব নোৱাৰাৰ কোনো যুক্তি নাই।

মনত ৰাখিব যিসকলে কয় এইটো কৰাটো সম্ভব নহয়, তেওঁলোক মানসিক দিশত অত্যন্ত দুৰ্বল শ্ৰেণীৰ মানুহ। এই শ্ৰেণীৰ মানুহৰ চিন্তা ধাৰা অত্যন্ত ক্ষতিকাৰক হয়। তেনে মানুহৰ পৰা নিজকে সততে নিলগাই ৰাখিব। যিসকলে আপোনাক এই বুলি পতিয়ান নিয়াব বিচাৰে যে আপুনি কৰিব বিচৰা কামটো কৰিব নোৱাৰে। তেনে মানুহৰ পৰা আপুনি দূৰৈত থকাৰ চেষ্টা কৰিব। তেনে মানুহৰ পৰা নিজৰ সুৰক্ষাৰ ব্যৱস্থা কৰিব।

সকলো ধৰণৰ নোৱাৰা কথাকে চেলেঞ্জ হিচাপে গ্ৰহণ কৰক আৰু তাক কৰি দেখুৱাওক।


নোৱাৰাৰ পৰামৰ্শ দি ফুৰা মানুহৰ পৰা যিমান পাৰে আঁতৰত থাকিব। নেতিবাচক চিন্তাৰ মানুহ আপুনি সকলোতে লগ পাব। এই শ্ৰেণীৰ মানুহে আনৰ পৰিকল্পনা নষ্ট কৰি আনক হত্যোদ্যাম কৰি এক ধৰণৰ বিকৃত আনন্দ উপভোগ কৰে। সেয়ে তেনে শ্ৰেণীৰ মানুহৰ পৰা যিমান পাৰে দূৰত্ব বজাই চলিব। ■



# বেদনা

নমিতা বৰা
*স্নাতক তৃতীয় বৰ্ষ*

ধূসৰ সেই ৰাতিবোৰ
বিৰহৰ সেই দিনবোৰ
কোনেসতে পাৰ কৰো
নির্জনতাৰ বুকুচাত উঠি
নিসংগতাৰ লগত খেলি
সোমাই যাওঁ মাত্র
পাৰাপাৰহীন বেদনাৰ সাগৰত
সেই গভীৰ সাগৰ
দিশহাৰাপথিক মই
বুকুত বাজে বেদনাৰ স্মৃতি
বেদনাৰ অটল গহ্বৰত শেষ হৈ গৈছে
মোৰ আকলুৱা সপোনবোৰ
সোণবৰণীয়া আশাৰ ৰেঙণিবোৰ
তেতিয়া ভগা পাখিৰ দৰে
চটফটাই উঠে মোৰ মনটো
কিবা এক অজান বেদনাত
বেদনাৰ চাকনৈয়াত জিকাৰি উঠো মই
অথচ
মই নাজানো
এই বেদনা কি? কেতিয়া শেষ হয়?





# The night of my death

**Pahari Borah**
B.A. 1st Year

One night I shivered and trembled to see
the death of my life, just in front of me
The crowd was moring, staring at me.
Because I was lying dead in peace and dignity.
The dear ones of mine were weeping for me
And I could see their tears,
The love, concern and sympathy.
Lying in peace I could hear serenade
When I tried to resist myself from the shag.
I knew it was no use to regret then,
Because it was time to leave this earth
and move towards heaven.

# গল্প



# ৰজাৰ মৃত্যুত

**ৰমেশ কুমাৰ কাকতি**
সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ

মটৰ চাইকেলখন উলিয়াই ষ্টাৰ্ট দিও বুলি ভাবি ভালদৰে বহি লৈ ষ্টেণ্ডডাল ওপৰলৈ উঠাই ভগৱানৰ নাম স্মৰণ কৰি সেৰা এটা জনাই চুইচ্‌ত চাবিপাত ভৰাই অফৰ পৰা অনলৈ নি কিক্‌ডালত ভৰিটো থ'বলৈ লওঁতেই ৰাস্তাৰ ফালৰ পৰা আমাৰ গলিটোত আহি থকা বিপিনে গেটখনৰ সিটো পাৰত থমকি ৰৈ মাত লগালে।

—দাদা, অফিচলৈ যাবলৈ ওলাইছে হ'বলা?

—ভালে কুশলে আছে নহয়??

—ঘৰত সকলোৰে ভাল চাগৈ???

ইমানবোৰ প্ৰশ্নৰ সন্মুখীন হৈ উত্তৰ কেনেকৈ দিম চিন্তা কৰি অন কৰি থোৱা চাবিপাত অফলৈ পাক এটা দি বিপিনৰ চকুত চকু থৈ মিচিকিয়াই হাঁহি এটা মাৰি তোমাৰ ভালনে বুলি সুধিবলৈ মন মেলোতেই পুনৰ দুখোজমান আগবাঢ়ি আহি আমাৰ গেটখনৰ লোহা দুডালত দুয়োটা হাতেৰে খামুচি ধৰি পুনৰ ক'লে—

—দাদাই কথাটো গম পাইনে নেপায়?

—ময়ো আচৰিত হৈ লগেলগে সুধিলোঁ, কি কথা? মই একো গম পোৱা নাই। কোৱাচোন।

—কেলেই, এই ঠিক আধা ঘন্টামানৰ আগৰ কথা।

—কোৱাচোন কোৱা, কি কথানো? মই কথাটো জানিবলৈ বৰ উৎকণ্ঠিত হৈ পৰিলোঁ।

—সেই যে আমজোপাৰ এই পাৰৰ সেই ভাঁজটো, তাৰ সিপাৰৰ পৰা জয় মানে আমাৰ জয়ৰাম আহি আছিল। ক'ৰবালৈ গৈছিল চাগৈ। ঘূৰি আহিছিল। আমজোপা ঠিক পাৰ হ'ল কি নহ'ল, হঠাৎ ক'ৰবাৰ পৰা ৰজা আহি দিলে জাঁপ মাৰি। গাত পৰেই আৰু পিচে জয়ৰামেও কিবা এটা পাকত হে বুলি কৈ ৰৈ দিলে। ৰজাই নিজকে চম্ভালিব নোৱাৰি অকণমান আগত পৰিলগৈ। ঘটনাটোত ৰস পাই মই সুধিয়েই পেলালোঁ, অ' হয় নেকি? কোৱাচোন কোৱা, তাৰ পিছত...

—জয়ৰামৰ ভাগ্য ভাল আছিল, একো নহ'ল।

—ময়ো স্বস্তিৰ নিশ্বাস এৰিলোঁ আৰু ক'লোঁ, হওক তেওঁ, মই আকৌ কিবা ডাঙৰ ঘটনা ঘটিল বুলিহে ভয় খাইছিলোঁ। পিছে—

—পিছে নহয় দাদা, ঘটনা ডাঙৰেই।

—বিপিনে আওপকীয়া কথাষাৰ কৈ মোৰ চিন্তাত পুনৰ আউল লগাই দিলে। মোৰ মনটো পুনৰ অনুসন্ধিৎসু হৈ পৰিল।

—খুউব তীব্ৰ বেগেৰে ক'ৰবাৰ চেঙেলীয়া দুটাই মটৰ চাইকেলেৰে নগৰৰ ফালৰ পৰা আহি আছিল। এটা কথা মন কৰিছেনে দাদা, এই মখাই কেনেকৈ গুৰু-গোসাঁই একো নমনাকৈ ইমান স্পীডত মটৰ চাইকেল চলায়। বপেক-মাকবোৰে কেলেই জানো সিহঁতক মটৰ চাইকেল কিনি দিয়ে? মৰিব কিন্তু দাদা, হেৰি, মৰিচেই নহয়, বাতৰি কাকতত দেখোন সদায় সেইবোৰ কথাই।

—মই প্ৰকৃত ঘটনাটো জানিবলৈ ব্যগ্ৰ হৈ ক'লোঁ, সেইবোৰ বাদ দিয়া। কি হ'ল আচল কথাটো কোৱা।

মটৰ চাইকেলখনৰ ব্ৰেক ধৰিবলৈ সময়েই নেপালে। একেটা স্পীডতে আহি ৰজাক এক খুন্দা লগাই দিলে। অলপ দূৰলৈ আঙুলিৰে মোৰ দৃষ্টি আকৰ্ষণ কৰি সি পুনৰ ক'লে—

—একেটা খুন্দাতে ৰজা গৈ সৌ ঢেকীয়া জোপামানলৈ চিটিকি পৰিল। ল'ৰা দুটা কিন্তু কম জিনিচ নহয়। অকণমান আগত গৈ চাৎ কৰে মটৰ চাইকেলখন ৰখাই দিলে। একদম আমাৰ চকুৰ আগতে গোটেই ঘটনাটো ঘটি গৈছে। মদনৰ দোকানৰ সন্মুখৰপৰা চকুৰ পলক নপৰাকৈ মই গোটেই ঘটনাটো চাই আছোঁ। আমি আছিলোঁ আঠ-দহজনমান।

—ৰজাৰ কি হ'ল? কিমান দুখ পালে সি?

—প্ৰথমতে, আমি ভাবিছিলোঁ সি মৰিল। একে খুন্দাতে বিকৃত চিঞৰ এটা মাৰি ৰাস্তাৰ একদম সোঁমাজতে পৰিলগৈ। মাত বোল বাদ দিয়ক, চেতনেই নাই। মাত্ৰ জীৱটো আছে। কোনোবা এজনে পানী অলপ আনি চকুৰে মুখে চটিয়াই দিলে। এনেবোৰ কৰাত ক্ষন্তেক পিছতে সি চকু মেলি চালে যদিও চলচৰ কৰিব পৰা নাই। হঠাৎ বহুত মানুহ গোট খাই গ'ল। গোটেই মখা মানুহে তাক বেৰি ধৰিলে। আমি দুজনমানে অতি আলসুৱাভাৱে ধৰি তাক ৰাস্তাৰ পাৰৰ বননি এডৰাত শুৱাই দিলোঁ। তাৰ বাওঁ ভৰিটো ওলমি গ'ল। হাড় ভাঙি দুটুকুৰা হ'ল। মোৰ ৰুমালখনেৰেই তাৰ ভঙা দুখৰতে টানকৈ বান্ধ

এটা দি দিলোঁ। কঁকালতো বহুত দুখ পাইছে। ভাঙি যাবও পাৰে।
—তাৰ পিছত কি হ'ল সেইটো কোৱা। মই গোটেই ঘটনাটো খবচি মাৰি জানিবলৈ বৰ ইচ্ছুক হৈ পৰিলোঁ।
—লাহে লাহে সি কেকাবলৈ ধৰিলে। প্ৰথমতে সি লাহে লাহে মিহি মিহিকৈ কেকাইছিল। কিন্তু ক্ৰমান্বয়ে তাৰ কেকনি বাঢ়ি আহিবলৈ ধৰিলে। এটা সময়ত সি ইমান ইনাই-বিনাই দুখ লগাকৈ কান্দিবলৈ ল'লে নহয়, তাত গোট খাই থকা মানুহবোৰৰো চকুপানী ওলাল। ময়ো সহ্য কৰিব নোৱাৰিলোঁ। মোৰো চকুপানী ওলাল। মানুহখিনিয়ে অৱশ্যে ল'ৰা দুটাক মাৰ পিট কৰা নাই যদিও গাড়ী এখন আনিবলৈ কৈ মটৰ চাইকেলখন ৰাখি থৈছে। আচলতে কি জানিছে দাদা, এনেকুৱা কেঁকুৰিবোৰত দূৰ্ঘটনা ঘটেই। গতিকে গাড়ী মটৰবোৰৰ স্পীড অলপ হ'লেও কমাব লাগে। নহ'লে চাব। মৰিব এইমখা।
—তেনেহ'লে বিপিন, চিকিৎসা কৰিলে ৰজা বাচিব।
—নাই দাদা আশা কৰিব নোৱাৰি। আৰু যদি কেনেবাকৈ বাচি যায়, তেতিয়ানো তাক কোনে প্ৰতিপালন কৰিব? কষ্ট খাই মৰিব লাগিব। মই অহালৈকে তাক ডাক্তৰৰ ওচৰলৈ নিয়া নাই। চিঞৰ-বাখৰ কৰিয়েই আছে।
—খবৰটোৱে মোৰ মনটোক উগুল-থুগুল লগাই দিলে। মটৰ চাইকেলখনৰ চুইচটোৰপৰা চাবিপাট উলিয়াই নামি লৈ ষ্টেণ্ড ডাল লগাই বিপিনক ক'লোঁ। ব'লাচোন এবাৰ নিজেই চাই আহোঁ।
—এস্ দাদা মই এইমাত্ৰ আহিছোঁহে। বাৰু, বলক আকৌ যাওঁ। দুয়ো আমজোপাৰ ফালে খোজ ল'লোঁ। বিপিনে কৈ গ'ল, সি কেনেদৰে চিঞৰি চিঞৰি কন্দা-কটাখন কৰিছে। তাৰ মতে, ৰজাৰ বিননি শুনিলে মোৰো বোলে চকুপানী ওলাব। তাৰ দুচকুলৈ চাই দেখিলোঁ, তাৰ দুয়োটা চকু সেমেকি উঠিছে।
—মোৰো হৃদয়খনৰ কোনোবা এটা কোণত দুখৰ ছাঁ পৰিছে। মোৰ মনটোৱেও দেখোন হাঁহাকাৰ কৰি উঠিছে। তথাপি নিজকে সংযত কৰি বিপিনক উদ্দেশ্য কৰি ক'লোঁ।
—দেখিছা বিপিন। কপাল কি বস্তু। কাৰ কেতিয়া ক'ত কি হয় কোনে ক'ব পাৰিব? কোনেও নোৱাৰে। ৰজাৰ এনে হ'ব বুলি তুমি জানো ভাবিছিলা?
—সঁচা দাদা, পিচে এটা কথা আপুনি মন কৰিছেনে বাৰু?
—কি কথা কোৱাচোন?
—আজি অলপ দিনৰপৰা তাৰ উপদ্ৰৱ দিনক দিনে বাঢ়ি যোৱা নাছিলনে বাৰু?
—সঁচা পাই, সিদিনা আমি ঘৰত নাছিলোঁ। ঘূৰি আহি বাৰীখনত সোমায়েই মোৰ মূৰটো আচন্দাই কৰি গ'ল। এটা নহয়, দুটা নহয়, একে কোবে পোন্ধৰটা কৈ বন্ধা কবি চিঙি ভাঙি উভালি লণ্ড ভণ্ড কৰিলে। নতুনকৈ অহা আমাৰ কাষৰ মানুহঘৰৰ মানুহজনীয়ে সিনো কি কৰিছে চাইছিলহে, সি হেনো প্ৰথমতে ঘোপাকৈ চালে। তাৰ পিছত মানুহজনীলৈ খেদা মাৰি যোৱাত, মানুহজনীয়ে ভয় খাই দৌৰ মাৰি ভিতৰ সোমাই দুৱাৰ খিৰিকি জপাই দিলে। তেতিয়াহে ৰক্ষা পৰিল। এইবোৰ কিন্তু তাৰ বেয়া কাম। কিন্তু কি কৰিবা।

সিদিনা আমাৰ ঘৰতো একেই কৰিলে নহয়। ল'ৰা-ছোৱালীহাল স্কুললৈ গ'ল। আমি ঘৰৰ দুয়োজনে ভাত মুঠি ধৰো বুলি পাকঘৰত থাকিলোঁ। প্ৰথমতে চোতালত শুকাবলৈ থোৱা ধান দুটামান খাই বাকীখিনি চোতালতে সিঁচি দিলে। তাৰ পিছত জাতিলাও জোপাৰ ডাল পাত চিঙি লণ্ড ভণ্ড কৰি ক'ত গ'ল একো গমেই নেপালোঁ। ভাত খাই চোতাললৈ ওলাই আহিহে দেখিছোঁ। পিছত মনতে ভাবিছোঁ, এয়া 'ৰজাৰ বাদে আনৰ কাম নহয়।'
—তোমাৰ বাৰু ৰজালৈ ভয় লাগেনে নেলাগে?
—আও দাদা, তাক দেখিলে ভয় নেলাগিব কিয়? সিটো কাৰোলৈকে কেৰেপ নকৰে। কোনোবাই তাৰ কামত বাধা দিলেই খেদি আহে আৰু দাদা, কথা এটা মন কৰিছেনে বাৰু? আজি অলপ দিনৰ ভিতৰত তাৰ দেহটো কেনেদৰে লোদোৰ- পোদোৰ হৈ আহিছিল মন কৰিছিলনে? হাত ভৰিবোৰ কেনেদৰে সবল সুঠাম হৈছিল, তাৰ দেহাটো কেনেদৰে পঠালি হৈ বাঢ়িছিল, সি যেতিয়া তাৰ অভিমানেৰে ভৰা লয় লাস গতিৰে ধীৰ স্থিৰভাৱে কাৰোলৈ ভ্ৰূক্ষেপ নকৰাকৈ খোজ কাঢ়ি গৈ থাকে আৰু কোনোবাই তালৈ লক্ষ্য কৰিলে বীৰদৰ্প অহংকাৰে ৰঙা ৰঙা চকুহালে ঘোপা মাৰি চাই তেতিয়া সৰু সুৰা জীৱবোৰ কিন্তু বাহিৰ হৈ যায় দাদা। নহয় নে বাৰু?
—হয় হয়। সেইদিনা সৰু সৰু ল'ৰা দুটাই কথা পাতি গৈছে। এটাই আনটোক কৈছে যে মই মাথোন মালৈ ভয় কৰোঁ আৰু ৰজালৈ ভয় কৰোঁ। আৰু তই?
—মোৰ মালৈ ভয় নালাগে। মাথোন ঈশ্বৰলৈ ভয় লাগে আৰু ৰজালৈ ভয় লাগে।
—সি এতিয়াও ইনাই-বিনাই কান্দিয়েই আছে। অৱশ্যে তাৰ মাতটো ক্ৰমশঃ সৰু হৈ আহিছে। হয়তো কান্দি কান্দি অৱশ হৈছে। হ'লেও সি ইমান কাতৰভাৱে কান্দিছে, তেনেকৈও যে সি কান্দিব পাৰে মই কল্পনাই কৰিব পৰা নাছিলোঁ। মানুহৰ ভিৰ ফালি আমি তাৰ নিচেই কাষ চাপিলোঁ। সি কাতৰভাৱে একোটা কেকনিৰ সতে উচুপি উচুপি কান্দি থকাৰ লগতে মাজে মাজে ধৰ ফৰাই আছিল। ক্ষন্তেক পিছতে গাড়ী এখনত তুলি আমাৰ ওচৰৰে ল'ৰা দুজনমানে ৰজাক হাস্পতাললৈ লৈ গ'ল। মানুহবোৰে মাথোন আলোচনা কৰিছে, ৰজাৰ অতীত আৰু ৰজাৰ বৰ্তমানৰ কথা। ঘড়ীটোলৈ লক্ষ্য কৰি সময় নষ্ট নকৰোঁ বুলি ভাবি ময়ো ঘৰলৈ বুলি খোজ ল'লোঁ। ঘৰ আহি পাই ঘৰৰ ভিতৰলৈ নগৈ মটৰ চাইকেলখন ষ্টাৰ্ট দি ওলাই আহিলোঁ। মটৰ চাইকেলৰ গতিৰ সতে মোৰ মনটোৱেও ৰজাৰ অতীতলৈ মোক কঢ়িয়াই নিলে।
—'ৰজা'। যেন নামে কামে মিলি যোৱা এটা নাম। মোৰ আজিও মনত আছে। সৌ সিদিনা সি আছিল অতি মৰম লগা এটি শিশু।

সময় যে কেনেদৰে আগবাঢ়ে কল্পনাই কৰিব নোৱাৰি। আমাৰ গাঁৱৰ নামঘৰীয়াজন অকলশৰীয়া আছিল। তেখেতে নামঘৰৰ গাতে লগা আচুতীয়া কোঠালি এটাত বসবাস কৰিছিল। ক'ৰ পৰা আহিল নেজানো, এদিন ৰজা আহিল আৰু নামঘৰতে থাকিবলৈ ল'লে। দিনৰ ভাগত নামঘৰতে শুই বহি থাকে, ৰাতিও নামঘৰতে থাকে। ক'লৈকো নেযায়। লাহে লাহে সিও নামঘৰীয়াৰ লগতে গাঁৱৰ সকলোৰে বাবে নয়নৰ মণি হৈ পৰিল। ৰাইজেই নামঘৰীয়াক লোৱাৰ দৰে ৰজাৰো ভৰণ-পোষণৰ দায়িত্ব ল'লে। গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰে মৰমতে তাক 'ৰজা' বুলি মাতে। তাৰ লগত নানা খেলা খেলে। হ'লেও সি নামঘৰৰ চাৰিসীমাৰ বাহিৰলৈ নেযায়। অৱশ্যে নামঘৰীয়া য'লৈকে যায়, সিও তালৈকে যায়। কিন্তু নামঘৰীয়াই তাক যাব নেলাগে বুলি ক'লে প্ৰথমতে অলপ আমনি কৰে, কিন্তু পিছত সি নামঘৰতে শুই বহি কটায়।

আমাৰ ঘৰলৈ নামঘৰীয়াৰ লগত সি কেইবাবাৰো আহিছে। সি ভিতৰলৈ নুসোমায়। চোতালতে তাৰ মন যোৱা দুই এটি ধেমালি কৰে। নহ'লে নামঘৰীয়াৰ কাষতে বহি থাকে। কল আৰু পিঠা তাৰ বৰ প্ৰিয়। বৰ আগ্ৰহেৰে খায়।

—অঘটন ঘটিল সেইদিনাৰ পৰা, যিদিনা নামঘৰীয়াৰ মৃত্যু হ'ল। নামঘৰীয়াৰ মৃতদেহটো যেতিয়া নামঘৰৰ চোতালত শুৱাই দিলে, তেতিয়া সি মৃতদেহটোৰ কাষতে বহি পৰিল। কোনেও তাক উঠাই নিব নোৱাৰা হ'ল। মাত নাই, বোল নাই, নিৰ্বিকাৰ। চকুৰ পলক নপৰাকৈ নামঘৰীয়াৰ মুৰটোৰ কাষতে বহি মাথোন চাই আছে নামঘৰীয়াৰ বগা কাপোৰেৰে ঢাকি থোৱা মুখখনৰ ফালে।

একো উপায় নাপাই ৰাইজে তাক তাৰপৰা উঠাই নি নামঘৰীয়াৰ ঘৰৰ ভিতৰত ভৰাই দুৱাৰ লগাই দিলে। নামঘৰীয়াক শ্মশানলৈ নিয়াৰ সময়খিনিত সি ভিতৰতে ধৰফৰাই থাকিল। ৰাতি হোৱাৰ আগে আগে দুৱাৰখন মেলি দিয়াত সি বাহিৰলৈ আহি নামঘৰীয়াক চলাথ কৰিবলৈ ধৰিলে। তাৰ পিছ দিনাৰ পৰা ৰাইজে তাক দেখা পোৱা নাই। সি ক'ত গ'ল কোনেও নাজানে। তাৰ উপস্থিতিৰ অবিহনেই ৰাইজে নামঘৰীয়াৰ কাম সকাম সম্পাদন কৰিলে। ইমান দিন ৰাইজে ৰজাৰ কথা পাহৰিয়েই পেলাইছিল। পিছে, সৌ সিদিনা তাক পুনৰ নামঘৰত দেখা পোৱা গ'ল।

—ৰাতিপুৱাই তাক নামঘৰত দেখি ৰাইজৰ দুই এজনে তাক মৰম-চেনেহ কৰিলে। সিও আনন্দত আপ্লুত হৈ উঠিল। ৰাইজেও তাক দেখা পাই তাৰ খোৱা-বোৱাৰ যোগাৰ কৰি দিলে। বৰ আগ্ৰহেৰে খোৱা-বোৱা কৰি দিনটো শুই বহি নামঘৰতে থাকিল।

—কিন্তু পিছদিনা পুৱাতেই সি অঘটন ঘটালে।

—ৰাতিপুৱা ৰাইজে দেখিলে যে নামঘৰৰ ঢাৰি পাটি সকলো থন বান হৈ আছে। বাতি-কাঁহী, লোটা-ঘটি যি কেইটা আছিল, সেইয়াও লণ্ড ভণ্ড হৈ আছে।

—তাক কল আৰু পিঠা দিবলৈ অহা দুই এজনক সি ওভতি ধৰিলে।

—ইয়াৰ পিছৰপৰাই আজি ইঘৰত, কালি ইঘৰত তাৰ ৰাজকীয় উপদ্ৰৱ।

—গাঁৱৰ ল'ৰা-ছোৱালীবোৰ তাৰ ভয়ত অকলে নোলোৱা হ'ল। ৰাস্তাত তাক কোনোবাই লগ পালেও তাক নেদেখা ভাৱত তাৰ ফালে নোচোৱাকৈ পাৰ হ'বলগা হ'ল।

—তাৰ ফালে চালেই সি ফেপেৰী পাতি ধৰে। তাৰ ৰঙা ৰঙা চকুহাল পকাই ফেপেৰী পাতি ধৰিলে সঁচাকৈয়ে যিকোনো লোকৰে বুকু কঁপি উঠিব।

—দুৰন্ত যৌৱনত ভৰি দিয়া, লোদোৰ-পোদোৰ বলে নোৱোৰা যেন লগা দেহাটোৰে ধীৰ-স্থিৰ গতিত গহীন-গম্ভীৰভাৱে কালৈকো ভ্ৰূক্ষেপ নকৰাকৈ যেতিয়া খোজ কাঢ়ি যায়, তেতিয়া দেখা জনেহে ক'ব পাৰিব যে সি সঁচায়ে নামে কামে ৰজা।

—তাক কোনেও আমনি নকৰে।

—সকলো মানুহেই তাৰ পৰা আঁতৰত থাকে।

—সি কিন্তু সুযোগ পালেই উত্তণ্ডালি কৰিবলৈ ধৰিলে।

—দিনক দিনে তাৰ অত্যাচাৰ বাঢ়ি আহিল।

—আজি ইঘৰত কালি সিঘৰত কিবা এটা অঘটন ঘটাবলৈ ধৰিলে।

—সেই ৰজাকে আজি মটৰ চাইকেলে খুন্দিয়াই ধৰাশায়ী কৰিলে।

—পিছবেলা অফিচৰ পৰা ঘূৰি খবৰ পালো যে ডাক্তৰৰ ওচৰ পোৱাৰ আগতেই তাৰ মৃত্যু হ'ল। গাড়ীত উঠোৱাৰ পিছৰপৰাই সি অজ্ঞান হৈ পৰিছিল। গৈ থাকোতে ৰাস্তাতে ইহলীলা সম্বৰণ কৰিলে।

—শ্ৰীমতীয়ে চাহ একাপ আনি দিছিল যদিও নেখাও বুলি ক'লোঁ। তেৰোঁ খোৱা নাই।

—হওক সি বান্দৰ প্ৰজাতিৰ তেজ মঙহৰ নহ'লেও যে দীৰ্ঘকাল ধৰি সি গাঁওখনৰ ৰাইজৰ লগত অভিন্ন হৈ আছিল। এটা সময়ত সি গাঁওখনৰ ৰাইজৰ লগতে আমাৰ ঘৰখনৰ লগতো মৰমৰ দোলেৰে একাত্ম হৈ পৰিছিল। ■



# এচেৰেঙা ৰ'দৰ লুকাভাকু

**কল্পনা বৰা**
স্নাতক প্ৰথম বৰ্ষ

জোৰাণত অহা মানুহখিনিক বিদায় দিয়া পৰ্বটোত ঘৰৰ মানুহখিনি ব্যস্ত হৈ থকাৰ সুযোগ লৈ **শেৱালি** কোঠাটোৰ পূবফালৰ এচুকত থকা ড্ৰেচিং আইনাখনৰ সন্মুখত ৰৈ তনুজা লাজ আনন্দত পুলকিত হৈ উঠিল। সেন্দুৰে যে নাৰীক এনে অনন্য সৌন্দৰ্য প্ৰদান কৰে সেই কথা আইনাখনত নিজক চোৱাৰ আগ মুহূৰ্তলৈকে তনুজাই কল্পনাই কৰিবপৰা নাছিল। কঁপালৰ সোঁমাজত অনামিকা আঙুলিৰ সুস্পষ্ট চাবটোৰ অলপ ওপৰত মূৰৰ মাজভাগৰ সেওতাটোত উজ্জ্বল ৰঙা ৰঙৰ সেন্দুৰেৰে তিৰবিৰাই উঠিছে। সদায় চাই থকা নিজৰ মুখমণ্ডলক সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি থাকোতেই তনুজাৰ চকু নাসিকাডালত স্থিৰ হৈ ৰ'ল। নাসিকাডালত বিন্দু বিন্দু সেন্দুৰ। হয়তো দৰাৰ বায়েকে সেওতাত সেন্দুৰ পিন্ধাওতেই অসাৱধানবশতঃ এই সেন্দুৰৰ কণা কেইটা ছিটিকি পৰিছিলহি। তনুজাৰ অৱশ্যে অলপো বেয়া লগা নাছিল। বৰং ইউনিভাৰ্চিটিত পঢ়ি থাকোতে 'বিবাহিতা বান্ধৱী স্বপ্নালীমক বান্ধৱীসকলৰ কোনোবা এজনীয়ে দিয়া মন্তব্য এষাৰি মনত পৰি গৈছিল—'ঐ নাকৰ সেন্দুৰ মচি ক্লাচ দেৰি কৰিব নালাগে।' ফোট লওঁতে নাকত সেন্দুৰ পৰিলে গিৰিয়েৰে মৰম বেছিকৈ কৰিব ঐ'। লগে লগে তনুজাই ভাবিছিল অবিনাশে বাৰু সঁচাকৈয়ে তাইক মৰম কৰিবনে? তাইৰ সৰু সৰু মান অভিমানবোৰ বুজিব পাৰিবনে? তাই অভিমান কৰিলে অবিনাশে অভিমান ভাঙিবনে? ক'ব নোৱাৰাকৈয়ে জনপ্ৰিয় শিল্পী অনিমা চৌধুৰীৰ গীতযাৰি গুণ গুণাই উঠিছিল—'অভিমান ভাঙিম মই...।'



অবিনাশ চলিহা। দুমাহ আগলৈকে সম্পূৰ্ণৰূপে অচিনাকি এই নামটো তনুজাৰ এতিয়া অতিকৈ চিনাকি। নিজতকৈও আপোন পেছাত চিকিৎসক। ঘৰখনৰ একমাত্ৰ সন্তান অবিনাশ এজন সুদৰ্শন যুৱক। মুখাৱয়বত ফুটি উঠে এক দৃঢ়তাৰ ভাৱ। অবিনাশৰ কথা-বতৰা আৰু মাৰ্জিত ব্যৱহাৰে তনুজাক আকৰ্ষণ কৰাটো খুবেই স্বাভাৱিক। ঘৰখনৰ জ্যেষ্ঠ কন্যা তনুজাৰ অৱশ্যে বিয়া হ'বৰ বাবে অলপো মন নাছিল। কিন্তু তিনিজনীকৈ ভনীয়েক আৰু ঘৰখনৰ কথা ভাবিয়েই তনুজাই এই বিয়াত সন্মতি দিবলৈ বাধ্য হৈছিল। এম. ই স্কুলৰ শিক্ষক দেউতাকে কেনেকৈ জোৰা টাপলি মাৰি ছজনীয়া সংসাৰখন চলাইছে, তাই ভালকৈয়ে অনুভৱ কৰে। সেয়ে একান্ত আগ্ৰহ থকা সত্বেও তাই বি.এড. পাঠ্যক্ৰমত নামভৰ্ত্তি কৰাৰ আগ্ৰহৰ কথা দেউতাকৰ সন্মুখত উলিয়াবলৈ সাহসেই নকৰিলে। বৰ্তমান শিক্ষা ব্যৱস্থাটো ইমান ব্যয়বহুল হৈ পৰিছে। সিহঁতৰ দৰে সাধাৰণ মধ্যবিত্ত শ্ৰেণীৰ লোকৰ বাবে উচ্চশিক্ষা সপোন হৈয়ে পৰিছে। তাতে

চাৰিবছৰৰ পিছত দেউতাকেও অৱসৰ গ্ৰহণ কৰিব। মহাবিদ্যালয়ৰ পৰ্যায়ত থকা ভনীয়েক দুজনী আৰু মেট্ৰিকৰ ডেওনা পাৰ হ'বলগা ভনীয়েকজনীৰ ভৱিষ্যত শিক্ষাৰ কথা ভাবি তনুজা কঁপি উঠিল। তাতে আকৌ তাইৰ বিয়াতো দেউতাকে প্ৰথমখন বিয়া বুলি সাধ্যানুসাৰে খৰচ কৰিছে। কথাবোৰ ভাবি থাকোতে ভাল লগাবোৰে কেতিয়ানো বেদনাই চকুৰপতা দুটা তিয়াই পেলালে তাই গমকে নাপালে।

'দুখৰো হয়তো নিজস্ব ভাষা থাকে যি হৃদয়ৰ পৰা দুচকুলৈ সাকোঁ গঢ়ে সেয়াই চকুপানী।'

'বাঃ বাঃ আপোন পাহৰা হৈ আছে একেবাৰে। ক'বই নোৱাৰ। অথনিৰে পৰা যে মই চিঞৰি আছোঁ। যাওঁ যাওঁ কৰি ঠেং দাঙি আছে একেবাৰে; কচোন সপোনমতী, দাপোনত কাক দেখিছ? নিজক নে অবিনাশক? নাটকীয় ভংগীৰে বান্ধৱী গীতালীয়ে কোৱা সংলাপষাৰতহে তনুজাৰ সম্বিত ঘূৰি আহিল। গীতালীলৈ ঘূৰি চাই তনুজাৰ লাজ লাগি গ'ল। তাইৰ সলাজ চাৱনি চতুৰ গীতালীৰ দৃষ্টিৰ পৰা সাৰি যাব নোৱাৰিলে। ঐ লাজ কৰিব নালাগে দে। সঁচাকৈয়ে ধুনীয়া লাগিছে। অবিনাশে নিশ্চয় উৰ্মিলা বা ৰাধাক পূজা কৰিছিল। সেয়েহে তোৰ দৰে এজনীক পাইছে বুলি কৈ বিচনাখনত বহি পৰিছিল আৰু তাইকো টানি আনি কাষতে বিচনাত বহুৱাই দিছিল। ঐ ৰাধাৰ লগত মোক তুলনা নকৰিবি? কাৰণ মই এগৰাকী কুমাৰী ছোৱালী। কাৰণ ৰাধাই তেওঁৰ স্বামীক এৰি থৈ শ্ৰীকৃষ্ণক বিয়া কৰাইছিল আৰু উৰ্মিলাৰ কথা ক'লি যে মই সীতা হ'ব পাৰিলেও উৰ্মিলা হ'ব নোৱাৰো দেই। চৈধ্যবছৰ কাল মই কেতিয়াও থাকিব নোৱাৰো। দৰকাৰ হ'লে মই সীতাৰ দৰে বনতে থাকিম দেই। হঠাতে স্বাধীন মনটোৱে দুপাখি মেলি তাইক ভিৰ কৰিলেহি। তায়ো বাৰু মাকৰ দৰে পাকঘৰটোতে সোমাই থাকিব লগা হ'ব নেকি। তাই বাৰু সুখী হ'ব পাৰিবনে বৈবাহিক জীৱনত? কি লাগে বাৰু সুখী হ'বলৈ? তাইৰ চৌব্ৰিশ বছৰীয়া জীৱনটোত মাকেতো কেতিয়াও 'সুখী নহয়' বুলি উচ্চাৰণ কৰা নাই। মই বাৰু সুখী হ'ব পাৰিমনে? তাইৰ মনত দোলা দি থকা এই চিৰন্তন প্ৰশ্নটো ক'ব নোৱাৰাকৈয়ে গীতালীৰ প্ৰতি প্ৰক্ষেপ কৰিলে। এজন অভিজ্ঞ দাৰ্শনিকৰ দৰে গীতালীয়েও পোনে পোনে উত্তৰ দিলে—আচলতে সুখী হ'বলৈ দুয়োজনৰ মাজত বুজাপৰা লাগে অ'। আমাৰ মা-দেউতাহঁতৰ সংসাৰ বৰ্তি থকাৰ মূল চালিকা শক্তি হ'ল বুজাপৰা।

হোষ্টেলীয়া জীৱনৰ চুপতিৰ পৰা জীৱনৰ গভীৰ ৰহস্যবাদৰ মাজত সোমাই পৰা দুয়োজনী বান্ধৱী ক্ৰমশঃ মৌনতাৰ মাজত সোমাই পৰিছিল। তেনেতে কাৰোবাৰ পদধ্বনি শুনি দুয়োজনী সঁচকিত হৈ উঠিল। দেখিলে কোঠাটোলৈ মাক সোমাই আহিছে। মূৰ তুলি তনুজাৰ অন্তৰখন যেন মোচৰ খাই গ'ল। মাকে হয়তো তাইলৈ চাব নোৱাৰিলে। নোচোৱাকৈয়ে ক'ব পাৰো তোমাৰ দুচকুৰ ভাষা। স্পৰ্শবিহীনতাতো শিঁয়ৰি উঠা, চকু দুটায়ো জীৱনৰ কোনো কোনো সময়ত বুজাব পাৰে হৃদয়ৰ সমস্ত ভাষা। চকুলৈ নোচোৱাকৈয়ে মাকে দুয়োজনীকে ভাত খাবৰ বাবে মাতি থৈ গ'ল। দেহৰ সমস্ত ৰক্ত মাংসৰে গঢ় দিয়া নিজৰ নাড়ীডাল দুডোখৰ কৰি জীৱন দিয়া জীয়েকজনীক চিৰদিনৰ বাবে বিদায় দিয়া প্ৰস্তুতি চলাওতে মাকৰ হৃদয়তো নিশ্চয় ধুমুহাৰ সৃষ্টি হৈছে। কিন্তু কেৱল মাতৃ হোৱাৰ বাবেই সেই ধুমুহাৰ তাণ্ডৱত বিশাল বৃক্ষৰ দৰে থিয় হৈ এই মুহূৰ্ততো নিজৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হৈছে।

মুখেৰে টু শব্দ উচ্চাৰণ নকৰাকৈয়ে দুয়োজনী গৈ পাকঘৰত উপস্থিত হৈছিল। ভাতকেইটা মুখলৈ নিবলৈ লৈ তাই কিয় জানো নিব পৰা নাই, লিৰিকি বিদাৰি থাকিল। তেনেতে সৰুজনী ভনীয়েকে চিঞৰি চিঞৰি ক'লেহি বা ভিনদেৱে ফোন কৰিছে। জোৰোণত অহা মানুহখিনি ঠিকে ঠাকে গৈ ঘৰ পালেগৈ। তোক মাতিছে যা।'

উন্মনা মনটো লৈ তাই লেণ্ড ফোনটো ধৰিবলৈ গ'ল, তাঁৰৰ সিটো পাৰে থকা তাইৰ ন জীৱনৰ হৃদয়ৰ পুৰুষজনৰ লগত আলাপ কৰিব—ঘোৰ তমসা ৰাতিক নিঃশেষ কৰা, তুমি পুৱাৰ সুৰুয, এছাটি জুৰ মলয়া, চঞ্চলা আঁচল উৰে। তোমাৰ কেতিয়ানো বেলি বা লাগি ডুব গৈ পৃথিৱীখনক অন্ধকাৰতে ডুবাই দিলে. তনুজাই গমেই নাপালে। সদায় শোৱাৰ দৰে আজিও ভনীয়েকৰ লগত একেলগে শুবালৈ লৈ তনুজাৰ বুকুখন পুনৰ বিষাদেৰে ভৰি পৰিল। এইখন ঘৰৰ জীয়ৰীৰ মৰ্যাদাৰে এইটো গৃহত, এইখন বিচনাত শেষ শয়ণ। একে সময়তে নতুন পৰিৱেশ। নতুন ঘৰখনৰ চকামকা ছবিয়ে তনুজাক জুমুৰি ধৰিলেহি। কিয় জানো ৰাতি বহু দেৰিলৈকে তনুজাৰ টোপনি অহা নাছিল।

ৰাতিপুৱা যেতিয়া সাৰ পালে, ইতিমধ্যে ঘৰৰ সকলো মানুহ উঠি ব্যস্ত হৈ পৰিছে। তনুজাও দিনটোৰ আখৰাত ব্যস্ত হৈপৰিল। বিয়াঘৰৰ উদুলি-মুদুলি পৰিৱেশৰ মাজতো তনুজাৰ মনটো উৰা মাৰে নজনাকৈয়ে। আয়তীৰ বিয়ানামৰ আঁজুৰে ক্ষত-বিক্ষত কৰে তনুজাক। তাৰ মাজতো এচেৰেঙা ৰ'দালিৰ লুকা ভাকু। ৰাতি গভীৰ হয় ব্যস্ত পৰিয়ালবৰ্গ। কইনা ৰভাতললৈ উলিয়াবৰ হ'ব। সময় বাগৰি গৈছে, ৰাতি বাৰ বাজিল, এক বাজিল দৰা আহি পোৱা নাই। সকলো উৎকণ্ঠিত হঠাৎ ৰাতিৰ নিৰ্জনতা ভাঙি তনুজাহঁতৰ ঘৰৰ লেণ্ড ফোনটো ক্ৰিং ক্ৰিং কৰি বাজি উঠিল। লৰালৰিকৈ তনুজাৰ দেউতাকে ফোন উঠালে। সিফালৰ পৰা কোনোবাজনে খবৰ দিলে দৰাৰ গাড়ী এক্সিডেণ্ট হৈছে। বহুসময়লৈকে তনুজাৰ কাণত বাজি থকা শব্দটো কেতিয়ানো নুশুনা হৈ গৈছিল তনুজাই ক'বই নোৱাৰিলে। পিচদিনা নিজক নাৰ্চিংহোমত উদ্ধাৰ হোৱা তনুজাই দেখিলে কাষৰ বেডখনত অবিনাশ হাত আৰু মুখত বেণ্ডেজ কৰি থোৱা অৱস্থাতো অবিনাশৰ সেই দৃঢ়তা ভৰা মুখখন, চকুহালি উজ্বলি আছে। তনুজাৰ তমসাভৰা হৃদয়তো এজাক জোনাকীয়ে জাকি মাৰি উৰিল...। ■

# আহাৰ

**হেমন্ত হাজৰিকা**
স্নাতক দ্বিতীয় বৰ্ষ

মুখত এমোকোৰা হাঁহি লৈ বংশীৰাম বজাৰখনত বহি আছে। চাৰি-পাঁচদিনমান নুমুৰুৱাকৈ ৰখা থিয় উৰুষা আৰু মাজে মাজে পকি ঠিক কদমৰ ফুল যেন হোৱা এই ডাড়িখিনিৰ মাজত বিসদৃশ হৈ পৰা এই হাঁহিটোৱে আজি তাক বেছি শুৱাইছেহে। কিমানদিন যে সি এইদৰে আনন্দৰে হাঁহিব পৰা নাছিল। আজি বহুদিনৰ মূৰত সি তাৰ হেৰুৱা আনন্দক ঘূৰাই পোৱাৰ বাবে বাৰে বাৰে ভগৱানক ধন্যবাদ জনাইছে। আচলতে তাৰ ঘৈণীয়েজনীয়ে সদায় পাকঘৰৰ চুকৰ চটিৰ খুঁটাটোৰ গুৰিত মাটিৰ ঢাপ কৰি সজাই থোৱা লক্ষ্মীদেৱীৰ ওচৰত মূৰ দোৱাই থকাৰ বাবেই কিজানিবা ভগৱানে আজি তাৰফালে চকু মেলি চাইছে আৰু সিও যদি সদায় ভগৱানক এবাৰহ'লেও ৰাতিৰ সাঁজৰ কাৰণে যোগাৰ কৰিবপৰাকৈও কেতিয়াবা মাছ পুথি কেইটামান নাপায় তেতিয়া ভগৱানক গালি-শপনি দিয়াহে তাৰ মনত পৰে। তথাপিও ঘৈণীয়েকৰ বাবে ভগৱানৰ পৰা আজি সি আশীৰ্বাদ পাইছে। ধন্যবাদ জনোৱাৰ উদ্দেশ্যে সি ভগৱানক সেৱা এটা জনালে। অইনে দেখাকৈ নহয়, মনতে। 'হে প্ৰভু, আমাৰ দৰে নিচলাক তুমি যেন সদায় হাঁহিবলৈ দিয়া।' আজি সি জানো কাক দেখি ৰাতিপুৱাই মাছলৈ আহিছিল, যাৰ বাবে তাৰ যাত্ৰা ইমান শুভ হ'ল।

'অই বংশী, মাছটো কেতিয়া কাটিবি? বাপাই মহলদাৰৰ মাতত বংশীৰামৰ তন্ময়তা ভাগি গ'ল। টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে চকুকেইটা মোহাৰি লৈ ডাঙৰকৈ সি সন্মুখৰ ফালে চকু মেলি চালে. মাছটোক কেন্দ্ৰ কৰি বজাৰৰ মানুহৰএক বুজন অংশই তাক আগুৰি আছে। ঠিক বজাৰ ভগাৰ সময়লৈকে মৰি ঢেলাপৰি কণা হৈ যোৱা গৰৈমাছ কেইটাক আগুৰি থকা মাখিজাকৰ দৰে মাছটো কাটি পিচ, পিচকৈ বিক্ৰীকৰিব নে গোটে গোটে বিক্ৰী কৰিব সেই কথাটো বংশীৰামে ইমানপৰে ভবাই নাছিল। বাপাই মহলদাৰৰ মাজেদি সি সম্পূৰ্ণ বাস্তৱতাৰ ফালে গতি কৰিলে।

'ইমান ডাঙৰ মাছটো গোটে গোটে নিয়া মানুহ তই নাপাবি। গতিকে পিচ পিচকৰ। গ্ৰাহকৰো ভিৰ লাগিছে। নিমিষতে শেষ হৈ যাব। চিন্তা নাই। মাত্ৰ দামটো ঠিক কৰি ল।'

অৱশেষত বংশীৰামে ভাবিবলগীয়া নহ'ল। গ্ৰাহকৰ পূৰঠ ৰৰালীৰ লোভ দেখা পাই মাছটো কাটিবলৈ ঠিক কৰিলে। প্ৰতি কিলো মাছৰ দাম এশ চল্লিশ টকাকৈ সিদ্ধান্ত কৰা হ'ল। লগে লগে মাছ কাটিবলৈ ব্যৱহাৰ কৰা কাঠৰ টুকুৰাটো তিনিপোৱামান ওজনৰ লোহাৰ স্প্ৰিঙৰ দাখন এবাৰ লাৰি চালে। তাৰ পাছত বংশীৰামে দাখনত ধাৰ দি দি মনতে ভাবিলে প্ৰায় ওঁঠৰ কিলো মান হ'ব ছাগৈ। মাছটোৰ ওজনৰ কথা ভাবি তাৰ এনেয়ে ভাল লাগি গ'ল। এশ চল্লিশ টকাকৈ হ'লে প্ৰায় পঁচিশ শ টকা হ'ব। ক'ব নোৱাৰাকৈয়ে তাৰ মুখৰ পৰা এটা হাঁহি ওলাই আহিল। ওঁহো। নহয়। ঘৰলৈ বেছি নহ'লেও অন্তত গোটেই পৰিয়ালটোৱে এটুকুৰাকৈ খাবলৈ পোৱাকৈ নিব লাগিব। এক কিলো মান লাগিব আৰু যদি কোনো গ্ৰাহক পোৱা নাযায় তেতিয়াহ'লে মূৰটোৱে নিব লাগিব। আজিলৈকে সি তাৰ ল'ৰা-ছোৱালীৰ মুখত ইমান পূৰঠ মাছ দিব পৰা নাই। অথচ সিহঁতৰ বয়সত সি কি খোৱা নাছিল। কি দিন কি হ'ল। ভাবি ভাবি একেবাৰে আচৰিত হৈ যায় বংশীৰাম।

মাছখিনি বিক্ৰী কৰি সি এখন ধুতি কিনিব। আজি বহুদিনৰ পৰা সি তাৰ ফিচিকি যোৱা একমাত্ৰ ধুতিখনকে ব্যৱহাৰ কৰি আছে। ঘৈণীয়েকে কেইবা ঠাইতো কঠাসিয়া বেজীৰে সিয়নি দিয়াৰ বাবেহে অলৈ-তলৈ যাওঁতে কোনোমতে পিন্ধিব পৰা হৈ আছে। নহ'লে মাছ অহা এই নীলা পাৰীৰ গামোচাখনেই গতি হ'লহেঁতেন। ধুতিখনৰ লগতে পাৰিলে ছলিহঁতৰ মাকলৈ এখন চাদৰো নিব লাগিব। বেচেৰীয়ে চাদৰ এখনৰ কথা কেইবা দিনৰ পৰা কৈ আছে। গতিকে চিধাচিধি সি কাপোৰৰ দোকানলৈ যাব। ঘৈণীয়েকৰ কথা মনত পৰাৰ লগে লগে তাৰ মনটো কিবা লাগি যায়। বিয়া হোৱাৰ কত বছৰ হ'ল, পহিলা ছোৱালীজনী যোৱা বছৰৰ পূজাৰ সময়তে গাভৰু হ'ল। তথাপিও তাৰ বিয়াখন যেন যোৱা মাহতহে হৈছে, এনেকুৱা লাগে।

সুন্দৰ গঢ়ৰ, নিপোটল স্বাস্থ্যৰ কাজী ঘৈণীয়েকক পাই সি সঁচাকৈয়ে আনন্দিত হৈছিল। আনকি ঘৈণীয়েকৰ ব্যৱহাৰ তথা কাম-কাজক গাঁৱৰ সকলোৱে যেতিয়া শলাগিছিল তেতিয়া তাৰ আৰু ভাল লাগিছিল। চাওঁতে চাওঁতে চাৰিটাকৈ জীৱিত আৰু এটা মৃত সন্তান জন্ম দি আগৰ সকলো ৰূপ লাৱণ্য ঘৈণীয়েকে হেৰুৱাই পেলালে। এতিয়াৰ চেহেৰা আৰু আদিৰ পৰা তেৰ কি চৈধ্য বছৰৰ আগৰ তাইৰ বিয়াৰ সময়ৰ চেহেৰাৰ কি যে আকাশ-পাতাল প্ৰভেদ।

'আমাৰ দা ধৰাওতেই দিনটো যাব অ' বংশীৰাম। তই সোনকালে কৰ। নহ'লে আমাৰ ফালে সন্ধ্যা হ'ব। উঠি অহা খণ্ডটো কোনোমতে সামৰি নবীনে ক'লে সিও বংশীৰামৰ ওচৰতে মাছৰ পোহাৰ মেলিছে। মানুহবোৰে আজি বংশীৰামৰ ওচৰতহে ভিৰ কৰিছে। তাৰ মাছৰ ফালেও দুইজনে নোচোৱা নহয়। কেৱাহিকৈ হ'লেও চাইছে। দাম হ'লে সোধা নাই। মাহৰ পহিলা সপ্তাহ। সকলোৰে হাতত দুই চাৰিটকা আছে। পাৰিলে অলপ ভাল মাছ লৈ যোৱাৰ ইচ্ছা সকলোৰে। তাকে আজিকালি ইমান পুৰঠ লোকেল বৰালী দেখিবলৈ নোপোৱাৰ নিচিনাই। গতিকে ওচৰতে এনেহেন জীয়া পুৰঠ মাছ থাকোতে কোন চকু কণাইনো কালি বজাৰৰ পৰা ঘূৰি যোৱা গেলা খলিহনাকেইটাৰ কাষ চাপিব? সেইবাবে আচলতে নবীনৰ খং। দাখন সোনকালে ধাৰ দি লৈ মাছটো টুকুৰা টুকুৰ কৰি বিক্ৰী কাৰ্য সমাধা কৰিলে হয়নে এন্ধাৰ লগাৰ পাছত বজাৰ ভগাৰ আগেয়ে তাৰ মাছ বেচা হৈ যাব।

'বেছি সময় নালাগে অ'। নবীন, তই চিন্তা নকৰিবি। মোৰ সোনকালে হৈ যাব'—বুলি বংশীৰামে দাখন ধৰাবলৈ ধৰিলে। সি যে দাখন ধৰাওতে প্ৰয়োজনতকৈ অধিক সময় খৰচ কৰিলে সেয়া সঁচা। গ্ৰাহকৰ ভিৰটো আৰু বেছি জমি উঠেবা, এয়ে তাৰ ভাব। এইবাৰ সি মাজে মাজে মুখ মেলি কলধপ কলধপকৈ উশাহ লৈ কোনোমতে জীয়াই থকা মাছটো কাটিবলৈ বুলি পীৰাখন বহল কাঠছটাৰ ওপৰত তুলি ল'লে। তাৰ পাছত অলপো সময় খৰচ নকৰাকৈ মাছটোৰ কাণ দুখনৰ ওচৰত দাখন ৰাখিলে। মাছটো কাটিবলৈ লোৱা দেখি বহুতো গ্ৰাহকে বংশীৰামক আৱৰি ধৰিলে। ইতিমধ্যে বংশীৰামে দাখন পোন কৰি মাছটো দুভাগ কৰি পেলালে। জীয়া মাছৰ তেজেৰে কাঠ টুকুৰা ৰঙা হৈ উঠিল আৰু কেইটামান টুকুৰা কৰি লৈ খন্তেক জিৰাবলৈ বুলি সি হাতখন ড্ৰামটোৰ পানীখিনিত ধুই এটা বিড়ি জ্বলালে। পৰম তৃপ্তিৰে বিড়িটোৰ দুসোপামান খাই বাকীকণ বিড়ি কাষৰ নবীনক দি মাছৰ পিচকেইটা আৰু সৰু কৰিবলৈ বুলি এটা টুকুৰা কাঠছটাৰ ওপৰত থ'লে। টুকুৰাটো মাছটোৰ মূৰটোৰ ঠিক পাছৰ অংশটোৰ ভিতৰত ....থাকিলে পিচ দুটা অসমান হ'ব পাৰে বুলি ভাবি বংশীৰামে হাতখন মাছৰ টুকুৰাটোৰ পেটটোত ভৰাই উলিয়াই আনিলে। কিন্তু কি আচৰিত। খোহাটোৰ ভিতৰত এটা কি? বৰালী মাছে সাধাৰণতে অনি মাছ খায়। সেইটো সকলোৱে জানে। কিন্তু এয়া দেখোন চকচক কচৰ বগা হৈ যোৱা পাচঁোটা আঙুলিৰে আগলৈকে থকা কোনোবা সৰু ল'ৰা-অথবা ছোৱালীৰ হাত এখন।

'বৰালীৰ পেটত মানুহৰ হাত। তাৰ মানে মানুহ খোৱা বৰালী। নৰমাংস খোৱা বৰালী। ওয়ে ইয়াক খাব নোৱাৰি। গ্ৰাহকৰ মাজৰ পৰা কোনোবা এজনে ক'লে ইজনে সিজনৰ মুখৰ ফালে চোৱা চুৰি কৰি পুৰঠ লোকেল বৰালী খাম বুলি ৰৈ থকা মানুহৰ জাকটোৰ পৰা লাহে লাহে দুই এজনকৈ আঁতৰি যাবলৈ ধৰিলে। আনহাতে মানুহ খোৱা ৰাঘৰ বৰালী চাবলৈ বুলি বজাৰৰ মানুহবোৰে বংশীৰামৰ ওচৰত ভিৰ কৰিবলৈ ধৰিলে। সকলোৱে কিন্তু চাবলৈহে আহিছে। কিনিবলৈ নহয়। মাছটো ক'ত ধৰিছিল, কেতিয়া ধৰিছিল, কেনেকৈ ধৰিছিল, নানাজনৰ নানা প্ৰশ্ন মাছটোক কেন্দ্ৰ কৰি বংশীৰামৰ কাণত কিন্তু সেইবোৰ সোমোৱা নাই। তাৰ চিন্তা হ'ল মাছটো বিক্ৰী কৰিব নোৱাৰাৰ কাৰণে তাৰ সকলো আশা নিষ্ফল হ'ল। ল'ৰা-ছোৱালী কেইটাক ভালকৈ এসাঁজ খুউওৱা, তাৰ ধুতি, ঘৈণীয়েকৰ চাদৰ, তদুপৰি বাকী দোকানত দিব লগা টকা পাঁচশ। এতিয়া আৰু এই সকলোবোৰ আকাশত চাংপতাৰ দৰে হ'লে কেনেকৈ কি কৰা যায়।

কথাবোৰ ভাবি থাকোতে কেতিয়া গধুলি লাগি ভাগিল বংশীৰামে গমেই নাপালে। কাষলৈ চাই দেখে নবীনহঁতে কেতিয়াবাই বজাৰ সামৰি গ'লগৈ। দোকান পোহাৰ সকলো অলপ পিছতে বন্ধ হ'ব। সিও লাহেকৈ মাছৰ টুকুৰাকেইটা ড্ৰামটোত ভৰাই লৈ লাহে লাহে ঘৰলৈ উভটিল। বজাৰৰ মাজত কাপোৰৰ দোকানখন দেখি তাৰ মনতো কেনেবা লাগিল। ধুতি এখন নহ'লে নহয়। কি কৰা যায়? ড্ৰামটোত থকা মাছৰ ঠাতে তাৰ ভৰিখনৰ ওজন ক্ৰমান্বয়ে বাঢ়ি যোৱা যেন লাগিল। কোনোমতে ঘৰটো পালেহে ৰক্ষা। ঘৰতো চাগৈ পুৰঠ বৰালী খোৱাৰ আশাত ল'ৰা-ছোৱালীহঁতে পৰ দি আছে...' ওহো মানুহখোৱা মাছটো দেখদেখকৈ ল'ৰা-ছোৱালীক খুৱাব নোৱাৰি। তেনেহ'লে মাছখিনি পেলাই দিব নেকি? ওঁঠৰ কিলোৰ মাছ পেলাবলৈ তাৰ সাহ নাই। তেতিয়াহ'লে কি কৰা যায়। চেৰতে বিক্ৰী কৰিব নোৱাৰি। সকলোতে কথাটো প্ৰচাৰ হৈ গ'ল। মানুহ খোৱা মাছ বুলি।'

ঘৰ পাই বংশীৰামে কোনেও নেদেখাকৈ মাছৰ আন টুকুৰাবোৰৰ পৰামানুহৰ হাতৰ অংশবোৰ উলিয়াই ধুই পখালি মাছৰ টুকুৰাকেইটা থৈ দিলে। পিছদিনা ৰাতিপুৱাই গাঁৱৰ কোনো মানুহ শেতেলীৰ পৰা নৌ উঠোতেই মাছৰ ড্ৰামটো লৈ সি হাতখোলাৰ বজাৰ বাছখনত উঠি চহৰলৈ যাব। তাৰ অন্তত এই কথাটো কোনোৱে নাজানিব। ■

# বনফুলৰ জুৰীয়া সুবাস



**তৰুণ গগৈ**
স্নাতক তৃতীয় বৰ্ষ (শিক্ষা বিভাগ)

কি চেহেৰা।
এক স্বাধীন আৰু মুকলিমূৰীয়া জীৱন। যান্ত্ৰিক পৃথিৱীখনলৈ পিঠি দি তাই কেৱল নিজৰ মাজতে ব্যস্ত হৈ পৰিছে। তাইৰ ৰূপৰ খবৰ কোনেও পোৱা নাই বুলিয়েই তাই বেছি নিচিন্ত। মুকলি পৰিৱেশৰ ফৰিং ছিটিকা দি জঁপিয়াই ফুৰা কণমানি ছোৱালীজনীয়ে পথাচাৰীৰ দৃষ্টি সততে আকৰ্ষণ কৰিছিল। মোৰ দৃষ্টিৰ পৰাও তাই সাৰি যোৱা নাছিল। তাইৰ দেশৰ কাপোৰ নাই বুলিই পাৰি। কোনোবাই যেন তাইক দেৱাংগ ভূষণ বস্ত্ৰ পিন্ধাই ৰং চাইছে। এইবোৰত নজৰ দিবলৈ তাইৰ যেন কোনো প্ৰয়োজন নাই। যেনে নজৰ দিব লগা বিষয়ে নহয়। বিকশিত হৈ অহা দেহাৱয়বক লৈ তাইৰ যেন কোনো উৎকণ্ঠা নাই।

তাই মুখমণ্ডলক মই এপাহ ফুলৰ বাহিৰে অন্যাৰ লগত তুলনা কৰিব নোৱাৰোঁ ইয়াতকৈ আৰু বেছি দূৰলৈ মোৰ কল্পনা যাব নোৱাৰে মুখত পাউদাৰ বা স্নʼৰ প্ৰলেপ নাই, তথাপি তাই মসৃণ আৰু উজ্জ্বল। শৰীৰৰ বৰণ বগা, হাত ভৰিবোৰ লোদোৰ-পোদোৰ।

নাম দি লৈছিলো সংগীতা। তাতকৈ ভাল নাম আৰু কি আশা কৰিব পাৰি? পথৰ দাঁতিত কৌতূহলী দৃষ্টিৰে ইফালে-সিফালে চাই থকা এহাল সপ্ৰতীভ নয়ন। ধুনীয়া মুখত হাঁহি এটা লাগিয়েই থাকে। প্ৰায়ে আকাশলৈ চাই চাই হাঁহে। এই নিষ্পাপ হাঁহিত আলোকিত হৈ উঠিছে যেন সমগ্ৰ সৌৰমণ্ডল। তাৰি খিল খিল হাঁহি, হাঁহি নহয় যেন সুমধুৰ সুৰ, হৃদয়ৰ নিভৃত কোণত বাজি উঠা ঝংকাৰ। এই সকলোবোৰ বিবেচনা কৰিয়েই মই নাম ৰাখিলো সংগীতা। মই কলেজলৈ আহোতে-যাওঁতে সংগীতাক চোৱাতো এটা নিত্য-নৈমিত্তিক কাম হৈ পৰে। কেতিয়াবা সংগীতাই ফুট পাথৰ একেবাৰে কাষতে বহি থাকি মানুহবোৰলৈ চাই থাকে। কেতিয়াবা পৰিত্যক্ত প্ৰকাণ্ড জাবৰৰ ড্ৰাম এটাৰ মাজত সোমাই কিবা বিচাৰি থাকে। কাষে কাষে থাকে তাইৰ গাভৰু মাকজনী। মাকে মৰমতে ভাত খুৱাই দিয়ে, গা ধুৱাই দিয়ে, দৃশ্যবোৰ কেতিয়াবা চাই ভাল লাগে।

সময় বাগৰিল। মাহবোৰ গৈ বছৰত পৰিণত হʼল আৰু সংগীতাও গাভৰু হʼল। ফুটপাথত তাই গাভৰু হৈছে। এপাহ যেন বনফুল। লাহে লাহে চৌদিশে বিয়পি পৰিল ইয়াৰ মতলীয়া সুবাস সদ্য যৌৱনৰ আনন্দ, উদ্দীপনা, চাঞ্চল্য সকলোখিনি তাইৰ মাজত

জাগ্ৰত হৈ উঠিল। সংগীতাৰ প্ৰতি মোৰ দুৰ্বলতাৰ সূত্ৰপাত হয়তো মনৰ মাজতে সাপ পাই উঠিছিল। কিন্তু তাইকতো আপোন কৰি ল'ব নোৱাৰি। এনেধৰণৰ ঘটনা হিন্দী চিনেমাত হ'লেও বাস্তৱ জীৱনত একেবাৰে অসম্ভৱ।

সংগীতাৰ মাক সংগীতাৰ কাষে কাষে ঘূৰি ফুৰে। সংগীতাৰ নানাধৰণৰ অংগী-ভংগীৰে কথা কয়। সংগীতায়ো সেইবোৰলৈ কেৰেপ নকৰে, তাই নিজৰ মাজতেই ব্যস্ত থাকে। কেতিয়াবা আকাশলৈ চাই হাঁহে, মাকৰ আঁচলত ধৰি মাকৰ পিছে পিছে খোজকাঢ়ি গৈ থাকে। পুষ্টিহীনতাক ভোগা ছোৱালীজনীৰ মাজতো যৌৱনে অকণো কৃপনালী নকৰাকৈ ঢালি দিছে সুষমা।

এদিন ৰাস্তাৰ কাষত সংগীতাক থিয় কৰাই মাকে তাইৰ গাত পানী ঢালি দিলে। তাৰ পাছত খুলি দিলে বুকুৰ কাপোৰ। ক্ষন্তেকৰ ভিতৰতে তাইৰ নিৰাভৰণ দেহটো উজ্জ্বল ভাস্কৰ্যৰ দৰে উজ্জ্বলি উঠিল। মানুহবোৰে তাইক চাবলৈ লাজ কৰিছিল। তলমূৰা হৈ আঁতৰি গৈছিল। কিন্তু মই তাইক একেথিৰে চাই আছিলোঁ। চাই আছিলোঁ অপূৰ্ব দেহৰ সুষমা। চাই চাই ভাবিছিলোঁ ভগৱানৰ নিষ্ঠুৰতাৰ কথা। কিয় নিদিলে তাইৰ মাজত অকণমান বিবেক, অকণমান লাজ, তাইতো নাজানে তাইৰ দেহত কি অমূল্য ৰত্ন ধাৰণ কৰি আছে। সেই ৰত্নৰ ভাণ্ডাৰৰ কথা তাই যদি জানিলেহেঁতেন নিশ্চয় ৰাজপথৰ কাষত তাই উলংগ হৈ মাকৰ নিৰ্দেশত থিয় দি নাথাকিলহেঁতেন। মোৰ পুতৌ ওপজা সংগীতাৰ মাকৰ কথা ভাবিও সন্তানৰপ্ৰতি তাইৰ যি মোহ তাৰ তুলনা নাই। একোৰে গম নাপালেও তাই অন্ততঃ মৰমৰ সন্তানটোৰ কথা ভালকৈ জানে। হয়তো তাই ধৰিবই পৰা নাই তাইৰ কোলাৰ পৰা ডাঙৰ হৈ কেতিয়া তাই গাভৰু হ'ল। সেয়ে বোধহয় সৰু কালৰ দৰে এতিয়াও তাইক নাঙঠকৈয়ে গা ধুৱাবলৈ কুণ্ঠাবোধ নকৰে। এইখিনি বোধ থকা হ'লে তাই হয়তো এনে কাম নকৰিলেহেঁতেন।


সংগীত আৰু মাক দুয়োক কেন্দ্ৰ কৰিয়েই মোৰ জীৱন আৱৰ্তিত হৈছিল। কেতিয়াবা সংগীতাক অকলে দেখিলে মোৰ চিন্তা হয়। সমাজৰ মুখাপিন্ধা বৰমূৰীয়াসকলৰ যদি মুখাখন খোল খাই যায়। ইফালে-সিফালে চাওঁ মাকক দেখা পাওঁ নে নাপাওঁ। দেখো মাক দূৰত বৈ আছে। কেতিয়াবা দেখোঁ মাকে মুখেৰে কিবা বলকি বলকি সংগীতাৰ জপৰা ধূলিখোৱা মৰাপাট সদৃশ চুলিখিনিৰ মাজত কিবা বিচাৰি ফুৰিছে। হয়তো ৰক্ত পিপাসু ওকণিদলক মাকৰ বুকুৰ মাজত সোমাই আছে। এই প্ৰতিটো দৃশ্য মোৰ বাবে আনন্দদায়ক হৈ পৰে। মই যেন শিশু আৰু মাতৃৰ চিৰন্তন মমতাময়ী ৰূপ দেখিবলৈ পাওঁ যেন দেৱালত ওলমি থকা এখন বিশাল...

এদিন দুয়োৰে ওচৰলৈ গৈছিলো। যেন দুডাল গছৰ মাজত মই থিয় দি আছোঁ। কোনো আৱেগ নাই, অনুভূতি নাই। কাৰোফালে কোনোৱে চোৱা নাই। নিজৰ নিজৰ পৃথিৱীখনক লৈ ব্যস্ত। পৃথিৱী মানে যেন সিহঁত দুজনীয়ে। তাৰ বাহিৰে চাবলগীয়া, ভাবিবলগীয়া একো মোৰ কাষেদি পাৰ হৈ যোৱা মানুহবোৰলৈকো মোৰ ভয় লাগিছিল। তেওঁলোকৰ বিদ্ৰূপাত্মক দৃষ্টি মোৰ বাবে অসহনীয় হৈ পৰিছিল। কুকুৰ খোজ দি মই তাৰ পৰা আঁতৰি আহিলোঁ।

কেইদিনমানৰ পাছত সংগীতাক নেদেখা হ'লো। ক'লৈ গ'ল বাৰু সংগীতা। মাকজনীয়ে ফুটপাথত আজিও হয়তো চাই থাকে বাটৰ মানুহলৈ উদাসভাৱে আগৰ দৰেই চাই থাকে। সংগীতাৰ কথা সুধিলে মাকে উত্তৰ দিব পাৰিবনে? মই সুধিম নেকি তোমাৰ সংগীতা ক'ত?

নিজৰেই হাঁহি উঠিল। সংগীতা কোন মাকে কেনেকৈ জানিব? মই দিয়া নামহে আছিল সেইটো।

সংগীতাৰ সন্ধান উলিয়াবলৈ মই যেন ব্যগ্ৰ হৈ পৰিছোঁ। কিন্তু কোনে দিব তাইৰ ঠিকনা। ভোগবাদৰ প্ৰতিযোগিতাৰ দৌৰত দৌৰিফুৰা সমাজত 'জটায়ু'ৰ উপস্থিতি আশা কৰাটো এক দুঃস্বপ্ন মাথোন। গভীৰ হতাশাত ফুটপাথটোত কেতিয়াবা বহি পৰিছিলোঁ তাৰি সন্ধান বিচাৰি মই। হঠাৎ উপহাস সূচক কিৰিলীত মই বাস্তৱ জগতলৈ ঘূৰি আহিলো। কি কৈছে সিহঁতে—ঐ বেচেৰাটোলৈ চা জীয়েকজনীক নাপাই বিৰহ বেদনাত মাকৰো পিচতে ধৰিছে। বেচেৰাই গমেই নাপালে তাৰ চিকাৰ ধৰি খাই কেতিয়াবাই হজম কৰিলো...হা হা। বহু দূৰলৈকে মোৰ বৰ্ণ কুহৰাত বাজি থকা এই কথা কেইটাই মোক সংগীতাৰ সন্ধান দিলে। দ্বিতীয়বাৰ সংগীতাবিহীন ফুটপাথটোলৈ ঘূৰি নোচোৱাকৈ মই ওভটনি যাত্ৰা আৰম্ভ কৰিলো। ■



# সন্দেহৰ চাকনৈয়াত

**ৰাজশ্ৰী বৰা**
স্নাতক তৃতীয় বষ

জুন-জুলাই এই মাহকেইটাত গৰম অলপ বেছি পৰে। তৎক্ষণাতে বৰষুণ, তৎক্ষণাতে ৰ'দ। খাওঁ খাওঁকৈ আগভেটি ধৰা ৰ'দজাকলৈ যেন কাণসাৰ নাই এইসকলৰ। দিনৰদিনটো কাম কৰিও যেন হা ৰ'দৰ তাপত ঘামৰ মিশ্ৰণে এক অদ্ভুত ৰঙৰ সৃষ্টি কৰিছে। মহিলা-পুৰুষ সকেলা ব্যস্ত। মূৰ তুলিবলৈ কাৰোৰেই সময় নাই। মূৰত বান্ধি লোৱা এবি ভাৰটো। তথাপিও হেলাৰঙে কাম কৰি গৈছে অকণো কষ্ট অনুভৱ নকৰে। ভাবিলে আচৰিত লাগে। আচৰিত লাগে প্ৰমোদ শইকীয়াৰো। বাগিচা চলাই অহা দিনৰে পৰা এই মানুহজাকলৈ শইকীয়াই বেজাৰ অনুভৱ কৰে। প্ৰমোদ শইকীয়াৰ ঘৰ তেজপুৰত। দেউতাকৰ বাগিচাখন আৰু উন্নত কৰা হেঁপাহত প্ৰমোদে বাগিচাখনৰ পৰিচালনাৰ কামত বি. এ. পাছ কৰিয়েই যোগ দিলে। তেতিয়াৰে পৰা আজি বাৰ বছৰে প্ৰমোদ শইকীয়াই মধুপুৰ চাহ বাগিচাখন বহুত উন্নত কৰিছে। ৰজা ভাল হ'লে যেনেকৈ পৰজাৰো মংগল হয় তেনেকৈ প্ৰমোদ শইকীয়াইও এই চাহ বাগিচাৰ শ্ৰমিকসকলৰ সুখ-দুখৰ সমভাগী হৈছে। কাৰোবাৰ বেমাৰ হৈছে তাৰ বাবে টকাৰ প্ৰয়োজন দৌৰি আহিছে প্ৰথমে প্ৰমোদ শইকীয়াৰ ওচৰলৈ. কাৰোবাৰ ঘৰত বিয়া হৈছে প্ৰথমে নিমন্ত্ৰণ কৰিছেহি প্ৰমোদ শইকীয়াকহে। চাহ বাগিচাখনৰ পৰা পোৱা লাভৰ এক বানচো প্ৰমোদ শইকীয়াই চাহ বাগিচাৰ কৰ্মীসকললৈ আগবঢ়ায়। চাহ বাগিচাবোৰত সাধাৰণতে কলেৰা, মেলেৰীয়া হৈ বহুতো মানুহ মৰে। প্ৰদূষিত পানীৰ প্ৰভাৱে এই জুন-জুলাই মাহৰ পৰাএই ৰোগৰ প্ৰকোপ অলপ বেছি হয়। অশিক্ষিত লোকসকলৰ অন্ধবিশ্বাসৰো বলি হয় অনেক লোক। প্ৰমোদ শইকীয়াই আজি বাৰ বছৰে চাহ শ্ৰমিকসকলৰ মাজত শিক্ষিতৰ হাৰ বহুত বঢ়া দেখিছে তাৰ বিপৰীতে সমাজত প্ৰচলিত অন্ধবিশ্বাসৰ ভূত আঁতৰা বহু কম দেখিছে। সামান্য কলগছৰ কলডিলক লৈ, ৰঙাগছৰ আগটোৰ আকাৰক লৈ কৰা পূজা পাতলবোৰে প্ৰমোদ শইকীয়াক হুঁহুৱায়। নীৰেন মুণ্ডা চাহ শ্ৰমিকবোৰৰ চৰ্দাৰ। ল'ৰা-ছোৱালী তিনিটা। প্ৰমোদ শইকীয়াৰ বিশ্বাসী কৰ্মী। বাগানৰ সকলো খবৰ নিৰেনেই দিয়ে।নিৰেনৰ মানুহজনী কলেৰা বেমাৰ হৈ মৰিল। চিকিৎসাৰ অভাৱত জৰা ফুকা কৰি মৰিল বুলি নিৰেনে এতিয়াও দুখ কৰে। সি ক্ষোভ প্ৰকাশ কৰে সিহঁতৰ অগ্ৰজবোৰৰ অন্ধবিশ্বাসক। এতিয়া ল'ৰা-ছোৱালীকেইটাক শিক্ষিত কৰি তুলিবলৈ সি স্কুলত নাম লগাই দিছে। ল'ৰাটো ডাঙৰ ছোৱালী দুজনী সৰু। নীৰেন শইকীয়াৰ অতিকৈ বিশ্বাসী হোৱা হেতুকে শইকীয়া কেতিয়াবা বাগানৰ ঘৰত নাথাকিলে চোৱা চিতা কৰিবলৈ নীৰেনকে দি যায়। প্ৰমোদ শইকীয়াই নীৰেনৰ সৰলতাখিনিক শ্ৰদ্ধা কৰে। নীৰেনক প্ৰমোদ শইকীয়াই ইমান বিশ্বাস কৰা কতাবোৰে বহুতৰ হিংসাৰ কাৰণো হৈ উঠিছিল। এই কথা নীৰেনৰ মুখৰ পৰা শুনি প্ৰমোদ শইকীয়াই নীৰেনক কৈছিল—'যি মানুহে তোমাৰ অপকাৰ কৰে বা আঘাত দিয়ে তুমি তেওঁৰ নিচিনা আচৰণ নকৰিবা। সেইটোৱেই হ'ল তেওঁৰ ওপৰত প্ৰতিশোধ লোৱাৰ উত্তম উপায়।' নীৰেনেও এই কথা মানি নিজৰ কাম নিয়াৰিকৈ চলাই গৈছে। প্ৰমোদ শইকীয়াও এমাহৰ বাবে কলিকতালৈ যাব সেয়েহে ঘৰখন চোৱা চিতা কৰিবলৈ নীৰেনক কৈ গ'ল। নীৰেনৰো গটো ভাল নহয়। তথাপি শইকীয়া ছাৰৰ কথা পেলাব নোৱাৰে। সি হ'ব বুলি কৈ বাংলোৰ পৰা গুচি আহিল। শইকীয়াই মন কৰিছে কিছুদিনৰ পৰা নীৰেনে মন মাৰি আছে তাৰ অসুখ-বিসুখ হোৱা নাইতো। মনত খুদুৱনি অলপ লৈ শইকীয়া কলিকতা পালেহি। সকলো যাৱতীয় কাম কৰি আজি ৰাতিপুৱা তেজপুৰৰ ঘৰৰ পাইছেহি। ভাত-পানী খাই অৱশ হৈ পৰা দেহাটো আৰামী চকীখনত পেলাই টি.ভিটো লগাই ল'লে বহুদিন বা-বাতৰিবোৰ লোৱা নাই। হঠাৎ উচ্‌প খাই উঠিল হেডনলাইনটো দেখি। 'ডাইনী সন্দেহত এজন চাহ শ্ৰমিকক নৃশংস হত্যা' মূৰটো আছন্দাই ধৰিলে। নীৰেন মুণ্ডা, যিজন শ্ৰমিক আজি বাৰ বছৰে শইকীয়াৰ বিশ্বাসী কৰ্মী আছিল সেই নীৰেন মুণ্ডা। মনত অলেখ প্ৰশ্নই তোলপাৰ লগালে। কিয়, কেনেকৈ...শইকীয়াই লৰালৰিকৈ গাড়ীখন উলিয়াই বাগান অভিমুখে ৰাওনা হ'ল। বাটটো কথাবোৰ চিন্তা কৰি শইকীয়াৰ মূৰটো ঘূৰোৱা নিচিনা অনুভৱ হৈছিল। কোনে ক'ব সঁচা কথা। যি নীৰেনেই বাগানৰ প্ৰতিটো খবৰ দি থাকে আৰু কোনে দিব, কোন হ'ব নীৰেনৰ দৰে ইমান বিশ্বাসী। মুহূৰ্ততে শইকীয়াৰ কাষ খালী হৈ পৰিল। শইকীয়াৰ সন্দেহ হ'ল তাক বিশ্বাসী বুলি সকলো কামত তাকেই দায়িত্ব দিয়াত সি বাৰু হিংসাৰ বলি হ'ল নেকি? ঘন ৰহস্যৰ মাজত সোমাই পৰিল শইকীয়া। নীৰেনৰ পদূলমুখত গাড়ীখন থৈ আগবাঢ়ি গ'ল মৃতদেহটোৰ কাষলৈ, চাই ৰ'ল নীৰেনৰ সৰল মুখখন। কিবা যেন ক'ব সি শইকীয়াক। চকুলো বৈ আহিল প্ৰমোদ শইকীয়াৰ। কং উঠিল এই অন্ধবিশ্বাস ভূতবোৰলৈ যিবোৰৰ কথা কৈ ক্ষোভ উজাৰে নীৰেনে সেইবোৰলৈ। ■

# স্বপ্ন - দুঃস্বপ্ন

**পাৰ্থপ্ৰতীম দাস**
প্ৰথম বাৰ্ষিক

পুৱতি নিশা চৰাইৰ চি-চিয়ঁনি শব্দত অঞ্জলি দেৱীয়ে সাৰ পাই গ'ল। সুস্থিৰ অৱস্থালৈ আহিবলৈ অলপ সময় বিচনাখনতে পৰি ৰ'ল। কাষতে শুই থকা ১৬ বছৰীয়া পুত্ৰ পাৰ্থলৈ সস্নেহেৰে চাই তেওঁ ল'ৰালৰিকৈ বিছনাৰ পৰা উঠিল।

দাঁত ঘঁহা ব্ৰাছডাল হাততলৈ তেওঁ দিনটোত কৰিবলগা কামখিনি মনতে জুকিয়াই ললে। বাঢ়নীডাল হাততলৈ চোতালখন সাউৎকৈ চোৰোকা এটা মাৰি গা ধুবলৈ বুলি তামোলৰ ঢকুৱাৰে আঁৰ দি থোৱা গা-ধুৱা ঘৰটোত সোমাই পানী এছাটি মাৰি, তিতা তিয়নীৰে আহি সদায় ধূপ জ্বলোৱা নিৰ্দ্দিষ্ট ঠাই ডোখৰত থিয় হ'ল। ধূপডাল জ্বলাই কৰযোৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰাৰ পিছত তেওঁ শুৱনি কোঠালৈ খোজ ললে। চকা-মকা পোহৰত খেপিয়াই খেপিয়াই তেওঁ আলনাৰ পৰা মেখেলা এখন টানি আনিলে। ব্লাউজটো পিন্ধি লৈ চাদৰখন চাটিমাৰি তেওঁ খৰ খোজেৰে পাকঘৰলৈ সোমাই আহিল। টেমা এটাৰ পৰা দালি দুমুঠি উলিয়াই লৈ কেৰাহীখনতে তিয়াই ললে। ভাজি এখন বনোৱাৰ কথা চিন্তা কৰিয়ে তেওঁ ধোৱা চাঙখনৰ পৰা বেঙা মেলি ৰঙালাউ এটা নমাই আনি নলীয়া কটাৰীখনৰ আগটো অন্যমনস্কভাৱে ৰঙালাউটোত সোমোৱাই দিলে। কেচেক কৰি শব্দ এটা হ'ল। শব্দটো শুনি অঞ্জলিৰ মনটো ভাল লাগি গ'ল।

কিন্তু সোমাই থকা আগটো হঠাতে বেকা হৈ কেতিয়ানো অঞ্জলি দেৱীৰ বাঁওহাতৰ বুঢ়া আঙুলিটোৰ পেটটোত আঘাত কৰি ৰাঙলী কৰিলে ততকে ধৰিব নোৱাৰিলে। আঙুলি মূৰটো আনখন হাতেৰে জোৰেৰে টিপা মাৰি ধৰি তেওঁ মুখৰ ভিতৰতে বিৰ বিৰাই উঠিল।

"ছে ঃ এনেয়ে ল'ৰালৰি হৈছে, এতিয়াহে আঙুলিটো কাটিবলৈ পালে।" নিজৰ অসাৱধানতাৰ বাবে নিজৰ ওপৰতে অঞ্জলিৰ খং উঠি গ'ল।

অঞ্জলিৰ সঁচাকৈয়ে আজি ল'ৰালৰি হৈছে। কাৰণ, আজি মেট্ৰিকৰ ৰিজাল্ট দিব। তেওঁৰ একমাত্ৰ পুত্ৰ পাৰ্থৰ জীৱনৰ প্ৰথমটো ডাঙৰ পৰীক্ষাৰ ৰিজাল্ট দিব। চৰকাৰী ঘোষণামতে এঘাৰ বজাৰ লগে লগে ৰিজাল্ট ঘোষণা কৰা হ'ব। গতিকে দহ বজাতে ঘৰৰ পৰা ওলাই যাব পাৰিলেহে তিনি কিলোমিটাৰ আঁতৰৰ পাৰ্থহঁতৰ স্কুলত সময়মতে উপস্থিত হ'ব পাৰিব। তাৰ আগতে তিনিটাকৈ গ্ৰুপ টিউচন কৰিব লাগিব। নিয়মীয়াকৈ সময়ৰ পাঠ সময়মতে সম্পূৰ্ণ কৰা পাৰ্থৰ ৰিজাল্টটো ভাল হ'ব বুলিয়ে সকলোৱে আশা কৰিছে। বহুতৰ মতে এই কৃতিত্বৰ দাবীদাৰ মাক অঞ্জলিহে। মাকে হাজাৰ কষ্টৰ মাজতো পাৰ্থক সঠিক ভাৱে নিৰ্দেশনা দিয়াৰ বাবেই পাৰ্থই আগবাঢ়িব পাৰিছে।

অঞ্জলি দেৱী প্ৰাইভেট টিউচন কৰি জীৱন নিৰ্বাহ কৰা এগৰাকী ঘৰুৱা শিক্ষয়ত্ৰী। বৰ্তমানৰ 'অঞ্জলি'ৰ লগত অতীতৰ অঞ্জলিৰ যেন আকাশ পাতাল পাৰ্থক্য। বেশভূষা, চেহেৰা, সকলোতে যেন অতীতৰ অঞ্জলি জনীৰ সৈতে কোনো সাদৃশ্য তাই নিজেই বিচাৰি নাপায়। এটা নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ একমাত্ৰ কন্যা আছিল।

অঞ্জলিঙ্গ দেউতাক মহানন্দ শৰ্মাৰ দুটা পুত্ৰ সন্তানৰ পিছত অঞ্জলিৰ জন্ম হয়। বংশত কোনো কন্যা সন্তান নথকাত অঞ্জলিৰ জন্মক ভগৱানৰ 'অঞ্জলি' বুলিয়ে পৰিয়ালে গ্ৰহণ কৰিছিল। অলাসৰ লাৰু অঞ্জলিয়ে সেয়ে সমগ্ৰ পৰিয়ালতে এক বিশেষ গুৰুত্ব লাভ কৰিছিল। ভালৰো ভালটো খাবলৈ, ভালৰো ভালটো পিন্ধিবলৈ পাইছিল। পঢ়াশুনাতো অঞ্জলি চোকা আছিল। তথাপিও সকলোৰে মৰম পাই তাই যেন প্ৰয়োজনতকৈ জেদী হৈ উঠিছিল। একলা দুকলাকৈ ডাঙৰ হৈ অঞ্জলিয়ে সুখ্যাতিৰে মেট্ৰিকৰ ডেওনাও অতিক্ৰম কৰিলে। হায়াৰ ছেকেণ্ডাৰী উত্তীৰ্ণ হোৱাৰ পিছত ঘৰৰ পৰা প্ৰায় দহ কিঃমিঃ আঁতৰৰ মহাবিদ্যালয়ত স্নাতক বৰ্ষত নাম ভৰ্তি কৰিছিল। জাত পাতৰ সামাজিক গোড়ামী থকা বাবেই কোনো হোষ্টেল বা মেছত থাকি পঢ়িবলৈ পৰিয়ালে অঞ্জলিক অনুমতি নিদিলে। বৰং এজন ড্ৰাইভাৰ বন্দৱস্ত কৰি ঘৰতে থকা পুৰনা মাৰুতি ভান খনতে কলেজলৈ অহা যোৱা কৰাৰ ব্যৱস্থা কৰিছিলে।

অঞ্জলিতকৈ ছয়/সাঁত বছৰৰ ডাঙৰ ড্ৰাইভাৰ অঞ্জন সুদৰ্শন নহ'লেও গাভৰু ছোৱালীক আকৰ্ষণ কৰিব পৰা এজন পাহোৱাল ডেকা। জাতৰ পাৰ্থক্য থকা স্বত্বেও মাহ মাহ জুৰি অঞ্জনৰ লগত একেলগে গাড়ীত অহাযোৱা কৰোতে অঞ্জলি আৰু অঞ্জনৰ মাজত এক নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। লগৰ ছোৱালীবোৰেও 'অঞ্জনৰ

অঞ্জলি' বুলি কৌতুকেৰে জোকাবলৈ আৰম্ভ কৰিছিল। ঘৰৰ মানুহৰ চকুতো সিহঁত দুটাৰ এই সম্পৰ্ক ধৰা নপৰাকৈ থকা নাছিল। গতিকে অঞ্জলিৰ ওপৰত আৰম্ভ হৈছিল মাক-দেউতাক, ককায়েকহঁতৰ শাৰীৰিক আৰু মানসিক নিৰ্যাতন। সমান্তৰালভাৱে চলিছিল পাত্ৰৰ সন্ধান। অঞ্জলিৰ অগোচৰে পাত্ৰ ও নিৰ্বাচিত কৰা হৈছিল। দিন বাৰ ঠিক কৰা হৈছিল।

কিন্তু সকলোৰে চকুত ধূলি মাৰি বিয়াৰ দুদিন আগত গোপনে পলাই আহি অঞ্জনৰ লগত বিবাহ পাশত আৱদ্ধ হৈছিল। লগে লগে আৰম্ভ হৈছিল জীৱনৰ প্ৰকৃত সংগ্ৰাম। কেতিয়াবা জয় কেতিয়াবা পৰাজয়। ঘাত প্ৰতিঘাতৰ মাজতো এজোপা বৰবৃক্ষৰ দৰে অঞ্জনে ছাঁ প্ৰদান কৰিছিল। অঞ্জলিক অঞ্জনৰ ছাঁত থাকিয়ে বি.এ পাছ কৰিলে অঞ্জলিয়ে। সময় বিলাক বৰ দ্ৰুত গতিৰে পাৰ হৈছিল। সিহঁতৰ মাজলৈ আহিছিল পাৰ্থ। পাৰ্থৰ থুনুক থানাক মাতত মৌ সৰিছিল। এন্ধাৰে ভৰা জীৱনৰ মাজতো এগচি চাকি হৈ জ্বলি পোহৰাই তুলিছিল। লোকৰ ঘৰত গাড়ী চলাই পোৱা সামান্য দৰমহাৰে সংসাৰখন টনাটনিকৈ চলোৱাৰ মাজত নিজাকৈ অট'ৰিক্সা এখন কিনিবলৈকো যোজা কৰিছিল অঞ্জনে প্ৰায়ে কৈছিল-নিজাকৈ অট' এখন কিনিব পাৰিলেই লোকৰ টান মাত শুনি থাকিব নালাগে। কিন্তু ঈশ্বৰে যেন তাৰ ফালে চাই হাঁহি মাৰিছিল।

এদিন ৰাতি গাড়ী চলাই আহোতে এখন ট্ৰাকে মহতিয়াই নিছিল অঞ্জনে চলোৱা গাড়ীখন। যেন মহতিয়াই পেলাইছিল সিহঁতৰ গোটেই সংসাৰখন। প্ৰচণ্ড বা মাৰলিৰ মাজতো অঞ্জলি স্থিৰ হৈ থাকিল। নিজেই ভাবি নাপাই ক'ৰ পৰা পাইছে তাই ইমান শক্তি। পাৰ্থক মানুহ কৰিবলৈ তাই আৰম্ভ কৰিলে নতুন সংগ্ৰাম। তাই লাভ কৰা শিক্ষাক তাই ব্যৱহাৰ কৰিছিল। সমাজৰ নানা জনৰ কটু মন্তব্যক অতি সহজ ভাৱে লৈ ঘৰুৱা শিক্ষয়িত্ৰীৰ নতুন পদমৰ্যদাৰে তাই যাত্ৰা আৰম্ভ কৰিছিল।

যোৱা বছৰত দহ জন ছাত্ৰ-ছাত্ৰী বহিব পৰাকৈ তাই চোতালৰ একাষে টিনৰ চালি এখন দিয়াৰ ব্যৱস্থা কৰিলে। কেঁও-কিছু নোহোৱা ঘৰখনত বাঁহৰ বেৰ তিনিখন দিবলৈ যথেষ্ট চিন্তা কৰিব লগা হৈছিল। বিধবা পেঞ্চনৰ টকা কেইটাৰ পৰাই ছশ টকা খৰচ কৰি বেৰ কেইখন দিয়াই ললে। বৰ্ড এখন বেঞ্চ দুখন, ডেস্ক দুখন, কাঠৰ চকী টেবুলও যোগাৰ কৰা হ'ল। ৰাহি হোৱা টকা চাৰিহাজাৰ পাৰ্থৰ কলেজত নাম ভৰ্তি কৰিবলৈ বুলি তাই সাঁচি থৈছে। আজিও তিনিটা গ্ৰুপ পঢ়াব লাগিব। সেয়ে আগদিনা ৰাতিপুৱা সোনকালে তাই উঠি যাৱতীয় কামখিনি কৰি থৈছে। পাৰ্থৰ ফলাফলক লৈ অঞ্জলিয়ে বিশেষ চিন্তা কৰা নাই। কিন্তু আগদিনা নৱম মানৰ ছাত্ৰী শেৱালিয়ে কোৱা কথা কেইষাৰেহে অঞ্জলিৰ মনত বাৰে বাৰে ভাঁহি উঠিছে।

"বাইদেউ, পেপাৰত লিখা মতে পাৰ্থ দাদাহঁতৰ পৰীক্ষা কেন্দ্ৰৰ উত্তৰ বহীবোৰেই গৰুৱে খাইছে। মই নিজেই বাতৰিটো পঢ়ি আহিছোঁ। সেই তেতিয়াৰে পৰা অঞ্জলি প্ৰায় অস্থিৰ হৈ আছে। পেপাৰত লিখা বাতৰিটো এটা মিছা বাতৰি হওক—তাকেই বাৰে বাৰে ভগৱানক প্ৰাৰ্থনা জনাইছে। প্ৰচলিত শিক্ষাব্যৱস্থাটোৱে অঞ্জলিক সন্তুষ্ট নকৰিলেও আশাহত কৰা নাছিল। চৰকাৰৰ নতুন আঁচনিবোৰে, নিয়োগ নীতিয়ে অঞ্জলিক আশাবাদী কৰি তুলিছিল। পাৰ্থ মানুহ হওক অন্ততঃ কাৰোবাৰ ওচৰত হাত নপতাকৈ জীয়াই থাকিব পৰা হ'লেই তাইৰ জীৱনৰ সাৰ্থক হ'ব।

কথাবোৰ ভাবি থাকোঁতেই তাইৰ ৰঙালাও কটা হৈ গৈছিল। দালিখিনি ধুই কেৰাহিখন জুইৰ ওপৰত তুলি দিলে। তাৰ পিছত চাউল কেইটাও ধুই নিৰ্দিষ্ট জোখৰ পানী দি চৰুটোৰ ঢাকোনটো দি দিলে। এতিয়া অন্ততঃ পাৰ্থই বিশেষ কষ্ট নকৰাকৈ ভাত কেইটা ৰান্ধিব পাৰিব বুলি নিশ্চিত হৈ অঞ্জলি পাকঘৰৰ পৰা ল'ৰালৰিকৈ ওলাই গ'ল। পৰিস্কাৰ কাপোৰ এসাজ তাই পিন্ধি ললে। শিক্ষাদান কৰোতে সদায় পৰিষ্কাৰ হৈ থাকিব লাগে। মনটোৱো প্ৰফুল্ল হৈ থাকিব লাগে। এই দৰ্শন তাই হাইস্কুলৰ শিক্ষয়িত্ৰী জেতুকী বাইদেউৰ পৰা শিকিছে। অঞ্জলিয়ে কাপোৰ সাজ সলোৱাৰ লগতে মনটোৰ অস্থিৰতা খিনিও যথাসাধ্য আঁতৰাবলৈ চেষ্টা কৰি টিউচন কৰা কোঠাটোলৈ বুলি ওলাই গ'ল। প্ৰথম গ্ৰুপৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰায় আটাইকেইজন আহি পাইছিল।

অঞ্জলিয়ে নিজৰ কৰ্তব্যত মনোনিবেশ কৰিলে। চাওঁতে চাওঁতে তৃতীয় গ্ৰুপটোৰ ক্লাচ টোৱো শেষ হওঁ হওঁ হৈছে। অঞ্জলিয়ে ঘড়ীটোলৈ চালে। চাৰে আঠটা বাজিছে। ক্লাচটো আজিলৈ শেষ কৰো বুলি ভাবোতে অঞ্জলিয়ে ক্লাচ নাইনৰ ছাত্ৰী গৰাকীয়ে পাঠটোৰ প্ৰশ্ন এটা সুধিলে। কাইলৈ শিকাই দিম বুলি ক'ম বুলি ভাবিও অঞ্জলিয়ে প্ৰশ্নটোৰ উত্তৰ কৰি দিলে।

ন বাজিবলৈ দহ মিনিট সময় থাকোতে অঞ্জলি পুনৰ পাকঘৰত সোমাল। পাৰ্থই ইতিমধ্য দুয়োজনলৈ ভাত বাঢ়ি থৈছিল। নাকে কাণে ভাতকেইটা গুজি অঞ্জলিয়ে বাচনবোৰ সামৰিলে। মাকৰ ল'ৰালৰি দেখি পাৰ্থই স্বভাব সুলভ হাঁহিটো মাৰি ক'লে ইমান ল'ৰালৰি কিয় কৰিছ? ৰিজাল্ট ইতিমধ্যে ৰেডি হ'য়েই গ'ল। যিটো হ'ল হ'ল আৰু। গৰুৰ পেটৰ পৰা বহী উলিয়াব পাৰিলেহে ভবামতে মাৰ্কচ পাম। উলিয়াব নোৱাৰিলে মৰ্জি মতে দিওতে কলমত যি উঠে উঠিব আৰু।" চুপতি বন্ধ কৰ সকলো সময়তে চুপতি মাৰিব নালাগে। পাৰ্থক ধমকি দি বেৰখনত ওলমাই থোৱা ছাটিটো লৈ অঞ্জলি যাবলৈ ওলালে। এখোজ আগবঢ়াই হাতত থকা বেগটো খুলি ৰোল নম্বৰ আৰু কেন্দ্ৰ নম্বৰ লিখা কাগজ খিলা ঠিকমতে আছেনে নাই আকৌ এবাৰ চাই ললে। পুনৰ মুখৰ ভিতৰত ভগৱানক স্মৰণ কৰি অঞ্জলি দেৱী স্কুললৈ বুলি ৰাওনা হ'ল।

স্কুলৰ চৌহদত উখল মাখল পৰিবেশ। যেনি তেনি মানুহৰ জুম। ফলাফল ইতিমধ্যে ঘোষণা হৈছেই ৰিজাল্ট বৰ্ডৰ ওচৰত মানুহৰ ভিৰ

লাগিছে। চিনাকি কাৰোবাক দেখা নেকি বুলি অঞ্জলিয়ে ইফালে সিফালে চালে। অলপ দূৰত পাৰ্থহঁতৰ স্কুলৰ বিজ্ঞান বিষয়ৰ শিক্ষক জনক দুজন মান মানুহৰ সৈতে গম্ভীৰভাৱে কথা পাতি থকা দেখি সেই ফাললৈ অঞ্জলি আগবাঢ়ি গ'ল। কিন্তু অঞ্জলিক দেখিও নেদেখাৰ ভাও জুৰি শিক্ষক জন আঁতৰি যোৱাত অঞ্জলিয়ে নিজেই মানুহৰ ভিৰ ঠেলি বৰ্ডৰ ফালে আগবাঢ়ি গ'ল। ঘামি জামি অঞ্জলি নটিৰ্চ বৰ্ড খনৰ ওচৰ পালেগৈ।

প্ৰথম বিভাগৰ থকা ৰোল নম্বৰবোৰ তেওঁ চাবলৈ ধৰিলে নম্বৰটো নেদেখি আকৌ এবাৰ চালে। নাই প্ৰথম বিভাগত নাই বুলি তেওঁ নিশ্চিত হ'ল। তাৰ পিছত তেওঁ দ্বিতীয় বিভাগত থকা ৰোল নম্বৰবোৰ চাবলৈ লাগিল। তাতো পাৰ্থৰ ৰোল নম্বৰটো নাই। অঞ্জলিয়ে চকুৰে ধোঁৱা-কুৱা দেখিবলৈ ধৰিলে। এজনে ইমান দেৰি লগাইছেনে বুলি তেওঁক ঠেলা মাৰি দিলে। অঞ্জলিয়ে বোৰ্ড খনত দুয়োখন হাতেৰে ধৰি কথমটি নপৰাকৈ থাকিল। ধৈৰ্য্য সহকাৰে অঞ্জলিয়ে এইবাৰ তৃতীয় বিভাগত ৰোল নম্বৰ বোৰ এটা এটাকৈ চাবলৈ ধৰিলে, নাই পাৰ্থৰ ৰোল নম্বৰটো নটিচ বৰ্ড খনত নাই। আন্ধাৰবোৰে যেন বিৰাটকায় দৈত্যৰ ৰূপ ধৰি তেওঁক খেদি আহিছে। সেই দৈত্যৰ হাতৰ পৰা সাৰিবলৈ অঞ্জলিয়ে আপ্ৰাণ চেষ্টা কৰিছে। কিন্তু তেওঁ যেন বাচিব পৰা নাই। ধপচ কৰি অঞ্জলি দেৱী মাটিতে বহি পৰিল..........।



# কবিতা





## অনুভৱ

**পুনমজ্যোতি বৰা**
**উচ্চঃ মাঃ প্ৰথম বৰ্ষ, বিজ্ঞান শাখা**

সৰ্পিল গতিৰ ধীৰ নদী সোমদিৰি
তোমাৰ পাৰতে আমি সাধনাত বহিছোঁ,
তোমাৰ খোজৰ মধুৰ গুঞ্জন শুনি শুনি
গুৰুৰ মন্ত্ৰ শুনিছোঁ ফিজিক্স কেমেষ্ট্ৰিৰ...
ই-মা-ন আপোন লাগিছে এল.টি.কে. কলেজ
সেউজ পথাৰ, নৈৰ কলৰৱ, চৰাইৰ বন্য কোলাহল...
বাঃ কি মাধুৰ্য
বৰ্ষাৰ নদৰ সেমেকা সেউজ আৰু আঘোণৰ সোণালী সপোন
বাঃ এল.টি. কে. কলেজ বাঃ
দিন বাগৰিলে জীৱনৰ সুগন্ধি পখিলা তোমাৰ বুকুৰ পৰা
মই কিন্তু লৈ যাম।
আঁকি থ'ম স্মৃতিৰ কেনভাছত তোমাৰ অৱয়ব আৰু
শিক্ষাগুৰুৱে দিয়া ঐশ্বৰ্যবোৰ।

## তুমি

**পলাশ চুতীয়া**
স্নাতক প্ৰথম ষান্মাসিক

চিক্‌মিক জোনাকত
জিলিকি উঠা
সেউজী দুৰৰি বনৰ
মুকুতা মণি যেন নিঁয়ৰৰ কণাত
দেখা পাওঁ
মৃদু মিঠা তোমাৰ হাঁহি।
কুলু কুলু সুৰেৰে
ধোঁৱা বৰণীয়া পাহাৰৰ
শিলে শিলে ঠেকা খাই
বৈ যোৱা জুৰিটিত।
শুনিবলৈ পাওঁ
মন পুলকিত কৰা তোমাৰ গুণ গুণনি।
মুক্ত আকাশৰ তলত
বোকা পানী খচকি
হাল বাওঁতে
নাঙলৰ সীৰলুত
কেঁচা মাটিৰ গোন্ধত
পাওঁ দেখোন তোমাৰেই নিশ্বাস।
আঘোণৰ সোণালী ধাননিত
ধানদোৱা গাভৰুৰ
দেহৰ ভাঁজত
দেখা পাওঁ তোমাৰ লয়লাস।
কাতি মাহৰ জোনাক ৰাতি
তুলসীৰ তলত
চাকি জ্বলাই চকু মুদিলেই
মনত ভাঁহে তোমাৰ ছবিখনি।
সেয়ে তুমি মায়াময়
তুমি প্ৰেৰণাময়
তুমি মোৰ ৰিক্ত হৃদয়ৰ
আকুল ভৰা গান
আৰু
হেঁপাহৰ প্ৰেম-অনুভূতি।

# এল. টি. কে. কলেজৰ অজ্ঞাত প্ৰেমিক

ৰাম পেগু
স্নাতক তৃতীয় বৰ্ষ, প্ৰাণী বিজ্ঞান বিভাগ

নীলাভ দুচকু
ৰঙীণ দুটি ওঁঠ
চকুৰ চাৱনিত বিজুলী নামে
ওঁঠৰ ভাষাত কলিজা কঁপে
গহীন খোজত দুৱৰিয়ে হাঁহে
তাইৰ বগা নীলা পাৰিত
খোদিত এচমকা সৌন্দৰ্য
আঁচলে উৰুওৱা ধূলিবোৰ
যেন তাইৰ অশান্ত প্ৰেমিক।
অনবৰতে দুলি থকা কাণৰ কেৰুযুৰি
জোনাকৰ পোহৰৰ দৰে উজ্জ্বল নাকফুলি
বসন্তৰ কুলিৰ দৰে
তাইৰ কণ্ঠস্বৰ।
অচিনাকি প্ৰেয়সীৰ দৰে
তাই চাই নীৰৱে
অবাক দুটি ওঁঠ
কি নাম বাৰু তাইৰ
এতিয়াও মোৰ অচিনাকি তাই
মোৰ পৰা আঁতৰি ফুৰে
তথাপিও ভাল লাগে
লাজকুৰীয়া এটি হাঁহি মাৰিলে
মই যদি কৈ দিও
তোমাক ভাল পাওঁ অনামিকা
শীতত ভৰা নিঁয়ৰৰ দৰে
ভৰি পৰিব নয়নাশ্ৰু
তাই চকুলোৰে কি সূচাব
ভালপোৱা নে প্ৰত্যাখ্যান?
নাই...তাই নীলাভ দুচকুত
অশ্ৰু ভাল নালাগে মোৰ
অজ্ঞাতভাৱেই তাই মোৰ
প্ৰেমিকা হৈ থাকক
আৰু মই...





# দুখৰ ছাঁ

জয়ন্ত বৰুৱা
স্নাতক প্ৰথম বৰ্ষ


জীৱনৰ আৰম্ভণি কেৱল
শূন্যৰ পৰা আৰু যেন
শূন্যতেই শেষ।

দুখৰ দোমোজাত হাওলি পৰা
এজোপা নিসংগ গছৰ দৰে।
দুৱৰিৰ দলিচাত সেই তাহানিৰ

হেৰাই যোৱা মোৰ প্ৰাণৰ
দুচকুৰ মণি বিচাৰি
বিচাৰি পাইছোঁ কেৱল

শূন্যতাৰ পৰা শূন্যতা
প্ৰেম মাদকতা নদীৰ পাৰতে বহি

নিৰৱে বাগৰে হিয়াভৰা দুধাৰি চকুলো
নদীৰ সোঁতে আৰু পাৰৰ মৃদু বতাহে
বাৰে বাৰে সোঁৱৰাই
জীৱনৰ প্ৰতিটো স্মৃতি।




# এজোপা গছ হ'ব খুজিছো


**ময়ুৰী চাংমাই**

স্নাতক তৃতীয় ষান্মাষিক


এজোপা গছ হ'ব খুজিছো
বাহু প্ৰসাৰী ছাঁ দিম ৰ'দত
সেউজীয়া ছাতি মেলিম বৰষুণত
শীতলাম বা-দি গৰমৰ পোছাক
ফুল হৈ ফুলিম হৃদয়ত
ফল ধৰি গুছাম ভোকৰ ভোক
পাৰিম নে নোৱাৰিম
পাৰিম নে হ'ব এজোপা গছ
ৰজা মিডাছৰ দৰে সোণেৰে সজাব বিচৰা নাই জীৱন.........
এজোপা গছ হ'ম
শিপাই গুহিম মাটি
শিপাই গুহিম পানী
ৰ'দত দেই পুৰি যাম
বৰষুণত তিতিবুৰি আহৰি হ'ম
বতাহত হাওলিলে
ধুমুহাত উভালিব খুজিলে
জোৰেৰে খামুচিম মাটি
হ'ব খুজিছো এজোপা গছ
ওপজা মাটিত
হ'ব খুজিছো.......।



# হে সুন্দৰ


**নমিতা শইকীয়া**

স্নাতক প্ৰথম বৰ্ষ


হে সুন্দৰ তোমাৰ ৰূপৰ
এটি কণা মাথো মোক দিয়া
সেই কণিকাৰে সজাই তুমি
জীৱনক কৰি মোহনীয়া

এটি কণা মাথো মোক দিয়া।
হে গীতিকাৰ তোমাৰ গীতৰ
এটি লয়লাসেৰে ভৰাই দিয়া
অপূৰণ মোৰ সুৰৰ পাত্ৰ

তোমাৰ সুৰেৰে পূৰ্ণ কৰা
এই লয়লামেৰে ভৰাই দিয়া।
শিল্পী তোমাৰ ৰং তুলিকা
এটি বাৰ মাথো বুলাই দিয়া

হৃদয় পটত জিলিকি উঠা
সেই ছবি কৰি চিৰযুগমীয়া
জীৱনক কৰি মোহনীয়া।

# শ্বহীদ তৰ্পন

গীতাশ্ৰী দেৱী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



পূজাৰী আমি জনতাৰ স্মৃতি প্ৰাংগনত
দোহাৰিছোঁ কৰ্মৰাজী
সোঁৱৰিছোঁ প্ৰতিমূৰ্তি
সশ্ৰদ্ধে যাচিছোঁ পুষ্পাঞ্জলি

কৰযোৰে প্ৰণামো চৰণযুৰি।
আমি মানৱতাৰে দিওঁ চিনাকি
গৌৰৱেৰে গঢ়ি যাওঁ চানেকি।
যুগে যুগে প্ৰণামো চৰণ।

ধন্য তুমি মান্য তুমি
অন্তৰ্ধামত নীৰলে থাকি
আমালৈ যাচিবা আৰ্শীষবাণী।।



# এটি মায়াবী মাতে

তৰুণ গগৈ
স্নাতক দ্বিতীয় বৰ্ষ (শিক্ষা বিভাগ)

দুচকুত তোমাৰ কি আছে যাদু?
ঘনে ঘনে মোৰ স্মৃতি পটত
প্ৰতিভাত হয় মাথো
তোমাৰেই ছবি।
কি যে অশান্ত মন মোৰ।

বৰষুণৰ উচুপনিৰ কোলাত বহি
মই কান্দি কান্দিও হাঁহি থাকো,
তোমাৰ মাতৰ কঁপনিৰ
কোবাল জোৱাৰৰ বাবে
তোমাৰ ওঁঠৰ এটা আলসুৱা মাতে
মোক ৰাতি ৰাতি উন্মাদ কৰে,
চৰাই এটাৰ চকুৰ ধুনীয়াখিনিৰ বাবে
ফুল এপাহৰ নিৰ্বাক সৌন্দৰ্যৰ বাবে

মই মৌন, মগ্ন নিঠৰ হৈ ৰৈ থাকো।
তোমাৰ মাতৰ কুমলীমাত ডুবি
সপোনৰ বালিঘৰ সাজি,
ৰিমঝিম ফুল, বৰষুণত তিতি,

তোমাৰ ওঁঠৰ পৰা সৰি পৰা
এটা মায়াবী মাতে
মোক আকুল কৰে।
জিৰ জিৰ বতাহ এজাকৰ মাতে।



## সাম্প্ৰদায়িকতা


**উষা শইকীয়া**
**স্নাতক তৃতীয় ষাণ্মাসিক**


এপিনৰপৰা ধ্বংস কৰিছে সি
মানুহৰ হাড়-মূৰবোৰ চোবাই চোবাই
এতিয়াও তাৰ ভাগৰ লগা নাই।
পথৰ দাঁতিত এতিয়াও পৰি আছে

বিভৎস মৰাশবোৰ...
তাৰপৰা নিৰ্গত হৈছে এক ভেকেটা ভেকেট গোন্ধ।
তাৰ স্পৃহা এতিয়াও কমা নাই।

তাৰ নিৰ্দেশতেই পশুবোৰে ভিতৰৰপৰা
উলিয়াই আনে সেই গৰ্ভৱতী নাৰীবোৰ
আৰু আৰম্ভ কৰে, পৈশাচিক অত্যাচাৰ
কি নিৰ্দয়। সি ধৰ্মৰ অচিনাকি

শান্তি তাৰ চিৰশত্ৰু, হিংসা তাৰ পৰম বন্ধু।
সি মাকৰ বুকুৰ শিশুবোৰ আজুৰি আনি
আচাৰি আচাৰি মাৰে।

সি ঘৰ-দুৱাৰ জ্বলাই দি অনাবিল আনন্দ লাভ কৰে।
তাতেই তাৰ তৃপ্তি, সন্তুষ্টি
মাজে মাজে সি অন্তৰ্ধ্যান হয়

কিন্তু মন গ'লেই ওলাই আহে সংঘৰ্ষৰ পোছাক পিন্ধি।
আৰু আৰম্ভ কৰে তাৰ ধ্বংসলীলা।
হে মানৱতা, কি চাই আছা, তাক শান্ত কৰা।
তাৰ নাম সাম্প্ৰদায়িকতা।



## যাত্ৰী


**ৰাজীৱ দুৱৰী**
**স্নাতক প্ৰথম বৰ্ষ, শিক্ষা বিভাগ**


বেকাৰ কবি মই
ৰঙা বটলৰ গোলাপী ৰাগীতেই ডুব যাওঁ
বেছি সময়।
চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীৰ মাজত

বিচাৰি পাওঁ মোৰ জীৱনৰ
পাক লগোৱা সজা
কেতিয়াবা লগ দিয়েহি এটা নষ্ট আবেলিয়ে
লৈ আহে অলপ নষ্টালজিয়া


মনত পেলাই দিয়েহি তোমাৰ কথা
পুনৰাই, কৈ যায়
বেকাৰ কবিৰ ব্যৰ্থ প্ৰেম পথৰ
যাত্ৰী হোৱাৰ কথা।

# ছন্দ বিহীন

পপী বৰা
স্নাতক দ্বিতীয় বৰ্ষ


দুখৰ আছে এক ভিন্ন ভাষা
কাৰোবাক বুজা
জীৱন মানেইতো দুখ-বেদনা।
কণ্টকময় জীৱন
অভিজ্ঞতাৰে ভৰা

বেদনাবোৰ মাথোঁ
ছন্দবিহীন কবিতা
জানিম কেনেকৈ
কোন দুখেৰে গঢ়া
দুখ ছন্দবিহীন বেদনা।



# নিসংগতাৰ সন্ধিয়া

দিম্পল সন্দিকৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



যাবলৈ ওলাইছে পোহৰৰ গৰাকী
ধৰণীৰ বুকুলৈ আন্ধাৰৰ আগমন,
মই যেন বুজিব পৰা নাই বোৱতী নদীৰ
আমন-জীমন কুল কুলনি।

অসীমত এতিয়াও আছে পোহৰৰ কিঞ্চিত ৰজনী
মই দুহাত আগুৱাই অকলশৰে মাতো
সেই ৰেঙণি,
কিন্তু নুশুনাৰ ভাও জুৰি সিও গ'ল আঁতৰি।
দূৰৈত শুনা বাঁহীৰ সুৰত যেন

ভটিয়াই গৈছে সৌজন অকলশৰে নাৱৰীয়া,
কিন্তু তাৰ বাবেতো বাঁহীৰ সুৰেই লগৰীয়া,
মইহে বৰ অকলশৰীয়া।
মোৰ বাবে হয়তো প্ৰতিটো সন্ধিয়াই নিসংগতাৰ সন্ধিয়া।

# বিষাদ গুচোৱাৰ আশা

হিৰকজ্যোতি গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

আজিহে বুজিছোঁ, এই নপতা ফুকনৰ
সপোনৰ বাহিৰে একা নাই,
যিটো দেখিছিলো সপোন
ভাবিছোঁ, সেইটো দিঠক হোৱাৰ আশা নাই।
যিদিনা দেখিছিলোঁ চকুত আগত
দিনতেই দেখিছিলোঁ ৰঙীণ সপোন
সেইদিনা..., আজি ঠিক পৰিছে মনত
হৃদয়খন আছিল আনন্দৰে ভৰপূৰ।
সেইদিনা অনুভৱ হৈছিল
দেখিছিলোঁ এটা জোনাকৰ বাট
আজি বুকুখন চুই উচুপখাই উঠিছোঁ
হয় হয়..., কলিজাত যেন মোৰ হৈছে বাট।
আজি বৰ বিষাদ অনুভৱ কৰিছোঁ
হয়তো সেইয়া মোৰেই ভুল
সপোনৰ সাগৰত ডুবি মৰিছিলোঁ
সেইবাবেই হয়তো হৃদয়ত মোৰ সোমাল শূল।
আজি হিৰুদালৈ বৰকৈ মনত পৰিছে
মোৰো অনুভৱ হৈছে, প্ৰেম নিশ্চয় এনেকুৱাই
যিয়ে সপোনৰ সাগৰত ডুবাই মাৰে
আৱৰণ খুলি হৃদয় জুৰায়।
কিন্তু, আজিও মই পাহৰা নাই
দেখিছোঁ সেই একেটা সপোন,
সদায়েই অনুভৱ হয়,
কেতিয়ানো হৃদয়খন পৰিব জুৰ।
পাহৰিব পৰা নাই বাবেই
তোমাক পোৱাৰ চেষ্টাও এৰা নাই
এইবাৰ দৃঢ়, সপোন দিঠক হ'ব, হৃদয়ৰ বিষাদ গুচিব
সেইবাবেই তোমালৈ ৰৈছোঁ বাট চাই।।

# কথাবোৰ গোপন হৈ থকা নাই

প্ৰাঞ্জল দাস
স্নাতক তৃতীয় ষাণ্মাসিক

কথাবোৰ গোপন হৈ
থকা নাই
নিচাবোৰ ফাগুনৰ
বতাহৰ দৰেই
বিয়পিছে চৌদিশে
কথাবোৰ এতিয়া

ফুচফুচাই নাপাতে কোনেও
নুশুনে কোনেও
কাণ উনাই,
কথাবোৰ হৈ
থকা নাই গোপন।

শাওনৰ মূষলধাৰ বৰষুণ দৰেই
কথাবোৰ তুমি জানা বাবেই
কথাবোৰ গোপন হৈ
থকা নাই
কথাবোৰেই জনাই আছে
তোমাক মোক
আৰু কথাবোৰক........ •



# শীতৰ দিনত সংগোপনে

ৰাজশ্ৰী বৰা
স্নাতক তৃতীয় বৰ্ষ



শীতৰ দিনত যেতিয়া
কবিতাবোৰ পথাৰখনৰ মাজত বৈ থাকে।
আনধাৰ হোৱাৰ আগেয়েই
কুঁৱলীবোৰে বাট ভেটি ধৰে।

বতাহেও সুকোমল গাল স্পৰ্শ কৰে...
ভয়ত মোৰ আলসুৱা কবিতাবোৰে,
নৈপৰীয়া হাবিয়নি ডৰাৰ লুংলুঙীয়া বাটেৰে
দৌৰিব বিচাৰে।

কৰ্কশ ফেঁচাৰ মাততেই,
মোৰ কবিতাবোৰৰ কঁপনি উঠে।
বৰ্ণ, শব্দ আৰু বাক্যবোৰে হাতত ধৰা ধৰিকৈ,
পাৰ হয় এই জয়াল হাবিডৰা।

ফৰিংফুটা জোনাকত যেতিয়া
ধুলিয়ৰি বাটেৰে খোজ লয়।
নিয়ৰ সৰা বালিৰ মাজত পিছলি যাব খোজে
মোৰ আলসুৱা কবিতাবোৰ...

শীতৰ চেঁচা বতাহজাকে নিল্লৰ্জভাৱে
খেদি ফুৰে কবিতাবোৰক।

আশ্ৰয়ৰ আশাত মোৰ কবিতাবোৰ গছত ওলমি ৰয়।
তথাপিও,
শীতৰ বতাহ, কুঁৱলী আৰু নিঁয়ৰবোৰে

বিচাৰি উলিয়াই মোৰ কবিতাৰ নিৰাপদ আশ্ৰয়।
চেঁচা হৈ পৰে কবিতাবোৰৰ আশা...

প্ৰতিবাদ কৰি কৰি কবিতাবোৰ এখিলা শুকান পাত হয়।
শীতৰ প্ৰতিশ্ৰুতিৰ অন্তত সৰি পৰে শুকান

পাতবোৰ
হঠাৎ মোৰ প্ৰেমিক মনটো জাগ্ৰত হ'ল।
মই কবিতাবোৰক বিচাৰি ফুৰিলোঁ।
ক্ৰমশঃ মই উন্মাদ হ'লোঁ।

এজোপা লঠঙা গছৰ তলত বহি সৰাপাতবোৰ
লিৰিকি বিদাৰি বুকুৰ মাজত সোমোৱাই ল'লোঁ।

মোৰ বুকুৰ উম লাগি শুকান পাতবোৰ সেউজীয়া হ'ল।
সেউজীয়া হ'ল মোৰ কবিতাবোৰ...

কবিতাবোৰক ঘূৰাই পাই মই আনন্দত চিঞৰি উঠিলোঁ।
আকাশলৈ দুহাত মেলি মই ৰ'দ বিচাৰিলোঁ।

'ৰ'দালি এ ৰ'দ দে,
আলি কাটি জালি দিম
বৰ পীৰা পাৰি দিম
তাতে বহি বহি ৰ'দ দে, ৰ'দ দে।'

যি ৰ'দৰ আশাত বন্দী হৈছিল মোৰ কবিতাবোৰ
এই ৰ'দতেই সেউজীয়া হৈছিল কবিতাবোৰ।

শীতৰ দিনত কুঁৱলী, চেঁচা বতাহৰ পৰা সংগোপনে।
কবিতাক মই লৈ ফুৰিছোঁ এচেৰেঙা ৰ'দৰ আশাত।

এচেৰেঙা ৰ'দৰ আশাত,
বুকুৰ ভিতৰে ভিতৰে অতি সংগোপনে।

# মৃত্যু

গীতাশ্ৰী দেৱী
স্নাতক প্ৰথম বৰ্ষ



মৃত্যু এক চিৰন্তন যাৰ, কোনো ক্ষয় নাই।
মৃত্যু এক অবিনশ্বৰ,
যি হাজাৰজনৰ হৃদয় বিচাৰি যায়।
হাজাৰজনৰ আপোনকলৈ যায় অজান দেশলৈ
সেয়াই নেকি মৃত্যু?
কতজনক দি যায় নিঃশব্দতা।
কতজনৰ ভাঙি দিয়ে সপোনৰ কাৰেং
কতজনৰ চকুত নমাই আনে অশ্ৰুৰ বান।
বোৱতী নদী জানো বালিৰ ভেটাৰে ৰাখিব পাৰি?
ৰাখিব পাৰি জানো মৃত্যুক?
কাৰোবাৰ বুকুৰ মৰমেৰে
মই নেকি বাৰু সেই হাজাৰজনৰ মাজৰ এজন
যাৰ চকুত সদায় বাগৰে সেই
আপোনক হেৰুৱাৰ বেদনাৰে ব্যথিত অশ্ৰু...।।



# বেদনা

নমিতা বৰা
স্নাতক তৃতীয় বৰ্ষ

ধূসৰ সেই ৰাতিবোৰ
বিৰহৰ সেই দিনবোৰ
কোনসতে পাৰ কৰো
নিৰ্জনতাৰ বুকুচাত উঠি
নিসংগতাৰ লগত খেলি
সোমাই যাওঁ মাত্ৰ
পাৰাপাৰহীন বেদনাৰ সাগৰত
সেই গভীৰ সাগৰ
দিশহাৰাপথিক মই
বুকুত বাজে বেদনাৰ স্মৃতি
বেদনাৰ অটল গহ্বৰত শেষ হৈ গৈছে
মোৰ আকলুৱা সপোনবোৰ
সোণবৰণীয়া আশাৰ ৰেঙণিবোৰ
তেতিয়া ভগা পাখিৰ দৰে
চটফটাই উঠে মোৰ মনটো
কিবা এক অজান বেদনাত
বেদনাৰ চাকনৈয়াত জিকাৰি উঠো মই
অথচ
মই নাজানো
এই বেদনা কি? কেতিয়া শেষ হয়?



# নিশাৰ উচুপনি


**ৰেখামণি বৰা**
**স্নাতক তৃতীয় বৰ্ষ**


তোমাৰ কবিতাৰ কোমল শব্দই
মোৰ হৃদয়ৰ কোঁহে কোঁহে
আলিংগন যাচিছিল
কিন্তু, তুমি যে আছিলা

মোৰ পৰা বহু নিলগত
গভীৰ নিশাবোৰ আছিল মোৰ বাবে
উচুপনিৰ সাগৰ
মোৰ আশা


তুমি যেন নোহোৱা
ধ্বংসৰ প্ৰতীক
মই জানো এতিয়া তুমি
মোৰ নিচেই কাষত

তথাপি মোৰ লাজুকী চকুৰ পৰা
সূৰুযৰ দৰে
তুমি যেন এতিয়া আঁতৰত।

# সপোন আছে বাবেই


**সবিতা ফুকন**
**স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ**



সপোন আছে বাবেই
মানুহে স্পৰ্শ কৰিব পাৰে আপোন হৃদয়
পক্ষীৰ দৰে উৰিব পাৰে
মানুহে দিন ৰাতি।
সপোন আছে বাবেই
নদীৰ দৰে একা-বেঁকাকৈ বৈ যায়
মানৱ জীৱন
উটি যায় প্ৰেম
শুভ্ৰ সুন্দৰ নদীখনত
সপোন আছে বাবেই
জীয়াই থাকে এজন খেতিয়ক
বুকুত লৈ আকোৱালি সোণোৱালী আঘোণ।
সপোন আছে বাবেই
মানুহে পাতিব পাৰে আকাশত চাং
বাওনা হৈ মেলিব পাৰে চন্দ্ৰলৈ দুহাত
এদিন হেৰায় যায়
হঠাৎ সপোন
যিদিনা ভাগি যায়
সপোনৰ সেই দাপোণ।



# *Hope*

Dipankar Hazarika
B.A. 2nd Year

For whom you are born
I don't know.
When I am alone I feel lonely.
But suddenly your thoughts
occupy my mind...
your sweet memories fly,
Like the birds in the sky.
I feel your sound and smile
In the garden of my heart
Oh! you are not here.
And my hope still lingers.



# *পূৰ্ণিমা জোনাকৰ নীৰৱ গধূলি*

গুণিন্দ্ৰ কুমাৰ ফুকন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

গধূলি পৰত নামঘৰত
ডবা, কাঁহ বাজিছে,
ঘৰে ঘৰে প্ৰাৰ্থনাৰ
সুৰ উপচি পৰে।
ধূপ-ধুনাৰ গোন্ধত
আমোল-মোল হৈছে
পূৰ্ণিমা আকাশৰ
নিমাত নিৰৱ পৰিৱেশ।
ময়ো প্ৰাৰ্থনা কৰি
নিমাত নিৰৱ আকাশৰ তলত
পূৰ্ণিমাৰ গভীৰ জোনাকৰ অপেক্ষাত
হঠাৎ মনত পৰিল তোমালৈ
বহু সময় নিৰৱে ৰৈ
এখোজ-দুখোজ কৰি
তোমাৰ কথা ভাবি
মই মোৰ ঘৰৰ চোতালত।
ৰিমিক জিমিক কৰি
জোনাকী পৰুৱাবোৰে
নাচি নাচি বতাহৰ তালত
মোৰ সতে নিৰৱে কথা পাতিছে।
লাহে লাহে আকাশত
পোহৰ বিৰিঙি পৰিছে,
মোৰ চকু আকাশলৈ গ'ল
দেখিলোঁ জোনটিৰ সতে
লাজ লাজকৈ তৰাবোৰে
চিক্‌মিক্ কৰি হাঁহি হাঁহি
আকাশত আনন্দৰ
খেলা পাতিছে।
লাহে লাহে জোনৰ পোহৰত
পৃথিৱীখন উজ্জ্বলি উঠিল,
কাঁহ পৰি জিন যোৱা
নিমাত নিৰৱ পৃথিৱীত
দুখৰ অন্ধকাৰ আঁতৰি
সুখ আৰু আনন্দৰ জোৱাৰ উঠিল।
সুখ আৰু আনন্দৰ
নিমাত নিতাল
পূৰ্ণিমা জোনাকত
নিৰৱ গধূলি।

# বৰষুণত নিস্তব্ধতা

জ্যোতিস্মৃতা দত্ত
স্নাতক চতুৰ্থ ষান্মাসিক

নৈসৰ্গিক বাসনাত তোমাৰ পৰশ
মাথো নিশব্দে বিয়পাই পেলালা,
সিঁচৰতি কৰি মুকুতামণি ধাৰা
সৰগৰ পৰা মৰ্তলৈ।
ফুটো নুফুটো মাতেৰে টোপাল টোপাল
মুকুতামণিৰ ধাৰাই ধৰাক
আলিংগনাবদ্ধ কৰি জীপাল কৰিলা
সেউজ ধৰণী।
স্মৃতিত কালিমা সানি
ধৰাৰ হৃদয় দুৱাৰত তোমাৰ
অশান্ত পৰশ; লগতে বাসনা
পোৱা নোপোৱাৰ বেদনা।
স্নিগ্ধ সুবাস বিয়পাই সেউজ সংকেত
লগৰী কৰিলা তুমি সৰগৰ পৰা।
নীৰৱে সংগোপনে জলৰাশিৰ
মায়াজাল গাঁঠি বৰষুণ তুমি
নামি আহিলা মোৰ হৃদয়লৈ;
মিলনৰ অক্ষয় গীতেৰে উজ্জীৱিত
তোমাৰ হৃদয়, স্থান মাথো
প্ৰাপ্তি অপ্ৰাপ্তিৰ;
দিবা হৃদয়ৰ পৰশ
দুবাহুৰ আকুল আহ্বান।

# লিমাৰিক

প্ৰিয়াশ্ৰী বৰা
স্নাতক চতুৰ্থ ষান্মাসিক

(ক) "পকেটত ম'বাইল বাইকত এয়া আধুনিক ডেকা
আজিলৈকে কিন্তু গছকিয়ে পোৱা নাই বোকা
ৰেষ্টোৰালৈ যোৱাটো নিয়মীয়া
কাৰ্যত হিয়া-দিয়া-নিয়া।"
আজিকালি হেনো গুৰুতকৈ শিষ্যহে বেছি চোকা"


(খ) "বিলাসী পত্নী তেওঁ ল'লে এটি কোৱাটাৰ
শাহু-শহুৰৰ লগত পাই হেনো দিগদাৰ
নিশা হ'লে নাইট ক্লাবলৈ যায়
নিতৌ পুৱা গধুলি চি. ডি. চায়।"

(গ) "সোনজনীৰ কাৰণে বিচাৰিছে দৰা
হ'বই লাগিব সি গাড়ী ল'ব পৰা
ছোৱালীও ভাল আধুনিক ষ্টাইল
ধৰিবহে নোৱাৰি মাত্ৰ ছোৱালী নে ল'ৰা।"

(ঘ) "ষোড়শী গাভৰু তাইৰ কথা লগা নাই গাত
মাম্মী-পাপাৰ একমাত্ৰ জী নিতৌ নতুন নাট
ফুৰে তাই উনৈশত বা বলাই
মনা নাই কাহানিও গুৰু গোঁসাই
এঘৰলৈ উলিয়াই দিলেহে বজাব পিঠিত ঔ বগৰা হাত।"



# সম্পাদকীয় প্রতিবেদন



# মহাবিদ্যালয়ৰ গৌৰৱ



ইন্দ্ৰানী দেৱী
অসমীয়া আৰু ইংৰাজী কবিতা আবৃত্তিত প্ৰথম,
চাইনিজ চেকাৰ চেম্পিয়ন



পাৰুল চেতিয়া
শ্ৰেষ্ঠ সাহিত্যিক



ৰাজশ্ৰী বৰা
শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী শাখা)



লিপিকা শইকীয়া
চেচ চেম্পিয়ন (ছোৱালী শাখা)



সীমাৰেখা ভূঞা
কইনা প্ৰতিযোগিতাত প্ৰথম



বৰ্ষাশ্ৰী সন্দিকৈ
মিচ. এল. টি. কে. কলেজ



ৰশ্মিৰেখা দত্ত
পুষ্পসজ্জাত প্ৰথম



চম্পক বৰা
বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক (লৰা শাখা)



ভবানী শইকীয়া
বছৰৰ শ্ৰেষ্ঠ সমাজসেৱক (ছোৱালী শাখা)



গুনিন বৰা
চেচ আৰু কেৰম চেম্পিয়ন



প্ৰশান্ত গগৈ
দেহশ্ৰী প্ৰতিযোগিতাত প্ৰথম



গোপাল গগৈ
শ্ৰেষ্ঠ ভেশচন প্ৰতিযোগী

# মহাবিদ্যালয়ৰ গৌৰৱ



দেৱযানী বৰা
ডিষ্টিংচন সহ প্ৰথম স্থান, অৰ্থনীতি বিভাগ



পাৰুল চেতীয়া
ডিষ্টিংচন সহ প্ৰথম স্থান, অৰ্থনীতি বিভাগ



ৰাজশ্ৰী বৰা
প্ৰথম স্থান, প্ৰাণী বিজ্ঞান বিভাগ



জয়শ্ৰী দত্ত
প্ৰথম স্থান, অসমীয়া বিভাগ



নিৰ্মালী পেগু
প্ৰথম স্থান, উদ্ভিদ বিজ্ঞান বিভাগ



মৰমী নাথ
প্ৰথম স্থান, শিক্ষা বিভাগ



লক্ষীমপুৰ জিলাভিত্তিত আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাৰ ৰাৰ্ণাছ আপ বিজয়ী মহাবিদ্যালয়ৰ ক্ৰিকেট দলটো



বিভাগীয় উপদেষ্টাসকলৰ সৈতে মহাবিদ্যালয়ৰ
ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ — ২০১২-১৩ বৰ্ষ



ছাত্ৰ একতা সভাৰ সদস্যসকল — ২০১১-১২ বৰ্ষ



অধ্যক্ষ আৰু উপাধ্যক্ষৰ লগত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ




অধ্যক্ষৰ লগত মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ একাংশ

# প্ৰতিবেদন ঃ
## সাধাৰণ সম্পাদক

এয়াই আমাৰ নৱ যৌৱনা সকলোৰে আদৰৰ, মৰমৰ লক্ষীমপুৰবাসীৰ হেঁপাহৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়। এই অনুষ্ঠানটিৰ ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত জনাইছোঁ সশ্ৰদ্ধ কৃতজ্ঞতা আৰু যিসকল বৰেণ্য ব্যক্তিৰ প্ৰচেষ্টা আৰু সহায়-সহযোগিতাৰ যোগেদি আমাৰ মহাবিদ্যালয়ক বৰ্তমান অৱস্থাত উপনীত হৈছে সেইসকললৈ জনাইছোঁ মোৰ আন্তৰিক সশ্ৰদ্ধ প্ৰণাম লগতে সন্ত্ৰাসবাদৰ বৰ্বৰতাৰ বলি হোৱা সকলোলৈকে যাচিছোঁ একাজলি শ্ৰদ্ধাঞ্জলি।

**কাৰ্যবিৱৰণী ঃ**

আমৰ কাৰ্যকালত প্ৰধানতঃ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিনটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিলি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আত্মবিশ্লেষণৰ দ্বাৰা ভুল-ত্ৰুটিবোৰ শুধৰাই ভৱিষ্যতৰ ৰূপোৱালী সপোন ৰচিবলৈ প্ৰেৰণা আৰু উৎসাহ যোগাইছিলি।

**মহাবিদ্যালয়ৰ সপ্তাহ ঃ**

বিগত বৰ্ষত দৰে আমাৰ দিনটো কোনো এক নতুনত্ব নথকাকৈ ধাৰাবাহিকভাৱে কাৰ্যভাৰ গ্ৰহণৰ কেইদিনমানৰ পাছত একাডেমীক কেলেণ্ডাৰৰ মতে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিনৰ লগতে বৌদ্ধিক, শাৰীৰিক আৰু মানসিক তথা সাংস্কৃতিক দিশৰ বিকাশৰ হেতু ২০ জানুৱাৰীৰ পৰা ২৫ জানুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ সফলভাৱে সমাপ্ত কৰা হ'ল।

২০ জানুৱাৰী ২০১২ তাৰিখৰ পুৱা ৮ বজাত পতাকা উত্তোলনেৰে ছাত্ৰ একতা সভাৰ মহাবিদ্যালয়ৰ সপ্তাহ কাৰ্যসূচী আৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে অধ্যক্ষ ড° লাৱণ্য বুঢ়াগোহাঁই বাইদেৱে তাৰ পাছত মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বীণা শইকীয়া বাইদেউৰ শ্বহীদ তৰ্পণেৰে উক্ত কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয়। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোৰঞ্জন পণ্ডিতদেৱে মহাবিদ্যালয় সপ্তাহ উদ্বোধন কৰি ভাষণ প্ৰদান কৰে আৰু তাৰ পিছত মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কুচকাবাচ প্ৰদৰ্শন আৰু অধ্যাপক একাদশ আৰু ছাত্ৰ একাদশৰ মাজত প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হয়।

**সৰস্বতী পূজা ঃ**

এক নতুনভাৱে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ত পূজা আয়োজন কৰা হয়।

**নবাগত আদৰণি ঃ**

মহাবিদ্যালয়ত নতুনকৈ ২০১১-১২ শিক্ষাবৰ্ষত নামভৰ্ত্তি কৰা শিক্ষাৰ্থীসকলক আদৰিবৰ উদ্দেশ্যে ছয় আগষ্ট ২০১২ তাৰিখে 'নৱাগত আদৰণী' সভাখন অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত সভাপতিত্ব কৰে মাননীয় অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি মহোদয়ে। মূল সভাত উদ্বোধকৰ আসন গ্ৰহণ কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° সূৰ্যভূষণ পাণ্ডুদেৱে। বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ জনাইছিলো লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোৰঞ্জন পণ্ডিত আৰু মুখ্য বিজ্ঞানী আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ, উত্তৰ লক্ষীমপুৰৰ ড° কিশোৰ কুমাৰ শৰ্মাদেৱক।

**উন্নয়নমূলক কাম-কাজ ঃ**

শিক্ষাবৰ্ষত উন্নয়নমূলক কাম-কাজ চলি আছে। যেনে—ক) মহাবিদ্যালয়ৰ খেল পথাৰ ষ্টেডিয়াম খ) ইনড'ৰ ষ্টেডিয়াম গ) পাঠদান কৰিবৰ বাবে প্ৰকাণ্ড এটা ঘৰৰ কাম চলি আছে।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

২০১১-১২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদত আমাক নিৰ্বাচন কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে আমাৰ শুভাকাংক্ষীসকললৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমাৰ কাৰ্যকালত প্ৰতিটো কামতে দিহা-পৰামৰ্শ দি সহায়ৰ হাত আগবঢ়োৱা তত্বাৱধায়ক ভাস্কৰ ছাৰ, বিজু ছাৰ, বসন্ত দত্ত ছাৰলৈ আমাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ। লগতে অধ্যক্ষা মহোদয়া, উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীৰ ভিতৰত বিশেষকৈ অতুল দা, কমল দা, মনোজ দা, ভূপেন দালৈ আমাৰ কৃতজ্ঞতাৰ অৰ্ঘ যাচিলোঁ। মোৰ প্ৰিয় সতীৰ্থসকলৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী নিবাসৰ আবাসীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। তদুপৰি মোৰ কাৰ্যকালত প্ৰতিটো কামতে সহায়-সহযোগিতাৰ লগতে উৎসাহ-উদ্দীপনা আগবঢ়োৱা বন্ধু-বান্ধৱী সুদীপ্ত, ৰূপম, ঋতুৰাজ, মিণ্টু, পুলিন, জাহ্নবী, পূৰবী, পপী, টুটুমণি, গায়ত্ৰী, ৰশ্মি আৰু আমাৰ ছাত্ৰ একতা সভাৰ সকলো সম্পাদক-সম্পাদিকালৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

**ক্ষমা প্ৰাৰ্থনা ঃ** এই এবছৰীয়া কাৰ্যকালত ভুল-ত্ৰুটিৰ অৱকাশ নথকা নহয়। 'মানুহ মাত্ৰেই ভুল' হ'ব পাৰে। মানুহ মাত্ৰে ভুল শুদ্ধৰ সমষ্টি। আমাৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে যদি ভুল কৰিছোঁ আৰু সেই ভুল যদি অক্ষমনীয় নহয় তেন্তে ক্ষমা বিচাৰিছোঁ। ভৱিষ্যতে গঠনমূলক পৰামৰ্শ আৰু সমালোচনাৰে আৰু আত্মবিশ্লেষণৰ পথেৰে আমাৰ মহাবিদ্যালয়খনক প্ৰকৃতাৰ্থতে উৎকৰ্ষতাৰ বিন্দুস্বৰূপে গঢ় দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওঁ আহক।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা। ধন্যবাদেৰে—

**ৰাম পেগু**

# প্ৰতিবেদন ঃ
## গুৰু আৰু লঘু ক্ৰীড়া বিভাগ

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ শ্ৰম আৰু ত্যাগৰ বলত অসমৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান "লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়" স্থাপিত হৈ আজি সুদীৰ্ঘ পথ অতিক্ৰম কৰি সফলতাৰ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে, সেই সকল মহান ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত পঢ়িবলৈ পোৱাটোৱেই সৌভাগ্যৰ কথা, তাতোকৈ সৌভাগ্যৰ কথা হ'ল এইখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদক পদৰ বাবে মোক যোৱা ইং ২০১১-২০১২ বৰ্ষত নিৰ্বাচিত কৰাত মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা মোৰ সহপাঠীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

দায়িত্ব গ্ৰহণ তথা কাৰ্যকৰণৰ খতিয়ান ঃ

লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু আৰু লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা দিনৰে পৰা এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটোৰ সুস্থ পৰিবেশ ধাৰাবাহিকভাৱে বজাই ৰখাত আৰু কাৰ্যকালত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নয়নৰ হেতু সংকল্পবদ্ধ হৈছিলো আৰু সেই মতেই কাৰ্যত অগ্ৰসৰ হৈছিলো।

কাৰ্যকালত থকা অৱস্থাত ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত সৰস্বতী পূজা, নৱাগত আদৰণী সভা, শংকৰদেৱৰ তিথি, বিভিন্ন আলোচনা চক্ৰৰ অনুষ্ঠানবোৰত অন্যান্য সদস্যসকলৰ লগত সম্পূৰ্ণভাৱে জড়িত আছিলো।

লঃ তেঃ কঃ মহাবিদ্যালয়ত মোৰ বিভাগৰ প্ৰথম কাৰ্যসূচী আছিল ডিব্ৰুগড় মহাবিদ্যালয়ৰ অধীনত আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ দলটিক অনুশীলন কৰাইছিলো যদিও সুদক্ষ খেলুৱৈৰ অভাৱত আমাৰ মহাবিদ্যালয়ৰ দলটি জয়ী হ'বলৈ সক্ষম নহ'ল। তাৰ ঠিক কেইদিনমান পিছতেই লক্ষীমপুৰ জিলাৰ তেলাহীৰ অধীনত এখন দ্বিবা-নৈশ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। তাত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে অনুশীলন কৰি প্ৰথম, দ্বিতীয়, তৃতীয় খেলসমূহত জয়ী হ'বলৈ সক্ষম হৈছিলো। খেল অনুষ্ঠিত হৈছিল আমাৰ মহাবিদ্যালয় আৰু ৰঙাজান একাদশৰ মাজত কিন্তু আমাৰ দলটিৰ সুদক্ষ খেলুৱৈ অভাৱত পৰাস্ত হৈছিল।

মোৰ কাৰ্যকালত আটাইতকৈ গুৰুত্বপূৰ্ণ মুহূৰ্তটো আছিল "মহাবিদ্যালয় সপ্তাহ"। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশৰ স্থল "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হৈছিল ২০-১-২০১২ ৰ পৰা ২৫-১-২০১২ লৈ। এই সপ্তাহৰ খেলসমূহ ১৫-১-২০১২ তাৰিখৰ আগৰে পৰা আৰম্ভ কৰিছিলো। ক্ৰিকেট, ফুটবল, ভলীবল, বেডমিণ্টন আদি খেলসমূহত ছাত্ৰৰ লগতে ছাত্ৰী প্ৰতিযোগীৰ সংখ্যা উৎসাহজনক আছিল। খেলসমূহ আৰম্ভ হোৱাৰ পৰা মোক সকলো কাৰ্য নিয়াৰিকৈ পৰিচালনা কৰাত মোৰ শাখাৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ বিজু সোনোৱাল ছাৰে সকলো ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱাৰ লগতে আমাৰ মহাবিদ্যালয়ৰ অৰ্থনৈতিক বিভাগৰ অধ্যাপক ৰমেশ কাকতি ছাৰে যথেষ্ট সহায় আৰু সু-পৰামৰ্শ দি মোক উৎসাহিত কৰিছিল। কিন্তু আমাৰ মহাবিদ্যালয়ৰ মোৰ শাখাৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ বিজু সোনোৱাল চাৰৰ অসুখ হোৱাৰ বাবে মহাবিদ্যালয়ৰ সপ্তাহত উপস্থিত থাকিব নোৱাৰিলে।

মহাবিদ্যালয় সপ্তাহৰ কাৰ্যকাল চলাই নিবলৈ আমাৰ মহাবিদ্যালয়ৰ সভাপতি মহোদয়ে ক্ৰীড়া শাখাত দুজন তত্বাৱধায়কক দায়িত্ব অৰ্পণ কৰিছিল। দৰ্শন বিভাগৰ অধ্যাপক শ্ৰদ্ধাৰ বসন্ত দত্ত আৰু অসমীয়া বিভাগৰ অধ্যাপক ভাস্কৰজিৎ বৰা ছাৰে যথেষ্ট সহায় আৰু সু-পৰামৰ্শ দান কৰি মোক উৎসাহিত কৰিছিল।

আমাৰ কাৰ্যকালত প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত ছাত্ৰ একাদশ আৰু শিক্ষক একাদশৰ মাজত প্ৰীতিৰ ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল।

ক্ৰীড়া বিভাগৰ অৰ্ন্তগত শ্ৰেষ্ঠ স্থানপ্ৰাপ্ত খেলুৱৈ দুজনৰ নাম হৈছে—

ছাত্ৰ— শ্ৰী প্ৰশান্ত গগৈ।

ছাত্ৰী— শ্ৰীমতী পাৰুল চেতীয়া।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালৰ প্ৰতিটো পদক্ষেপতে সু-পৰামৰ্শ আগবঢ়োৱা বসন্ত ছাৰ আৰু ভাস্কৰজিৎ ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোক সদায় সহায় আগবঢ়োৱা পাৰুল বা, দেৱজানী বা, দিপান্তী মোৰ সহপাঠী উদ্দিপ্ত, মিণ্টু, দীপাংকৰ, ৰিতুৰাজ, ৰুপম, দিপজ্যোতি, অনন্ত আৰু বিকাশলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত কাৰ্যকালত যদিহে অজানিতে মহাবিদ্যালয়ৰ মাননীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীসকল তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত দোষ কৰিছিলো তাৰ বাবে মই ক্ষমা বিচাৰিছো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

তপন চেতিয়া

## প্ৰতিবেদন ঃ
## তৰ্ক আৰু আলোচনী বিভাগ

প্ৰতিবেদনৰ বুলনিতে যিসকল মহান ব্যক্তিৰ অশেষ, কষ্ট আৰু ত্যাগৰ ফলত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈ জিলাখনৰ ভিতৰতে অগ্ৰণী এক মহান শিক্ষানুষ্ঠানৰূপে পৰিগণিত হৈছে তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে যিসকল বীৰ শ্বহীদে মাতৃভূমিৰ গৌৰৱ আৰু অস্তিত্ব ৰক্ষাৰ্থে ৰক্ত বলিদান দিলে, সেইসকল দেশপ্ৰেমিক সন্তানলৈ ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। তাৰোপৰি মহাবিদ্যালয়খনিৰ যিসকল শিক্ষাগুৰু, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা শুভাকাঙ্খীয়ে চিৰদিনৰ বাবে বিদায় মাগিলে সেই বৰেণ্য ব্যক্তিসকললৈ সশ্ৰদ্ধা প্ৰণিপাত যাঁচিলো। এই সুযোগতে মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়া, উপাধ্যক্ষ মহোদয়, সন্মানীত শিক্ষাগুৰু তথা কৰ্মচাৰী সকলোলৈকে শ্ৰদ্ধাভৰা কৃতজ্ঞতা নিবেদন কৰিলো। ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনী সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিৰ সকলো ক্ষেত্ৰতে সেৱা আগবঢ়াবলৈ সুবিধা অৰ্পণ কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীসকললৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১১-২০১২ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ তৰ্ক আৰু আলোচনী সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰিয়ে ছাত্ৰ একতা সভাৰ প্ৰতিটো কামতে ওতঃপ্ৰোতঃভাৱে জড়িত হৈ সেৱা আগবঢ়াম বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো। মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা নৱাগত আদৰণী সভা, শংকৰদেৱৰ তিথি, মহাবিদ্যালয় সপ্তাহ আদি অনুষ্ঠানবোৰত ছাত্ৰ একতা সভাৰ অন্যান্য সদস্য সদস্যাৰ লগত ঐক্যবদ্ধভাৱে আৰু একাগ্ৰতাৰে কৰ্মত নিয়োজিত হোৱাৰ চেষ্টা কৰিছিলো।

বৰ্তমান প্ৰতিযোগিতাৰ যুগত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি গৈছে যদিও বহু ক্ষেত্ৰত এতিয়াও পিছপৰি আছে। সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ ফালৰপৰা আহ্বান জনাইছো যাতে তেওঁলোকৰ অন্তৰত থকা মহান প্ৰতিভাবোৰ সম্পূৰ্ণভাৱে উজাৰি দিবৰ বাবে চেষ্টা কৰে। হে মহান প্ৰতিভাশালীসকল, আপোনালোকে সময়ৰ প্ৰতি লক্ষ্য ৰাখি খোজত খোজ মিলাবলৈ চেষ্টা কৰক। বুকুত সাহস বান্ধি আমাৰ মহাবিদ্যালয়ৰ তথা অসমবাসীৰ গৌৰৱৰ কাৰণে ওলাই আহক মুকলি আকাশৰ তললৈ, সৃষ্টিৰ নতুন সপোনলৈ।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহটি ইংৰাজী ২০/১/২০১২ তাৰিখৰ পৰা অনুষ্ঠিত কৰা হৈছিল। তৰ্ক আৰু আলোচনী সম্পাদিকা হিচাপে ক্ৰীড়া সপ্তাহৰ দুয়োটা বিষয়ৰ প্ৰতিযোগিতাসমূহ শৃংখলাবদ্ধভাৱে চলাই নিয়াত সহায় কৰাৰ বাবে বিভাগীয় উপদেষ্টা শ্ৰীযুত ভাস্কৰজিৎ বৰা ছাৰ আৰু শ্ৰীযুত বাহাৰুল ইছলাম ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়ৰ যিসকল প্ৰতিভা সম্পন্ন প্ৰতিযোগীয়ে নিজৰ প্ৰতিভা বিকাশৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

মানুহ মাত্ৰেই ভুল থাকেই। গতিকে মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ তথা শিক্ষাগুৰু, কৰ্মকৰ্তাসকল আৰু মহাবিদ্যালয়ৰসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।

মোক সাহস প্ৰেৰণা আৰু সহায় আগবঢ়োৱা প্ৰকাশ দা, নৌচাদ দা, প্ৰণীতা বা, মোৰ সহপাঠী—কল্যাণী, লিপি, ময়ুৰী, বিকাশ, নিৰু, চিত্ৰ, পলি, সীমাৰেখা, সংগীতা, তৰুণ, লক্ষ্য, উদ্দিপ্ত, প্ৰজ্বলীতা, ৰঞ্জনৰ লগতে ছাত্ৰ একতা সভাৰ সদস্য— ৰাম দা, দীপজ্যোতি বা, তপন দা, লিপি আদি সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন সকলো দিশতে এখন জাকত জিলিকা মহাবিদ্যালয় হৈ উঠক, তাৰ আশাৰে মোৰ এই চমু প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু—লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।

জয়তু—লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

ধন্যবাদেৰে—

প্ৰিয়ংকা দিহিঙীয়া

## প্ৰতিবেদন ঃ
## সমাজসেৱা বিভাগ

প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্ততে দেশৰ তথা জাতিৰ মংগলৰ কাৰণে নিজৰ জীৱনক ধূলিৰ লগত একাকাৰ কৰোতাসকললৈ প্ৰণিপাত তথা অশ্ৰুঅঞ্জলি জ্ঞাপন কৰিছোঁ আৰু সেই মহান শ্বহীদসকলৰ আত্মাৰ চিৰশান্তিৰ কামনা কৰিলোঁ। যিসকল মহান ব্যক্তিৰ অপৰিসীম আত্মবিলিদান আৰু নিঃস্বাৰ্থ ত্যাগেৰে আজি আমাৰ এই মহাবিদ্যালয়খনিক এই স্থানত উপনীত কৰিছেহি তেওঁলোকলৈ আমাৰ ফালৰপৰা ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়যুক্ত কৰাত মই সতীৰ্থ তথা অনুজ অগ্ৰজসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবলৈ পাই মই অতিকে আনন্দিত। কোনো অভিজ্ঞতা নাছিল যদিও সকলোৰে সহায়-সহযোগিতাৰ ফলত কাৰ্যভাৰ আগুৱাই নিয়াত কোনো অসুবিধা

হোৱা নাছিল। মহাবিদ্যালয়ত উদ্‌যাপন কৰা শংকৰদেৱৰ তিথি, সৰস্বতী পূজা আৰু মহাবিদ্যালয় সপ্তাহ আদিত ছাত্ৰ একতা সভাৰ অন্যান্য সদস্যৰ লগতে ময়ো ওতঃপ্ৰোতভাৱে জৰিত আছিলোঁ। মই এই পবিত্ৰ জ্ঞান মন্দিৰৰ সমাজসেৱা বিভাগৰ সকলো কাম সুচাৰুৰূপে পালন কৰিবলৈ যত্ন কৰিছিলোঁ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰে উন্নতি আশাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

*ধন্যবাদেৰে—*

**মধুস্মিতা দত্ত**

## প্ৰতিবেদন ঃ সমাজসেৱা বিভাগ

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্ততে দেশৰ তথা জাতিৰ মংগলৰ কাৰণে নিজৰ জীৱনক ধূলিৰ লগত একাকাৰ কৰাসকললৈ প্ৰণিপাত তথা অশ্ৰু-শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো আৰু সেই মহান শ্বহীদসকলৰ চিৰশান্তি কামনা কৰিলো। জ্ঞাত বা অজ্ঞাত হিচাপে যিসকল মহান ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টা শ্ৰম আৰু ত্যাগৰ বিনিময়ত বৰ্তমানৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনে লক্ষীমপুৰৰ ভিতৰতে এখনি গৌৰৱ উজ্জ্বল আৰু আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে স্বীকৃতি পাবলৈ সক্ষম হৈছে সেই চিৰপূজ্য ব্যক্তিসকলক আমাৰ ফালৰ পৰা ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবলৈ পাই মই অতিকে আনন্দিত। ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়যুক্ত এই মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰাত মই মোৰ সতীৰ্থ তথা অনুজ আৰু অগ্ৰজসকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰথম অৱস্থাত কিছু অসুবিধা অনুভৱ হৈছিল যদিও পিছত সকলোৰে সহায়-সহযোগিতাৰ ফলত কাৰ্যভাৰ আগুৱাই নিয়াত অসুবিধা হোৱা নাছিল। কেৱল নিজৰ বিভাগতে সীমাবদ্ধ নাথাকি মহাবিদ্যালয়ত উদ্‌যাপন কৰা সৰস্বতী পূজা, নবাগত আদৰণি সভা, শংকৰদেৱৰ তিথি, মহাবিদ্যাল ক্ৰীড়া সপ্তাহ আদিত ছাত্ৰ একতা সভাৰ সদস্য হিচাপে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিলোঁ। মোৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্তই মোৰ জীৱনৰ এক নষ্টালজিয়া। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে আমাৰ কাৰ্যকালত কিমানখিনি কৃতকাৰ্যতা লাভ কৰিব পাৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্য বিষয়। মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ছাত্ৰী জিৰণি কোঠাৰ পৰম্পৰাগত প্ৰতিযোগিতাসমূহ যেনে-কেৰম, চাইনিজ চেকাৰ, ডবা, পুষ্পসজ্জা, চিলাই, চালাদ আদিৰ উপৰিও প্ৰথমবাৰৰ বাবে মিচ এল.টি. কে কলেজ আৰু কইনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাসমূহত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে উৎসাহেৰে যোগদান কৰি আমাক অনুপ্ৰাণিত কৰিছিল। আশা কৰো ভৱিষ্যতেও এই প্ৰতিযোগিতাসমূহ পৰৱৰ্তী সম্পাদিকা সকলে অনুষ্ঠিত কৰি ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰি থাকিব। প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাৰ সময়ত ছাত্ৰী জিৰণি কোঠাৰ অতি প্ৰয়োজনীয় আচবাব যেনে-ড্ৰেচিং আইনা, বেচিন, ডেস্ক, বেঞ্চ আদিৰ অভাৱ মুহূৰ্তে মুহূৰ্তে অনুভৱ কৰিছিলোঁ। সুদূৰ ভৱিষ্যতে এই অভাৱসমূহো পূৰণ হ'ব বুলি আশা ৰাখিলোঁ।

মোৰ দায়িত্বভাৰ পালনত সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়োৱা মোৰ বিভাগীয় উপদেষ্টা লিছামণি বাইদেউ, প্ৰিয়ংকা, ময়ুৰী, চিমা, কল্যাণী, নিৰু, চিত্ৰ, পলী, পপী, ভৱানী, তৰুণ, লক্ষ্য, সংগীতা, লগতে ছাত্ৰ একতা সভাৰ সদস্য ৰাম দা, দীপজ্যোতি বা, তপন দা, প্ৰিয়ংকাক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মানুহ মাত্ৰেই ভুল থাকেই, গতিকে মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

সদৌ শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

*ধন্যবাদেৰে—*

**লিপিকা শইকীয়া**


# তত্বাৱধায়কৰ একলম


লক্ষীমপুৰ জিলাৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ অন্যতম লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়। ১৯৭৭ চনৰ ২২ আগষ্টত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনে ইতিমধ্যে সফলতাৰে ৩৬ টি বছৰ অতিক্ৰম কৰিলে। ইতিমধ্যে মহাবিদ্যালয়ৰ আলোচনী বিভাগে কেইবাও সংখ্যা প্ৰকাশ কৰি উলিয়াইছে। এইবছৰৰ এই দায়িত্বভাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়াই আমাক অৰ্পন কৰে। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই এক সপোন দেখিছিলো যে, এক সুন্দৰ ৰূপত পাঠক সমাজলৈ এই সংখ্যাটি আগবঢ়াম। কিন্তু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বিশেষ সহাঁৰি পোৱা নগ'ল। দুই-তিনিবাৰ জাননী দিয়াৰ পিছতো আলোচনীখন প্ৰকাশৰ বাবে লেখনিৰ অভাৱে আমাক বহু সময়ত ব্যৰ্থ কৰি তুলিছিল। যিকেইটা লেখনি পোৱা গ'ল তাকে সম্পাদনা সমিতিৰ উপদেষ্টা মণ্ডলীয়ে যথেষ্ট কষ্ট সহকাৰে ঘঁহি-মাজি প্ৰকাশৰ বাবে আগবঢ়ালে। এই ছেগতে উপদেষ্টা মণ্ডলীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। সাহিত্য

আলোচনীখনৰ প্ৰকাশৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লাবণ্য বুঢ়াগোহাঁই বাইদেউ, উপাধ্যক্ষ ড° হামিদুৰ ৰহমান ডাঙৰীয়া, সম্পাদনা সমিতিৰ সন্মানীয় উপদেষ্টা মণ্ডলীলৈ কৃতজ্ঞতা জনালোঁ। আলোচনীখনৰ বেটুপাত অংকন কৰা ভ্ৰাতৃ সঞ্জীৱ বৰা, স্কেচ্ অংকন কৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ৰাজশেখৰলৈ শুভাশীষ যাচিলো।

অনাগত দিনত আমাৰ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ জৰিয়তে এক বৌদ্ধিক বাতাবৰণ কঢ়িয়াই আনিব বুলি আশা কৰি আলোচনীখনত ৰৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি তত্বাৱধায়কৰ কলম সামৰিছোঁ।

ভাস্কৰজিৎ বৰা





বুৰঞ্জী বিভাগৰ দ্বাৰা প্ৰকাশিত দুখন গৱেষণাধৰ্মী আলোচনী




বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ
বিত্তীয় সাহাৰ্যৰে নৱনিৰ্মিত এথেলেটিক ট্ৰেক




নিৰ্মিয়মান অৱস্থাত মহাবিদ্যালয়ৰ
ইনডৰ ষ্টেডিয়াম



নিৰ্মিয়মান অৱস্থাত মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা

# L. T. K. COLLEGE MAGAZINE

SESSION : 2011-12



Prof-in-charge
Bhaskarjit Borah

Editor
Priyanka Dihingia